● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


## দিগ্‌দৰ্শন

আনৰ কল্পনাৰ সীমাৱদ্ধতাৰ বাবে নিজকে কেতিয়াও সীমাদ্ধতাৰ গণ্ডীত নাৰাখিব; নিজস্ব কল্পনাৰ চমু পৰিধিৰ বাবে আনক বাধা নিদিব।

মেই জেমিছন
*আমেৰিকান জ্যোতিৰ্বিজ্ঞানী*




www.dainikagradoot.in



৭ এমাহত ৰাছিয়াত কৰ'নাত মৃত্যু ৪৪ হেজাৰৰ
১৫ নিউজিলেণ্ডৰ হাততো ধৰাশায়ী ভাৰত
৪ বুদ্ধিজীৱীৰ নিৰপেক্ষতা



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৫তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৪ কাতি ১৪২৮ ভাস্কৰাব্দ ১ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 1 November 2021 মূল্য ঃ ৯.০০ টকা


■ ক'ভিড বিপন্ন শ্ৰমিকৰ জীৱনদায়িনী এনৰেগাত সংকট ■ হেজাৰ হেজাৰ শ্ৰমিকে লাভ কৰা নাই মজুৰি ■ হেজাৰ হেজাৰ লোকক 'বন্ধ্যা শ্ৰমিক'লৈ পৰ্যবসিত কৰা হৈছে ঃ শ্ৰমিক সংগঠন

# বিপৰ্যয়ৰ মাজতে এনৰেগাৰ পুঁজি শূন্য

■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপৰ্টাৰ

নতুন দিল্লী/গুৱাহাটী, ৩১ অক্টোবৰ ঃ ক'ভিডে জীৱন-জীৱিকা বিপদাপন্ন কৰা পৰিস্থিতিত কৰ্মসংস্থাপন হেৰুওৱা অসমৰ গ্ৰাম্য শ্ৰমিকৰ বাবে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োজন নিশ্চিত আইন (এমজি এনৰেগা)ৰ অধীনত জীৱিকা কিছু পৰিমাণে বিকল্প হৈ উঠাৰ সময়তে ইয়াৰ পুঁজিৰ অন্ত পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী এই আঁচনিৰ ধন চলিত বিত্তীয় বৰ্ষৰ আধাতে অন্ত পৰাক লৈ উদ্বেগৰ সৃষ্টি হৈছে। এই এশদিনীয়া নিশ্চিত শ্ৰমৰ আঁচনিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এসময়ত গাঁত খন্দাৰ কাম বুলি কটাক্ষ কৰিছিল। ক'ভিড পৰিস্থিতিত দেশৰ আৰ্থিক সুস্বাস্থ্য ঘূৰি অহা নাই যদিও মোদী চৰকাৰে এতিয়া এই এশদিনৰ কামৰ আঁচনিৰ বিপৰীতে চলিত বিত্তীয় বৰ্ষতো অতিৰিক্ত অৰ্থ ব্যয় কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ উচ্চস্তৰীয় সূত্ৰত প্ৰকাশ যে বিগত বৰ্ষত ক'ভিডৰ বাবে প্ৰব্ৰজিত শ্ৰমিকসকলে দেশৰ বিভিন্ন চহৰ-নগৰত কাম হেৰুৱাই ঘৰলৈ উভতিছিল। কিয়নো তেওঁলোকৰ বাবে এশদিনৰ কামৰ ১০ পৃষ্ঠাত চাওক

■ ৰাজ্যসমূহে কৃত্ৰিম চাহিদাৰ সৃষ্টি কৰাৰ অভিযোগ কেন্দ্ৰৰ ■ আগন্তুক সংসদৰ অধিবেশনতে পৰিপূৰক দাবী মঞ্জুৰিৰ জৰিয়তে পুঁজি আবণ্টনৰ আশ্বাস ■ অসমত শ্ৰমিকৰ বাজেটৰ ৯০ শতাংশৰ লক্ষ্য পূৰণ কৰাৰ দাবী বিষয়াৰ



*জন সম্বাদ উৎসৱ উপলক্ষে যুদ্ধ স্মাৰকত শ্ৰদ্ধাঞ্জলি ৰাজ্যপাল জগদীশ মুখীৰ, মহানগৰীত দেওবাৰে।*

## জ্যেষ্ঠ নাগৰিকৰ বেদনা আৰু সমাজৰ দায়িত্ব

■ প্ৰাঞ্জলসেন ডেকা

**ভাৰতৰ** দৰে এখন অনগ্ৰসৰ দেশৰ জ্যেষ্ঠ নাগৰিকসকল কেতবোৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হোৱাটো অস্বাভাৱিক নহয়; কিন্তু জীৱনৰ বিয়লি বেলাত গৰিষ্ঠসংখ্যক জ্যেষ্ঠ নাগৰিক অভাৱনীয় দুৰ্দশাৰ সন্মুখীন হ'বলগীয়া হোৱাটো অত্যন্ত বেদনাদায়ক। জ্যেষ্ঠ নাগৰিকসকলৰ সমস্যা লাঘৱ কৰিবলৈ চৰকাৰী তথা বেচৰকাৰী পৰ্যায়ত কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও জনসংখ্যাৰ হাৰৰ তুলনাত সেয়া তেনেই তাকৰ। চৰকাৰ তথা নাগৰিক ১০ পৃষ্ঠাত চাওক

■ চৰকাৰক হেঁচা দিয়াত ব্যৰ্থ বিৰোধী ঃ বিজেপি বিধায়কৰ ভাষ্য

পাইকাৰী-খুচুৰা মূল্যৰ বৃহৎ ব্যৱধান ■ কুম্ভকৰ্ণ নিদ্ৰাত যোগান মন্ত্ৰী

## তেল নাখাব ঃ মূল্যবৃদ্ধিত জৰ্জৰিত জনতাক পৰামৰ্শ শাসকীয় নেতাৰ

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩১ অক্টোবৰ ঃ** ক'ভিডে কোঙা কৰা আৰ্থিক অৱস্থাই স্বাভাৱিক গতি লাভ নকৰোতেই পেট্ৰ'ল-ডিজেলকে ধৰি সকলোবোৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধিয়ে হেঁচা মাৰি ধৰাত ৰাজ্যৰ সাধাৰণ জনতা দিশহাৰা হৈ পৰিছে। এনে সময়তে মূল্যবৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থ শাসকীয় পক্ষৰ মন্ত্ৰী-বিধায়কে আগবঢ়াই অহা এটাৰ পাছত আন টুলুঙা মন্তব্যই জনতাক উপহাস কৰা কাৰ্যই ক্ষোভৰ সৃষ্টি কৰিছে। পেট্ৰ'জ-ডিজেলৰ মূল্যবৃদ্ধি সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই দুচকীয়া বাহনত তিনিজনকৈ লোক উঠাৰ পৰামৰ্শ ১০ পৃষ্ঠাত চাওক

## প্ৰশান্ত ৰাজগুৰুলৈ লিঅ' এক্সপ' ২০২১ বঁটা

**গুৱাহাটী, ৩১ অক্টোবৰ ঃ** ক'ভিড পৰিস্থিতিৰ বাবে বিগত দুটা বছৰ উৎসাহ ম্লান পৰিলেও পৰিৱেশ ক্ৰমাৎ সূচল হোৱাত ক'ভিড প্ৰট'কল মানি ১০ পৃষ্ঠাত চাওক

বজাৰ নিয়ন্ত্ৰক সমিতিৰ অস্তিত্বক লৈ প্ৰশ্নৰ উদ্ৰেক

## মূল্য বৃদ্ধিৰ জুইত নগাঁৱত মাটিৰ চাকি বিক্ৰেতাৰ মূৰত মাধমাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/তেজপুৰ, ৩১ অক্টোবৰ ঃ** সকলো সামগ্ৰীৰে অস্বাভাৱিক মূল্য বৃদ্ধিৰ মাজতে আহিছে পোহৰৰ উৎসৱ দীপান্বিতা। এই উৎসৱলৈ মাজত মাত্ৰ তিনিটা দিনহে বাকী আছে; কিন্তু দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ বাবে এই উৎসৱক লৈ এইবাৰ মূল্যবৃদ্ধিৰ প্ৰকোপতে উচাহ নোহোৱা হৈছে। অবিভক্ত নগাঁও ১০ পৃষ্ঠাত চাওক

■ দলগাঁৱত ট্ৰাকৰ স'তে মুখামুখি সংঘৰ্ষ

## ভয়াৱহ দুৰ্ঘটনাত কিশোৰী ইউটিউবাৰ-মাতৃসহ থিতাতে পাঁচজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ৩১ অক্টোবৰ ঃ** দৰঙৰ দলগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বেচিমাৰীত আজি সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত মাতৃ-কন্যাসহ পাঁচজন লোকৰ থিতাতে মৃত্যু হোৱাৰ উপৰি আন তিনিজন গুৰুতৰভাৱে আহত হয়। তেজপুৰৰ পৰা গুৱাহাটী অভিমুখে আহি থকা এএছ-০৭ জি-৬৭৯৪ নম্বৰৰ ছুইফট ডিজায়াৰ আৰু বিপৰীত দিশে আহি থকা এএছ-২৩চিচি-১০০২ নম্বৰৰ ছয়চকীয়া ট্ৰাকৰ ১০ পৃষ্ঠাত চাওক

## ডাকঘৰত গ্ৰাহকৰ জমা ধন ৭০ লাখ আত্মসাৎ কৰি আত্মগোপন

নিবেদিতা দাস ওৰফে মুন্নাৰ কাণ্ডত হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩১ অক্টোবৰ ঃ** কোকৰাঝাৰ চহৰত ডাকঘৰৰ 'মহিলা প্ৰধান ক্ষেত্ৰীয় বচত যোজনা'ৰ বিষয়া এগৰাকীয়ে গ্ৰাহকৰ ৭০ লাখ টকা আত্মসাৎ কৰি বিগত পাঁচ-ছয়দিন ধৰি নিৰুদ্দেশ হোৱা ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিবেদিতা দাস (৪৮) ওৰফে মুন্না নামৰ বিষয়াগৰাকীয়ে ১০ পৃষ্ঠাত চাওক

আইডিবিআই বেংকৰ এক কোটি ১০ লাখ আত্মসাৎ ■ কৃষি-দুগ্ধ উন্নয়নৰ নামত ঋণ লৈছিল

## বেংকক প্ৰৱঞ্চনা ঃ ঘোষ ব্ৰাদাৰ্ছৰ মালিকক গ্ৰেপ্তাৰ

ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ নামত ৭৫ লাখ আত্মসাতৰ গোচৰতো হ'ব গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩১ অক্টোবৰ ঃ** ১৬৮ কোটিটকীয়া বেংক কেলেংকাৰিৰ সন্দৰ্ভত চাৰি মাহৰ পূৰ্বে কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা (চি বি আই)ৰ জেৰাৰ সন্মুখীন হোৱা মহানগৰীৰ প্ৰতিষ্ঠিত ব্যৱসায়ী মেচাৰ্ছ ঘোষ ব্ৰাদাৰ্ছৰ স্বত্বাধিকাৰী প্ৰতুল কুমাৰ ঘোষক কালি অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ তদন্ত সংস্থাই আন এক বেংকৰ ধন আত্মসাতৰ গোচৰত গ্ৰেপ্তাৰ কৰে। জি এছ ৰোডৰ আইডিবিআইৰ বেংকৰ পৰা ধৃত ঘোষে এক কোটি ১০ লাখ টকা ঋণ লৈ আন শিতানত ব্যৱহাৰ কৰি সমগ্ৰ ধন আত্মসাৎ কৰিছিল। আইডিবিআই বেংকৰ অভিযোগৰ ভিত্তিতে কালি অৰ্থনৈতিক অপৰাধ তদন্ত বিভাগৰ পৰিদৰ্শক মণি মোহন কোঁচৰ নেতৃত্বত যোৱা এটা দলে তেওঁক ১০ পৃষ্ঠাত চাওক






এনএইছপিচিৰ অধ্যক্ষৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন

আন্দোলনকাৰী নাই ঃ পূৰ্ণগতিত চলিছে নিৰ্মাণ কাৰ্য

## আগষ্টত নামনি সোৱণশিৰি বান্ধৰ দুটা গোটৰ উৎপাদন আৰম্ভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ


**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩১ অক্টোবৰ ঃ** অহা আগষ্টত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ দুটা গোটৰ উৎপাদন আৰম্ভ হ'ব। এন এইছ পি চিৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক এ কে সিঙৰ উপস্থিতিত বান্ধৰ নিৰ্মাণস্থলীত প্ৰকল্পটো ৰূপায়ণৰ দায়িত্বত থকা নিৰ্মাণকাৰী সংস্থা, অন্যান্য কৰ্মৰত সংস্থা, অসম আৰু অৰুণাচল প্ৰদেশৰ শক্তি বিভাগৰ শীৰ্ষ বিষয়া আদিৰ উপস্থিতিত যোৱা নিশা অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অহা ন মাহৰ ভিতৰত দুটা গোটত বিদ্যুৎ উৎপাদনৰ লক্ষ্য পূৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। পৰ্যালোচনা বৈঠকৰ পূৰ্বে অধ্যক্ষ সিঙে নিৰ্মীয়মান জলবিদ্যুৎ প্ৰকল্পটোৰ ১০ পৃষ্ঠাত চাওক

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ১৯° |
| ডিব্ৰুগড় | ২৯° | ১৯° |
| দিল্লী | ২৯° | ১৭° |
| কলকাতা | ৩৩° | ২৭° |
| মুম্বাই | ৩৩° | ২৬° |
| চেন্নাই | ৩১° | ২৬° |
| বাংগালুৰু | ২৪° | ২০° |
| শ্বিলং | ২১° | ১০° |

*৩১ অক্টোবৰ, ২০২১*

## চেঙা তেল



*এই জ্বালা-যন্ত্ৰণাৰ পৰা আঁতৰি ৰাইজৰ টকাৰে এনেদৰে উৰি ফুৰিব পৰা হ'লে!*

## বিশেষভাৱে সক্ষম দুই যমজ শিশুৰ মৃতদেহ পুখুৰীত উদ্ধাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নলবাৰী/বৰভাগ, ৩১ অক্টোবৰ ঃ** কালিৰ পৰা সন্ধানহীন হৈ থকা বিশেষভাৱে সক্ষম দুই যমজ শিশু ভ্ৰাতৃৰ সলিল সমাধি ঘটাৰ এক কৰুণ ঘটনাই আজি নলবাৰীত শোকৰ ছাঁ ১০ পৃষ্ঠাত চাওক

## জিনছ পৰিধানৰ বাবেই শিক্ষিত যুৱতীক দুৰ্ব্যৱহাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩১ অক্টোবৰ ঃ** জিনছ পেণ্ট পৰিধান কৰা বাবে নুৰুল আমিন নামৰ এজন লোকে এগৰাকী যুৱতীক ঘৰৰ পৰা গতিয়াই বাহিৰ কৰি দিয়া ঘটনাই বিশ্বনাথ ১০ পৃষ্ঠাত চাওক








দৈনিক অগ্ৰদূত

গুৱাহাটী, ১ নৱেম্বৰ, ২০২১ সোমবাৰ পৃষ্ঠা তিনি


# দেওমৰনৈৰ বহু বিদ্যালয়ত পদ খালী

■ উপযুক্ত শিক্ষা লাভৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰী ■ শিক্ষক-কৰ্মচাৰীৰ পদ পূৰণ কৰিবলৈ দাবী আছুৰ

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ৩১ অক্টোবৰ ঃ** দৰং জিলাৰ বৃহত্তৰ দেওমৰনৈ অঞ্চলৰ শিক্ষানুষ্ঠানসমূহত খালী হৈ থকা শিক্ষক-কৰ্মচাৰী পদ পূৰণ আৰু বিদ্যালয়-মহাবিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰাৰ দাবী জনাইছে ছাত্ৰ সন্থাই। এক বিবৃতিত দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাই উল্লেখ কৰে যে জিলাখনৰ পশ্চিম প্ৰান্তৰ দেওমৰনৈ অঞ্চলত থকা প্ৰধানকৈ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষানুষ্ঠানসমূহত কে'বাগৰাকীও শিক্ষক-কৰ্মচাৰীৰ পদ খালী হৈ আছে। উক্ত পদসমূহ পূৰণ কৰিবলৈ শিক্ষামন্ত্ৰী তথা অসম ছয় পৃষ্ঠাত চাওক

# অভিনেতা-প্ৰকৃতিপ্ৰেমী হিৰণ্য কুমাৰ শৰ্মাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**চামগুৰি, ৩১ অক্টোবৰ ঃ** নগাঁও জিলাৰ চামগুৰিৰ শিঙিয়া কুমাৰ গাঁৱৰ নিবাসী তথা অভিনেতা, সমাজসেৱক আৰু প্ৰকৃতিপ্ৰেমী হিৰণ্য কুমাৰ শৰ্মা (৮৮)। যোৱা নিশা বাৰ্দ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। ১৯৩৪ৰ ২৫ মাৰ্চত চামগুৰিৰ শিঙিয়া কুমাৰগাঁৱত জন্ম গ্ৰহণ কৰা শৰ্মা ছাত্ৰ অৱস্থাৰ পৰাই ভাওনা আৰু সামাজিক নাটকত বিভিন্ন চৰিত্ৰত অভিনয় কৰিছিল। প্ৰকৃতিপ্ৰেমী হিচাপে সমাজত পৰিচয় থকা শৰ্মা সংগীতৰ প্ৰতিও আকৰ্ষিত হৈছিল। অসমীয়া ভাওনাত বিভিন্ন চৰিত্ৰত অভিনয় কৰাৰ উপৰি নগাঁও জিলাৰ বিভিন্ন স্থানত অনুষ্ঠিত অসমীয়া ভাওনাত মহিলা চৰিত্ৰ ৰূপায়ণ কৰি ৰাইজৰ সমাদৰ ছয় পৃষ্ঠাত চাওক

# 'বিকল্প ব্যৱস্থা কৰি দিয়ক, আমি নিজেই আঁতৰি যাম'

ধিঙৰ পাৰ্শ্বৱৰ্তী চৰ মুক্ত কৰাৰ জাননী জাৰি ঢেকিয়াজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ

বিশেষ সংবাদদাতা

**নগাঁও, ৩১ অক্টোবৰ ঃ** অৱশেষত 'দৈনিক অগ্ৰদূত'ৰ বাতৰিত গা লৰিল শোণিতপুৰ জিলা প্ৰশাসনৰ। যোৱা ২৬ অক্টোবৰত 'দৈনিক অগ্ৰদূত' কাকত কোচমৰা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ বিভিন্ন চৰত হোৱা বেদখলৰ সন্দৰ্ভত তথ্য সম্বলিত বাতৰি প্ৰকাশ হৈছিল। সেই বাতৰিত এসময়ৰ পশ্চিম অসম বন সংমণ্ডল (তেজপুৰ)ৰ অধীনস্থ আৰু বৰ্তমান নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত কোচমৰা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত কান্ধুলিমাৰী, তিনতিকীয়া, গৰুখুঁটি, ৰাণীটাপু, কোচমৰা, কুট্টামাৰী, পংৰে, বিচ্ছে, বিন্দ্ৰে, ৰামদাস চৰ, ভকতে পানী খোৱা ঘাট, গোলোক চৰ, ডোৰৱামাৰী, খাবেদ চৰ, চৰ্দাৰটাপু, লহৰীয়া, মুছলিম চৰ, বিশবালি, গাইটাপু, কালাচৰ, আবেদৰ চৰ, কুখৰে, কুট্টামাৰী প্ৰমুখ্যে বিভিন্ন চৰত হোৱা অবাধ বেদখলৰ বিষয়ে সবিস্তাৰে প্ৰকাশ পাইছিল। এই বেদখল উচ্ছেদৰ ক্ষেত্ৰত চৰকাৰ তথা প্ৰশাসনৰ অনীহাৰ কথাও বাতৰিটোত প্ৰকাশ পাইছিল। উল্লেখ্য যে কোচমৰা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত এই চৰ-চাপৰিসমূহৰ ৯৫ শতাংশ চৰ- চাপৰিয়েই শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অধীনস্থ। বাতৰি প্ৰকাশৰ মাত্ৰ তিনিটা দিনৰ পাছতেই বিষয়টোক লৈ তৎপৰ হৈ পৰে শোণিতপুৰ জিলা প্ৰশাসন। এই সন্দৰ্ভত শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই সংশ্লিষ্ট চৰৰ বেদখলকাৰীসকললৈ চৰ অঞ্চলৰ মাটি বেদখলমুক্ত কৰাৰ সন্দৰ্ভত যোৱা ২৯ অক্টোবৰত ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে




## ■ তেজপুৰত শিল-বালিৰ অবৈধ বেহা ঃ নীৰৱ জিলা প্ৰশাসন ■ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজৰ দাবী

# অবৈধ খননে শংকা কঢ়িয়াইছে বৈদ্যুতিক টাৱাৰলৈ



অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩১ অক্টোবৰ ঃ** কৃষি, বন বিভাগৰ লগতে ভূমিসংৰক্ষণ বিভাগৰ গাফিলতি তথা প্ৰশাসনৰ নিৰ্লিপ্ত ভূমিকাৰ বাবে তেজপুৰ আৰু কাষৰীয়া অঞ্চলত অব্যাহত আছে অবৈধ বালি খনন। তেজপুৰৰ ভালুকঝাৰণি, যুগলনি, বিহিয়াগাঁও আদিত ব্যাপক ৰূপত মাটি আৰু বালি খনন চলি থকাৰ বিপৰীতে নিকটৱৰ্তী ৰৌমাৰী, মানশিৰি আদিত জধে-মধে বালিৰ খনন চলিছে। উল্লেখ্য যে তেজপুৰৰ বিহিয়াগাঁও আৰু ভালুকঝাৰণিত এই অবৈধ খননে এক মহলৰ ৰূপ লৈছে। বিহায়াগাঁৱত জীয়াভৰলীৰ পাৰত পুৱাৰে পৰাই দিনটো এক্সাভেটৰেৰে চলোৱা খননে কাষৰীয়া অঞ্চলৰ বাবেই বিপদ কঢ়িয়াই আনিছে। বৰ্তমান এই অঞ্চলত জীয়াভৰলীৰ বুকুৰ পৰা শিলো সংগ্ৰহ কৰাত নামি পৰিছে একাংশ লোক। আনহাতে, ভালুকঝাৰণি অঞ্চলত চৰকাৰী ভূমিৰ লগতে গোপচাৰ মাটিত চলা এনে অবৈধ খননে অঞ্চলসমূহত একো একোটা বৃহৎ খালৰ সৃষ্টি কৰিছে। উল্লেখ্য যে নপাম খনামুখ সংযোগী পথত ৰৌমাৰী অঞ্চলত ব্যাপক ৰূপত একেই দুষ্কাৰ্য চলি আহিছে দীৰ্ঘদিনৰ পৰা। পথৰ কাষলৈকে এনে খনন চলাই নহয় ইয়াত এই অবৈধ খননৰ ফলত একোটা বৃহৎ পুখুৰীৰ ৰূপ লৈছে। আনকি পাৱাৰগ্ৰীডৰ বৃহৎ স্তম্ভৰ কাষতে একাংশই এক্সাভেটৰ আৰু ফ'কলেণ্ডৰ দৰে যন্ত্ৰৰে মাটি আৰু বালি খন্দাৰ পৰিণতিত অতি উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ তাঁৰ সংযোগী এই কুটাসমূহৰ স্থায়িত্বৰ প্ৰতিয়েই ভাবুকি বৃদ্ধি পাইছে। দিন দুপুৰতে এনে টাৱাৰৰ কাষৰ পৰাই বালি খান্দি ডাম্পাৰৰে কঢ়িয়াই থকা হয় যদিও চৰকাৰী বিভাগৰ এই ভয়ানক কাৰ্য নিয়ন্ত্ৰণৰ বাবে আহৰি নাই। উল্লেখ্য যে ৰৌমাৰীৰ একাংশ লোকে উত্থাপন কৰা অভিযোগ মতে, এই অঞ্চলত নগাঁৱৰ লগতে কাষৰীয়া অঞ্চলৰ পৰা প্ৰব্ৰজন কৰি আহি ইয়াত নিগাজিকৈ বাস কৰা বহু সংখ্যক লোকে এইদৰে চৰকাৰী মাটিৰ লগতে কৃষিভূমিত খনন চলাইছে। পুৱাৰে পৰা সমগ্ৰ দিনটো এনেদৰে খনন চলি থকাৰ বিপৰীতে এনে অবৈধ কাৰ্য মূল পথৰ পৰাই দেখিবলৈ পোৱা যায় যদিও সংশ্লিষ্ট চৰকাৰী বিভাগে এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰে। তদুপৰি এই অঞ্চলত এনেদৰে চলোৱা অবৈধ খননৰ বাবেই একোডাল বাঁহ পোনে পোনে ডুব যাব পৰা একোটা খালৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ অনুসৰি, তেজপুৰত এনেদৰে অবৈধ খননৰ ফলত সৃষ্ট ছয় পৃষ্ঠাত চাওক

# ৰাজ্যিক বঁটাপ্ৰাপ্ত ভাস্কৰ্য শিল্পী প্ৰণৱ দাসৰ মৃত্যু

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ৩১ অক্টোবৰ ঃ** প্ৰখ্যাত ভাস্কৰ্য আৰু তৈলচিত্ৰ শিল্পী তথা আপ নেতা প্ৰণৱ দাস (৮১)ৰ মৃত্যু হয়। ধুবুৰী জিলাৰ বিলাসীপাৰা চহৰৰ পাঁচ নম্বৰ ৱাৰ্ডৰ বাসিন্দা তথা বহু কেইটা বঁটাৰে বিভূষিত শিল্পীজনৰ মৃত্যুৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। কে'বাটাও ৰোগত আক্ৰান্ত শিল্পীজন কেইদিনমান পূৰ্বে গোৱালপাৰাৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত আজি পুৱা শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত বিলাসীপাৰা আছু, আক্ৰাছু, অজাযু ছাত্ৰ পৰিষদ, বিলাসীপাৰা প্ৰেছ ক্লাব, অসম গণ পৰিষদ, ছয় পৃষ্ঠাত চাওক

# পথালিপাহাৰত ডাম্পাৰে বিধ্বস্ত কৰিলে টোলগেট

অগ্ৰদূত বাৰ্তা

**বান্দৰদেৱা, ৩১ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা টোলগেটত যোৱা ২৯ অক্টোবৰত দুপৰীয়া ১২-৩০ বজাত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় লোক তথা আৰক্ষী সূত্ৰে উল্লেখ কৰা মতে, এআৰ-০৬এ-১৩৬২ নম্বৰৰ এখন তীব্ৰবেগী ডাম্পাৰে টোলগেটৰ মাজ অংশত খুন্দিয়ায়। ডাম্পাৰৰ খুন্দা ইমানেই ভয়াবহ আছিল যে টোলগেটৰ এটা অংশ সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। উল্লেখ্য যে অতি ব্যস্ত পথৰ শূন্য দূৰত্বতে এখন বেচৰকাৰী বিদ্যালয় থকাৰ লগতে এটা চিমেন্ট উদ্যোগ তথা কৃষিজীৱী লোকৰ অবাধ যাতায়াত। ছয় পৃষ্ঠাত চাওক

# সমাজকৰ্মী গোলাপ বৰ্মনৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩১ অক্টোবৰ ঃ** নলবাৰীৰ বিশিষ্ট সমাজকৰ্মী গোপাল বৰ্মন (৬৫)ৰ আজি পুৱতি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত মৃত্যু হয়। বিগত কিছুদিন ধৰি শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰাত নলবাৰীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ ছয় পৃষ্ঠাত চাওক

■ চলাচলৰ বাবে মাজুলী জিলা প্ৰশাসনৰ চৰ্ত সাপেক্ষে অনুমতি

# আৰম্ভ হ'ব মাজুলীৰ ফেৰী ঘাটত মালবাহী এক ইঞ্জিনযুক্ত নাৱৰ সেৱা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩১ অক্টোবৰ ঃ** পৰিবহণ বিভাগে যোৱা ২৯ অক্টোবৰত প্ৰকাশ কৰা নতুন নিৰ্দেশনা অনুসৰি মাজুলী জিলাত একক ইঞ্জিনচালিত বেচৰকাৰী মালবাহী ফেৰীসমূহৰ যাতায়াত ব্যৱস্থা পুনৰ আৰম্ভ কৰাৰ সম্পৰ্কত মাজুলী জিলাৰ উপায়ুক্ত পুলক মহন্তৰ সভাপতিত্বত কালি এখন সভা অনুষ্ঠিত হয়। উপায়ুক্তই চৰকাৰৰ নিৰ্দেশনা অনুসৰি মাল পৰিবাহী নাৱৰ গৰাকী সকলক নাওসমূহত সামগ্ৰীৰ বাহিৰে অন্য যাত্ৰী কঢ়িয়াব নোৱাৰিব আৰু এই সম্পৰ্কে এখন শপতনামা জিলা প্ৰশাসনক দিব লাগিব বুলি উল্লেখ কৰে। উপায়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত সভাত আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কাৰ্যকৰী অভিযন্তা তথা অন্যান্য বিষয়ববীয়াসকল, মাজুলী চেম্বাৰ অৱ কমাৰ্চ তথা ফেৰী মালিক সন্থাৰ সদস্যসকল উপস্থিত থাকে।

উল্লেখ্য যে ইয়াৰ পূৰ্বে যোৱা ১৪ ছেপ্টেম্বৰত প্ৰকাশ পোৱা নিৰ্দেশনাত ৰিভাৰ্ছ গীয়েৰ থকা মেৰিন ইঞ্জিনযুক্ত নাৱৰ বাহিৰে একক ইঞ্জিনচালিত বেচৰকাৰী নাওসমূহৰ যাতায়াত বন্ধ কৰা হৈছিল। ইয়াৰ ফলত মাজুলী তথা চৰ অঞ্চল লৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগানত ব্যাঘাত জন্মে। তদুপৰি ৰেছন সামগ্ৰীৰ যোগানতো যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল সাধাৰণ ৰাইজ। সেয়ে উক্ত সভাত উপায়ুক্তই জাৰি কৰা নতুন নিৰ্দেশনা ঘোষণা কৰাৰ পাছত, ফেৰী মালিক সন্থা আৰু মাজুলী চেম্বাৰ অৱ কমাৰ্চৰ সদস্যসকলে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন ছয় পৃষ্ঠাত চাওক

# নগাঁও চহৰৰ ধিং ৰোডৰ ঔষধ বিপণীত বিধ্বংসী অগ্নিকাণ্ড

বিশেষ সংবাদদাতা

**নগাঁও, ৩১ অক্টোবৰ ঃ** নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত ধিং ৰোডস্থ 'প্ৰিঞ্চি মেডিচিন ৱৰ্ল্ড' নামৰ এখন ঔষধ বিপণীত যোৱা নিশা এক অগ্নিকাণ্ড সংঘটিত হয়। নিশা ১০ বজাত ঔষধৰ বিপণীখন বন্ধ কৰি কৰ্মচাৰীসকল ঘৰলৈ যোৱাৰ পাছত নিশা ১.৩০ বজাত বিপণীখনত বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনাটো সংঘটিত হয়। পাছত স্থানীয় ৰাইজে হয়বৰগাঁও আৰক্ষী আৰু অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়াত অগ্নিনিৰ্বাপক বাহিনীৰ পাঁচখনকৈ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ বহু প্ৰচেষ্টাৰ অন্তত এই জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। বৃহৎ ঔষধ বিপণীটোৰ সকলো ঔষধ পাতি, বহু মূল্যৱান নথি-পত্ৰৰ লগতে দোকানখনো জুইত জাহ যায়। অগ্নিকাণ্ডটো বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ কৰিছে।

# জাতীয় জীৱনৰ মহানায়কসকলৰ বিষয়ে ভালদৰে অধ্যয়ন হোৱা নাই

■ নগাঁৱত জোঙালবলহু নাটকৰ মহুৰত



বিশেষ সংবাদদাতা

**নগাঁও, ৩১ অক্টোবৰ ঃ** নগাঁও প্ৰেছ ক্লাবত আয়োজিত এক অনুষ্ঠানত আজি জোঙালবলহু নাটকৰ মহুৰত কৰা হয়। এই উপলক্ষে অনুষ্ঠিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰহ্লাদ মছৰঙে কয়, 'জোঙাল বলহুৰ দৰে এক বিশেষ চৰিত্ৰৰ ব্যক্তি এজনৰ বিষয়ত নাটক ৰচনা কৰাটো এক জটিল কাম। তেওঁ জোঙাল বলহুৰ বিষয়ে উল্লেখ কৰি কয়, 'জাতীয় জীৱনৰ মহানায়কসকলৰ বিষয়ে আজিও ভালদৰে অধ্যয়ন হোৱা নাই। নাটকখনৰ জৰিয়তে নিশ্চিতভাৱে ৰাইজে জোঙাল বলহুৰ বিষয়ে জানিব পাৰিব।' উক্ত অনুষ্ঠানত সাংবাদিক কনক ছয় পৃষ্ঠাত চাওক

# সেউজ আতচ্‌বাজীহে বিক্ৰীৰ অনুমতি বৰপেটা জিলা প্ৰশাসনৰ

বিশেষ সংবাদদাতা

**বৰপেটা, ৩১ অক্টোবৰ ঃ** আগন্তুক দীপাৱলী আৰু ষট পূজা উপলক্ষে সমগ্ৰ জিলাখনত পৰিৱেশ, জনস্বাস্থ্য তথা শান্তি-শৃংখলা বজাই ৰখাৰ স্বাৰ্থত বৰপেটা জিলা দণ্ডাধীশে ভাৰতীয় ফৌজদাৰী কাৰ্যবিধিৰ ১৪৪ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি- পৰিৱেশ অনুকূল সেউজ আতচ্‌বাজীৰ বাহিৰে আন কোনো ধৰণৰ আতচ্‌বাজীৰ বিক্ৰী আৰু ব্যৱহাৰত বাধা আৰোপ কৰা হৈছে। জিলা দণ্ডাধীশ তেজ প্ৰসাদ ভূষালে যোৱা ২৯ অক্টোবৰত এই সম্পৰ্কত জাৰি কৰা এটা নিৰ্দেশৰ লগতে সমগ্ৰ জিলাখনতে দীপাৱলীত সন্ধিয়া আঠ বজাৰ পৰা নিশা ১০ বজালৈ আৰু ষট পূজাত পুৱা ছয় বজাৰ পৰা আঠ বজালৈ মাত্ৰ দুঘণ্টাৰ বাবে আতচ্‌বাজী ফুটোৱাৰ নিৰ্দিষ্ট সময় বান্ধি দিছে। এই নিৰ্দেশ অমান্য কৰা যিকোনো ব্যক্তি ভাৰতীয় দণ্ডবিধিৰ ১৮৮ নম্বৰ ধাৰাৰ অধীনত দণ্ডনীয় হ'ব বুলি বৰপেটা জিলা দণ্ডাধীশে সকীয়াই দিছে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ এক নিৰ্দেশ মৰ্মে আৰু সাম্প্ৰতিক কৰ'না মহামাৰীজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে এই নিষেধাজ্ঞা আৰোপ কৰিছে। আগন্তুক বৰদিন আৰু নৱবৰ্ষ অনুষ্ঠানৰ সময়ত নিশা ১১.৫৫ বজাৰ পৰা ১২.৩০ বজালৈহে ছয় পৃষ্ঠাত চাওক

■ নতুন পৰিচালনা সমিতিৰ দায়িত্বভাৰ গ্ৰহণ

# সংৰক্ষণ হ'ব চাৰিং শিৱকান্ত দুৱৰা ৰাজহুৱা ভৱন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩১ অক্টোবৰ ঃ** ঐতিহ্যমণ্ডিত চাৰিঙত স্বাধীনোত্তৰ কালতে শিৱকান্ত দুৱৰাৰ পৱিত্ৰ স্মৃতিত পৰিয়ালবৰ্গই ৰাইজৰ বাবে উছৰ্গা কৰা শিৱকান্ত দুৱৰা ৰাজহুৱা ভৱনটো সংৰক্ষণ কৰা হ'ব। আজি শিক্ষাবিদ প্ৰমোদ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত শিৱকান্ত দুৱৰা ৰাজহুৱা ভৱনৰ নতুন পৰিচালনা সমিতিয়ে দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগতে ৰাজহুৱা ভৱনটো তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ সংৰক্ষণৰ সকলো দায়িত্ব বহন কৰে। উল্লেখ্য যে অঞ্চলটোৰ সামাজিক সাংস্কৃতিক ক্ষেত্ৰখনলৈ অনবদ্য বৰঙণি আগবঢ়াই অহা ভৱনটোৰ সুপৰিচালনাৰ অৰ্থে দুবছৰ পূৰ্বে প্ৰমোদ দুৱৰাক সভাপতি আৰু প্ৰাঞ্জল কাকতিক সাধাৰণ সম্পাদক হিচাপে লৈ এখন উন্নয়ন তথা পৰিচালনা সমিতি গঠন কৰা হৈছিল যদিও কৰ'নাজনিত তলাবন্ধৰ বাবে দায়িত্ব ভাৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰা নাছিল। অৱশেষত আজি অনুষ্ঠিত পৰিচালনা সমিতিৰ ৰাজহুৱা সভাত নতুন ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰা পণ্যাগাৰত ট্ৰাকে প্ৰতি ৭০ কিলোগ্ৰাম চাউল কমকৈ দিয়াৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩১ অক্টোবৰ ঃ** উপভোক্তাক চাউল কমকৈ দিয়া সুলভ মূল্যৰ এজেণ্টক জেলত ভৰোৱা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকীয়নি দিয়াত সমবায় কৰ্তৃপক্ষ আৰু এজেণ্টসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিৰ মাজতেই কালি গোৱালপাৰা চহৰৰ ভালুকডুবিস্থিত পণ্যাগাৰৰ এক ভয়াৱহ কেলেংকাৰি পোহৰলৈ আহিছে। উল্লেখ্য যে গোৱালপাৰা পণ্যাগাৰৰ পৰা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল নিয়াৰ পাছত সমবায়ৰ কাটাত ওজন কৰিলে ট্ৰাকে প্ৰতি দুই-তিনি কুইণ্টল চাউল কম হয় বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। এই সন্দৰ্ভত গোৱালপাৰাৰ পণ্যাগাৰৰ প্ৰবন্ধকৰ লগতে জিলা উপায়ুক্তকে ধৰি সংশ্লিষ্ট সকলো পক্ষকে গোৱালপাৰা জিলা সমবায় সমিতিসমূহৰ সচিব সন্থাই বাৰে বাৰে অভিযোগ দিয়াৰ পাছতো আজিলৈকে কোনো ধৰণৰ সুফল পোৱা নাই। ইপিনে, আজি জিলাখনৰ কে'বাখনো সমবায়ৰ সভাপতি আৰু সম্পাদকে উপস্থিত হৈ এখন ট্ৰাকৰ চাউল পণ্যাগাৰৰ পৰা ওজন কৰি লোৱাৰ পাছত পুনৰ জোখমাখ নিয়ন্ত্ৰণ বিভাগৰ বিষয়া, যোগান বিভাগৰ বিষয়া, পণ্যাগাৰৰ বিষয়াসকলৰ লগতে দণ্ডাধীশৰ উপস্থিতিত পুনৰ সাধাৰণ তুলাচনীত জোখাত পণ্যাগাৰত দীৰ্ঘদিন ধৰি চলি থকা প্ৰকৃত কেলেংকাৰি পোহৰলৈ আহে। জিলাখনৰ চুনাৰী সমবায় সমিতিৰ এক ট্ৰাক চাউল পণ্যাগাৰৰ ওৱে ব্ৰীজ (কম্পিউটাৰ কাটাত) ছয় পৃষ্ঠাত চাওক

■ দৰং জিলা সাহিত্য সভাৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক বৈঠক সম্পন্ন ■ 'দৰং জেউতি' সপ্তম খণ্ড উন্মোচন জিলা সভাৰ সোণালী বৰ্ষ উদ্‌যাপনৰ সিদ্ধান্ত

# ২০২৬ৰ অসম সাহিত্য সভাৰ পূৰ্ণাংগ অধিবেশন মঙলদৈত আমন্ত্ৰণৰ সিদ্ধান্ত



বিশেষ সংবাদদাতা

**মঙলদৈ, ৩১ অক্টোবৰ ঃ** দৰং জিলা সাহিত্য সভাৰ ২০২০-২২ৰ প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখন আজি মঙলদৈস্থ সাহিত্য সভা প্ৰকল্পত জিলা সভাৰ সভাপতি শৈলেন কুমাৰ ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত হয়। উক্ত বৈঠকৰ আৰম্ভণিতে সদনে প্ৰমোদ ৰঞ্জন সাহা, ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, শশীধৰ নাথ, ভাৰত ভূষণ মহন্ত, চহিৰ ভূঞা, ড° লোকেশ্বৰ নাথ প্ৰমুখ্যে বিশিষ্ট অতিথি, প্ৰাক্তন পদাধিকাৰীসকলৰ জৰিয়তে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে জিলা সভাৰ প্ৰাক্তন উপ-সভাপতি, সাহিত্য সংগঠক, লোক নিৰ্মাণ বিভাগৰ অৱসৰী সহকাৰী কাৰ্যবাহী অভিযন্তা সদ্যপ্ৰয়াত নৰেশ্বৰ মেধিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগে লগে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় প্ৰয়াত হোমেন বৰগোহাঞি, ড° লক্ষ্মীনন্দন বৰা প্ৰমুখ্যে দৰং তথা ৰাজ্যখনৰ সমাজ, সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ অৱদান যোগাই পৰলোকলৈ গমন কৰা বিশিষ্ট লোকসকলৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে। উক্ত বৈঠকত জিলা সাহিত্য সভাৰ অন্যতম সক্ৰিয় স্বৰ্ণ শাখা পূব মঙলদৈ সাহিত্য সভাৰ প্ৰস্তাৱ মৰ্মে অহা ২০২৬ত অনুষ্ঠিতব্য অসম সাহিত্য সভাৰ পূৰ্ণাংগ দ্বিবাৰ্ষিক অধিবেশন দৰঙৰ পূব মঙলদৈত আমন্ত্ৰণ কৰিবলৈ সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পাছতে দৰঙৰ সমাজ জীৱনৰ বিভিন্ন ছয় পৃষ্ঠাত চাওক

■ দীপাৱলী সমাগত ঃ মৃৎ শিল্পীৰ নাই কোনো উছাহ-উদ্দীপনা

■ পিতৃ-পুৰুষৰ বৃত্তি এৰাৰ ক্ষোভত দহিছে একাংশ

# বনিয়াকুছিৰ মৃৎ শিল্পলৈ নামিছে অশনি সংকেত



অগ্ৰদূত বাৰ্তা

**টিহু, ৩১ অক্টোবৰ ঃ** টিহু অঞ্চলৰ এখন আৰ্থিকভাৱে অনগ্ৰসৰ গাঁও বণিয়াকুছি। গাঁওখনৰ প্ৰায় ৬০ টা পৰিয়ালে আপুৰুগীয়া মৃৎ শিল্পৰ লগত জড়িত থাকি জীৱন-জীৱিকা বৰ্তাই ৰাখিছিল। এই শিল্পীসকলৰ সুদক্ষ হাতৰ পৰশত সৃষ্টি হৈছিল অসমীয়া সমাজত ব্যৱহৃত চাকি, চৰু, কলহ, টেকেলি, কুমৰচৰু, টৌ, ধুপদানি আদি বিভিন্ন সুন্দৰ সুন্দৰ মাটিৰ বাচন। এই মাটিৰ সামগ্ৰীসমূহ বৃহত্তৰ বাগ্‌সা নলবাৰী বজালী অঞ্চলৰ বিভিন্ন প্ৰান্তত বিক্ৰী কৰি দুপইচা অৰ্জন কৰি পেটৰ ভাত মোকলাইছিল বণিয়াকুছিৰ মৃৎ শিল্পীসকলে। অসমীয়া সমাজৰ দৈনন্দিন জীৱনত অতি দৰকাৰী আৰু উৎসৱ পাৰ্বনত পৱিত্ৰ হিচাপে ব্যৱহৃত এই আটকধুনীয়া মাটিৰ সামগ্ৰীসমূহ নিৰ্মাণ কৰি দীৰ্ঘদিন অতি কষ্টেৰে মৃৎ শিল্পক জীয়াই ৰখাৰ লগতে টিহু-বজালী-বাগ্‌সা অঞ্চলৰ লগতে কিছু পৰিমাণে অন্য ঠাইৰ ৰাইজৰো চাহিদা পূৰণ কৰি আহিছে। কিন্তু অসমীয়া সমাজৰ গ্ৰাম্য অৰ্থনীতিত প্ৰভাৱ পেলোৱা এই মাটিৰ সামগ্ৰী সম্প্ৰতি বণিয়াকুছিত বিলুপ্তিৰ পথলৈ গতি কৰিছে। অসমীয়া সমাজৰ তথাকথিত আধুনিক ধামখুমীয়াত লুপ্তপ্ৰায় হোৱাৰ পথত বণিয়াকুছিৰ মৃৎ শিল্প। এই শিল্পীসকলৰ জীৱিকাৰ আধাৰস্বৰূপ মৃৎ শিল্প সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাৰ উপক্ৰম হোৱাত এওঁলোকৰ ভৱিষ্যত জীৱনলৈ অনিশ্চয়তা আহি পৰিছে। অঞ্চলটোৰ বহু মৃৎ শিল্পীয়ে বৰ্তমান অন্ন-বস্ত্ৰৰ তাড়নাত মাটিৰ সামগ্ৰী নিৰ্মাণ কাৰ্য পৰিত্যাগ কৰি দিন মজুৰি কৰা, ইটা ভাটাৰ শ্ৰমিক, ঠেলা-ৰিক্সা চলোৱা আদি কামত ধৰিবলৈ বাধ্য হৈছে। অৱশ্যে এতিয়াও কিছু সংখ্যকে মৃৎ শিল্পক জীয়াই ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। প্ৰতি বছৰে শাৰদীয় বতৰত দীপাৱলী আৰু শ্ৰীকৃষ্ণৰ ৰাসলীলা উৎসৱৰ আগে আগে বণিয়াকুছিৰ মৃৎ শিল্পীসকল ব্যস্ত হৈ পৰে। কেঁচামাল সংগ্ৰহ, ঘৰে ঘৰে মাটিৰ পাত্ৰ তৈয়াৰ, সমূহীয়াভাৱে মাটিৰ পাত্ৰ পুৰিবলৈ ভাটিত জুই দিয়া পৰ্ব আদিৰ মাজেৰে গাঁওবাসীৰ মাজত এক সুকীয়া উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। কোনে কিমান সুন্দৰকৈ মাটিৰ সামগ্ৰী তৈয়াৰ কৰিব, কোনে কিমান সৰহকৈ মাটিৰ পাত্ৰ সাঁজি উলিয়াব, কোনে কিমান অধিক উপাৰ্জন কৰিব আদিৰ যেন এক অঘোষিত প্ৰতিযোগিতাত নামি পৰে গাঁওবাসী। কাৰণ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১৪ কাতি, ১৪২৮ ভাস্কৰাব্দ ১ নৱেম্বৰ ২০২১

## স্বাস্থ্যখণ্ডত সংকট

**চৰকাৰে** ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উন্নয়ন হোৱা বুলি সময়ে সময়ে দাবী কৰি আহিলেও প্ৰকৃত ছবিখন যে বিপৰীত সেই কথা স্বয়ং স্বাস্থ্য বিভাগৰ পৰাই ওলাই পৰিছে। বেচৰকাৰী সংগঠন এটাই উচ্চ ন্যায়ালয়ত দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ এটাত শপতনামা দি অসম চৰকাৰৰ স্বাস্থ্য বিভাগে বিভাগটোৰ শোচনীয় ব্যৱস্থা বৰ্ণনা কৰিছে।

এই শপতনামা অনুসৰি আজিও অসমৰ ১৬খন জিলাত এটা আই চি ইউ নাই। শিৱসাগৰৰ পৰা আৰম্ভ কৰি কোকৰাঝাৰলৈকে ১৬খন জিলাৰ এখনো চৰকাৰী চিকিৎসালয়ত আই চি ইউৰ ব্যৱস্থা নাই। আনহাতে, ১১খন জিলাৰ চিকিৎসালয়ত ভেণ্টিলেটৰ ব্যৱস্থাও নাই। অসমৰ জনসংখ্যা চাৰে তিনি কোটিৰ বাবে ৰাজ্যখনত আই চি ইউ, ভেণ্টিলেটৰসহ মুঠ বিছনা আছে মাত্ৰ ৮,৪৯৩খন। অসম চৰকাৰৰ স্বাস্থ্য বিভাগে উচ্চ ন্যায়ালয়ত দাখিল কৰা শপতনামা অনুসৰি ৰাজ্যখনত সম্প্ৰতি ১৯২১ খনহে আই চি ইউযুক্ত বিছনা আছে। আনহাতে, অক্সিজেন থকা বিছনাৰ সংখ্যাও মাত্ৰ ৪৯৬৫খন আৰু ভেণ্টিলেটযুক্ত বিছনাৰ সংখ্যা হৈছেগৈ ১৬০৭খন। ৰাজ্যখনত চৰকাৰী চিকিৎসক আছে ৪৪২০গৰাকী। পিছে এই চিকিৎসকসকলৰ যথেষ্ট সংখ্যক চিকিৎসক কৰ্মৰত নহয়। বৰ্তমান ৩০৩৮ গৰাকী চিকিৎসকেহে কাৰ্যনিৰ্বাহ কৰি আছে। অৰ্থাৎ ৰাজ্যত ১৩৮২ টা চিকিৎসকৰ পদ খালী হৈ আছে। আদৰ্শ স্বাস্থ্য ব্যৱস্থা অনুসৰি প্ৰতি তিনি হেজাৰ লোকৰ বিপৰীতে ৰাজ্যত একোগৰাকীকৈ চিকিৎসক থাকিব লাগে। স্বাস্থ্যসেৱাৰ মান অনুসৰি ৰাজ্যখনত কমেও ১১,৫২৯ গৰাকী চিকিৎসকৰ প্ৰয়োজন। প্ৰয়োজনতকৈ ৰাজ্যখনত চিকিৎসকৰ সংখ্যা কম হোৱা বাবে বৰ্তমান কৰ্মৰত চিকিৎসকসকলে অতিৰিক্ত সময় কাম কৰিব লাগে। ফলত বহু সময়ত ৰোগীসকলে ভুগিবলগীয়া হয়।

অকল সেয়ে নহয়, চৰকাৰী চিকিৎসালয়সমূহত কৰ্মৰত নাৰ্ছ আৰু অন্যান্য পেৰা মেডিকেল কৰ্মচাৰীৰো অভাৱ। যিসকল আছে তেওঁলোককো চৰকাৰে বসবাসৰ ভাল সুবিধা দিব পৰা নাই। নাৰ্ছ, এ এন এম আদিৰ বহুতৰে চৰকাৰী আৱাসসমূহ জহি-খহি যোৱা বুলি প্ৰকাশ পাইছে। একেদৰেই ৰাজ্যখনত ১৩০ গৰাকী দন্ত চিকিৎসকৰ পদৰ বিপৰীতে মাত্ৰ ৮৫ গৰাকী চিকিৎসকহে কৰ্মৰত হৈ আছে।

ৰাজ্যৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকী সুদীৰ্ঘকাল স্বাস্থ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। স্বাস্থ্যখণ্ডত বৃহৎ পৰিৱৰ্তন অনাৰ দাবী তেতিয়াৰ পৰাই চৰকাৰৰ পক্ষৰ পৰা উত্থাপিত হৈ আহিছে। পিছে এই সকলোবোৰ প্ৰচাৰ শুদ্ধ যে নহয় সেই কথা এতিয়া স্বাস্থ্য বিভাগৰ তৰফৰ পৰাই ওলাই পৰিছে। বৰ্তমান ক’ভিড-১৯ মহামাৰীৰ সময়ত ৰাজ্যখনৰ স্বাস্থ্যসেৱা উন্নত হ’ব লাগিছিল; কিন্তু ৰাজ্যৰ স্বাস্থ্যখণ্ডত এতিয়া অৱনতিহে পৰিলক্ষিত হৈছে। বৰ্তমানৰ নতুনকৈ দায়িত্ব গ্ৰহণ কৰা স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত কিছু কাম কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে যদিও স্বাস্থ্যখণ্ডত দেখা দিয়া এই ইয়াত অনিয়মবোৰ তেওঁ আঁতৰ কৰি স্বাস্থ্যখণ্ডক উন্নয়নৰ দিশ লৈ যাব পাৰিব নে নাই সেয়া ভৱিষ্যতেহে লক্ষ্যণীয় হ’ব।

### খো লা ম ঞ্চ

## ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**লোকমান্য** বাল গংগাধৰ তিলকে কৈছিল ‘স্বাধীনতা আমাৰ জন্মগত অধিকাৰ’। এই অধিকাৰৰ পৰা বঞ্চিত লোকৰ সংখ্যা সম্প্ৰতি ভাৰতত তাকৰ। কাৰণ ১৯৪৭ৰ পাছত জন্ম লাভ কৰা ভাৰতীয়সকল স্বাধীন ভাৰতৰেই নাগৰিক আৰু তেওঁলোকৰ বাবে স্বাধীনতাই আমাক কি দিলে এই কথাটো কাল্পনিক। ইতিহাস অধ্যয়ন কৰি বা তথ্যচিত্ৰৰ জৰিয়তেহে আমিবোৰ পৰাধীন ভাৰতৰ গ্লানিৰ কথা জানিব পাৰোঁহক। দুশবছৰীয়া ব্ৰিটিছ শাসন কালত আমাৰ পূৰ্বজসকলে নানা অন্যায়-অত্যাচাৰ সহ্য কৰি দুখ-যন্ত্ৰণা ভোগ কৰি, জীয়াতু ভুগি শতসহস্ৰজনৰ জীৱন আহুতি দি লাভ কৰা স্বাধীনতাৰ মূল্য, মহত্ত্ব আৰু প্ৰভাৱ অকল্পনীয়। দিয়াচলাই আৱিষ্কাৰ হোৱাৰ আগতে মানুহে যেনেকৈ জুইকো পকেটত ভৰাই ৰাখিব পাৰি বুলি বিশ্বাস কৰিব পৰা নাছিল স্বাধীনতাৰ পাছত জন্মলাভ কৰা ভাৰতীয় নাগৰিকসকলেও তেনেদৰে পৰাধীনতাৰ ভয়াৱহতাৰ কথাত বিশ্বাস কৰিব নোৱাৰে। এনে প্ৰেক্ষাপটত চাবলৈ গ’লে ৭৫ বছৰীয়া স্বাধীনতাই আমাক ভবাতকৈ বহু বেছি দিলে বুলি ক’লেও বঢ়াই কোৱা নহ’ব। স্বাধীনতা আমাৰ কাৰণে মহৎ অৱদান, বৃহৎ আশীৰ্বাদ। স্বাধীনতাই আমাক জীয়াই থকাৰ সমল দিলে, অধিকাৰ দিলে, শক্তি দিলে।

**দিলীপ কুমাৰ শৰ্মা**, *লেখক*

স্বাধীনতাৰ ৭৫ বছৰ পাছত আমি সগৌৰৱে স্বীকাৰ কৰিব লাগিব যে ভাৰতবৰ্ষৰ উন্নতি লেখত ল’বলগীয়া। বিশ্বৰ শক্তিশালী ৰাষ্ট্ৰবোৰৰ মাজত আমাৰ দেশ অন্যতম হিচাপে প্ৰতিষ্ঠিত হৈছে। শিক্ষা, স্বাস্থ্য, আন্তঃগাঁথনি, পৰিবহণ, বিজ্ঞান, বাণিজ্য, উদ্যোগ, সাহিত্য-সংস্কৃতি আদি সৰ্বদিশত আগবাঢ়ি গৈছে। পৃথিৱীৰ শক্তিশালী দেশবোৰে এতিয়া আমাৰ দেশক সমীহ কৰি চলে।

স্বাধীনতাৰ ৭৫ বছৰৰ প্ৰায় ৫০ বছৰ অসম অৰ্থনৈতিকভাৱে পিছপৰি আছিল ৰাজনৈতিক নেতৃবৃন্দৰ অনীহা, দূৰদৃষ্টিহীনতা আৰু অকৰ্মন্যতাৰ বাবে। যোৱা ১০ বছৰ মানৰ পৰা অসম উন্নতিৰ দিশত দোপতদোপে আগবাঢ়ি যোৱা আমি দেখিছো। এতিয়া আমাৰ ৰাজ্যখনৰ ভাৰতৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ মাজত এখন হিচাপে পৰিগণিত হোৱাৰ বাবে অহৰ্নিশে চেষ্টা চলাই আছে। যদি সেয়া সফল হয় আমি সকলো গৌৰৱান্বিত হ’ম। স্বাধীনতাৰ ৭৫ বছৰৰ বিপৰীত দিশত এভুমুকি মাৰিলে আমি ঋণাত্মক দিশটো দেখিবলৈ পাওঁ। এই সময়ত সমগ্ৰ দেশকে দুৰ্নীতি মহামাৰীয়ে গ্ৰাস কৰিছে। ৰাজনীতি তাৰ কেন্দ্ৰবিন্দু হৈ উঠিছে। এসময়ত ৰাজনীতি আছিল দেশসেৱাৰ ব্ৰত, ধৰ্ম, দায়িত্ব। কিন্তু এতিয়া ৰাজনীতি ক্ৰমান্বয়ে অৰ্থোপাৰ্জনৰ আহিলা হৈ উঠিছে। অৰ্থনৈতিকভাৱে কঙাল নেতা এজনেও দুৰ্নীতি কৰি সম্পত্তিৰ পাহাৰ গঢ়িছে। ৰাজনীতিৰ পৰা নীতি, নৈতিকতা, সেৱা, কল্যাণ চিন্তা, সদাচাৰ আৰু সততা বিদুৰ হৈছে। এতিয়া ৰাজনীতিয়ে দেশাত্মবোধক ধাৰণ নকৰে। বিদেশীৰ কবলৰ পৰা মুক্ত হোৱা ৭৫ বছৰ উকলিল যদিও এতিয়াও আমাৰ বহু নাগৰিক বিদেশ আৰু বিদেশীৰ প্ৰতি মানসিক ভাবে দুৰ্বলতা পোষণ কৰি আছে। ইয়াৰ ফলত পাশ্চাত্য সংস্কৃতিৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হোৱা কঠিন হৈ পৰিছে। বিদেশী সভ্যতা-সংস্কৃতিক উচ্চ আসন দি নিজৰ সংস্কৃতিক হীন বুলি গণ্য কৰাসকলৰ মাজত শিক্ষিত আৰু ধনী শ্ৰেণীৰ লোক বেছি। এনে মানসিকতালৈ চালে ভাব হয় আমি প্ৰকৃতাৰ্থত স্বাধীনতা লাভ কৰিলোনে? স্বাধীনতাৰ ফল ভোগ কৰিব পাৰিছোনে? দেশৰ উন্নতিত আমি কিবা অৱদান আগবঢ়াইছোনে? স্বাধীনতাৰ মোল বুলি পাইছোনে? দেশৰ স্বাধীনতাৰ ৭৫ বছৰত আমি আত্মবিশ্লেষণ কৰাৰ প্ৰয়োজন। তেতিয়াহে আমি পৃথিৱীৰ শ্ৰেষ্ঠ দেশৰ স্বাধীন নাগৰিক হিচাপে পৰিচয় দিব পাৰিমহক।

*ফোন ঃ ৯৮৫৯৯৪৪৪৮৫*



ব্যক্তিগত স্বাৰ্থ, লাভ অৰ্জন, কিছু পোৱাৰ ঊৰ্ধ্বত প্ৰকৃত বুদ্ধিজীৱীসকল সততা আৰু আদৰ্শবোধৰ পূজাৰী। শোষিত, নিষ্পেষিত, সমাজৰ অনগ্ৰসৰ মানুহৰ স্বাৰ্থত, জাতিৰ স্বাৰ্থত সমাজনীতিত, ৰাজনীতিত, অৰ্থনীতি আদিত নতুন পথৰ সন্ধান দিছিল আৰু দিয়ে বুদ্ধিজীৱীসকলে।

# বুদ্ধিজীৱীৰ নিৰপেক্ষতা

## বুদ্ধি বা চিন্তাশক্তিৰ দক্ষতাৰে যিসকলে জীৱিকা অৰ্জন কৰে তেওঁলোকেই সাধাৰণতে বুদ্ধিজীৱী

**সমাজবদ্ধ** জীৱ হিচাপে সচেতন লোকসকলে মানৱ সমাজৰ স্বাৰ্থৰক্ষা কৰা, অন্যায়-অবিচাৰৰ বিৰুদ্ধে মাত মতা আৰু সমাজৰ প্ৰগতিৰ ধাৰাক-পুষ্ট কৰাৰ কাৰণে নানা পেছাত যুক্ত থাকি নিজৰ ভূমিকা পালন কৰে। যিসকলে পেছাগতভাৱে বুদ্ধি-বৃত্তিৰ কামত যুক্ত থাকে তেওঁলোকৰ ভিতৰত অনেকে শোষণ-নিপীড়ন, সাম্প্ৰদায়িকতাবাদ, বিচ্ছিন্নতাবাদ, স্বৈৰতন্ত্ৰবাদ, বৰ্ণবাদৰ বিৰুদ্ধে তথা ন্যায়-নীতি আৰু মূল্যবোধৰ ধাৰাকপুষ্ট কৰিবলৈ সামগ্ৰিকভাৱে মানৱ মুক্তিৰ লক্ষ্যত সমগ্ৰ জীৱন ধৰি কাম কৰে। এই বুদ্ধি-বৃত্তিৰ লগত যুক্ত থকা অনেক লোকেই নিৰপেক্ষতাৰ নামত উক্ত সামাজিক ঘাত-প্ৰতিঘাতৰ পৰা নিজকে বচাই ৰাখি পৰোক্ষভাৱে সমাজধ্বংসকাৰী, মানৱতাবিৰোধী জাতিধ্বংসকাৰী, কামবোৰক সমৰ্থন কৰি থাকে। উক্ত সমাজবিৰোধী, মানৱতাবিৰোধী, জাতিবিৰোধী প্ৰক্ৰিয়াবোৰৰ দ্বাৰা শেষত তেওঁলোকো যে আক্ৰান্ত হ’ব সেইটো ভাবি নাচায়।

আমাৰ ৰাজ্যতো প্ৰত্যক্ষ কৰিছোঁ এক শ্ৰেণীৰ বুদ্ধিজীৱী বা বুদ্ধি-বৃত্তিৰ কামত পেছাগতভাৱে যুক্ত অৰাজনৈতিক মুখা পিন্ধি স্বৈৰতন্ত্ৰবাদ, সাম্প্ৰদায়িকতাবাদ, জাতিধ্বংসী পদক্ষেপ, বিভেদকামী কৰ্মকাণ্ড, জনস্বাৰ্থবিৰোধী অৰ্থনৈতিক নীতি, দেশৰ সম্পদ বিক্ৰী, প্ৰাকৃতিক সম্পদ ধ্বংস আদি কৰ্মৰ প্ৰতি আকুণ্ঠ সমৰ্থন দি আহিছে। কায়িক শ্ৰমৰ পৰা ওলাই আহি যিসকলে চিন্তাশক্তি, মেধাশক্তি আৰু বুদ্ধি-বৃত্তিক পেছা হিচাপে গ্ৰহণ কৰিছে, সাধাৰণভাৱে অনেকে নিজক বুদ্ধিজীৱী বুলি কয়। অৰ্থাৎ বুদ্ধি বা চিন্তাশক্তিৰ দক্ষতাৰে যিসকলে জীৱিকা অৰ্জন কৰে তেওঁলোকেই সাধাৰণতে বুদ্ধিজীৱী। শিক্ষক, অধ্যাপক, আমোলা, সাংবাদিক আদিকে ধৰি যিসকলৰ পেছা কায়িক শ্ৰমৰ পৰা মুক্ত সেইসকলে বুদ্ধিজীৱী। কিন্তু প্ৰকৃত অৰ্থত এইটো এটা অতি সৰলীকৃত ব্যাখ্যা। অকল জীৱিকাৰ ওপৰত ভিত্তি কৰি বুদ্ধিজীৱী নিৰ্ধাৰণ কৰা উচিত জানো? সমাজ প্ৰগতিৰ ইতিহাসত যিসকলে চিন্তা, মেধা, জ্ঞানচৰ্চা, বুদ্ধি-বৃত্তিৰ দ্বাৰা প্ৰগতিশীল ভূমিকা পালন কৰিছে, সৃষ্টিশীলতাৰ স্বাক্ষৰ ৰাখিছে, বিভিন্ন ক্ষেত্ৰত অগ্ৰগতিৰ দিক্‌দৰ্শন কৰিছে সেইসকলেই প্ৰকৃত বুদ্ধিজীৱী। এওঁলোকৰ জ্ঞানচৰ্চা, বুদ্ধিচৰ্চা, সাধনা অকল অৰ্থ উপাৰ্জনৰ কাৰণেই নহয়, সমগ্ৰ মানৱ সমাজকে আগুৱাই লৈ যোৱাৰ কাৰণে বা মানৱ মুক্তিৰ বাবে নিজৰ জাতি ৰক্ষাৰ বাবে সমাজ বিকাশৰ ইতিহাসত এনেধৰণৰ অনেক বুদ্ধিজীৱী চিৰস্মৰণীয় হৈ আছে।

সমাজ বিকাশৰ ইতিহাসত বুদ্ধিজীৱীসকলৰ প্ৰথম আবিৰ্ভাৱ হয় দাস যুগত। কাৰ্ল মাৰ্ক্সেই কৈছিল দাস প্ৰথা যিমানেই নিষ্ঠুৰ আৰু বৰ্বৰ হওক কিয় মানৱ সভ্যতাৰ অগ্ৰগতিৰ ক্ষেত্ৰত এই যুগৰ প্ৰচুৰ অৰিহণা অস্বীকাৰ কৰাৰ উপায় নাই। বৰ্বৰ আৰু পৈশাচিক শোষণভিত্তিক দাস সমাজৰ মাজতেই এটা অতি ক্ষুদ্ৰ অংশ কায়িক শ্ৰমৰ পৰা মুক্ত হৈ চিন্তা কৰাৰ আৰু সমগ্ৰ বিশ্বৰ দিশত চকু দিয়াৰ সুযোগ পাইছিল। এই যুগতেই ডেম’ক্ৰিটাছ, এপিকিউৰাছ, এৰিষ্ট’ট’ল, আৰ্কিমিডিছ প্ৰমুখ্যে বুদ্ধিজীৱী মনীষীসকলৰ আবিৰ্ভাৱ হৈছিল। এওঁলোকেই মানৱ সমাজখনৰ অগ্ৰগতিৰ বাটকটীয়া। তেনেকৈ সামন্ততন্ত্ৰৰ গৰ্ভৰ পৰা জন্ম হোৱা দাৰ্শনিক বুদ্ধিজীৱীসকলেই বিশ্বত প্ৰথম নৱজাগৰণ বা ৰেনেচাঁৰ জন্ম দিছিল। ভাৰতৰ বুকুত ঊনবিংশ শতাব্দীৰ নৱজাগৰণ আৰু ইয়াৰ পৰৱৰ্তীকালত আলোড়ন সৃষ্টিকাৰী ৰথী-মহাৰথীসকলো আছিল এই পৰ্যায়ৰ বুদ্ধিজীৱী। সমাজক প্ৰগতিৰ পথত আগুৱাই নিবলৈ, অন্ধবিশ্বাসৰ বিপৰীতে সত্যক প্ৰতিষ্ঠা কৰিবলৈ, মানুহৰ মাজত বিজ্ঞানমনস্ক ধাৰণা সৃষ্টি কৰিবলৈ, শোষণ-নিপীড়নৰ বিৰুদ্ধে মতামত সৃষ্টি কৰিবলৈ, বিজ্ঞানভিত্তিক মতাদৰ্শৰ সৃষ্টি কৰিবলৈ অনেক বুদ্ধিজীৱী মনীষীসকলে চৰম লাঞ্ছনা সহ্য কৰিবলগীয়া হৈছিল, আনকি আত্মবলিদান পৰ্যন্ত দিবলগীয়া হৈছিল। এইসকল স্মৰণীয় মনীষীয়ে সমাজৰ সমস্ত অংশৰ মানুহৰ কথা, শোষিত মানুহৰ স্বাৰ্থত, জাতিৰ স্বাৰ্থত কথা কৈছিল, কিন্তু এওঁলোকৰ প্ৰায়সকলে শোষিত বা শ্ৰমজীৱী পৰিয়ালৰ পৰা অহা লোক নাছিল। যুগে যুগে শোষিত বা শ্ৰমজীৱী শ্ৰেণীৰ মুক্তিৰ দৰ্শন যিসকলে সৃষ্টি কৰিছে এইসকলৰ অধিকাংশই শাসক শ্ৰেণীৰ পৰা অহা লোক। দাসসকলৰ মুক্তিৰ তত্ত্বও সৃষ্টি কৰিছিল সেই যুগৰ দাস মালিকৰ পৰিয়ালৰ পৰা অহা বুদ্ধিজীৱীসকলে।

ব্যক্তিগত স্বাৰ্থ, লাভ অৰ্জন, কিছু পোৱাৰ ঊৰ্ধ্বত প্ৰকৃত বুদ্ধিজীৱীসকল সততা আৰু আদৰ্শবোধৰ পূজাৰী। শোষিত, নিষ্পেষিত, সমাজৰ অনগ্ৰসৰ মানুহৰ স্বাৰ্থত, জাতিৰ স্বাৰ্থত সমাজনীতিত, ৰাজনীতিত, অৰ্থনীতি আদিত নতুন পথৰ সন্ধান দিছিল আৰু দিয়ে বুদ্ধিজীৱীসকলে। শোষিতৰ, মতলবীসকলৰ ষড়যন্ত্ৰবোৰ সাধাৰণ মানুহে বুজি নাপায় সেইটোকে সত্য বুলি ধৰি লয়। কিন্তু বুদ্ধিজীৱীসকলে তেওঁলোকৰ যুক্তিৰে, বুদ্ধিৰে পুংখানুপুংখ বিশ্লেষণেৰে বিচাৰ কৰি এওঁলোক সত্যত উপনীত হয়। সংবাদ-পত্ৰৰ সংবাদ, টিভি চেনেলৰ বাতৰি বা আলোচনা শুনি পুঁজিপতিৰ দালাল সাম্প্ৰদায়িক ৰাজনীতিবিদসকলৰ ভাষণ শুনি সিদ্ধান্ত নলয় বা প্ৰভাৱিত নহয়। প্ৰকৃত বুদ্ধিজীৱী সেইসকল, যিসকলে দৃশ্যৰ আঁৰালত থকা আচল সত্যৰ প্ৰতি অনুসন্ধান চলায়।

ভাৰতত অতিমাৰীৰ পৰিস্থিতিৰ আগতেই দেশৰ অৰ্থনীতি মন্দাত নিমজ্জিত হোৱাৰ অৱস্থা হৈছিল। এই সংকটৰ পৰা অৰ্থনীতিক উদ্ধাৰ কৰাৰ বাবে সমাধান হিচাপে দেশৰ অতি প্ৰয়োজনীয় আন্তঃগাঁথনিবোৰ নিৰ্মাণ কৰিবলৈ চৰকাৰী ব্যয় বিপুল পৰিমাণে বৃদ্ধি কৰি কৰ্মসংস্থান বৃদ্ধিৰ আৰু জনগণৰ ক্ৰয়ক্ষমতা বৃদ্ধিৰ কোনো উদ্যোগ আৰু ব্যৱস্থা মোদী চৰকাৰে



দৃষ্টিপাত

**অনন্ত কলিতা**

লোৱা নাছিল, পৰিৱৰ্তে শাসক শ্ৰেণীবোৰক আৰু কৰ্প’ৰেটক অধিক পৰিমাণৰ বিশেষ সুযোগ সুবিধা দিয়াৰ নিৰ্লজ্জ পদক্ষেপ গ্ৰহণ কৰিছে। সমস্ত ৰাজহুৱা সম্পদ, পৰিসেৱা, প্ৰাকৃতিক সম্পদ পুঁজিপতিক হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু ইতিমধ্যেই জীৱন-বীমাৰ নিচিনা লাভজনক সংস্থাটো পুঁজিপতিক হস্তান্তৰ কৰাৰ আইন সংসদত পাছ কৰিছে। আজি ভাৰতত মূৰ দাঙি উঠিছে কৰ্প’ৰেট আৰু সাম্প্ৰদায়িক শক্তিৰ জোঁট। হিন্দুত্ব জাতীয়তাবাদী দৰ্শনৰ উগ্ৰ প্ৰচাৰৰ মাজেৰে কৰ্তৃত্বৰ তৈৰী কৰিছে। যিসকলে আৰ-এছ-এছৰ হিন্দু দেশপ্ৰেমৰ লগত সহমত প্ৰকাশ নকৰি ভাৰতীয় দেশপ্ৰেমৰ ধাৰণাৰ প্ৰতি সৰৱ হৈছে, তেওঁলোকক দেশদ্ৰোহী বুলি ছাব মাৰি দিছে। সংবিধানত সুৰক্ষিত গণতান্ত্ৰিক অধিকাৰ আৰু ব্যক্তিৰ নাগৰিক অধিকাৰ আজি বিপন্ন। আনকি তলাবন্ধৰ আৰু অতিমহামাৰীৰ যন্ত্ৰণাদায়ক পৰিস্থিতিৰ মাজতো বিজেপি চৰকাৰে সাম্প্ৰদায়িকতা আৰু ধৰ্মীয় মেৰুকৰণ তীক্ষ্ণ কৰাত ব্যস্ত হৈছিল আৰু কা-আইনৰ নিচিনা সাম্প্ৰদায়িক অসমীয়া জাতিবিৰোধী আইন বলৱৎ কৰাৰ বাবে উঠি-পৰি লাগিছিল। হিন্দুৰ সংখ্যা বঢ়াই হিন্দুৰাষ্ট্ৰৰ সৃষ্টি কৰিবলৈ ক্ষুদ্ৰ অসমীয়া জাতি বা অসমৰ বিভিন্ন জনগোষ্ঠীৰ অস্তিত্ব নিঃশেষ কৰাৰ বাবে, অসমৰ জনসাধাৰণৰ তীব্ৰ বিৰোধিতা সত্ত্বেও ‘কা’ আইন সংসদত অনুমোদন কৰিছিল। ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক ভাৰতীয় সাংবিধানিক সাধাৰণতন্ত্ৰক আগ্ৰাসী অসহিষ্ণু ফেচিষ্টসুলভ হিন্দু ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টাই চলাইছে এক ধৰ্ম, এক ভাষা, এক ৰাষ্ট্ৰৰ তত্ত্বৰ ভিত্তিত। আনফালে মোদী চৰকাৰৰ আমোলত পুঁজিপতি আদানিৰ 2014ত সম্পদ আছিল 50.4 হেজাৰ কোটি টকা, 2019ত হৈছেগৈ 1.1 লাখ কোটি টকা। সেইদৰে আম্বানীৰ সম্পদ 2014ৰ পৰা 2019লৈ বৃদ্ধি হৈছে 118 শতাংশ। 2014ত 1.68 লাখ কোটি টকাৰ পৰা 2019ত 3.65 লাখ কোটি টকা হৈছে। বিপৰীতে দেশৰ জনগণৰ কৰ্মহীনতা আৰু দাৰিদ্ৰতাৰ যন্ত্ৰণা দিনে দিনে বৃদ্ধি হ’ব ধৰিছে। দেশৰ 10 শতাংশ লোকৰ হাতত আছে 77 শতাংশ সম্পদ আৰু দেশৰ এবছৰত সৃষ্টি হোৱা সম্পদৰ 73 শতাংশ লৈছে দেশৰ ধনী এক শতাংশই আৰু দুখীয়া 67 নিযুত লোকে পাইছে মাত্ৰ এক শতাংশ। দেশত বছৰি 63 নিযুত লোক দৰিদ্ৰ অৱস্থালৈ গতি কৰে চিকিৎসাৰ খৰচ মিলাবলৈ গৈ। এনে পৰিস্থিতিত দেশৰ সকলো সম্পদ মোদী চৰকাৰে আম্বানী-আদানিকে ধৰি দেশৰ বৃহৎ পুঁজিপতিসকলক গতাই দিয়াৰ পৰিৱেশ আৰম্ভ কৰিছে। বজাৰত খাদ্য-সামগ্ৰী, ঔষধকে ধৰি সকলো সামগ্ৰীৰ দাম দিনে দিনে ঊৰ্ধ্বমুখী হ’ব ধৰিছে। সৰ্বসাধাৰণ ৰাইজে নিত্য-প্ৰয়োজনীয় সামগ্ৰীখিনিও কিনিব নোৱৰা হৈছে। দেশৰ পথবোৰৰো মালিকনা পুঁজিপতিক দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ৰাষ্ট্ৰীয় পথেৰে ভ্ৰমণ কৰিলেও পুঁজিপতিক মাচুল দিব লাগে। পঞ্জাৱৰ পৰা এখন ট্ৰাক গুৱাহাটীলৈ আহোতে পথত কৰ দিব লাগে হেনো মুঠ বিশ হেজাৰ টকা। গতিকে এই কৰ ট্ৰাকৰ মালিকে নিদিয়ে জনসাধাৰণে সামগ্ৰী কিনোতে দামৰ লগত দিব লাগে এই কৰৰ অংশ। উগ্ৰজাতীয়তাবাদ আৰু দেশপ্ৰেমৰ ধ্বজা উৰুৱাই দেশ ৰক্ষাৰ হুংকাৰ দি মোদী চৰকাৰে দেশী-বিদেশী বৃহৎ কৰ্প’ৰেটৰ ওচৰত সমগ্ৰ দেশখনেই বিক্ৰী কৰি দিয়াৰ পৰিকল্পনা কৰিছে।

দেশৰ এই পৰিস্থিতিত বিশেষকৈ অসমীয়া জাতিৰ প্ৰতি অহা অশনি সংকেতৰ পটভূমিত বুদ্ধিজীৱী, সামগ্ৰিকভাৱে শিক্ষিত লোকখিনিৰ ভূমিকা অতি জৰুৰী। বুদ্ধিজীৱী তথা শিক্ষিত শ্ৰেণীয়ে নিৰপেক্ষতাৰ নামত নিষ্ক্ৰিয় হৈ থাকিলে, ইয়াৰ দ্বাৰা প্ৰতিফলিত হয় যে জনস্বাৰ্থবিৰোধী নীতি তথা সাংবিধানিক গণতন্ত্ৰ ব্যক্তি-স্বাধীনতা আদিৰ ওপৰত ফেচিবাদী আক্ৰমণ আদিক এওঁলোকে সমৰ্থন কৰিছে। কৰ্প’ৰেট আৰু সাম্প্ৰদায়িক জোঁটৰ স্বৈৰতন্ত্ৰই সমাজৰ কোনো অংশৰ লোককে ৰেহাই নিদিয়ে। এই ক্ষেত্ৰত বিশেষকৈ অসমত ৰাজনৈতিকভাৱে নিৰপেক্ষ বুলি ভবা তথা নিজকে নিৰাপদে ৰখা বঁটা-বাহনক লৈ আশাপালি থকা বুদ্ধিজীৱী তথা শিক্ষিত লোকসকলে ফেচিষ্ট হিটলাৰৰ সময়ত এই ধৰণৰ নিৰপেক্ষ ভূমিকা লৈ থকা লোকসকলৰ কি অৱস্থা হৈছিল, সেইটো জনা উচিত। বেপ্‌টিষ্ট ধৰ্মযাজক মাৰ্টিন নিমোলাৰে হিটলাৰী অত্যাচাৰক প্ৰতিবাদ নকৰাকৈ নিৰাপদে থাকিব বুলি ভাবি থাকোতে তেওঁৰ কি অৱস্থা হৈছিল সেইটো সুন্দৰভাৱে তেওঁ লিখি থৈ গৈছে।

“যেতিয়া ফেচিষ্টসকলে কমিউনিষ্টক ধৰিছিল আৰু কমিউনিষ্টৰ ওপৰত অত্যাচাৰ চলাইছিল— মই মনে মনে আছিলোঁ, প্ৰতিবাদ কৰা নাই, কাৰণ মই কমিউনিষ্ট নহয়। ইয়াৰ পাছত ফেচিষ্টসকলে বা হিটলাৰৰ বাহিনীয়ে যেতিয়া ট্ৰেড ইউনিয়নৰ লোকসকলক ধৰি নি জেইলত ভৰাইছিল, মই তেতিয়াও মনে মনে আছিলোঁ, কোনো ধৰণৰ প্ৰতিবাদ কৰা নাছিলোঁ, কাৰণ মই শ্ৰমিক নহয়।

ইয়াৰ পাছত হিটলাৰ বাহিনীয়ে যেতিয়া ঘূৰি আহিল ইহুদিসকলক গেছ চেম্বাৰত ভৰাই হত্যা কৰিবলৈ, তেতিয়াও মই চুপ-চাপ আছিলোঁ, অকণো প্ৰতিবাদ কৰা নাছিলোঁ কাৰণ মই ইহুদি নহয়। ইয়াৰ পাছত হিটলাৰ বাহিনী যেতিয়া আহিছিল কেথলিকসকলক ধৰি নিবলৈ মই প্ৰতিবাদৰ টু শব্দ এটাও কৰা নাছিলোঁ, কাৰণ মই কেথলিক নহয়।

শেষবাৰ যেতিয়া হিটলাৰৰ বাহিনীয়ে মোক ধৰি নিবলৈ আহিল মোৰ হৈ কোনোৰে কোনো কথা নক’লে কাৰণ তেতিয়া কোনো নাছিল মোৰ হৈ ক’বলৈ আৰু মোক ধৰি নিয়াৰ প্ৰতিবাদ কৰিবলৈ।”

ভাৰত তথা অসমৰ নিৰপেক্ষ আৰু নিৰাপদে থকা বুদ্ধিজীৱীসকলৰ অধ্যাপক-শিক্ষকসকলৰ সামগ্ৰিকভাৱে শিক্ষিত লোকসকলৰো নিমোলাৰৰ অৱস্থাই হ’ব যদিহে এওঁলোকে স্বৈৰতান্ত্ৰিক, সাম্প্ৰদায়িক, জনস্বাৰ্থবিৰোধী, জাতিবিৰোধী শক্তিটোৰ কৰ্মকাণ্ডবোৰক প্ৰতিবাদ নকৰে।

ফোন ঃ ৯৪৩৫০৪১২০৩

## বিশিষ্ট লেখক-চিন্তাবিদ মুস্তাফিজুৰ ৰহমানৰ লেখাবোৰৰ সন্দৰ্ভত

**যোৱা** ভালেমান বছৰ ধৰি ‘দৈনিক অগ্ৰদূত’ দেওবৰীয়া সংখ্যাৰ সম্পাদকীয় পৃষ্ঠাত বিশিষ্ট লেখক-সাহিত্যিক মুস্তাফিজুৰ ৰহমানৰ বিভিন্ন দিশৰ মূল্যৱান লেখা পঢ়ি আহিছো।

কৰ্মসূত্ৰে বহু বছৰ ধৰি বিদেশত (কানাডাত) থাকিও ৰহমানে মাতৃভূমি অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন দিশৰ কথা লেখাসমূহৰ যোগেদি আলোকপাত কৰি আহিছে। প্ৰায়ভাগ লেখাৰ মাজেদিয়েই তেওঁ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ কথা অসমৰ জাতীয় জীৱনৰ নানান দিশৰ সমস্যাৰ কথা উল্লেখ কৰি আহিছে। এই কথাবোৰ লিখোতে ৰহমানে নিৰ্ভীকভাৱে অসমৰ জাতীয় সংগঠনসমূহৰ এচাম নেতা আৰু কৰ্মকৰ্তাৰ নেতিবাচক ভূমিকাকো কঠোৰ ভাষাৰে সমালোচনা কৰা পৰিলক্ষিত হৈছে।

শেহতীয়াভাৱে যোৱা ১০ অক্টোবৰৰ ‘দৈনিক অগ্ৰদূত’ৰ সম্পাদকীয় পৃষ্ঠাত ‘মাতৃভাষা জীয়াই থাকে চৰ্চাৰ মাধ্যমত’ শীৰ্ষক লেখাটিৰ মাতৃভাষা সম্পৰ্কত তেওঁ যিখিনি সোণসেৰীয়া কথা লিখিছে তাৰে কিছু অংশ পুনৰাই পাঠক সমাজৰ জ্ঞাতাৰ্থে উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো।

দুই নম্বৰ দফাত তেওঁ লিখিছে—‘অসমীয়া সমৃদ্ধ ভাষা। অসমীয়া ভাষাৰ আছে সমৃদ্ধ ঐতিহ্য। মাতৃভাষা জীয়াই থাকে চৰ্চাৰ মাধ্যমত। স্বজাত্যবোধ এক বিৰাট বিষয়। মুখেৰে ফটৰ ফটৰ কৰিলেই জাতীয়তাবোধৰ প্ৰকাশ নঘটে। তাত ভাষাৰ আৰু জাতিৰ লেশমাত্ৰও কল্যাণ নহয়। মাতৃভাষাক শুদ্ধ আৰু সুন্দৰভাৱে জাতীয় জীৱনৰ সকলো ক্ষেত্ৰত প্ৰতিষ্ঠা কৰাটো অত্যন্ত প্ৰয়োজনীয়। বহু অসমীয়াই অসমীয়া ভাষাৰ সলনি ইংৰাজী ভাষাত প্ৰকাশ কৰি অধিক স্বাচ্ছন্দ্যবোধ কৰে। তেওঁলোকৰ বাবে ইংৰাজী হৈ পৰিছে ‘জাতত উঠা’ৰ জখলা।’

ইয়াৰ পাছত তিনি নম্বৰ দফাত লিখিছে—‘বিভিন্ন ভাষা ৰপ্ত কৰা বিশেষ গুণ, কিন্তু সকলোৰে আগত মাতৃভাষা। গৌৰৱময় জাতীয় জীৱনত মাতৃভাষাৰ সঠিক আৰু বহুল চৰ্চাৰ বিকল্প নাই। মানুহৰ জীৱনৰ স’তে ভাষাৰ কিম্বা ভাষাৰ স’তে মানুহৰ জীৱনৰ সম্পৰ্ক অবিচ্ছেদ্য। দেখা যায় জীৱন য’ত উন্নত, ভাষাও তাত উন্নত। ভাষাক উন্নত নকৰি কোনো ব্যক্তি বা জাতিয়ে উন্নতি কৰিব নোৱাৰে।’....

ৰহমানৰ দেওবৰীয়া লেখাটিৰ কিছু অংশ পুনৰ ইয়াত ডাঙি ধৰা হ’ল এইকাৰণেই যে পাঠকসকলে এই কথাখিনি পুনৰবাৰ পঢ়ি ইয়াৰ গূঢ়াৰ্থ ভালদৰে উপলব্ধি কৰক—মাতৃভাষাৰ গুৰুত্ব আৰু মহত্ত্বৰ কথা হৃদয়ংগম কৰক। মাতৃভাষাৰ প্ৰতি অগাধ প্ৰেম, ভক্তি জাগ্ৰত হৈ উঠক। হয়তো বহুতো পাঠকে দেওবৰীয়া বিশেষ ব্যস্ততাৰ বাবে অথবা নিজৰ নিজৰ চৰকাৰী বা বেচৰকাৰী কাৰ্যালয়তহে যিসকলে এই কাকতখন পঢ়ে সেইসকলে সিদিনাখন বন্ধৰ দিন বাবে কাকতখন নপঢ়াকৈয়ে থাকিব পাৰে। সেইসকল ব্যক্তিৰ কথা চিন্তা কৰিও কথাখিনি পুনৰুল্লেখ কৰিলো।

মাতৃভাষা সম্পৰ্কত ৰহমানে দুই নম্বৰ আৰু তিনি নম্বৰ দফাত লিখা কথাখিনিৰ মাজেৰে মাতৃভাষাৰ প্ৰতি তেওঁৰ অগাধ প্ৰেম-ভক্তিৰ কথা জল্‌জল্-পট্‌পট্‌কৈ ফুটি উঠিছে। এয়া পঢ়ি আমি অতিশয় আপ্লুত হৈ পৰিছো।



যোৱা ১০ অক্টোবৰৰ লেখাটিকে ধৰি ভালেমান বছৰ ধৰি ‘দৈনিক অগ্ৰদূত’ আৰু ‘তিনিদিনীয়া অগ্ৰদূত কাকত’ত প্ৰকাশ পাই অহা ৰহমানৰ বহু সংখ্যক লেখাত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা তেওঁৰ গভীৰ প্ৰেম-ভক্তিৰ কথা তথা গভীৰ স্বদেশ প্ৰেমৰ কথা সুন্দৰভাৱে প্ৰস্ফুটিত হৈ আহিছে। বিদেশত বসবাস কৰি বিদেশৰ বায়ু-পানী সেৱন কৰি থাকিলেও ৰহমানৰ সিৰাই সিৰাই প্ৰৱাহিত হৈ আছে গভীৰ স্বদেশপ্ৰেম জাতীয়তাবাদৰ তেজ। মাতৃভূমিৰ মংগলৰ কথা মন-মগজুত অহৰহ ক্ৰিয়া কৰি থাকে বাবেই ৰহমানৰ কলমেদি নিঃসৃত হৈ আহিছে তেনে ধৰণৰ গভীৰ জাতীয় চিন্তাধাৰাৰে সমৃদ্ধ শক্তিশালী লেখা।

ৰহমানৰ লেখাত কেতিয়াও ধৰ্মীয় গোড়ামিৰ চিন্তা ফুটি উঠা নাই। বৰঞ্চ ধৰ্মীয় গোড়ামি কিম্বা মৌলবাদী কাৰ্যকলাপৰ বিৰুদ্ধে সাহসেৰে তেওঁ বিভিন্ন সময়ত লেখা-মেলা কৰি আহিছে।

ৰহমানৰ লেখাসমূহৰ ৰাজনৈতিক দৃষ্টিভংগীও মন কৰিবলগীয়া। কোনো বিশেষ ৰাজনৈতিক দলৰ প্ৰতি তেওঁৰ আনুগত্য অথবা বিদ্বেষ নাই। শাসক দলেই হওক কিম্বা বিৰোধী দলেই হওক, যিকোনো দলৰ ভাল কৰ্মৰাজিৰ বিভিন্ন সময়ত তেওঁ প্ৰশংসা কৰি আহিছে আৰু সেই দলসমূহৰ জাতীয় স্বাৰ্থবিৰোধী কাৰ্যকলাপৰ কঠোৰ ভাষাৰে সমালোচনা কৰিও আহিছে। ৰাজনৈতিক দিশৰ লেখাসমূহৰ ক্ষেত্ৰতো তেওঁ সদায় জাতীয় স্বাৰ্থকহে প্ৰাধান্য কি আহিছে। ৰহমানৰ লেখাত কেৱল অসম তথা ভাৰতবৰ্ষৰ কথাই নহয়, বিশ্বৰ বিভিন্ন দেশৰ গুৰুত্বপূৰ্ণ ঘটনাৱলীৰ কথা, ৰাজনৈতিক-দাৰ্শনিক-সাহিত্যিক-শিক্ষাবিদ-চিন্তাবিদ, শিল্পী আদিৰ কথাও প্ৰকাশ পাই আহিছে। মাজে সময়ে কবি-সাহিত্যিক-দাৰ্শনিক আদিৰ মূল্যৱান লেখাৰ কিছু কিছু কথা উদ্ধৃতিও দি আহিছে। এই লেখাবোৰ পঢ়িও আমি যথেষ্ট উপকৃত হৈছোঁ। ৰহমানৰ কিছুমান লেখা ব্যংগাত্মক তথা হাস্যৰসাত্মক। এনে লেখাবোৰেও পাঠক সমাজক যথেষ্ট আমোদৰ খোৰাক জগাই আহিছে।

‘দৈনিক অগ্ৰদূত’ আৰু ‘তিনিদিনীয়া অগ্ৰদূত’ কাকতত প্ৰকাশিত বিভিন্ন লেখকৰ লেখা পঢ়ি ৰহমানে লেখকসকললৈ ফোন কৰি উদগনিমূলক মন্তব্য দিয়াৰ কথা ভালেকেইগৰাকী লেখকৰ পৰা আমি জানিব পাৰিছো। আমাৰ দৰে সাধাৰণ লেখকলৈও তেওঁ মাজে-সময়ে ফোন কৰি উৎসাহ-উদ্‌গনি যোগাই আহিছে।

ৰহমানৰ লেখাসমূহত মানৱতাবাদী চিন্তাধাৰা আৰু প্ৰমূল্যবোধৰ কথা প্ৰতিফলিত হৈ আহিছে। মাতৃভূমি অসমৰ সৰ্বতোপ্ৰকাৰে মংগলৰ হকে চিন্তা কৰি অহা মুস্তাফিজুৰ ৰহমানৰ সুস্বাস্থ্য কামনা কৰিলো—মাতৃভূমিৰ স্বাৰ্থৰ হকে তেওঁৰ সুতীক্ষ্ণ কলমেৰে সংগ্ৰাম চলাই যাওক।

**নবীন চন্দ্ৰ লহকৰ**

*ফোন-৯৪৩৫০৮৪৩০৮*

## ৰাজহাড়ৰ বেদনা

**আমাৰ** স্বাধীনতাই আমাক ভালতকৈ বেয়াটোহে বেছি শিকালে বুলি ভাবিলে নিশ্চয় ভুল কৰা নহ’ব। নহ’লে চৰকাৰী কাম আৰু বেচৰকাৰী কামৰ মাজত এখন বৃহৎ প্ৰাচীৰ থিয় হ’ল কিয়? আমাৰ মাজত চৰকাৰী কাম মানে আন কাৰোবাৰ কাম আৰু আৰামৰ কাম বুলি ভবা আমাৰ মন-মগজুত শিপাই নগ’লনে? আমি দেশ ৰক্ষাৰ ৰাজহুৱা স্থানত শ্ল’গানহে দিওঁ, বিপৰীতে ৰাজহুৱা বা চৰকাৰী কামত গাফিলতি, ফাঁকি-ফুকা দিয়া আমাৰ প্ৰায় সকলোৰে এটা বদভ্যাসত পৰিণত হ’ল। যাৰ ফলত চৰকাৰী কামৰ ফল সন্তোষজনক নোহোৱা প্ৰতিচ্ছবিখন সকলোৰে চকুৰ আগত স্পষ্ট হৈ উঠিল। চৰকাৰী কল-কাৰখানাবিলাকৰ মাজত এটা এটাকৈ বন্ধ হোৱাৰ একমাত্ৰ কাৰণটোৱে হ’ল আমাৰ মাজত গঢ়ি উঠা কৰ্মস্পৃহাহীনতা বুলি আমি স্বীকাৰ কৰিবই লাগিব। বৰ্তমান ৰাজহুৱা ধন ব্যক্তিগতকৰণৰ যি এটা প্ৰতিযোগিতা আমাৰ মাজত বিস্তৃতি লাভ কৰি আহিব লাগিছে, তাৰ পৰিণতি কি হ’ব পাৰে সি শিশুটোৰো বোধগম্য নোহোৱা নহয়। দেশৰ সম্পদৰ লুণ্ঠন-কাৰ্য ওপৰ শ্ৰেণীৰ মানুহৰ পৰা আৰম্ভ হোৱাটোৱে কি বুজায়? শিক্ষাৰ অনৈতিক প্ৰভাৱকে নুবুজায় জানো? চাওঁতে চাওঁতে, আমাৰ ৰাজহুৱা সম্পত্তিবোৰ ব্যক্তিগত সম্পত্তিত পৰিণত হোৱাৰ পূৰ্বাভাষ পৰিলক্ষিত হৈছে। অতি উচ্চ শিক্ষিত লোক তথা মৰ্যাদাপূৰ্ণ আসনত অধিষ্ঠিত হোৱাৰ পাছতো লাজ-মান ত্যাজিব পৰা হোৱাটোৱে আমাৰ শিক্ষা আৰু আমাৰ স্বাধীনতাৰ বিফলতাৰ প্ৰতিচ্ছবিখনকে দাঙি নধৰিছেনে? যি হাৰত উচ্চ শিক্ষিত আৰু সন্মানৰ আসনত উপবিষ্ট লোকৰ নৈতিক অৱক্ষয়ৰ ধাৰা প্ৰবাহিত হ’ল, ইয়ে দেশ আৰু জাতিলৈ সংকট যে চপাই আনিছে, সি আখৰে আখৰে সত্য নহ’ব কিয়। এতিয়া দেশ বুলিলে ভুৱা আৰু ফাঁকিবাজৰ ৰমৰমীয়া বেহা হোৱাই আমাৰ ভৱিষ্যৎ কেনে হ’ব পাৰে, তাৰ ভৱিষ্যৎবাণী আজিয়েই কৰিব পাৰি। আমাৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি আমাৰ ঘৰৰ মজিয়াতো অচিনাকি লোকে বৰপীৰা পাৰি বহিব যেন লাগে। ড° ভূপেন হাজৰিকাই কোৱা কথা (গীতৰ মাধ্যমেৰে) আমি অসমীয়া নিজৰ ঘৰতে ভগনীয়া হ’ব লাগিব যেন পাওঁ। অস্তিত্ব ৰক্ষাৰ দাবীদাৰ আমাৰ অস্তিত্ব ৰক্ষাৰ সম্বল ক’ত?

**কেশৱ শৰ্মা**, কৈৰাৰা, নলবাৰী

*ফোন ঃ ৯৪০১৮৭৯৪০৮*

## বিজ্ঞান মনস্কতাৰ অভাৱৰ ভয়ানক ফল

অভিমত

**বিজ্ঞান** অবিহনে আমাৰ আধুনিক জীৱন-যাত্ৰা অচল। বিজ্ঞানক আমি আমাৰ বিৰামহীন সুবিধাৰ বাবে দুই হাতে আঁকোৱালি লৈছো সঁচা, পিছে আমাৰ মন আৰু মগজুত বিজ্ঞানক কেনেধৰণেৰে আৰু কিমান জাগা দিছো সেয়াহে বিচাৰ্যৰ বিষয়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগৰ বাসিন্দা বুলি আমি যহাই ফুৰো, অথচ অন্ধবিশ্বাসৰ বশৰ্বতী হৈ আজিও নিজৰ মঙ্গলৰ বাবে দেৱশিশুটিকো বলি দিবলৈ কুণ্ঠাবোধ নকৰো। যোৱা ১২ আগষ্টত বাতৰি কাকতৰ শিৰোনাম দখল কৰিছে ‘সোণাৰিত পিতৃয়ে বলি দিলে চাৰি বছৰীয়া কন্যাক।’ চৰাইদেউ জিলাৰ সোণাৰিৰ পৰা দহ কিলোমিটাৰ নিলগৰ চফ্ৰাই আৰক্ষী চকীৰ অৰ্ন্তগত চফ্ৰাই চাহ বাগিচাৰ ছিংলু লাইনত সভ্য সমাজক লজ্জানত কৰি সংঘটিত হয় গাৰ নোম শিঁয়ৰি উঠা লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা। চাহ বাগিচাখনৰ শ্ৰমিক আন্তা মুণ্ডাৰ পৰিয়াললৈ ধাৰাবাহিকভাৱে নামি অহা দুৰ্যোগ আৰু অপায়-অমংগল নিৰাময় কৰিবলৈ শৰণাপন্ন হৈছিল একেটা শ্ৰমিক লাইনৰে কালীসাধক বগাধৰ মুণ্ডাৰ। আন্তা মুণ্ডাই স্বীকাৰ কৰিছে যে মা কালীক সন্তুষ্ট কৰিবলৈ হে ডিঙি চেপি কন্যাক হত্যা কৰিছিল। হত্যা কৰাৰ সময়ত পিতৃয়ে কন্যা প্ৰিয়াৰ ডিঙি চেপি ধৰি জিভা কামুৰিছিল আৰু সেইসময়তে কালীসাধকে কন্যা শিশুটিৰ কাণখন চোকা দাৰে ৰেপি ধৰিছিল। কি নিৰ্মম জঘন্য হত্যাকাণ্ড সেয়া।

অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বাবেই খোজে প্ৰতি অপমৃত্যু ঘটিছে মানৱতাৰ। অপ্ৰিয় হ’লেও সঁচা--অন্ধবিশ্বাস আৰু কু-সংস্কাৰ নিৰ্মূল কৰাৰ কাৰণে, এইবোৰৰ বিৰোধিতাৰে ৰাজপথ উত্তাল কৰো, কিন্তু সময়ে সময়ে আমি নিজেও তাত নিমগ্ন হ’বলৈ কুণ্ঠাবোধ নকৰো। আধুনিক সমাজৰ এইটোৱে আচল ৰূপ। যিখন দেশৰ চৰকাৰী কৰ্মচাৰীসকলে ৰাজ ভঁৰালৰ পৰা কোটি কোটি ধন খৰচ কৰি পূজা অৰ্চনা কৰে, যাগ-যজ্ঞ কৰি মন্ত্ৰীয়ে দিন-বাৰ-ক্ষণ চাই চৰকাৰী কাৰ্যালয়ত প্ৰৱেশ কৰে, দলং মুকলি অনুষ্ঠান ভাল মাহ নপৰাৰ বাবে পিছুৱাই দিয়ে, নদীক সন্তুষ্ট কৰিবলৈ নদী পূজা অৰ্থাৎ নমামি ব্ৰহ্মপুত্ৰ আৰু নমামি বৰাক উৎসৱ পালন কৰে তাতে অন্ধবিশ্বাস আৰু কু-সংস্কাৰক আমি বিশ্বাস নকৰিমেই বা কিয়?

এই অন্ধবিশ্বাসৰ ঘাই শিপা কোনে উঘালিব আমাৰ সমাজৰ পৰা? আমি শিক্ষাৰ নামত ডিগ্ৰীৰ পিছত ডিগ্ৰী লৈছো। বিজ্ঞানৰ প্ৰতিটো আৱিষ্কাৰক আমি আন্তৰিকতাৰে আঁকোৱালি লৈছো। আধুনিক বুলি নিজকে যহাইছো। অথচ মানসিকতাৰ এলান্ধু সম্পূৰ্ণভাৱে আঁতৰাই দিব পৰা নাই। বিজ্ঞানক আমি যিমান আপোন কৰি ল’বলৈ সক্ষম হৈছো, সেই অনুপাতে আমাৰ মন-মগজুক সংস্কাৰ কৰি মানসিকতাক বিজ্ঞানক সংস্থাপিত কৰিবলৈ অপৰাগ হৈ ৰৈছো। আমাৰ সমাজত বহু শিক্ষিত মানুহে হাতৰ আঙুলিত বিভিন্ন পাথৰযুক্ত নতুবা গঁড়ৰ খৰ্গৰ আঙঠি পিন্ধে। সেই চাম মানুহৰ বিশ্বাস যে তেনে আঙুঠি পিন্ধিলে মানুহৰ যিকোনো অপায়-অমংগল দূৰ হয়।

এই ক্ষেত্ৰত আমাৰ শাসকগোষ্ঠীও পিছপৰা নহয়। এফালে শাসকগোষ্ঠীয়ে বিশ্বৰ ভিতৰতে ভাৰতক আগশাৰীৰ দেশলৈ আগুৱাই নিবলৈ গ্ৰহ-উপগ্ৰহলৈ অভিযান চলোৱাৰ কথা কয় আৰু আনফালে দলং, আনকি হাস্পতাল এখনো উদ্বোধন কৰিবলৈ ৰাহু-কেতু, শনি-ৰবিৰ অৱস্থান চায়। আনকি কেঞ্চাৰ ৰোগো পাপৰ ফল বুলি কয়।

এইবোৰ চাই আমাৰ দৰে সাধাৰণ মানুহে বিবুধিত পৰে। জীৱন্ত ভগৱানৰ সন্তানে জীৱনত এটুপি গাখীৰ নোখোৱাকৈ পাৰ কৰিছে সেইফালে আমাৰ ভ্ৰূক্ষেপ নাই, অন্ধবিশ্বাসৰ বশৰ্বতী হৈ নিৰ্জীৱ ভগৱানৰূপী শিলত লিটাৰে লিটাৰে গাখীৰ ঢালি দিওঁ। নিজৰ ধৰ্ম ৰক্ষাৰ নামত নিৰীহ প্ৰাণীক বলি দি পূণ্য অৰ্জন কৰো। নিজৰ অপায় অমংগল দূৰ কৰাৰ বাবে দেৱশিশুক বলি দিওঁ। এইবোৰ কৰিও আমি জীৱশ্ৰেষ্ঠ মানুহ বুলি নিজকে যহাই ফুৰো। শেষত ক’ব বিচাৰো বৈজ্ঞানিক মানসিকতা থাকিলেহে জীৱন দৰ্শনো সুস্থ হ’ব আৰু সঁচা অৰ্থৰ বিকাশমুখী তথা প্ৰগতিশীল সমাজ গঢ়ি উঠিব।

**ৰমিছা বেগম**

ফোন ঃ ৯৪০১৯১৬৫৪৭



## উত্তৰাখণ্ডত খাৰৈত বাগৰিল ভেন, ১৩ যাত্ৰীৰ মৃত্যু

**নিউজ ব্যুৰ' ডেৰাডুন, ৩১ অক্টোবৰ ঃ** উত্তৰাখণ্ডৰ চকৰানাৰ তয়ুনী ৰোডত আজি পুৱা ১০ বজাত এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হ'ল। পথৰে দ্ৰুত বেগৰে চলাচল কৰা এখন ভেন গাড়ীয়ে হঠাতে নিয়ন্ত্ৰণ হেৰুৱাই খাৰৈত বাগৰি পৰে। দুৰ্ঘটনাৰ ফলত ১৩ জন লোকৰ মৃত্যু হ'ল। এই ঘটনাত আন দুজন যাত্ৰী গুৰুতৰভাৱে আহত হৈছে। বায়লা-পিংগুৱা পথত ভেনখনৰ চালকে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলত গাড়ীখন চাৰিশ মিটাৰ গভীৰ এটা খাৰৈত বাগৰি পৰিছিল।

## ৩০০ বিলিয়ন ডলাৰ উপাৰ্জনকাৰী বিশ্বৰ প্ৰথম ব্যক্তিৰ স্বীকৃতি মাস্কলৈ



**নিউজ ব্যুৰ', টেক্সাছ, ৩১ অক্টোবৰ ঃ** বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত বৈদ্যুতিক গাড়ী নিৰ্মাতা কোম্পানী টেছলাৰ মুৰব্বী এলন মাস্কৰ সম্পত্তিৰ পৰিমাণ প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰিছে। যোৱা বৃহস্পতিবাৰে মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণত এদিনতে ৯.৭৯ বিলিয়ন ডলাৰ অৰ্থাৎ ৭৩,২১০ কোটি টকা বৃদ্ধি পাইছিল। ইয়াৰ পাছত মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ ৩০২ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে। উল্লেখ্য যে ৩০০ বিলিয়ন ডলাৰতকৈ অধিক মূল্যৰ সম্পত্তিৰ অধিকাৰী হোৱা মাস্কে হৈছে বিশ্বৰ প্ৰথমজন ব্যক্তি। ব্লুমবৰ্গ বিলিয়নেৰ সূচাংক অনুসৰি এলন মাস্কৰ সম্পত্তিৰ পৰিমাণ ৩০২ বিলিয়ন ডলাৰ হোৱাৰ বিপৰীতে তালিকাত দ্বিতীয় স্থানত থকা এমেজনৰ মুৰব্বী জেফ বেজ'ছৰ বৰ্তমানৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৯৯ বিলিয়ন ডলাৰ।



## লেণ্ডমাইন বিস্ফোৰণত কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত দুই সেনা নিহত, আহত তিনি

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৩১ অক্টোবৰ ঃ** জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ নৌচেৰা-সুন্দৰবনী খণ্ডত যোৱা নিশা সংঘটিত হোৱা লেণ্ডমাইন বিস্ফোৰণৰ ঘটনাত প্ৰাণ হেৰুৱালে ভাৰতীয় সেনাৰ দুজন জোৱানে। এই ঘটনাত আন তিনিজন সেনাও গুৰুতৰভাৱে আহত হৈছে। উক্ত অঞ্চলত সেনা বাহিনীৰ এটি দলে তহল দিয়াৰ সময়তে এই বিস্ফোৰণ সংঘটিত হৈছিল। আহত দুজনৰ অৱস্থা সংকটজনক বুলি সেনাৰ সূত্ৰই জানিবলৈ দিয়ে। বিস্ফোৰণত নিহত হোৱা সেনা দুজন হৈছে লেফটেনেণ্ট ঋষি কুমাৰ আৰু জোৱান মনজিৎ সিং।

## কানপুৰত পুনৰ দুজন লোক জিকা ভাইৰাছত আক্ৰান্ত



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩১ অক্টোবৰ ঃ** উত্তৰ প্ৰদেশৰ কানপুৰত জিকা ভাইৰাছত আক্ৰান্ত আৰু তিনিজন ৰোগীক চিনাক্ত কৰা হৈছে। উৎসৱৰ বতৰত দেশৰ বিভিন্ন অঞ্চলৰ পৰা লোক ঘৰলৈ আহিছে আৰু এনে পৰিস্থিতিত উত্তৰ প্ৰদেশত জিকা ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পাইছে। জিকা ভাইৰাছত প্ৰভাৱিত কেৰালা আৰু ৰাজস্থানৰ পৰা বহু লোক শেহতীয়াভাৱে উত্তৰ প্ৰদেশলৈ উভতি আহিছে। কানপুৰত এতিয়ালৈকে মুঠ চাৰিজন জিকা আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছে। প্ৰায় ১৬ দিন পূৰ্বে কানপুৰত প্ৰথমজন জিকা ৰোগীক চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছতে অঞ্চলটোৰ ৫১০ জন লোকৰ নমুনা সংগ্ৰহ কৰা হৈছিল আৰু এইসকল লোকৰ তিনিজনৰ নমুনাত জিকা ভাইৰাছৰ উপস্থিতি ধৰা পৰিছিল। জিকা ভাইৰাছৰ উপস্থিতি চিনাক্ত কৰাৰ পাছত কানপুৰত স্বাস্থ্য বিভাগে 'হাই এলাৰ্ট' জাৰি কৰিছে।

## দৈনিক সংক্ৰমণ ১২,৮৩০ জনলৈ হ্ৰাস, ২৪ ঘণ্টাত মৃত্যু ৪৪৬ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ অক্টোবৰ ঃ** শুকুৰ, শনিৰ দৰে দেওবাৰেও ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ ১৫ হেজাৰৰ তলত আছে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ১২,৮৩০ জন লোক। বৰ্তমানলৈকে দেশত মুঠ তিনি কোটি ৪২ লাখ ৭৩ হেজাৰৰ ৩০০ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। মৃত্যুৰ সংখ্যাও দেওবাৰে কিছু হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ৪৪৬ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানে ভাৰতত এক লাখ ৫৯ হেজাৰ ২৭২ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

### দ্বিতীয় বিশ্বযুদ্ধৰ পাছত ৰাছিয়াত সৰ্বাধিকসংখ্যক লোকৰ মৃত্যু হ'ল ছেপ্টেম্বৰত ঃ নাগৰিকৰ গড় আয়ুস ৬৯ বছৰলৈ হ্ৰাস

# ঘাতক ছেপ্টেম্বৰ ঃ এমাহত ৰাছিয়াত কৰ'নাত মৃত্যু ৪৪ হেজাৰৰ

**নিউজ ব্যুৰ' ম'স্কো, ৩১ অক্টোবৰ ঃ** দ্বিতীয় বিশ্বযুদ্ধৰ পাছত ৰাছিয়াত সৰ্বাধিকসংখ্যক লোকৰ মৃত্যু হ'ল যোৱা ছেপ্টেম্বৰত। ৰাছিয়াৰ চৰকাৰী তথ্য অনুসৰি, যোৱা মাহত দেশখনত ক'ভিডত আক্ৰান্ত ৪৪,২৬৫ জন ৰোগীৰ মৃত্যু হৈছিল। ভ্লাডিমীৰ পুটিনৰ দেশখনৰ বাবে যোৱা মাহটো আছিল 'ঘাতক ছেপ্টেম্বৰ'। ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আজিৰে পৰা ৰুছ চৰকাৰে সাত নৱেম্বৰলৈকে কৰ্মচাৰীসকলক বাধ্যতামূলক ছুটী দিছে। ৰুছ স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি বৰ্তমানলৈকে ৰাছিয়াত পাঁচ লাখৰো অধিক লোকে ক'ভিডত প্ৰাণ হেৰুৱালে। ছেপ্টেম্বৰত সৰ্বাধিকসংখ্যক ক'ভিড ৰোগীৰ মৃত্যু হোৱাৰ ফলত দেশখনত কৰ'নাৰ আতংক সম্প্ৰতি বৃদ্ধি পাইছে। যোৱা শনিবাৰে দেশখনত পুনৰ নতুনকৈ ৪০,২৫১ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হৈছিল। বিগত ডেৰ বছৰত ৰাছিয়াৰ বাসিন্দাসকলৰ গড় আয়ুসো যথেষ্ট হ্ৰাস পালে। বৰ্তমানে দেশখনত নাগৰিকৰ গড় আয়ুস হৈছে ৬৯ বছৰ। দেশখনত পৰ্যাপ্ত পৰিমাণৰ ক'ভিড প্ৰতিষেধক মজুত থকাৰ পাছাতো মাত্ৰ ৪৭ শতাংশ নাগৰিকেহে টিকাকৰণ



সম্পূৰ্ণ কৰিছে। এই কাৰণতো ৰাছিয়াত শেহতীয়াভাৱে ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱা বুলি ধাৰণা কৰা হৈছে।

সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পুটিন চৰকাৰে দেশখনত দীৰ্ঘম্যাদী তলাবন্ধৰ কথা চিন্তা-চৰ্চা কৰিছে। যোৱা বছৰত তলাবন্ধৰ ফলত ৰাছিয়াৰ অৰ্থনীতি যথেষ্ট ক্ষতি হোৱা হেতুকে চৰকাৰে এইবাৰ তলাবন্ধৰ পদক্ষেপ ল'বলৈ বিচৰা নাছিল। কিন্তু হঠাতে ক'ভিডত মৃতকৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাত পুটিন প্ৰশাসনে পুনৰ তলাবন্ধৰ কথা বিবেচনা কৰিবলৈ বাধ্য হৈছে। জনসংখ্যা তত্ত্বৰ বিশেষজ্ঞ এলেক্সেই ৰাক্সাই ৰাছিয়াৰ ক'ভিড পৰিস্থিতিৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'ক'ভিডৰ বিৰুদ্ধে যুঁজত প্ৰশাসনে যদি এতিয়াও মানসিকতা সলনি নকৰে, তেন্তে দেশত নতুনকৈ সংক্ৰমণ বৃদ্ধিৰ যথেষ্ট শংকা আছে। অবিলম্বে দেশজুৰি তলাবন্ধ ঘোষণা কৰা অতি জৰুৰী। কৰ'না বিধি কঠোৰ কৰাৰো প্ৰয়োজন আছে। কিছুদিনৰ বাবে নহয়, কে'বাসপ্তাহৰ বাবে তলাবন্ধ ঘোষণা কৰা উচিত।' আনহাতে, ৰাছিয়াৰ উপপ্ৰধানমন্ত্ৰী তাতিয়ানা গ'লিক'ভাই ক'ভিড পৰিস্থিতিক লৈ মন্তব্য কৰি কয়, 'ক'ভিডত আক্ৰান্ত হৈ যিদৰে ৰোগীৰ মৃত্যুৰ সংখ্যা দেশখনত বৃদ্ধি পাইছে, সেয়া অতিকৈ উদ্বেগজনক। টিকাকৰণৰ হাৰ সম্প্ৰতি সামান্য বৃদ্ধি পাইছে। কিন্তু সেয়া পৰ্যাপ্ত নহয়। বৰ্তমানৰ পৰিস্থিতি বাহাল থাকিলে ৰাছিয়াত কৰ'নাই পুনৰ ভয়াৱহ ৰূপ ধাৰণ কৰাৰ যথেষ্ট শংকা আছে।'



## ধূপকাঠিৰ পাছত এইবাৰ চাউলৰ ব্যৱসায় কৰিব লালুপুত্ৰ তেজপ্ৰতাপে

**নিউজ ব্যুৰ', পাটনা, ৩১ অক্টোবৰ ঃ** আৰ জে ডিৰ মুৰব্বী তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালু প্ৰসাদ যাদৱৰ জ্যেষ্ঠ পুত্ৰ তেজপ্ৰতাপ যাদৱে ধূপকাঠিৰ পাছত এইবাৰ চাউলৰ ব্যৱসায় কৰিবলৈ সিদ্ধান্ত লৈছে। তেজপ্ৰতাপে ধূপকাঠিৰ প্ৰতিষ্ঠানটোৰ দৰে চাউলৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ নাম এল আৰ (লালু-ৰাবড়ী) নামত ৰাখিবলৈ সিদ্ধান্ত লৈছে। তেজপ্ৰতাপে টুইট কৰি এল আৰ ৰাইচ এণ্ড মাল্টিগ্ৰেনছ প্ৰাইভেট লিমিটেড নামৰ চাউলৰ কোম্পানীটো আৰম্ভ কৰা বুলি সদৰী কৰে। তেজপ্ৰতাপে কোম্পানীটোৰ বাবে 'অপনা উপজাউ, অপনা খাও, অপনা কমাও, জয় বিহাৰ' শীৰ্ষক এক শ্ল'গানো দিছে। সামাজিক মাধ্যমৰ জৰিয়তে লালুপুত্ৰই জনোৱা অনুসৰি দীপাৱলীৰ পূৰ্বে তেওঁ নিজা ব্ৰেণ্ডৰ চাউল বিহাৰৰ বজাৰত মুকলি কৰিব। এল আৰ কোম্পানীয়ে চাউল বিক্ৰীৰ বাবে পাটনাৰ অনিচাবাদত এটা শ্ব'ৰুম মুকলি কৰিব। চাউলৰ ব্ৰেণ্ড তৈয়াৰৰ ক্ষেত্ৰত তেজপ্ৰতাপে মানদণ্ডত বিশেষ গুৰুত্ব দিছে। এই চাউলত ভেজাল ধৰা পেলালে উক্ত ব্যক্তিক পুৰস্কৃত কৰা হ'ব বুলিও তেজপ্ৰতাপে ঘোষণা কৰিছে।

## এইবাৰ এন চি পিৰ নেতা নবাব মলিকৰ বিৰুদ্ধে ১০০ কোটি টকাৰ মানহানিৰ গোচৰ



**নিউজ ব্যুৰ', মুম্বাই, ৩১ অক্টোবৰ ঃ** বিজেপিৰ নেতা মোহিত কম্বুজে মহাৰাষ্ট্ৰ চৰকাৰৰ মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিকৰ বিৰুদ্ধে ১০০ কোটি টকাৰ মানহানিৰ গোচৰ ৰুজু কৰিলে। কম্বুজে অভিযোগ কৰা অনুসৰি মলিকে তেওঁৰ লগতে পৰিয়ালৰ বিৰুদ্ধে মিথ্যা অভিযোগ উত্থাপন কৰিছে। এক টুইটত মলিকৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণ কৰাৰ কথা প্ৰকাশ কৰি কম্বুজে কয়, 'মোৰ আৰু মোৰ পৰিয়ালৰ বিৰুদ্ধে ভিত্তিহীন অভিযোগ উত্থাপন কৰা হেতুকে মই নবাব মলিকৰ বিৰুদ্ধে ১০০ কোটি টকাৰ ক্ষতিপূৰণ বিচাৰি বোম্বে উচ্চ ন্যায়ালয়ত মানহানিৰ গোচৰ তৰিলো।' উল্লেখ্য যে মলিকে বিগত কিছুদিন ধৰি মুম্বাইৰ নিষিদ্ধ মাদকদ্ৰব্যৰ গোচৰত এন চি বিৰ বিষয়া সমীৰ ৱাংখেড়েসহ বিজেপিৰ কে'বাজনো নেতাৰ বিৰুদ্ধে একাধিক চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। এইবাৰ বিজেপিৰ নেতাই মলিকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিলে।



## তৃণমূললৈ উভতি আহি ৰাজীৱে ক'লে ঃ মই লজ্জিত, অনুতপ্ত

**নিউজ ব্যুৰ' কলকাতা, ৩১ অক্টোবৰ ঃ** দলত্যাগৰ ন মাহৰ পাছত তৃণমূল কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন ঘটালে বিজেপিৰ নেতা ৰাজীৱ বন্দ্যোপাধ্যায়ে। আজি ত্ৰিপুৰাৰ আগৰতলাৰ ৰবীন্দ্ৰ ভৱনত অভিষেক বন্দ্যোপাধ্যায়ৰ উপস্থিতিত তৃণমূল কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন কৰিলে প্ৰাক্তন মন্ত্ৰীজনে। দলত্যাগৰ বাবে ৰাজহুৱাভাৱে ক্ষমা প্ৰাৰ্থনা বিচাৰি ৰাজীৱে কয়, 'মই লজ্জিত, অনুতপ্ত, ভুল স্বীকাৰ কৰিছো। অভিমানত ভুল কৰিছিলো। খঙৰ বশত সিদ্ধান্ত লৈছিলো। সেই সময়ত অভিষেকে মোক বুজাবলৈ চেষ্টা কৰিছিল, কিন্তু মই তেওঁৰ কথা শুনা নাছিলো। সেয়েহে মই লজ্জিত আৰু অনুতপ্ত।'

## প্ৰিয়ংকাৰ প্ৰতিশ্ৰুতি ঃ উত্তৰ প্ৰদেশত চৰকাৰ গঠন হ'লে ২০ লাখক কৰ্মসংস্থাপন

**নিউজ ব্যুৰ' গোৰখপুৰ, ৩১ অক্টোবৰ ঃ** কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা উত্তৰ প্ৰদেশৰ প্ৰভাৰী প্ৰিয়ংকা গান্ধী ভদ্ৰাই আজি গোৰখপুৰত এখন জনসভাত অংশ লৈ ৰাজ্যখনৰ আগন্তুক বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে চৰকাৰ গঠন কৰিলে ২০ লাখ যুৱক-যুৱতীক কৰ্মসংস্থাপন প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়ে। প্ৰিয়ংকাই লগতে প্ৰতিশ্ৰুতি দি কয় যে কংগ্ৰেছৰ চৰকাৰ গঠন হ'লে উত্তৰ প্ৰদেশৰ



মহিলাসকলে বিনামূলীয়া বাছ যাত্ৰাৰ সুবিধা লাভ কৰিব। এবছৰত তিনিটাকৈ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিনামূল্যে যোগান ধৰা, আশাকৰ্মীৰ মাননী ১০ হেজাৰ টকালৈ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতিও কংগ্ৰেছ নেত্ৰীগৰাকীয়ে দিয়ে। চহৰৰ চম্পা দেৱী পাৰ্কত আয়োজিত ৰেলীত অংশ লোৱাৰ সময়ত প্ৰিয়ংকাই যোগী আদিত্যনাথৰ চৰকাৰক সমালোচনা কৰি কয় যে বিজেপিৰ শাসনত উত্তৰ প্ৰদেশত কোনেও নিৰাপত্তা অনুভৱ নকৰা হৈছে। উত্তৰ প্ৰদেশত অপৰাধমূলক ঘটনা বৃদ্ধি পোৱাৰ প্ৰসংগ উল্লেখ কৰি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে ইয়াৰ বাবে আদিত্যনাথ চৰকাৰক জগৰীয়া কৰে। ভাষণ প্ৰসংগত প্ৰিয়ংকাই কয়, 'সমাজবাদী পাৰ্টি, বহুজন সমাজ পাৰ্টিৰ নেতাই অভিযোগ কৰে যে কংগ্ৰেছে বিজেপিৰ স'তে গোপনে বুজাবুজি কৰি আহিছে। মই মৰি যাম, জীৱন দিবলৈ সাজু আছো, কিন্তু কেতিয়াও বিজেপিৰে মিত্ৰতা নকৰো।'

## এবছৰত ১৫ কোটি টকা দান হিচাপে আগবঢ়ালে অমিতাভে



**নিউজ ব্যুৰ', মুম্বাই, ৩১ অক্টোবৰ ঃ** বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চনে সামাজিক কাম-কাজৰ বাবে দান-বৰঙণি আগবঢ়াই আহিছে। এবছৰত বলিউডৰ এইজন জনপ্ৰিয় অভিনেতাই ১৫ কোটি টকা দান হিচাপে আগবঢ়ালে। হুৰুণ ভাৰতীয় দানবীৰ তালিকা ২০২১ত প্ৰথমবাৰৰ বাবে নাম অন্তৰ্ভুক্ত হ'ল অমিতাভৰ। বিগত এবছৰত অমিতাভে বিভিন্ন সামাজিক অনুষ্ঠানলৈ ব্যক্তিগতভাৱে ১৫ কোটি টকাৰ অনুদান আগবঢ়াইছিল। উল্লেখ্য যে হুৰুণৰ এই তালিকাত চলিত বিত্তীয় বৰ্ষত ৯,৭১৩ কোটি টকা দানৰে উইপ্ৰ'ৰ প্ৰতিষ্ঠাপক আজিম প্ৰেমজীয়ে শীৰ্ষস্থান দখল কৰিছে।

## আৰিয়ানৰ বাবে মনোৰোগ বিশেষজ্ঞ নিয়োগ কৰিব শ্বাহৰুখ-গৌৰীয়ে

**নিউজ ব্যুৰ', মুম্বাই, ৩১ অক্টোবৰ ঃ** নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত অৱশেষত জামিন লাভ কৰি ঘৰলৈ উভতি অহা আৰিয়ান খানক সংশোধনৰ বাবে পিতৃ শ্বাহৰুখ খান আৰু মাতৃ গৌৰী খানে মনোৰোগ বিশেষজ্ঞৰ দ্বাৰস্থ হৈছে। খান পৰিয়ালৰ ঘনিষ্ঠ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ২৩ বছৰীয়া আৰিয়ানক মাদক আসক্তিৰ পৰা মুক্ত কৰিবলৈ পিতৃ-মাতৃয়ে পুত্ৰৰ বাবে মনোৰোগ বিশেষজ্ঞৰ স'তে আলোচনা কৰিব বিচাৰিছে। সূত্ৰটোৱে লগতে প্ৰকাশ কৰা মতে, আৰিয়ানৰ স্বাস্থ্যৰ প্ৰতি বিশেষ দৃষ্টি ৰাখি পিতৃ-মাতৃয়ে পুত্ৰৰ কেতবোৰ ৰক্ত পৰীক্ষা কৰোৱাৰো সিদ্ধান্ত লৈছে।



# মৃত্যুৰ বাতৰি সঁচা নাছিল ঃ প্ৰথমবাৰলৈ আত্মপ্ৰকাশ তালিবানৰ সৰ্বোচ্চ নেতা অখুণ্ডজাদাৰ




**নিউজ ব্যুৰ', কাবুল, ৩১ অক্টোবৰ ঃ** তালিবানৰ সৰ্বোচ্চ নেতা হেইবতুল্লাহ অখুণ্ডজাদাই প্ৰথমবাৰৰ বাবে ৰাজহুৱাভাৱে আত্মপ্ৰকাশ কৰিলে। তালিবানৰ শীৰ্ষ নেতাজনে জেহাদী সংগঠনটোৰ জন্মস্থান কান্দহাৰত নিজৰ সমৰ্থকক এখন সভাত সম্বোধন কৰে। উল্লেখ্য যে পূৰ্বে প্ৰকাশিত এক প্ৰতিবেদনত দাবী কৰা হৈছিল যে ২০২০ তে অখুণ্ডজাদাৰ মৃত্যু হৈছিল। সেই সময়ত অৱশ্যে তালিবানে এই খবৰ অস্বীকাৰ বা সমৰ্থন কৰা নাছিল। ২০১৬ত আখতাৰ মনছুৰৰ মৃত্যুৰ পাছত অখুণ্ডজাদা তালিবানৰ মুৰব্বী নিৰ্বাচিত হৈছিল। সেই সময়ৰে পৰা অখুণ্ডজাদাই বিশ্বৰ সবাতোকৈ শক্তিশালী ইছলামিক জেহাদী সংগঠনটো পৰিচালনা কৰি আহিছে। যোৱা আগষ্টত তালিবানে কাবুল পুনৰ দখল কৰাৰ পাছৰে পৰা অখুণ্ডজাদাৰ ভূমিকাক লৈ বিভিন্ন বা-বাতৰি সংবাদ মাধ্যমত প্ৰচাৰ হৈ আহিছে। শনিবাৰে তালিবানে সামাজিক মাধ্যমৰ জৰিয়তে এটা অডিঅ' বাৰ্তা প্ৰচাৰ কৰি কয় যে অখুণ্ডজাদাই নিজৰ যুঁজাৰু তথা বাহাদুৰ সৈনিকসকলৰ স'তে মত বিনিময় কৰিবলৈ দাৰুল উলুম হকিমা মাদ্ৰাছালৈ গৈছিল। ৰাজহুৱা অনুষ্ঠানটোত অংশ লৈ অখুণ্ডজাদাই কয় যে আফগানিস্তানৰ পীড়িত লোকসকলৰ প্ৰতি আল্লাহে দয়া প্ৰদৰ্শন কৰক, কিয়নো এইসকল লোকে বিগত ২০ বছৰ ধৰি কাফিৰ আৰু উৎপীড়নকাৰীৰ বিৰুদ্ধে যুঁজ দি আহিছে।' ১০ মিনিটৰ উক্ত অডিঅ' বাৰ্তাত অখুণ্ডজাদাই কয় যে তালিবানে কাফিৰৰ বিৰুদ্ধে যুঁজ দি আহিছে। উল্লেখ্য যে অখুণ্ডজাদাক 'অমীৰুল ম'মিনীন' নামৰে জনা যায়। ইয়াৰ অৰ্থ হৈছে বিশ্বাসী কমাণ্ডাৰ। অনুৰাগীসকলে অখুণ্ডজাদাক এই উপাধি প্ৰদান কৰিছিল। অখুণ্ডজাদাৰ শেহতীয়া ৰাজহুৱা আত্মপ্ৰকাশৰ পাছত তালিবানৰ শীৰ্ষ নেতাজন যে জীৱিত আছে সেই কথা প্ৰমাণিত হ'ল।

## বিবাহ অনুষ্ঠানত গীত পৰিৱেশন অপৰাধ, ১৩ জনক গুলীয়াই হত্যা তালিবানৰ

**নিউজ ব্যুৰ', কাবুল, ৩১ অক্টোবৰ ঃ** স্বভাৱ সলনি হোৱা নাই তালিবানৰ। যোৱা ১৫ আগষ্টত তালিবানে কাবুল পুনৰ দখল কৰিছিল। সেই সময়ত তালিবানে শান্তিৰ বাণী দি দেশখনত শিথিলভাৱে শাসন কৰা হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু কাৰ্যক্ষেত্ৰত ইয়াৰ বিপৰীত স্থিতি গ্ৰহণ কৰি আহিছে তালিবান চৰকাৰে। আফগানিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আমৰুল্লা ছালেহে টুইটাৰত দাবী কৰা অনুসৰি এখন বিবাহত সংগীত পৰিৱেশন কৰাৰ দোষত তালিবানে ১৩ জন লোকক গুলীয়াই হত্যা কৰিলে। ছালেহে এই ধৰণৰ নাৰকীয় ঘটনা প্ৰতিৰোধ কৰিবলৈ আফগানিস্তানবাসীক আহ্বান জনাইছে। সামাজিক মাধ্যমত প্ৰাক্তন ৰাষ্ট্ৰপতিজনে এইদৰে কয়, 'নেনগাৰহাৰ প্ৰদেশত এখন বিবাহ অনুষ্ঠানত সংগীত বন্ধ কৰিবলৈ গৈ তালিবানে ১৩ জন লোকক হত্যা কৰিলে। এয়া কেৱল নিন্দনীয় ঘটনাই নহয়। বিগত ২৫ বছৰ ধৰি পাকিস্তানে তালিবানক কেনেকৈ আফগান সংস্কৃতিক ধ্বংস কৰিব পাৰি সেই প্ৰশিক্ষণ দি আহিছে।'



## বিপ্লৱ দেব 'বিজেপিৰ উন্মাদ' ঃ ত্ৰিপুৰাৰ সভাত তীব্ৰ আক্ৰমণ তৃণমূল নেতা অভিষেকৰ



**নিউজ ব্যুৰ', আগৰতলা, ৩১ অক্টোবৰ ঃ** একাধিক বাধা-বিঘিনিক অতিক্ৰম কৰি অৱশেষত আজি ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাৰ ৰবীন্দ্ৰ ভৱনত এখন জনসভা অনুষ্ঠিত কৰিলে তৃণমূল কংগ্ৰেছে। এই সভাত বক্তব্য ৰাখি তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বন্দ্যোপাধ্যায়ে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ দেবক কঠোৰভাৱে আক্ৰমণ কৰে। মুখ্যমন্ত্ৰী দেবক প্ৰত্যাহ্বান জনাই অভিষেকে ভাষণত কয়, 'আগতে ইয়াত চি পি এমৰ 'হাৰ্মাদ' আছিল, এতিয়া আছে বিজেপিৰ উন্মাদ। বিপ্লৱ দেৱ এতিয়া বিগ ফ্লপ দেব। আজি আমি লাই খুঁটা পুতিলো, ২০২৩ত হ'ব বিসৰ্জন।' উল্লেখ্য যে ২০২৩ত ত্ৰিপুৰাত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত ৰাজ্যখনৰ বিজেপি চৰকাৰক ক্ষমতাৰ পৰা উৎখাত কৰিবলৈ তৃণমূল কংগ্ৰেছে তৎপৰতা প্ৰদৰ্শন কৰিছে।

## ইতিহাসত সোণালী আখৰেৰে খোদিত সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ে হেৰুৱাইছে নেকি ঐতিহ্য

■ ১২৭ বছৰীয়া শিক্ষানুষ্ঠানৰ হেৰুওৱা ঐতিহ্য ঘূৰাই অনাৰ সংগ্ৰামত ব্ৰতী শিক্ষক-শিক্ষাৰ্থী-কৰ্তৃপক্ষ

■ ব্ৰিটিছে ন-১০বাৰকৈ জ্বলাই দিয়া শিক্ষানুষ্ঠানখনক প্ৰমাণপত্ৰ দিবলৈ বাধ্য হৈছিল ৰাণী ভিক্টোৰিয়া

# আওপুৰণি গৃহত জোৰা-টাপলি মাৰি অব্যাহত আছে পাঠদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩১ অক্টোবৰ ঃ** অসমত মাতৃভাষা শিক্ষাৰ প্ৰসাৰ কৰিবলৈ ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে একপ্ৰকাৰ বিদ্ৰোহ ঘোষণা কৰি ১৮৯৪ত জন্ম দিয়া হৈছিল এক অনুষ্ঠানৰ। যাক একাধিকবাৰ সেই চৰকাৰখনে নিঃশেষ কৰাৰ চেষ্টা কৰিছিল। এবাৰ-দুবাৰ নহয়, প্ৰায় ১০বাৰকৈ সেই অনুষ্ঠানটোত অগ্নিসংযোগ কৰা হৈছিল। কিন্তু জাতি-মাটি আৰু মাতৃভাষাক ভালপোৱা এজন প্ৰকৃত অসমীয়াৰ জেদ আৰু স্বাভিমানেৰে গঢ়া সেই অনুষ্ঠানটো তেওঁ ধ্বংস হ'বলৈ দিয়া নাছিল। বহু ঘাত-প্ৰতিঘাত, বাধা বিঘিনি নেওচি অনুষ্ঠানটো জীয়াই ৰাখিছিল তেওঁ। যাৰ বাবে অৱশেষত হাৰ মানিবলৈ বাধ্য হৈছিল ব্ৰিটিছ চৰকাৰ। প্ৰতিষ্ঠাৰ তিনিটা বছৰ পাছতেই অৰ্থাৎ ১৮৯৭ত শিক্ষানুষ্ঠানখনক স্বাধীনভাৱে শিক্ষা প্ৰদানৰ অধিকাৰ প্ৰদান কৰি ইংলণ্ডৰ ৰাণী ভিক্টোৰিয়াই প্ৰদান কৰিছিল প্ৰমাণপত্ৰ। এইখনেই হৈছে গুৱাহাটীৰ ভৰলুমুখস্থিত ঐতিহ্যমণ্ডিত সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়। ১৮৯৪ত বস্ত্ৰনগৰী শুৱালকুছিৰ এটি সম্ভ্ৰান্ত পৰিয়ালৰ সদস্য সোণাৰাম ৰাজমেধিৰ প্ৰচেষ্টাত জন্ম হৈছিল এই শিক্ষানুষ্ঠানখন। তাহানিৰ পাণবজাৰৰ জুবিলী গাৰ্ডেন (বৰ্তমানৰ পানীটেংকী)ত বাঁহ-খেৰেৰে নিৰ্মাণ কৰা বিদ্যালয়খন পৰৱৰ্তী সময়ত ৰাজমেধিয়ে বৰ্তমানৰ ঠাইলৈ স্থানান্তৰ কৰিছিল। ঐতিহ্যমণ্ডিত এই শিক্ষানুষ্ঠানৰ প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰিছিল অসমৰ বহু নমস্য ব্যক্তিয়ে। ইয়াৰ ভিতৰত আছিল জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম অসমৰ প্ৰথমগৰাকী চনেট ৰচক হেমচন্দ্ৰ গোস্বামী, স্বাধীন অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈকে ধৰি আববাৰ হুছেইন, নৰকুমাৰ বৰুৱা, কেশৰ নাৰায়ণ দত্ত, সুৰেন্দ্ৰ নাথ শৰ্মা, কুমুদেশ্বৰ হাজৰিকা আদি ব্যক্তিসকল। তেনেদৰে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, বিষ্ণুৰাম মেধি, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, বিশিষ্ট শিক্ষাবিদ হৰমোহন দাস, ৰোহিনী কুমাৰ চৌধাৰী, ছাৰ চৈয়দ চাদুল্লা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দীনেশ গোস্বামী, সৰ্বভাৰতীয় ৰেফাৰী-আম্পায়াৰ সুৰেন ৰাম ফুকন আদি অসমৰ সুযোগ্য সন্তানে এই শিক্ষানুষ্ঠানখনত শিক্ষাদান কৰিছিল। এইসকল ব্যক্তিয়ে সোণাৰাম ৰাজমেধিৰ এই অনুষ্ঠানটোক সাৰপানী যোগাই বটবৃক্ষলৈ পৰিণত কৰাত অৰিহণা যোগাইছিল। এক গৌৰৱময় ইতিহাসৰ স্বাক্ষৰ বহনকাৰী এই শিক্ষানুষ্ঠানখনত বিহগী কবি ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী ৰায় চৌধুৰী, কৰ্ণেল মনোৰঞ্জন গোস্বামী, ন্যায়াধীশ মুকুন্দৰাম শৰ্মা, ডাঃ কালি প্ৰসাদ শইকীয়া আদিৰ দৰে মেধাৱী ছাত্ৰই অধ্যয়ন কৰিছিল। দিনক দিনে শিক্ষানুষ্ঠানখনৰ উত্তৰণ ঘটিছিল। ক্ৰীড়াৰ ক্ষেত্ৰতো শিক্ষানুষ্ঠানখনৰ এক স্বৰ্ণিল ইতিহাস আছে। শিক্ষানুষ্ঠানখনৰ খেলপথাৰত আজিৰ পৰা ৬০-৭০ বছৰ আগতে অনুষ্ঠিত হৈছিল সন্তোষ ট্ৰফী, বৰদলৈ ট্ৰফী। অসমৰ বাহিৰলৈ খেলিব যোৱা ফুটবল দলৰ প্ৰশিক্ষণ হৈছিল এই খেলপথাৰতেই। শিক্ষানুষ্ঠানখনৰ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক বিকাশৰ লগতে শাৰীৰিক বিকাশৰ ক্ষেত্ৰতো উন্নতি সাধন হৈছিল। কিন্তু সেই পৰিৱেশ আজি আৰু নাই। ৯০ৰ দশকৰ শেষৰ পিনৰ পৰা শিক্ষানুষ্ঠানখনৰ সেই ঐতিহ্য ক্ৰমাৎ ম্লান পৰি আহিবলৈ ধৰা বুলি স্থানীয় লোক তথা সচেতন সমাজে আক্ষেপ প্ৰকাশ কৰে। বিভিন্নজনৰ অভিযোগ অনুসৰি, শিক্ষানুষ্ঠানখনত নাই পঢ়াৰ পৰিৱেশ। শিক্ষকসকল উপস্থিত থাকে যদিও পাঠদানত গুৰুত্ব নাই। যাৰ বাবে শিক্ষাৰ্থীসকলক প্ৰায়ে দেখা যায় পাৰ্ক, বজাৰ অথবা ৰেস্তোৰাঁত। শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ সময়ত কি কৰিছে, ক'লৈ গৈছে ইত্যাদি কথালৈ কাণসাৰ নাই শিক্ষকৰ। শৈক্ষিক, বৌদ্ধিক, শাৰীৰিক তথা মানসিক বিকাশৰ বাবে শিক্ষানুষ্ঠানখনত কোনো কৰ্মসূচী নাই; কিন্তু এই অভিযোগ কিমান সঁচা? এই সন্দৰ্ভত শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ মঞ্জুৰাণী বৰ্মনে 'দৈনিক অগ্ৰদূত'ক কয়, '১৯৮৫ত সোণাৰাম বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছিল। তেতিয়ালৈ শিক্ষাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানখনৰ ঐতিহ্যৰ ধাৰাবাহিকতা অব্যাহত আছিল; কিন্তু তাৰ পৰৱৰ্তী সময়ত মহানগৰীৰ য'তে-ত'তে কাঠফুলাৰ দৰে গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ আগ্ৰাসন, প্ৰাদেশিকীকৃত বিদ্যালয়সমূহত স্থায়ী অধ্যক্ষ নিযুক্তি নিদিয়াৰ লগতে ওচৰে-পাঁজৰে বহু বিদ্যালয়-মহাবিদ্যালয় স্থাপিত হোৱাৰ ফলত ইয়াৰ শিক্ষাৰ্থীৰ সংখ্যা কমি আহিবলৈ ধৰে। ইয়াৰ ফলত ছাত্ৰাৱাসবোৰ জৰাজীৰ্ণ হৈ পৰে; কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে শিক্ষানুষ্ঠানখনত শিক্ষাৰ পৰিৱেশ নাই। আমাৰ শিক্ষকসকলৰ কঠোৰ পৰিশ্ৰম, সাহস আৰু চিন্তাৰ ফলত বৰ্তমান শিক্ষানুষ্ঠানখনলৈ পূৰ্বৰ পৰিৱেশ ঘূৰি নাহিলেও বিদ্যালয়খনত এক সুস্থ বাতাবৰণ ঘূৰাই আনিবলৈ সক্ষম হৈছে। সম্প্ৰতি শিক্ষানুষ্ঠানখনত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষক বাদ দি প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী অধ্যয়নৰত হৈ আছে। আমাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰসকলে বিভিন্ন চৰকাৰী প্ৰজেক্ট খুব সুন্দৰকৈ সম্পূৰ্ণ কৰি আহিছে। ২০১৫ত ভাৰত চৰকাৰৰ ডিবিটিৰ বিএলআইএছএছ প্ৰজেক্ট কৰিবলৈ আমিও অসমৰ ৮৮খন শিক্ষানুষ্ঠানৰ তালিকাত স্থান পাইছিলো। বৰ্তমান আমাৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকল অধ্যয়নক লৈ সচেতন। আমাৰ অধিকাংশ ছাত্ৰ দৰিদ্ৰ পৰিয়ালৰ। তেওঁলোকৰ পিতৃ-মাতৃক কামত সহায় কৰি বিদ্যালয়লৈ আহিব লগা হয়। তেওঁলোক অসুস্থ হ'লে কেতিয়াবা নিজেও কাম কৰিব লগাত পৰে। ঘৰত পঢ়াৰ পৰিৱেশ একেবাৰে নাই অধিকাংশৰ। তাৰ পাছতো তেওঁলোকে পঢ়া এৰি দিয়া নাই। আমি যিমান পাৰো তেওঁলোকক সহায় কৰো। আমি নিজেই তেওঁলোকক ফোন কৰি খবৰ লওঁ। তেওঁলোকক মানসিকভাৱেও আমি উৎসাহ দিবলৈ চেষ্টা কৰো। আমাৰ বিদ্যালয়ত স্নেহালয়ৰ কে'বাজনো শিক্ষাৰ্থী আছে। তেওঁলোক অতি নম্ৰ আৰু মেধাৱী। অত্যন্ত পৰিপাটি তেওঁলোকৰ কাম। স্নেহালয়ৰ পৰা অহা দশম শ্ৰেণীৰ ছাত্ৰ পাৰ্বণ আহমেদ তীক্ষ্ণ বুদ্ধিসম্পন্ন এজন ছাত্ৰ। পঢ়াত ভাল। লগতে তেওঁৰ এটা সৃষ্টিসুলভ মন আছে। পেলনীয়া সামগ্ৰীৰে তেওঁ বিভিন্ন আৰ্হি প্ৰস্তুত কৰি সকলোৰে মন মুহিছে। তেওঁ ভাল কবিতা লিখাৰ লগতে ভাল ঘোষকো। তেওঁৰ কবিতা কাকতত প্ৰকাশ পাইছে। তেনেদৰে আমাৰ শিক্ষানুষ্ঠানত পঢ়ি থকা বহু ছাত্ৰই খুব কষ্টেৰে নিজৰ পঢ়া-শুনা অব্যাহত ৰাখিছে। তেওঁলোকৰ ঘৰৰ অৱস্থা অতিকৈ শোচনীয়। সেয়ে তেওঁলোককো দোষ দিব নোৱাৰি; কিন্তু তাৰ মাজতো তেওঁলোকে যেনেদৰে মন লগাই পঢ়ে তাৰ বাবে আমি শিক্ষকসকল মাজে মাজে আচৰিত হওঁ। তদুপৰি সীমিত সুবিধাৰ মাজতে আমি তেওঁলোকক পাঠদান কৰি আছো। আওপুৰণি শ্ৰেণীকোঠা, গৃহতে ছাত্ৰসকলে পাঠগ্ৰহণ কৰি আহিছে। ছাত্ৰৰ অনুপাতে শ্ৰেণীকোঠা বৃদ্ধি পোৱা নাই। তদুপৰি শিক্ষকৰ কিছু অভাৱ আছে। উচ্চতৰ মাধ্যমিকৰ বিষয় শিক্ষকৰ দুটা পদ আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ তিনিটা, উচ্চ প্ৰাথমিকৰ তিনিটা পদ খালী হৈ আছে। তাৰ মাজতে আমি যিমান পাৰো শিক্ষানুষ্ঠানখনৰ পূৰ্বৰ ঐতিহ্য ঘূৰাই আনিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছো। কিন্তু এই ক্ষেত্ৰত কেৱল আমাৰেই নহয় বৰঞ্চ চৰকাৰ তথা সচেতন ৰাইজৰ সহায়ৰো প্ৰয়োজন হ'ব।'





## গোৱালপাৰাত ইন্দিৰা গান্ধীৰ মৃত্যু ঃ চৰ্দাৰ পেটেলৰ জন্ম দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩১ অক্টোবৰ ঃ** গোৱালপাৰা জিলা কংগ্ৰেছৰ উদ্যোগত আৰু গোৱালপাৰা টাউন ব্লক কংগ্ৰেছৰ সহযোগত আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ মৃত্যু আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্ম দিৱস পালন কৰা হয়। এই উপলক্ষে গোৱালপাৰা জিলা কংগ্ৰেছ কাৰ্যালয়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। পাছত জিলা কংগ্ৰেছৰ সভাপতি আব্দুছ ছামাদৰ পৌৰোহিত্যে অনুষ্ঠিত হোৱা সভাত ইন্দিৰা গান্ধী আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ জীৱনী আৰু কৰ্মৰাজি সম্পৰ্কে ভাষণ দিয়ে। ইপিনে, জিলাখনৰ প্ৰতিটো ব্লক কংগ্ৰেছ কাৰ্যালয়ত জন্ম দিৱস পালন কৰা হয়।

## কুলবিল হীৰাপাৰাৰ এক লাখ মাটিৰ চাকিৰ পেকেট বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**চামতা, ৩১ অক্টোবৰ ঃ** 'অসমত যে এটা উদ্যোগ বিভাগ আছে এই কথা আগতে ৰাইজে জনাই নাছিল। আমি উদ্যোগ বিভাগৰ দায়িত্ব লোৱাৰ পাছত উদ্যোগ বিভাগক ৰাইজৰ মাজলৈ লৈ যোৱা হৈছে। অসমত অতি ক্ষুদ্ৰ উদ্যোগ (মাইক্ৰ'), ক্ষুদ্ৰ উদ্যোগ আৰু মজলীয়া উদ্যোগৰ সম্ভাৱনীয়তা বেছি। সেয়ে চৰকাৰে এনে উদ্যোগ স্থাপনত গুৰুত্ব আৰোপ কৰিছে। অতি ক্ষুদ্ৰ উদ্যোগত পৰিয়াল এটাৰ প্ৰায়ভাগ লোক জড়িত হ'ব পাৰে। বেছি ডাঙৰ যন্ত্ৰপাতিৰ আৱশ্যক নহয়। মূলধনো কম লাগে। ভালকৈ কৰিলে পৰিয়ালটো চলি থাকিব পাৰে। আনহাতে, ক্ষুদ্ৰ উদ্যোগ আৰু মজলীয়া উদ্যোগ স্থাপন কৰিব খোজা উদ্যোগীসকলক উদ্যোগ বিভাগৰ তৰফৰ পৰা উদ্যোগ স্থাপনৰ বাবে ভূমি দিয়া, মূলধনৰ বাবে ঋণ, যন্ত্ৰপাতি কিনা, বিজুলী সংযোগ, কেঁচামাল ক্ৰয়ৰ ক্ষেত্ৰত ৰাজহ সাহায্য দিয়া হ'ব।' এই মন্তব্য উদ্যোগ, বাণিজ্য, পৰিবহণ দক্ষতা বিকাশ, সংখ্যালঘু উন্নয়ন, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ। আজি গুৱাহাটীৰ কুমাৰপাৰাত লঘু উদ্যোগ ভাৰতী, পূৰ্বোত্তৰৰ গ্ৰাম শিল্প প্ৰকাণ্ঠৰ উদ্যোগত নলবাৰীৰ ধৰ্মপুৰ সমষ্টিৰ কুলবিল হীৰাপাৰা মৃৎ শিল্পী সমবায় সমিতিৰ পৰা ক্ৰয় কৰা এক লাখ মাটিৰ চাকিৰ পেকেট বিতৰণৰ আৰম্ভ অনুষ্ঠানত মন্ত্ৰী পাটোৱাৰীয়ে এনেদৰে কয়। মন্ত্ৰী পাটোৱাৰীয়ে কুলবিল হীৰাপাৰাৰ মৃৎ শিল্পৰ আধুনিকীকৰণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰি দুই কোটি টকাৰ এটি প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। আজি দিনৰ এক বজাত কুমাৰপাৰাৰ বাজাজ ইঞ্জিনীয়াৰ বাকৰিত লঘু উদ্যোগ ভাৰতী; পূৰ্বোত্তৰৰ কোষাধ্যক্ষ অনুপ আগৰৱালাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰি লঘু উদ্যোগ ভাৰতী; পূৰ্বোত্তৰৰ গ্ৰাম শিল্প প্ৰকল্পৰ সম্পাদক অৰূপ বৰপূজাৰীয়ে অসমৰ গাঁৱৰ থলুৱা শিল্প উদ্যোগৰ উৎপাদিত সামগ্ৰিৰ অসমতে এখন বজাৰ দিয়াৰ উদ্দেশ্যলৈ এইবাৰ নলবাৰীৰ কুলবিল হীৰাপাৰাৰ মৃৎ শিল্পীসকলে হাতেৰে তৈয়াৰ কৰা এক লাখ মাটিৰ এখন বজাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি কয়।




*মহানগৰীৰ শিলপুখুৰী খেলপথাৰ অধিগ্ৰহণৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰি ইয়াক স্থানীয় দীপক সংঘলৈ হস্তান্তৰৰ বাবে মুখ্যমন্ত্ৰীলৈ আবেদন ৰাজহুৱা সভাৰ, দেওবাৰে।*

সুৰক্ষা আৰু শান্তি শৃংখলা ৰখাৰ ক্ষেত্ৰত বকোৰ মহিলা গাঁওৰক্ষী বাহিনীৰ পদক্ষেপ

## অনৈতিক কাৰ্যকলাপ ভূ-মাফিয়াৰ বিৰুদ্ধে কঠোৰ

**অগ্ৰদূত বাৰ্তা**

**বকো, ৩১ অক্টোবৰ ঃ** নিজৰ গাঁওখনৰ সুৰক্ষা আৰু শান্তি শৃংখলা বজাই ৰখাৰ বাবে ৰাজ্যখনৰ গাঁওসমূহত গাঁওৰক্ষী বাহিনী গঠন কৰা হৈছে। সমান্তৰালভাৱে বৃহত্তৰ বকো অঞ্চলত ১০৫টা পঞ্জীয়নভুক্ত আৰু ২২টা অপঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনী আছে। বকোৰ পঞ্জীয়নভুক্ত নালাপাৰা একমাত্ৰ মহিলা গাঁওৰক্ষী বাহিনীয়ে ২০১৮ৰ পৰা নালাপাৰা অঞ্চলটোৰ অসামাজিক, অনৈতিক কাৰ্যকলাপৰ লগতে ভূ-মাফিয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। ২৫ জনীয়া পঞ্জীয়নভুক্ত মহিলা গাঁওৰক্ষী বাহিনীৰ সহিতে অঞ্চলটোৰ প্ৰতিটো পৰিয়ালৰ মহিলাসকল একত্ৰিত হৈ নিশা ১০ বজাৰ পৰা পুৱতি নিশালৈ হাতে হাতে টৰ্চ, দা, কটাৰী, জাঠি, জোং, লাঠি লৈ পহৰা দিয়ে। মহিলাসকলে নিশাৰ আহাৰ পৰিয়ালৰ সদস্য-সদস্যাসকলক যোগান ধৰি পহৰা দিয়াৰ বাবে ওলাই আহে নিশাটোৰ বাবে। মহিলা গাঁওৰক্ষী বাহিনীৰ সম্পাদিকা নমিতা ৰাভাই কয় যে বকোৰ নালাপাৰা অঞ্চলটোত মদ, জুৱা, ভাঙৰ অবাধগতিত প্ৰচলন আছিল। যুৱচামে যাতে ধ্বংসৰ গৰাহত পৰিব নোৱাৰে তাৰ বাবে গাঁওৰক্ষী বাহিনীয়ে সতৰ্ক হৈ আছে। একেদৰে পুৰুষসকলে যাতে নিচাসক্ত হৈ পৰিয়ালত অশান্তিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবেও গাঁওৰক্ষী বাহিনীৰ মহিলাসকল সজাগ আৰু সচেতন বুলি উল্লেখ কৰে। মহিলাসকলে দুটা ভাগত বিভক্ত হৈ সালসলনি কৰি নিশাৰ পৰা পুৱতি নিশালৈ নালাপাৰা গাঁওখন পহৰা দি আহিছে। ২০১৮ৰ পৰা নালাপাৰা মহিলা গাঁওৰক্ষী বাহিনীৰ সদস্যাসকলে গাঁওখনৰ সুৰক্ষাৰ ব্যৱস্থা কৰি আহিছে। আজিৰ তাৰিখত গাঁওখনত শান্তি-শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ সদস্যাসকলে কৃপণালি কৰা নাই বুলি দৃঢ়তাৰে উল্লেখ কৰে।

## চেণ্ট্ৰেল বেংক বাহাৰঘাট শাখাত উপভোক্তাৰ দুৰ্ভোগ ঃ একাউণ্ট আপডেট কৰাতো জটিলতা

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩১ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বাহাৰঘাট চ'কতে অৱস্থিত চেণ্ট্ৰেল বেংক অৱ্ ইণ্ডিয়া, বাহাৰঘাট শাখাটো সম্প্ৰতি কৰ্মচাৰীৰ অভাৱত উপভোক্তাৰ প্ৰয়োজনীয় সা-সুবিধা দিয়াত ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। কামৰূপ আৰু নলবাৰী জিলাৰ বৃহৎ সংখ্যক উপভোক্তাৰ একাউণ্ট থকা উক্ত বেংকটোত উপভোক্তাই বিচৰা ধৰণে সুবিধা নোপোৱাত বেছিভাগে ক্ষোভ প্ৰকাশ কৰি আহিছে। বেংকৰ বিধি অনুযায়ী উপভোক্তাই বহি সুস্থিৰ মতে নিজৰ লেনদেন কৰিব পাৰিব লাগে, কিন্তু দুৰ্ভাগ্যজনক কথা যে উক্ত বেংকটোত বহাটো দূৰৰ কথা সুবিধাজনকভাৱে থিয় হ'ব পৰা ব্যৱস্থা নাই। বহুত কষ্ট কৰি ঘণ্টাৰ পাছত ঘণ্টা ধৰি থিয় হৈ থাকি বেংকটোৰ ভিতৰত প্ৰৱেশ কৰাৰ পাছত বেংকৰ কৰ্মচাৰীয়ে গ্ৰাহকক সাজোৰে ক'ব এতিয়া লিংক নাই, এতিয়া একাউণ্ট আপডেট নহ'ব, আপুনি পাছত আহক, এনেকুৱা কথা যেতিয়া উপভোক্তাই শুনিব লগা হয় তেতিয়া ক্ষোভিত হৈ পৰে সাধাৰণ গ্ৰাহক। তাতে আকৌ কেইজনমান কৰ্মচাৰীৰ মাত-কথাবোৰো খেংখেঙিয়া। ইয়াৰ উপৰি বেংকটোত প্ৰৱন্ধকজনো অনা-অসমীয়া হিন্দী ভাষী। এইজন প্ৰৱন্ধকক সাধাৰণ ৰাইজে কিবা ক'ব লাগিলে দোভাষীৰ প্ৰয়োজন হয়। ইয়াৰ উপৰি প্ৰৱন্ধকজনৰ মাত-কথাবোৰো তেনে কঠুৱা। তেওঁৰ কথাই বেংকটোৰ ভিতৰৰ আইনৰ নিচিনা।

বেংকৰ নীতি-নিয়মক বুঢ়া আঙুলি দেখুৱাই প্ৰৱন্ধকে চলাই গৈছে বেংকটো। আনহাতে, সকলো ধৰণৰ গ্ৰাহকক হিন্দীত কথা-বাৰ্তা পাতিবলৈ আদেশ দিয়ে। সাধাৰণ গাঁৱলীয়া মানুহে হিন্দী ক'ব নোৱাৰে। ফলত বেংকটোৰ প্ৰয়োজনীয় কাম-কাজ নকৰাকৈ উভতি যায় ৰাইজ। ৰাইজে অনতিপলমে ইয়াৰ এটা সুবিচাৰ কৰি প্ৰৱন্ধকগৰাকীজন বদলি কৰি এজন যোগ্য প্ৰৱন্ধক নিযুক্তি দিয়াৰ দাবী তুলিছিল, কিন্তু দুৰ্ভাগ্যজনক কথা যে আজিলৈকে তাৰ কোনো সুব্যৱস্থা হোৱা নাই। আনহাতে, মনকৰিবলগীয়া কথা যে আজিৰ পৰা প্ৰায় তিনিমাহ মান ধৰি বেংকটোৰ গাতে লাগি থকা এটিএমটো সম্পূৰ্ণৰূপে বন্ধ হৈ আছে। কোনো এজন গ্ৰাহকৰ পেঞ্চনৰ ধন এটিএমৰ পৰা কোনো লোকে উলিয়াই নিয়াৰ পাছত বেংক কৰ্তৃপক্ষৰ লগত গ্ৰাহকজনৰ মাজত সামান্য সংঘাত হৈছিল। আনকি আৰক্ষীৰ ওচৰত গোচৰ পৰ্যন্ত তৰিছিল ক্ষোভিত গ্ৰাহকজনো। তাৰ পাছৰে পৰা এটিএমটো বন্ধ হৈ আছে। যাৰ ফলত যন্ত্ৰণা ভোগ কৰিছে গ্ৰাহকে। ভুক্তভোগী গ্ৰাহকসকলে অনতিপলমে বেংকটোৰ সকলো অসুবিধা দূৰ কৰি পুনৰ এটিএমটো সক্ৰিয় কৰিবলৈ উৰ্ধ্বতন কৰ্তৃপক্ষক দাবী জনাইছে।

## হোজাইত টেট পৰীক্ষা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**লংকা, ৩১ অক্টোবৰ ঃ** আজি উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক টেট পৰীক্ষা ৰাজ্যৰ আন ঠাইৰ লগতে হোজাই জিলাতো অনুষ্ঠিত হয়। লংকাৰ নেতাজী বিদ্যানিকেতন উচ্চতৰ মাধ্যমিক বিদ্যালয়, পাবলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়, ওদালী বামুণগাঁও কলেজ, ৰাষ্ট্ৰভাষা বিদ্যালয় আদি কেন্দ্ৰতো পৰীক্ষা অনুষ্ঠিত হয়।

## শিশুৰ সলিল সমাধি ঘগ্ৰাপাৰত

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩১ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত কটকীয়া (আৰিকুছি) গাঁৱত আজি দুপৰীয়া পুখুৰীত পৰি এটি ডেৰবছৰীয়া শিশুৰ মৃত্যু হয়। সঞ্জীৱ কলিতাৰ দ্বিতীয় পুত্ৰ দিশান্ত কলিতাই আজি দুপৰীয়াৰ ভাগত খেলি-ফুৰি থকা অৱস্থাতে ঘৰৰ সন্মুখত থকা পুখুৰীটোত হঠাৎ পৰি যায়। কিছু সময় পাছত পৰিয়ালৰ লোকে শিশুটিক বিচাৰ-খোচাৰ কৰে যদিও শিশুটিক পুখুৰীটোত ওপঙি থকা প্ৰত্যক্ষ কৰে। চিকিৎসালয়লৈ নিয়ে যদিও ইয়াৰ পূৰ্বে শিশুটিৰ মৃত্যু হয়।

## অভয়াপুৰী-সৃজনগ্ৰামত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ মৃত্যু দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৩১ অক্টোবৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দশম সংখ্যক মৃত্যু বাৰ্ষিকী অহা পাঁচ নৱেম্বৰত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে উত্তৰ শালমাৰা মহকুমাতো উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। মহকুমাটোৰ সদৰ অভয়াপুৰীৰ জ্যোতি সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱস জ্যোতি সাংস্কৃতিক অনুষ্ঠানত চৰকাৰ তথা প্ৰশাসনে বান্ধি দিয়া ক'ভিড প্ৰট'কল মানি অনুষ্ঠিত কৰিব। এই উপলক্ষে সিদিনা পুৱা সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতে অনুষ্ঠিত কৰিব ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। প্ৰতিযোগিতা 'ক' শাখাত ষষ্ঠ শ্ৰেণীলৈ আৰু 'খ' শাখাত সপ্তমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ ল'ব পাৰিব। ইপিনে অভয়াপুৰী কলা পৰিষদেও উক্ত দিনা বেজবৰুৱা ভৱনত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে ভাগৱত পাঠ অনুষ্ঠানেৰে কাৰ্যসূচীৰ সামৰণি পেলাব যদিও অন্য কাৰ্যসূচী ১৪ নৱেম্বৰত অনুষ্ঠিত কৰিব। কলা পৰিষদৰ সম্পাদক নুৰ ইছলামে জানিবলৈ দিয়া মতে, উক্ত দিনা সুধাকণ্ঠৰ ওপৰত আলোচনাচক্ৰ আৰু ভূপেন হাজৰিকাৰ গীত-মাতৰ আয়োজন কৰা হৈছে।

একেদৰে সৃজনগ্ৰামতো সুধাকণ্ঠৰ দশম সংখ্যক মৃত্যু দিৱস উদ্‌যাপন সম্পৰ্কে যোৱা ৩০ অক্টোবৰত এক আলোচনা অনুষ্ঠিত কৰে। সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ সন্মুখত ক'ভিড প্ৰট'কল মানি অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু গীত-মাতৰ আয়োজন কৰিছে। উল্লেখ্য যে বিগত বৰ্ষসমূহৰ দৰে অভয়াপুৰীৰ ব্যৱসায়ী সন্তোষ দাসে এইবাৰো নিজা উদ্যোগত চহৰখনৰ চিনেমা হলৰ সমীপত সুধাকণ্ঠৰ মৃত্যু দিৱস পালন কৰিব। দাসে জানিবলৈ দিয়া মতে, সন্ধিয়াৰ কোনো কাৰ্যসূচী নাৰাখি পুৱাৰ ভাগত সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু নাম-প্ৰসংগৰে অনুষ্ঠানৰ সামৰণি মাৰিব।

## ২৮ নৱেম্বৰত বাপুজী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ৩১ অক্টোবৰ ঃ** বৃহত্তৰ সৰুক্ষেত্ৰী অঞ্চলৰ উচ্চশিক্ষাৰ অগ্ৰণী অনুষ্ঠান বাপুজী মহাবিদ্যালয় সৰুক্ষেত্ৰীৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এখন সমাৰোহ নৱেম্বৰত অনুষ্ঠিত হ'ব। ইয়াৰ লগত সংগতি ৰাখি যোৱা ৩০ অক্টোবৰত ছাত্ৰ সন্মিলনৰ এটি মহাবিদ্যালয়খনত প্ৰাক্তন কাৰ্যালয় ভৱন মুকলি কৰা হয়। বাপুজী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ দাসে ফিটা কাটি কাৰ্যালয়টো মুকলি কৰে। উদ্বোধনী ভাষণত তেওঁ কয় যে এখন মহাবিদ্যালয়ৰ বাবে ইয়াৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল এক অপৰিহাৰ্য অংগ। মহাবিদ্যালয়খনৰ উন্নয়নৰ দিশত এইসকল ছাত্ৰ-ছাত্ৰীয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। বাপুজী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ নামো যাতে ইয়াৰ ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে লিখা থাকে তাৰ বাবে এক ত্যাগৰ মনোভাৱেৰে কাম কৰি যাবই। তেওঁ সকলোকে আহ্বান জনায়। মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ উদ্যোগত অনুষ্ঠিত হ'ব লগা এই সমাৰোহখনৰ বিষয়ে জানিবলৈ দি সমিতিৰ সম্পাদক চিত্তৰঞ্জন বৰ্মনে কয় যে অহা ২৮ নৱেম্বৰত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সমাৰোহৰ কাৰ্যসূচী অনুসৰি সিদিনা পুৱাৰ ভাগত পতাকা উত্তোলন, ছহিদ তৰ্পণ, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছতে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন কৰা হ'ব। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এটি মতবিনিময় অনুষ্ঠান আৰু আবেলি সন্মিলনৰ বিষয় বাছনি সভা অনুষ্ঠিত কৰা হ'ব। ১৯৭০তে প্ৰতিষ্ঠিত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ৫১বৰ্ষ পূৰ্তিৰ লগত সংগতি ৰাখি সন্ধিয়া ৫১জন বিশিষ্ট ব্যক্তিৰ দ্বাৰা সমসংখ্যক বন্তি প্ৰজ্বলন কৰা হ'ব। ইয়াৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এখন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে। সমাৰোহখনৰ কাম-কাজসমূহ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে গঠন কৰি দিয়া প্ৰস্তুতি সমিতিয়ে সকলোবোৰ দিশ নিয়াৰিকৈ চোৱা-চিতা কৰি আছে।

## জামুগুৰিহাটত কবি মঞ্চৰ সৌজন্যত নন্দেশ্বৰ শইকীয়া সোঁৱৰণী 'শাৰদীয় অনুষ্ঠান'

### আদৰ্শৰ ভেটিত প্ৰতিষ্ঠিত সমাজহে দীৰ্ঘ স্থায়ী হয়

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৩১ অক্টোবৰ ঃ** 'আদৰ্শবিহীন পৰিৱৰ্তনে সমাজক সাময়িক সুখ দিব পাৰিলেও ই দীৰ্ঘস্থায়ী নহয়। আদৰ্শৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজহে দীৰ্ঘস্থায়ী হয়। শংকৰ-মাধৱ, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আদিয়ে আদৰ্শৰ ভেটিত সমাজলৈ পৰিৱৰ্তন আনিছিল বাবে সেয়া এতিয়াও বৰ্তি থকাই নহয় দিনে দিনে ইয়াৰ পৰিসৰ বৃদ্ধি হৈছে।' এই মন্তব্য অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰাক্তন প্ৰধান সম্পাদক মিংকু কলিতাৰ। যোৱা ২৯ অক্টোবৰত জামুগুৰি হাটৰ অভিযাত্ৰীত অনুষ্ঠিত বিশিষ্ট সাহিত্যিক, নাট্যকাৰ নন্দেশ্বৰ শইকীয়া সোঁৱৰণী 'শাৰদীয় অনুষ্ঠানত' বিশিষ্ট অতিথিৰূপে অংশ লৈ এই মন্তব্য কৰে যুৱ বক্তাজনে। উল্লেখ্য যে জামুগুৰি কবি মঞ্চৰ সৌজন্যত অনুষ্ঠিত উক্ত অনুষ্ঠানৰ প্ৰাকক্ষণত অসমীয়া ভাষা সাহিত্যৰ নীৰৱ সাধক নন্দেশ্বৰ শইকীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে শইকীয়াৰ বোৱাৰী হেমন্তী শইকীয়াই। ইয়াৰ পাছতে জামুগুৰি কবি মঞ্চৰ স্থায়ী সভাপতি বিশিষ্ট কবি, শিক্ষাবিদ তৰুণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত শাৰদীয় অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশ লয় বিশিষ্ট কবি সাহিত্যিক তথা শোণিতপুৰ জিলা নেপালী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গুৰু প্ৰসাদ উপাধ্যায় আৰু মিংকু কলিতাই। মঞ্চৰ সম্পাদক কৃষ্ণকান্ত তালুকদাৰে আঁত ধৰা সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে অংশ লোৱা ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা বিশিষ্ট কবি সাহিত্যিক মহেশ্বৰ বৰাই প্ৰয়াত নন্দেশ্বৰ শইকীয়াৰ জীৱন পৰিক্ৰমা সম্পৰ্কে সুন্দৰভাৱে আলোকপাত কৰে। স্মাৰণযোগ্য যে ১৯১৮ত নাৰায়ণপুৰৰ পাণবাৰীত জন্মলাভ কৰা আৰু তিনি বছৰ বয়সৰ পৰাই মাজুলীৰ সত্ৰীয়া পৰম্পৰাৰ মাজত ডাঙৰ হোৱা নন্দেশ্বৰ শইকীয়া এগৰাকী অগ্ৰণী মুক্তিযোদ্ধা আছিল। এগৰাকী দক্ষ নাট্যকাৰ, ঔপন্যাসিক, সুদক্ষ অভিনেতা, নাট পৰিচালক হিচাপে পৰিচিত শইকীয়াই বহুকেইখন মূল্যৱান গ্ৰন্থ অসমীয়া সাহিত্য ভঁৰাল লৈ আগবঢ়াই থৈ গৈছে। সভাৰ আৰম্ভণিতে তেওঁৰ পুত্ৰ কবি-সাহিত্যিক তথা শোণিতপুৰ জিলা কবি সন্মিলনৰ সভাপতি ডাঃ হৰেন শইকীয়াও পিতৃৰ স্মৃতি সোঁৱৰণ কৰি আদৰণি ভাষণ প্ৰদান কৰে। আনহাতে, অনুষ্ঠানত মহেশ্বৰ বৰা, ডাঃ হৰেন শইকীয়া, চক্ৰপাণি শৰ্মা, নাৰদ নিৰলা, কৃষ্ণ তালুকদাৰ, গীতা শইকীয়া, নগেন বৰা, তৰুণ বৰুৱা, নগেন কলিতাকে ধৰি কে'বাগৰাকীও কবিয়ে কবিতা আৰু কথাৰে অনুষ্ঠান জীপাল কৰি তোলাৰ লগতে উৎপল শৰ্মাই ভূপেন্দ্ৰ সংগীত পৰিৱেশনেৰে 'শাৰদীয় অনুষ্ঠান' সফলতাৰ দিশে এখোজ আগবঢ়াই দিয়ে। অনুষ্ঠানত বিশিষ্ট চিত্ৰশিল্পী ধৰণীধৰ দাস, জামুগুৰি সাহিত্য সভাৰ উপদেষ্টা নাৰায়ণ শইকীয়া, জামুগুৰি লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নীলিমা দেৱী, সম্পাদিকা সুৱৰ্ণ বৰা, প্ৰবীণ সমাজকৰ্মী সৰ্বেশ্বৰ হাজৰিকা, যুৱ সমাজকৰ্মী জিতেন কলিতা, সাংবাদিক দুৰ্গা পৌৰেল, প্ৰাণ শংকৰ ভূএগ্ৰা প্ৰমুখ্যে অৰ্ধশতাধিক সাহিত্যানুৰাগী উপস্থিত থাকে।






## ■ গেৰজাইপাম পঞ্চায়তত পিএমএৱাই আঁচনিত বিয়াগোম দুৰ্নীতি

# ভুৱা হিতাধিকাৰীৰ নামত প্ৰতিনিধিয়ে চলাইছে লুণ্ঠন



*কলগাছিয়াৰ কৃষি পথাৰতে কৃষি মন্ত্ৰীৰ পুত্তলিকা দাহ, দেওবাৰে।*

অগ্ৰদূত বাৰ্তা

**কচুৱা, ৩১ অক্টোবৰ ঃ** নগাঁও জিলাৰ কঠিয়াতলি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰহা সমষ্টিৰ গেৰজাইপাম পঞ্চায়তত পিএমএৱাই আঁচনি ৰূপায়ণত প্ৰতিনিধিয়ে চলোৱা লুণ্ঠনৰাজৰ নিতৌ ন ন তথ্য পোহৰলৈ আহিছে। এফালে দুৰ্নীতিকাৰীৰ বিৰুদ্ধে প্ৰতিবাদী ৰাইজে ন্যায় বিচাৰি আইনৰ দুৱাৰে দুৱাৰে দ্বাৰস্থ হৈ মুখ থেকেচা খাই হতাশাত ভুগিছে আনহাতে, প্ৰশাসন মহলে ইজনে-সিজনলৈ বোকা ছটিয়াই দায়িত্ব-কৰ্তব্যৰ পৰা গা এৰা দিয়া পৰিস্থিতিত সচেতন মহলৰ চকু কপালত তুলিছে। ইয়াৰ উপৰি দুৰ্নীতিৰ আশ্ৰয় লৈ দুহাতে ক'লা ধন ঘটা অসাধু প্ৰতিনিধিৰ ওপৰত বিহিত ব্যৱস্থা লোৱাৰ পৰিৱৰ্তে সম্পূৰ্ণৰূপে ৰক্ষণাবেক্ষণ দিবলৈ পঞ্চায়ত সভানেত্ৰীকে আদি কৰি পঞ্চায়ত প্ৰতিনিধি বৰ্গই উঠিপৰি লাগিছে। অভিযোগত প্ৰকাশ যে গেৰজাইপাম পঞ্চায়তৰ অন্তৰ্গত আঠ নম্বৰ ৱাৰ্ডত বিশেষকৈ এনে ধৰণৰ দুৰ্নীতিৰ তথ্য এটাৰ পাছত আন এটা পোহৰলৈ আহিছে। আঠ নম্বৰ ৱাৰ্ডৰ এক নম্বৰ ফাকলিত স্থানীয় বাসিন্দাই নজনা-নুশুনা আব্দুল মজিদ পিতা মৃত হুছেইন আলীৰ নামত ক্ৰমিক নম্বৰ ৬৬৭ আই ডি নম্বৰ ১৬৭২৯৮২ত এটি বিনামূলীয়া আৱাস গৃহ আবন্টন হয়। আব্দুল মজিদৰ নামত অঞ্চলটোত কোনো ধৰণৰ মাটিও নাই। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ৱাৰ্ড সদস্য আব্দুল হেকিমে নিজ দখলৰ মাটি আব্দুল মজিদৰ নামত কিছু দান সূত্ৰে দিয়া দেখুৱাই স্থানীয় কোনো লোকে নজনাকৈ সংগোপনে। পিএমএৱাই আঁচনিৰ বিনামূলীয়া আৱাস গৃহৰ ধন হিতাধিকাৰী হাতলৈ আনিবলৈ প্ৰয়োজনীয় যাৱতীয় তথ্য জালিয়াতিৰে প্ৰস্তুত কৰি প্ৰথম কিস্তিৰ ৩২,৫০০ টকা নিজ হাতলৈ আনিবলৈ সক্ষম হয়। চতুৰ হেকিমে। প্ৰথম কিস্তিৰ ধন বেংকৰ পৰা উলিওৱা কিছুদিনৰ পাছতে পঞ্চায়তৰ জিপিচিগৰাকী দ্বিতীয় কিস্তিৰ ধন প্ৰদান কৰিবৰ বাবে নিৰ্মীয়মাণ ঘৰটোৰ জিৰো টেক্ তথা ফটো তুলিবৰ বাবে নিৰ্দিষ্ট ঠাইত উপস্থিত হয়। প্ৰথম কিস্তিৰ ধনেৰে ভুৱা হিতাধিকাৰীজনে আৱাসগৃহ নিৰ্মাণৰ পৰিৱৰ্তে দুখন দোকান ঘৰ নিৰ্মাণৰ আহিত নিৰ্মাণ কাৰ্য চলোৱা প্ৰত্যক্ষ কৰাৰ পাছতো ছদ্মৰূপী তথা ভুৱা হিতাধিকাৰীৰ নামত চতুৰ, দুৰ্নীতিপৰায়ণ প্ৰতিনিধিগৰাকীয়ে দ্বিতীয় কিস্তিৰ ধন বেংকৰ পৰা উলিয়াই আঁচনিৰ ধন আত্মসাৎ কৰিবলৈ সক্ষম হোৱা কাৰ্যত সচেতন মহলৰ চকু কপালত তুলিছে। নাম প্ৰকাশত অনিচ্ছুক কঠিয়াতলি উন্নয়ন খণ্ডৰ এজন কনিষ্ঠ অভিযন্তাই এনে কাৰ্যত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, জিপিচিয়ে ঘৰটো জিৰো টেক নকৰিলে দ্বিতীয় কিস্তিৰ ধন কেতিয়াও নোসোমাই। অভিযন্তাজনৰ ভাষ্যত প্ৰকাশক যে ৱাৰ্ড সদস্যজনৰ জালিয়াতিত জিপিচিগৰাকীৰ সম্পূৰ্ণ সহযোগ আছে। এনে ধৰণৰ দুৰ্নীতিৰ বিৰুদ্ধে স্থানীয় সচেতন ৰাইজে কামপুৰ চক্ৰ বিষয়াক অভিযোগ দিয়াৰ লগতে কচুৱা আৰক্ষী থানাত গোচৰ তৰাৰ পাছতো সকলো ফুটুকাৰ ফেনত পৰিণত হৈছে। প্ৰতিবাদী ৰাইজক চক্ৰ বিষয়াই থানাত গোচৰ তৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে থানাত গোচৰ তৰা অভিযোগকাৰী সকলক আৰক্ষী বিষয়াই কয় এয়া আমাৰ কাম নহয়, আপোনালোকে বিডিঅ'ক অভিযোগ দিয়ক। বিডিঅ'ক অভিযোগ দিয়াৰ পাছত বিডিঅ' তথা খণ্ড উন্নয়ন বিষয়াই বিহিত ব্যৱস্থা লোৱাৰ পৰিৱৰ্তে অপৰাধীক দোষমুক্ত কৰি ৰক্ষণাবেক্ষণ দিয়াৰ চেষ্টা চলোৱা অভিযোগত প্ৰকাশ।

## সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বাৰ্ষিক স্মৃতি দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ৩১ অক্টোবৰ ঃ** বিশ্ববিশ্ৰুত-ভাৰতৰত্ন-সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দশম বাৰ্ষিক মহাপ্ৰয়াণৰ দিনটো অহা পাঁচ নৱেম্বৰত যাযাবৰগৰাকীৰ পিতৃ পিতামহৰ চোতাল নাজিৰাত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰাৰ প্ৰস্তুতি কৰা হৈছে। 'সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ, অসম 'ৰ নাজিৰা আৰু শিমলুগুৰি আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত শিৱসাগৰ জিলা সমিতি, নাজিৰা শিল্পী সমাজ তথা নাজিৰাবাসী ৰাইজৰ সহযোগত প্ৰস্তুতি চলোৱা সুধাকণ্ঠগৰাকীৰ মহাপ্ৰয়াণৰ স্মৃতি দিৱস সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে অলপতে সংগঠনটোৰ জিলা সমিতিৰ সভাপতি বিজয় কৃষ্ণ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত সাংস্কৃতিক কৰ্মী তুনতুন হাতীকাকতীক সভাপতি আৰু পংকজ দত্তক মুখ্য সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। উক্ত দিনাৰ কাৰ্যক্ৰমণিকানুসৰি পুৱা পৰিৱেশ নিকাকৰণ, সংগঠনটোৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ আৰু সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু সন্ধিয়া 'মানুহে মানুহৰ বাবে' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ লগতে বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সমূহ অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে নাজিৰা বাসী ৰাইজৰ সহায়-সহযোগিতাৰ বাবে আয়োজকসকলে গোহাৰি জনাইছে।

## কুৰালগুৰিত বন্তি প্ৰজ্বলন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ৩১ অক্টোবৰ ঃ** ২০০৮ৰ ৩০ অক্টোবৰত গুৱাহাটীত হোৱা ধাৰাবাহিক বোমা বিস্ফোৰণত নিহতসকলৰ আত্মাৰ সদ্‌গতি কামনাৰে কালি কুৰালগুৰিত বন্তি প্ৰজ্বলন কৰা হয়। কুৰালগুৰি শাখা গোট ছাত্ৰ সন্থাৰ উদ্যোগত স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত এই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন কৰি মুকলি কৰে কুৰালগুৰিৰ প্ৰতিস্থিত ব্যৱসায়ী তথা সমাজকৰ্মী নাৰায়ণ দাস আৰু অৱসৰপ্ৰাপ্ত শিক্ষক ৰাজেন বৰাই। অনুষ্ঠানত ছাত্ৰ কৰ্মী ৰক্তিম ৰঞ্জন দত্তকে ধৰি শাখাটোৰ কৰ্মকৰ্তাসকলৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

## শংকৰদেৱ সংঘৰ ৯১ সংখ্যক অধিবেশনৰ আদৰণি সমিতিৰ মুখ্য কাৰ্যালয় উদ্বোধন

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৩১ অক্টোবৰ ঃ** ২০২২ৰ ফেব্ৰুৱাৰীত ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত অনুষ্ঠিত হ'ব উত্তৰ-পূবৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিবেশন। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ডিব্ৰুগড় জিলা শাখাৰ আতিথ্যত নাহৰকটীয়াৰ ৰাঙলী পথাৰত আগন্তুক চাৰি-পাঁচ আৰু ছয় ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব সংঘৰ এই মূল অধিবেশন। ইতিমধ্যে অধিবেশন ভাগি সুকলমে অনুষ্ঠিত কৰিবলৈ পূৰ্ণ পৰ্যায়ত প্ৰস্তুতি অব্যাহত ৰাখিছে আদৰণি সমিতিয়ে। উল্লেখ্য যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক এই বাৰ্ষিক অধিবেশন সুকলমে পৰিচালনা কৰিবলৈ আজি মুকলি কৰা হয় আদৰণি সমিতিৰ মুখ্য কাৰ্যালয় ফিটা কাটি তথা ফলক মুকলিৰে উদ্বোধন কৰে সংঘৰ পদাধিকাৰ গগৈয়ে সমূহ ডিব্ৰুগড় জিলাবাসী ৰাইজক জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে আগবাঢ়ি আহি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক অধিবেশন ভাগি সাফল্য মণ্ডিত কৰিবলৈ আহ্বান জনায়। ইফালে, সংঘৰ ৯১ সংখ্যক অধিবেশনৰ আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি তথা নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে আদৰণি সমিতিৰ কাৰ্যালয়টোত উপস্থিত হৈ সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

## বংকুৱালত চিত্ৰাংকনৰ সজাগতা অনুষ্ঠান

**খুমটাই, ৩১ অক্টোবৰ ঃ** প্ৰকৃতিপ্ৰেমী সংগঠন আৰণ্যকৰ উদ্যোগত 'গঁড়ৰ বিদ্যালয় যাত্ৰা' শীৰ্ষক কাৰ্যসূচীৰ অন্যতম চিত্ৰাংকনৰ সজাগতাৰ এক অনুষ্ঠান বোকাখাত মহকুমাৰ মহুৰা মৌজাৰ বংকুৱালৰ সমীপৰ মাজডলপা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। সজাগতা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰকৃতিপ্ৰেমী বাবুকান্ত দাসে। আৰণ্যকৰ মধ্য অসম মণ্ডলৰ সমন্বয়ক আৰিফ হুছেইনে আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে কাজিৰঙা আৰ্টিছ স্কুলৰ শিক্ষয়িত্ৰী মালৰিকা ফুকন, প্ৰধান শিক্ষক ৰাতুল মৰাং, সহকাৰী শিক্ষয়িত্ৰী জ্যোতি শইকীয়া, পৰিচালনা সমিতিৰ সভাপতি দুলাল টাইদ, আৰণ্যকৰ সদস্যা চয়নিকা ফুকন আৰু সদস্য আকাশ মৰঙে অংশগ্ৰহণ কৰে। এই সজাগতা অনুষ্ঠানত ৩৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে থলীতে গঁড়ৰ চিত্ৰ অংকন কৰে। তাৰ ভিতৰৰ ১০ গৰাকী ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ প্ৰদান কৰা হয়।

## চৰাইদেউ জিলাৰ ভজো গাঁও পঞ্চায়ত আইন সেৱা সজাগতা শিৱিৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩১ অক্টোবৰ ঃ** চৰাইদেউ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত অহা ন নৱেম্বৰত চৰাইদেউ জিলাৰ ভজো গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ চৌহদত এখন আইন সেৱা সজাগতা শিৱিৰৰ আয়োজন কৰা হৈছে। জিলাৰ জনসংযোগ বিষয়া জয়ন্ত মাউতে এই কথা জনাইছে। উক্ত শিৱিৰত আইন সেৱাৰ জৰিয়তে জনসাধাৰণক কেনেকৈ উপকৃত কৰিব সেই সম্পৰ্কে জিলাখনৰ কৃষি, স্বাস্থ্য, শ্ৰম আদি বিভাগসমূহৰ প্ৰতিনিধি বৰ্গই অংশগ্ৰহণ কৰি চৰকাৰী বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ সম্পৰ্কে অৱগত কৰিব। উক্ত দিনা চৰাইদেউ জিলাৰ জনসাধাৰণক উপস্থিত থাকি সুবিধাসমূহ গ্ৰহণ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে। উল্লেখ্য যে শিৱিৰত ক'ভিড-১৯ৰ নীতি-নিয়মসমূহ মানি চলিবলৈও জনোৱা হৈছে।

## বাদুলিপাৰত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকক বিদায় সম্বৰ্ধনা



**খুমটাই, ৩১ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বাদুলিপাৰ সমীপৰ বানোৱাৰীপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিলীপ সেনক যোৱা ৩০ অক্টোবৰত বিদায় সম্বৰ্ধনা জনায়। উল্লেখ্য যে বানোৱাৰীপুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিজয় ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিলীপ সেনক অঞ্চলটোৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে অংগ বস্ত্ৰৰ, সঁফুৰাৰে বিদায় সম্বৰ্ধনা জনায়। আনহাতে, ১৯৯০ৰ সুদীৰ্ঘ ৩১ বছৰ বিদ্যালয়খনত শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰাত আবেগিক হৈ পৰে শিক্ষকজন। সভাত আটছাৰ গোলাঘাট জিলা সমিতিৰ সাংগঠনিক সম্পাদক সুভাষ ৰজক, ৱাৰ্ড সদস্য জহলাল ৰজক, সহকাৰী শিক্ষক ৰবীন গগৈ, যুৱ সমাজকৰ্মী সুৰেশ ৰজক, পিন্টু পাচী, বাগান সম্পাদক পূৰ্ণকান্ত ৰজক আদি উপস্থিত থাকে।

## অক্ষম লোকৰ অধিকাৰ আইন সন্দৰ্ভত সজাগতামূলক কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩১ অক্টোবৰ ঃ** অসমৰ প্ৰতিবন্ধীসকলৰ আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসন আৰু বিশ্ব স্বাস্থ্য টিকাকৰণ আৰু জনসংখ্যা নিয়ন্ত্ৰণ সন্থাৰ সহযোগত যোৱা ২৯ অক্টোবৰত উপায়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত অক্ষম লোকৰ অধিকাৰ আইন ২০১৬ সন্দৰ্ভত জিলা পৰ্যায়ৰ বিষয়াসকলৰ মাজত এই আইন সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হৈ যায়। বিশেষভাৱে সক্ষম লোকৰ আয়ুক্ত দেৱেশ্বৰ বৰাই এই আইনৰ বিভিন্ন দিশ সামৰি আৰু এই আইনৰ অধীনৰ ২১ প্ৰকাৰৰ অক্ষমতাৰ ওপৰত বিতং ব্যাখ্যা আগবঢ়ায়। তেওঁ অক্ষম লোকসকলৰ প্ৰতি চৰকাৰী বিভাগসমূহৰ কৰ্তব্য আৰু দায়িত্ব, প্ৰৱেশযোগ্যতা, তথ্য আৰু যোগাযোগ প্ৰযুক্তি, উপভোক্তা সামগ্ৰী, অভিগম্যতাৰ নিয়মাৱলী বাধ্যতামূলকভাৱে পালন কৰা আদি বিভিন্ন বিষয় সন্দৰ্ভত আলোকপাত কৰে। ইয়াৰ লগতে তেওঁ শিক্ষানুষ্ঠানসমূহৰ কৰ্তব্য, দক্ষতা বিকাশ আৰু নিযুক্তি বিভাগে পালন কৰিবলগীয়া দায়িত্ব আদিৰ ওপৰতো বক্তব্য প্ৰকাশ কৰাৰ উপৰি এই আইনৰ অধীনত অক্ষম লোকৰ বাবে থকা বিশেষ ব্যৱস্থা তথা উপলব্ধ বিশেষ আঁচনি আৰু উন্নয়নমূলক কাৰ্যসূচীৰ ওপৰতো বক্তব্য ৰাখে। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু ক্ষমতায়ন মন্ত্ৰালয়ৰ ৰাজীৱ ভৰদ্বাজে অক্ষম লোকৰ অধিকাৰ, সন্মানৰ স'তে জীৱন-যাপন আৰু লগতে আইনৰ বিভিন্ন ধাৰাৰ অধীনত অপৰাধ আৰু জৰিমনা সন্দৰ্ভতো তেওঁ বক্তব্য ৰাখে। এই সভাত ভাৰপ্ৰাপ্ত উপায়ুক্ত ৰমী বৰুৱা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, দিগন্ত বৈশ্যসহ বহুকেইজন বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰব্বী আৰু উপায়ুক্ত কাৰ্যালয়ৰ অন্যান্য কৰ্মচাৰীসকল উপস্থিত থাকে।

## হেলচা হাইস্কুলৰ প্ৰধান শিক্ষকক ৰাজহুৱা সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা



**চামতা, ৩১ অক্টোবৰ ঃ** পশ্চিম নলবাৰীৰ হেলচা উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৃতী প্ৰধান শিক্ষক ভগৱান চন্দ্ৰ বৰ্মনক আজি ৰাজহুৱাভাৱে সম্বৰ্ধন জনোৱা হয়। ১৯৮৬ৰ ১০ জুনত হেলচা হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে চাকৰিত যোগদান কৰি চলিত বৰ্ষৰ ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰা কৃতী প্ৰধান শিক্ষক বৰ্মনক আজি আনুষ্ঠানিকভাৱে বিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। হেলচা হাইস্কুলৰ প্ৰধান শিক্ষক পৰেশ চৌধুৰীৰ সভাপতিত্বত আজি দিনৰ ১১.৩০ বজাত অনুষ্ঠিত বিদায় সভাত উপস্থিত থাকে নলবাৰী জিলাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক ভূপেন্দ্ৰ নাথ শৰ্মা, নলবাৰী জিলা হাইস্কুল শিক্ষক সন্থাৰ সভাপতি পৰমানন্দ মজুমদাৰ, কুমাৰ ভাস্কৰ বৰ্মন সংস্কৃত বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° দীনমণি ভাগৱতী, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মা। অনুষ্ঠানত বিদায়ী কৃতী প্ৰধান শিক্ষক বৰ্মনক বিদ্যালয়খনৰ শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলে ফুলাম গামোচা, ফুলাম জাপি, মানপত্ৰ, ধৰ্মীয় গ্ৰন্থ, আদিকে ধৰি বহু কেইপদ বস্তু প্ৰদান কৰি সম্বৰ্ধনা জনায়। অনুষ্ঠানত স্থানীয় কে'বাটাও অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকি তেওঁক ফুলাম গামোচা, মানপত্ৰ আদি প্ৰদান কৰি সম্বৰ্ধনা জনায়। এই অনুষ্ঠানতে বিদ্যালয়খনৰ সদ্য অৱসৰপ্ৰাপ্ত, আজি সম্বৰ্ধিত কৃতী প্ৰধান শিক্ষক ভগৱান চন্দ্ৰ বৰ্মনৰ জীৱন কৃতী সম্বলিত কৰি লেখক, সাংবাদিক দিলীপ বৰ্মনে ৰচনা কৰা 'জ্ঞানম' শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে শিক্ষাবিদ, লেখক ড° দীনমণি ভাগৱতীয়ে।

## লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ গাণনিক শইকীয়াৰ বিদায় সম্বৰ্ধনা

বিশেষ সংবাদদাতা

**লখিমপুৰ, ৩১ অক্টোবৰ ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ গাণনিক মহেশ্বৰ শইকীয়াৰ চাকৰিৰ অৱসৰৰ দিন উপলক্ষে যোৱা ৩০ অক্টোবৰত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী বৃন্দই এক বিদায় সম্বৰ্ধনা সভাৰ আয়োজন কৰে। এই উদ্দেশ্যে মহাবিদ্যালয়ৰ সভা কক্ষত আয়োজিত এক সভাত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ গোপাল কুমাৰ ছেত্ৰীয়ে। মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক অনুপ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা বিদায় সভাত বিদায়ী প্ৰাৰ্থী মহেশ্বৰ শইকীয়াৰ চাকৰি জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়ায় উপাধ্যক্ষ মহেশ ভাগৱতী, জ্যেষ্ঠ অধ্যাপক ড° গুণীন শৰ্মা, ছাজ্জাদ হুছেইন, অৰূন বৰ্মন, ড° সংগীতা তামুলী বৰঠাকুৰ, মৃদুস্মিতা হাজৰিকা আৰু মহাবিদ্যালয়ৰ মুখ্য সহায়ক জগত দত্তই। বিদায়ী প্ৰাৰ্থীক সভাত সম্বৰ্ধনা পত্ৰ, শৰাই, চেলেং চাদৰ আৰু বিভিন্ন উপহাৰেৰে সন্মানিত কৰা হয়। সভাৰ অন্তত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী বৃন্দই মহেশ্বৰ শইকীয়াক শলাল গাঁৱৰ বাসগৃহলৈ আগবঢ়াই লৈ আহে।

## দেওহাটীত মহিলাৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৩১ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত কালি পুৱা মহিলা এগৰাকীয়ে চলন্ত ৰেলৰ আগত জপিয়াই আত্মহত্যা কৰা ঘটনাই অভয়াপুৰী দেওহাটীৰ সৰুনা ৰায় (৫০) নামৰ মহিলা গৰাকীয়ে দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত ভুগি মানসিক ভাৰসাম্য হেৰুৱাই আত্মহত্যা কৰে।

## চামতা গ্ৰামীণ বিকাশ বেংকৰ গ্ৰাহকৰ হাহাকাৰ

### আছুৰ স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**চামতা, ৩১ অক্টোবৰ ঃ** বৃহত্তৰ পশ্চিম নলবাৰী অঞ্চলৰ প্ৰথমটো বেংক অসম গ্ৰামীণ বিকাশ বেংকটোৰ কে'বাহেজাৰ গ্ৰাহকে পৰ্যাপ্ত সুবিধাৰ পৰা দীৰ্ঘদিনৰ পৰা বঞ্চিত হৈ থকাত গ্ৰাহকসকলে গভীৰ সমস্যাৰ মুখামুখি হ'ব লগা হৈছে। গ্ৰাহকসকলে জমা কৰা ধন উলিয়াবলৈ পুৱাৰে পৰা বেংকৰ সন্মুখত লাইন পাতিব লগা হয়। ইয়াৰ উপৰি নিজৰ জমাধন উলিয়াবলৈ দিনৰ পাছত দিন তাঁতবাটি কৰিব লগা হৈছে। অতি পৰিতাপৰ বিষয় যে পুৱাৰে বেংকৰ ছাৰ্ভাৰ ডাউন বুলি কৈয়ে দায় সামৰি আহিছে বেংক কৰ্তৃপক্ষই। যাৰ ফলত গ্ৰাহকে সমস্যাৰ মুখামুখি হ'ব লগা হৈছে। যোৱা ৩০ অক্টোবৰত পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা অসম গ্ৰামীণ বিকাশ বেংকৰ চামতা শাখাৰ শাখা পৰিচালকক এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। স্মাৰকপত্ৰযোগে দাবী জনোৱা হয় অতি শীঘ্ৰে কাৰিকৰী দিশটো ঠিক কৰি গ্ৰাহকসকলক সুবিধাসমূহ প্ৰদান কৰক। উক্ত কাৰ্যসূচীত উপস্থিত থাকে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাণজিত ঠাকুৰীয়া, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহ সাধাৰণ সম্পাদক নিৰুজুদ্দিন আহমেদ, আঞ্চলিকৰ সহকাৰী সাধাৰণ সম্পাদক নয়নজ্যোতি বৰ্মন, পৰাগমণি দাস, আমনি শাখা ছাত্ৰ সন্থাৰ সভাপতি সমীৰণ বৰ্মন আদিয়ে।



*গোৱালপাৰাত বন্যহস্তীয়ে নষ্ট কৰিলে কৃষিভূমি, দেওবাৰে।*

## ফলপ্ৰসূ পৰিকল্পনা গ্ৰহণ কৰিবলৈ আহ্বান

### ■ অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধ্যক্ষ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৩১ অক্টোবৰ ঃ** হোজাই উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত আজি অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধ্যক্ষ ৰাজেন গোহাঁইৰ অধ্যক্ষতাত উপায়ুক্ত অনুপম চৌধুৰীৰ উপস্থিতিত পেডি প্ৰকিউৰমেণ্ট খাৰিফ বিপণন ঋতু, ২০২১-২২ৰ বাবে হোজাই জিলাত বিভিন্ন পেড্ডী প্ৰকিউৰমেণ্ট কেন্দ্ৰৰ জৰিয়তে কৃষকৰ পৰা ধন সংগ্ৰহ প্ৰক্ৰিয়াৰ ওপৰত এক গুৰুত্বপূৰ্ণ আলোচনা সভা অনুষ্ঠিত হয়। সভাত অধ্যক্ষ গোহাঁইয়ে হোজাই জিলাস্থিত পেডি প্ৰকিউৰমেণ্ট কেন্দ্ৰ সমূহৰ আন্তঃগাঁথনিৰ স্থিতিৰ বুজ লয় আৰু এই ক্ষেত্ৰত সমূহ প্ৰক্ৰিয়াটোৰ সফল ৰূপায়ণৰ বাবে এক ফলপ্ৰসূ পৰিকল্পনা হাতত ল'বলৈ উপস্থিত সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। আলোচনা কালত উপায়ুক্ত অনুপম চৌধুৰীয়ে পেডি প্ৰকিউৰমেণ্ট কেন্দ্ৰত কৃষকসকলে যাতে সহজ প্ৰক্ৰিয়াৰ মাধ্যমত নিজৰ ধান বিক্ৰী কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ কয় আৰু এই ক্ষেত্ৰত সমূহ প্ৰক্ৰিয়াটোৰ লগত জড়িত সংশ্লিষ্ট বিভাগৰ বিষয়া, কৰ্মচাৰীসকলে সমন্বয়ৰে কাম কৰিবলৈ ৰ্নিদেশ দিয়ে। তদুপৰি সভাত উপস্থিত কৃষি উন্নয়ন বিষয়াসকলে, কৃষকসকলে কি মানদণ্ডৰ ধান পেডি প্ৰকিউৰমেণ্ট কেন্দ্ৰত আনিব পাৰে তাৰ ওপৰত কৃষকসকলৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ উপায়ুক্ত গৰাকীয়ে নিৰ্দেশ দিয়ে যাতে প্ৰকৃত কৃষক হিতাধিকাৰীয়ে তউপকৃত হয়। সভাত অসম খাদ্য আৰু অসামাৰিক যোগান নিয়মৰ বিশেষ কাৰ্যবাহী বিষয়া, জয়ন্ত মজিন্দাৰ বৰুৱা, জিলা কৃষি বিষয়া, কৃষি উন্নয়ন বিষয়াসকল, ভাৰতীয় খাদ্য নিগমৰ বিষয়া, কৃষক প্ৰতিনিধিৰ লগতে সংশ্লিষ্ট বিষয়া, কৰ্মচাৰী উপস্থিত থাকে। এই বিষয়ে হোজাই তথ্য আৰু জনসংযোগ বিষয়া নিৰাৰয়ে এক বিবৃতিযোগে জনাইছে।

## ৩০ অক্টোবৰত নিহত লোকলৈ শ্ৰদ্ধাঞ্জলি

### দেওমৰনৈত বন্তি প্ৰজ্বলন

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ৩১ অক্টোবৰ ঃ** ৩০ অক্টোবৰৰ বোমা বিস্ফোৰণত নিহত লোকসকলক শ্ৰদ্ধা জনাই দেওনৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত আজি সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হয়। কাৰ্যসূচীত মুখ্য বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা কৰুণা বৰুৱা। ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক সীমান্ত চহৰীয়াই আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকে আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক অপূৰ্ব শৰ্মা, উপ-সভাপতি চিণ্টু নাথ, অসীম ডেকা, ক্ৰীড়া সম্পাদক অভিজিৎ শইকীয়া, সাহিত্য সম্পাদক গুণমণি ডেকা, সহকাৰী সম্পাদক ৰিদিপ ডেকা, সাংগঠনিক সম্পাদক প্ৰশান্ত কলিতা, বিত্ত সম্পাদক মৃণ্ময় কুমাৰ, সদস্য হিমান শৰ্মা আদি।

## দিচাংমুখত বনৰীয়া হাতীৰ তাণ্ডৱ

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ৩১ অক্টোবৰ ঃ** পানীদিহিং পক্ষী অভয়াৰণ্যৰ পৰা ওলাই অহা এজাক বনৰীয়া হাতীয়ে বিগত দুটা দিন ধৰি দিচাংমুখৰ আলিছিগা, লিগিৰিবাৰী আৰু দিচাং চাপৰিত তাণ্ডৱ লীলা চলাই আহিছে। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে সন্ধিয়া হোৱাৰ লগে লগে পথাৰৰ পকা ধান খাবলৈ ওলাই আহি গাঁও অঞ্চলত উপদ্ৰৱ কৰি আহিছে। কালি সন্ধিয়াও বনৰীয়া হাতীৰ জাকটোৱে লিগিৰিবাৰী গাঁৱৰ পথাৰত সোমাই আছে। ৰাইজে জুই, লাইট, ভোটা আদি লৈ বনৰীয়া হাতীৰ জাকটো খেদাৰ বাবে চেষ্টা কৰি থকা বুলি জানিবলৈ দিছে। উল্লেখ্য যে শিৱসাগৰ বন বিভাগে বনৰীয়া হাতীৰ জাকটো খেদাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত দিচাংমুখৰ সৰবৰহী যুৱক ৰাজ কুমাৰ পাংগিং আৰু বিল্লুল সিং য়েইনে বৰনীয়া হাতীৰ জাকটো খেদাৰ বাবে ৰাইজৰ লগত সহযোগিতা আগবঢ়াইছে বুলি ৰাইজে জানিবলৈ দিছে।

## ■ ৰঙিয়াত ইলোৰা বিজ্ঞান মঞ্চৰ সাধাৰণ সভা

# বিজ্ঞানমনস্কতা ঘৰৰ পৰাই গঢ় লৈ উঠে

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ৩১ অক্টোবৰ ঃ** আমাৰ কণ-কণ শিশুসকলৰ মাজত বিজ্ঞানমনস্কতা ঘৰৰ পৰাই গঢ় লয়। যিসকল মাতৃ বিজ্ঞানমনস্ক তেওঁলোকৰ সন্তান বিজ্ঞানমনস্ক হ'বলৈ বাধ্য। সমাজৰ প্ৰতিগৰাকী শিশুক বিজ্ঞানমনস্ক হিচাপে গঢ়ি তুলিবলৈ সক্ষম হ'লে সমাজৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস আদি আপোনা-আপুনি আঁতৰি যাব। ইয়াৰ বাবে মহিলাসকলক বিজ্ঞানমনস্ক হ'বই লাগিব আৰু এই ক্ষেত্ৰত আগবাঢ়ি আহিবই লাগিব। এই মন্তব্য ইলোৰা বিজ্ঞান মঞ্চৰ মঙলদৈ শাখাৰ সম্পাদিকা ৰুমা অধিকাৰীৰ। তেওঁ আজি মঞ্চৰ ৰঙিয়া শাখাৰ সাধাৰণ সভাত পৰ্যবেক্ষক হিচাপে প্ৰদান কৰা বক্তব্য প্ৰসংগত এই মন্তব্য কৰে। অৱশ্যে তেওঁ কয় যে কু-সংস্কাৰ গঢ় দিওঁতে নাৰীসকলে বেছি আগভাগ লয়। কু-সংস্কাৰবোৰ এতিয়াই মনৰ পৰা আঁতৰাবৰ এতিয়াই উপযুক্ত সময়। তেওঁৰ মতে বিজ্ঞানমনস্ক হ'বলৈ বিজ্ঞানৰ ছাত্ৰ হ'ব লাগিব বুলি কোনো কথা নাই। সমাজখনক বিজ্ঞানমনস্ক হিচাপে আগুৱাই নিব নোৱাৰিলে আমি বহুত পিছপৰি ৰ'ম বুলি তেওঁ আশংকা প্ৰকাশ কৰে। মঞ্চৰ ৰঙিয়া শাখাৰ সভাপতি মীৰাজুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মঞ্চৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কমলেশ গুপ্তাই সমাজত কু-সংস্কাৰ আৰু অন্ধবিশ্বাস বিয়পাৰ ক্ষেত্ৰত আমাৰ চৰকাৰো বহুলাংশে দায়ী বুলি অভিযোগ উত্থাপন কৰে। বিশেষকৈ কৰ'নাৰ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্যকলাপো বিজ্ঞানসন্মত নাছিল বুলি তেওঁ কয়। আমাৰ সমাজৰ পৰা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আতৰোৱাৰ সংকল্প লৈ ইলোৰা বিজ্ঞান মঞ্চই যাত্ৰা আৰম্ভ কৰা বুলি তেওঁ সভাত মন্তব্য কৰে। আজিৰ দিনত মঞ্চৰ প্ৰাসংগিকতা যথেষ্ট বৃদ্ধি পাইছে বুলি তেওঁ কয়। তেওঁ অংগদানতকৈও নেত্ৰ দান আৰু ৰক্তদানত অধিক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। ইলোৰা বিজ্ঞান মঞ্চই এতিয়াও বিস্তীৰ্ণ চৰ অঞ্চল গাঁও অঞ্চল তথা চাহ বাগিচা অঞ্চলসমূহত তেওঁলোকৰ কাম-কাজ বিয়পাই দিব পৰা নাই বুলি গুপ্তাই আক্ষেপ প্ৰকাশ কৰে। অৱশ্যে সেই চেষ্টা এতিয়াও অব্যাহত আছে বুলি তেওঁ কয়। সভাত কেন্দ্ৰীয় সহকাৰী সম্পাদক প্ৰণৱজ্যোতি নাথ, ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পাৰ্থ ফুকন মহন্ত, পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ কলিতা, লক্ষ্মীকান্ত মহন্ত, সাংবাদিক মুস্তাফা কামাল আহমেদ, কবি নুৰুল আমিন, ৰঙিয়া আৰিমত্ত বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নয়নজ্যোতি দাস, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সৰস্বতী কলিতাসহ কে'বাগৰাকী বক্তাই বক্তব্য প্ৰদান কৰে। সভাত গণনাট্য সংঘৰ শিল্পী নৃপেন নাথে সংগীত পৰিবেশন কৰে। সভাত পুৰণা সমিতি ভংগ কৰি নতুন কমিটী গঠন কৰা হয়। নতুন কমিটীত মীৰাজুল ইছলামক সভাপতি আৰু নয়নজ্যোতি কলিতাক সম্পাদক হিচাপে মনোনীত কৰা হয়।







# আগষ্টত নামনি সোৱণশিৰি বান্ধৰ দুটা

এক পৃষ্ঠাৰ পৰা নিৰ্মাণ কাৰ্য দুদিন ধৰি পৰিদৰ্শন কৰে। বান্ধটোৰ পাৱাৰ হাউছ আৰু ভূগৰ্ভৰ তলৰ নিৰ্মাণ কাৰ্য এই ভ্ৰমণত বিশেষভাৱে পৰ্যবেক্ষণ কৰা হয়। উল্লেখ্য যে বান্ধৰ গুৰুত্বপূৰ্ণ এই দুটা অংশত হাইড্ৰ' মেকানিকেল, প্ৰেছাৰ শ্বাফট আৰু বৈদ্যুতিক কাম-কাজবোৰ পূৰ্ণগতিত অব্যাহত আছে। বৰ্তমান বান্ধটোৰ নিৰ্মাণৰ দায়িত্বত থকা দুটা মুখ্য প্ৰতিষ্ঠান হ'ল মেছাৰ্ছ পেটেল ইঞ্জিনীয়াৰিং আৰু মেছাৰ্ছ বি জি এছ-এছ জি এছ-এছ অ' এম এ। এই দুয়োটা প্ৰতিষ্ঠানেও আগষ্টৰ ভিতৰত দুটা উৎপাদন গোট কাৰ্যক্ষম কৰি তোলাত আশ্বাস দিয়ে বৈঠকত।

উল্লেখ্য যে দৈনিক দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য লোৱা প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য বিগত ২০০৭ৰ ডিচেম্বৰত আৰম্ভ কৰা হৈছিল। প্ৰথম অৱস্থাত ৬,২৯০ কোটি টকা নিৰ্মাণ ব্যয় ধাৰ্য কৰা প্ৰকল্পটো ২০১৬-১৮ত কাৰ্যক্ষম কৰাৰো লক্ষ্য লোৱা হৈছিল; কিন্তু বান্ধটোৱে নামনি অংশত থকা অসমৰ ভয়াৱহ ক্ষতিসাধন কৰাৰ অভিযোগত একাংশ দল-সংগঠনে দীৰ্ঘদিনীয়া আন্দোলন অব্যাহত ৰখাত নিৰ্মাণ কাৰ্য সম্পূৰ্ণৰূপে বাধাগ্ৰস্ত হয়। তদুপৰি উচ্চতম ন্যায়ালয় আৰু সেউজ ন্যায়াধিকৰণতো বিষয়টো বিচাৰাধীন হয়। অৱশেষত ন্যায়ালয় আৰু ন্যায়াধিকৰণে সেউজ সংকেত দিয়াত বান্ধটোৰ নিৰ্মাণ কাৰ্য ক্ষিপ্ৰগতিত আৰম্ভ হয়। ইপিনে, এটা সময়ত অসম কঁপোৱা আন্দোলনকাৰীবোৰেও ৰহস্যজনকভাৱে টাপ মাৰে। মাজে-সময়ে দুই-এক সংগঠনে বান্ধটো বন্ধ কৰি দিয়াৰ 'ভাবুকি' দিয়ে যদিও সেয়া মুহূৰ্তৰ বাবেহে। গতিকে বাধাহীনভাৱে সম্প্ৰতি নিৰ্মাণ কাৰ্য অব্যাহত থকাৰ ফলতে নমাহ পাছত উৎপাদন আৰম্ভ কৰাৰ চূড়ান্ত লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

# তেল নাখাব ঃ মূল্যবৃদ্ধিত জৰ্জৰিত জনতাক

এক পৃষ্ঠাৰ পৰা আগবঢ়োৱাৰ পাছত এইবাৰ মূল্যবৃদ্ধিৰ পৰা পৰিত্ৰাণ পাবলৈ ৰাজ্যবাসীক দুশ টকা পাৰ কৰা মিঠাতেল খাবলৈ এৰি দিবলৈ পৰামৰ্শ আগবঢ়াইছে দিছপুৰৰ বিজেপি বিধায়ক অতুল বৰাই। ৰাজ্যৰ বজাৰত উপলব্ধ ৯০ শতাংশ মিঠাতেল ভেজাল বুলি আজি অভিযোগ উত্থাপন কৰি তেওঁ মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চৰকাৰ ব্যৰ্থ হোৱা বুলি আওপকীয়াকৈ মন্তব্য কৰে। উল্লেখ্য যে বৰ্ধিত চাহিদা অনুসৰি, আলু-পিঁয়াজ, শাক-পাচলিকে ধৰি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ পাইকাৰী মূল্য আৰু খুচুৰা মূল্যৰ মাজত মহানগৰীৰ বজাৰসমূহত ব্যাপক তাৰতম্য পৰিলক্ষিত হৈছে যদিও এই ক্ষেত্ৰত কুম্ভকৰ্ণৰ নিদ্ৰাত আছে যোগান বিভাগ। আজি মহানগৰীৰ বজাৰ ভেদে খাদ্য-সামগ্ৰীৰ মূল্য পৃথক পৃথক হোৱাৰ সমান্তৰালভাৱে একেখন বজাৰতে খাদ্য সামগ্ৰীৰ মূল্যৰ ব্যাপক তাৰতম্য আছে। পাইকাৰী বজাৰত ১৯ টকীয়া আলু আৰু ২৪ টকীয়া আলুৰ প্ৰভেদ নাৰাখি ঠাইভেদে খুচুৰা ব্যৱসায়ীয়ে ৪০ টকা দৰত বিক্ৰী কৰিছে যদিও এনে অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে সংশ্লিষ্ট বিভাগৰ চকু দিবলৈ সময় নোলোৱা বাবেই সম্প্ৰতি মহানগৰীৰ বজাৰসমূহ নিয়ন্ত্ৰণহীন হৈ পৰিছে। ফলত খুচুৰা ব্যৱসায়ীয়ে নিজ ইচ্ছামতে সাধাৰণ জনতাৰ মূৰত মাধমাৰ শোধাই আহিছে।

উল্লেখ্য যে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য দৈনিক উৰ্ধ্বমুখী হোৱাৰ ফলত দিন হাজিৰা কৰাজনৰ পৰা মধ্যবিত্ত পৰিয়ালসমূহ কিদৰে জীৱন নিৰ্বাহ কৰিব সম্প্ৰতি সকলোৰে মাজত এক চিন্তাৰ কাৰণ হৈ পৰিছে। দিনটো হাজিৰা কৰি সন্ধিয়া ঘৰলৈ যোৱাৰ সময়ত গণেশগুৰিৰ বজাৰত সোমাই যোৱা পদ্মৰাম দাসে মূল্যবৃদ্ধিৰ ফলত পৰা প্ৰভাৱৰ সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, 'মোৰ চাৰিজনীয়া পৰিয়াল। দৈনিক হাজিৰা কৰি পাওঁ ছশ টকা। যিদৰে বস্তুৰ দাম বাঢ়িছে পৰিয়াল কিদৰে চলাম সদায় চিন্তাত পৰো। এতিয়া তিনিবেলা খাবলৈ হ'লে প্ৰায় সাত-আঠশ টকা লাগে; উপাৰ্জন কৰো ছশ। বাকী ল'ৰা-ছোৱালীৰ পঢ়া খৰচ, কাপোৰ-কানি, বেমাৰ-আজাৰ বাদ দিলো। কি ক'ম, ক'বলৈ ভাষা নাই; মাথোঁ চিন্তা চৰকাৰে আমাৰ দৰে শ্ৰেণীটোৰ কথা যদি ভাবিলেহেঁতেন।' তেওঁৰ পাছতে হাতত মোনা লৈ বৰবাৰী বজাৰলৈ অহা উচ্চ ন্যায়ালয়ৰ অধিবক্তা কবিন শইকীয়াই মূল্যবৃদ্ধিৰ সন্দৰ্ভত কয়, 'মূল্যবৃদ্ধি হৈছে; কিন্তু নিয়ন্ত্ৰণ কৰিব কোনে? ক'বও নোৱাৰি, মন্ত্ৰী-বিধায়কে আকৌ ৰাইজকহে পৰামৰ্শহে দিয়ে। মুঠতে কথা এটাই— মধ্যবিত্ত শ্ৰেণীটো শেষ হোৱাৰ পথত, কেৱল থাকিব দৰিদ্ৰ আৰু পুঁজিপতি; সেয়া হ'বলৈ গৈ আছে বুলি মই অনুভৱ কৰো।' একেদৰে হাতীগাঁৱৰ জ্যেষ্ঠ নাগৰিক কুলেন বৰ্মনে মূল্যবৃদ্ধিৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰক পৰ্যাপ্ত হেঁচা প্ৰয়োগ কৰাত প্ৰতিটো বিৰোধী দল ব্যৰ্থ বুলি উল্লেখ কৰি কয় যে মূল্যবৃদ্ধি হৈছে, ইয়াক কিদৰে নিয়ন্ত্ৰণ কৰা হয় চৰকাৰক পৰামৰ্শ দিয়াৰ বিপৰীতে শাসকীয় দলৰ সভাপতিজনে আকৌ আইন ভংগ কৰি তিনিজন উঠিবলৈ ৰাইজক পৰামৰ্শ দিয়ে। তেওঁৰ মুখত এনেধৰণৰ টুলুঙা মন্তব্যই শোভা নাপায় বুলি উল্লেখ কৰি বৰ্মনে পুনৰ কয় যে পেট্ৰ'লৰ সমান্তৰালভাৱে ডিজেলৰ মূল্যবৃদ্ধিৰে সাধাৰণ জনতাক আৰু মাধমাৰ শোধাব। এই কথা ৰজাঘৰে চিন্তা কৰা উচিত বুলি তেওঁ মন্তব্য কৰি মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

### ২৩-২৪ টকীয়া আলু বিক্ৰী হৈছে ৪০ টকাত ঃ প্ৰতিবিধ শাক-পাচলিতে ১৫-২০ টকা ব্যৱধান

মহানগৰীৰ প্ৰতিখন বজাৰতে আজিৰ দিনত শাক-পাচলিৰ মূল্যৰ ব্যাপক প্ৰভেদ। বিশেষকৈ পাইকাৰী বজাৰত উপলব্ধ প্ৰতি কিলোগ্ৰাম নাছিকৰ ২৭ টকীয়া পিঁয়াজ আৰু পশ্চিমবংগৰ ৪৩ টকীয়া পিঁয়াজ সংমিশ্ৰণ কৰি একাংশ অসাধু ব্যৱসায়ীয়ে পিঁয়াজ কিলোগ্ৰামে প্ৰতি ৬০ টকাৰ দৰত বিক্ৰী কৰি আহিছে। একেদৰে পাইকাৰী বজাৰৰ পশ্চিমবংগৰ ১৯ টকীয়া আলু আৰু আগ্ৰাৰ ২৪ টকীয়া আলু সংমিশ্ৰণ কৰি প্ৰতি কিলোগ্ৰামত ৪০ টকা দৰত বিক্ৰী কৰিছে খুচুৰা ব্যৱসায়ীয়ে। সমান্তৰালভাৱে ৫৫ টকীয়া পাইকাৰী মূল্যৰ বিলাহী ৭০-৮০, ২৫ টকীয়া পাইকাৰী মূল্যৰ শ্বিলঙৰ বন্ধা কবি ৪০ টকা, ৩৫ টকীয়া বেঙেনা ৪০-৪৫, ৫০ টকীয়া ফুলকবি ৭০ টকা, ৬০ টকীয়া লেচেৰা ৮০ টকা, ৫০ টকীয়া জিকা ৬০-৬৫ টকা, ২৫-৩০ টকীয়া পটল ৪০-৪৫, ৮০ টকীয়া বিন ১২০ টকা প্ৰতি কিলোগ্ৰাম দৰত বিক্ৰী কৰিছে খুচুৰা ব্যৱসায়ীয়ে। ফলত পাইকাৰী মূল্য আৰু খুচুৰা মূল্যৰ মাজত প্ৰতি কিলোগ্ৰামত ২০-৩০ টকা পৰ্যন্ত ব্যৱধান আছে যদিও এই ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে নীৰৱ ভূমিকা পালন কৰি অহা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। একাংশ গ্ৰাহকে আনকি বজাৰ বিশেষে সংশ্লিষ্ট বিষয়াৰ স'তে ব্যৱসায়ীৰ সম্পৰ্ক থকাৰ কথাও সন্দেহ কৰিছে।

### শাসকীয় পক্ষৰ হোৱাৰ বাবেই মূল্যবৃদ্ধিৰ বিৰুদ্ধে মাত মাতিব নোৱাৰে দিছপুৰৰ বিধায়কে

ব্যাপক মূল্যবৃদ্ধিৰ ফলত যি সময়ত মহানগৰীত বিশেষকৈ দৈনিক উপাৰ্জনেৰে পৰিয়াল পোহপাল দিয়াসকলে এসাঁজ খাবলৈ এশবাৰ চিন্তা কৰিবলগীয়া হৈছে, সেই সময়তে এইসকল লোকৰ ভোট লৈ বিধায়ক হোৱাৰ পাছত এতিয়াও শাসকীয় পক্ষৰ হোৱা বাবেই এইসকল লোকৰ হৈ মাত মাতিব নোৱাৰে এজন বিধায়কে। আজি নিজেই এই কথা স্বীকাৰ কৰি দিছপুৰৰ বিজেপি বিধায়ক অতুল বৰাই কয়, 'আঠশ মিটাৰ দূৰৈতে বস্তুৰ মূল্য আকাশ-পাতাল। মোৰ পৰাই আঠশ মিটাৰ দূৰত্বত বালি কিনোতে এখন দোকানৰ পৰা সিখন দোকানে ৭৫০ টকা বেছিকৈ লৈছে। এইবোৰ চৰকাৰে নিয়ন্ত্ৰণ কৰিব লাগে। অসাধু ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিব লাগে। মই যদি বিৰোধী নেতা বা বিধায়ক হোৱা হ'লে মাত মাতিলো হয়। শাসকীয় বিধায়ক হোৱা বাবেই চৰকাৰৰ বিৰুদ্ধে ৰাজহুৱাকৈ সমালোচনা কৰিব নোৱাৰো। বিৰোধীত থকা হ'লে;বাধ্যত পৰিহে মুখখন বন্ধ কৰি ৰাখিছো।'

# বিপৰ্যয়ৰ মাজতে এনৰেগাৰ পুঁজি শূন্য

এক পৃষ্ঠাৰ পৰা বিনিময়ত লাভ কৰা মজুৰিয়ে একমাত্ৰ সম্বল হৈ উঠিছিল। এই এনৰেগা আঁচনিৰ বাবদ কেন্দ্ৰীয় চৰকাৰে সেয়েহে অভিলেখসংখ্যক পুঁজি আবণ্টন দিবলগীয়া হৈছিল। চলিত বৰ্ষত তলাবন্ধ প্ৰত্যাহাৰ হোৱাৰ ফলত গ্ৰামাঞ্চলত এই কামৰ চাহিদা হ্ৰাস পাব বুলি আশা কৰিছিল কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয় আৰু গ্ৰামোন্নয়ন মন্ত্ৰণালয়ে। এনে এক পূৰ্বানুমান কৰি বিগত বৰ্ষৰ তুলনাত বাজেটত কম পৰিমাণৰ ধন আবণ্টন দিয়া হৈছিল। অথচ এতিয়া দেখা গৈছে যে এশদিনৰ কামৰ চাহিদা যথেষ্ট আছে এতিয়াও। কিয়নো বাজেটত মঞ্জুৰ হোৱা ধন ইতিমধ্যে সম্পূৰ্ণৰূপে ব্যয় হৈছে। চৰকাৰী সূত্ৰত প্ৰকাশ যে এই পৰিস্থিতিত এনৰেগাৰ ধনৰ পৰিমাণ বৃদ্ধিৰ গত্যন্তৰ নাই। কিয়নো আইন অনুসৰি, কাম বিচাৰিলে এশদিনৰ নিশ্চিত নিয়োগ প্ৰদান কৰিবই লাগিব।

সূত্ৰত প্ৰকাশ যে বিত্তীয় বৰ্ষৰ অৰ্ধেক দিন বাকী থকাৰ সময়তে এনৰেগাৰ বাজেট নিৰ্ধাৰিত পুঁজিৰ অন্ত পৰিল যদিও পৰিপূৰক দাবী মঞ্জুৰিৰ ধনৰ বাবে কমেও এমাহ অপেক্ষা কৰিব লাগিব। সংসদৰ আগন্তুক অধিবেশনতে এই ধন মঞ্জুৰ কৰিব পৰা যাব। এনৰেগাৰ বিত্তীয় ব্যয় হিচাপ অনুসৰি, ইয়াত বৰ্তমান ৮৬৮৬ কোটি টকাৰ নিগেটিভ বেলেঞ্চ আছে। যাৰ ফলত এনৰেগা শ্ৰমিকৰ প্ৰাপ্য ধন আদায়ৰ লগতে অন্যান্য সামগ্ৰীৰ বাবদ হোৱা ব্যয়ৰ ধন আদায়ত পলম হ'ব। ৰাজ্যসমূহে নিজাববীয়াকৈ পুঁজিৰ বন্দৱস্ত কৰিলেহে এই ধন প্ৰাপ্তি সম্ভৱ হ'ব। বিভিন্ন সংস্থা, সংগঠনে এই পৰিস্থিতিৰ বাবে কেন্দ্ৰীয় চৰকাৰক গৰিহণা দিছে। তেওঁলোকৰ ভাষ্য অনুসৰি, কেন্দ্ৰই অৰ্থনৈতিক দুৰৱস্থাৰ সময়ত শ্ৰমিকৰ প্ৰাপ্য মজুৰি প্ৰদানত লেহেম গতিৰ দ্বাৰা তেওঁলোকক 'বন্ধা শ্ৰমিক'লৈ পৰ্যবসিত কৰিছে। ইপিনে, কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ৰাজ্যই কৃত্ৰিমভাৱে চাহিদাৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰিছে। উল্লেখ্য যে এনৰেগা আঁচনিৰ অধীনত দাবী অনুসৰি, জবকাৰ্ডধাৰী যিকোনো গ্ৰাম্য শ্ৰমিকে বিচাৰিলে এশদিনৰ মজুৰি নিশ্চিত কৰিব লাগে। বিগত বৰ্ষৰ ক'ভিডৰ তলাবন্ধৰ সময়ত এই আঁচনিৰ অধীনত ১১ লাখ কোটি টকা আবণ্টন দিয়া হৈছিল আৰু ই ১১ কোটি শ্ৰমিকৰ বাবে জীৱনদায়িনী স্বৰূপ হৈ পৰিছিল। ২০২১-২২ বিত্তীয় বৰ্ষত এনৰেগা আঁচনিৰ বাবদ বাজেটত মাত্ৰ ৭৩ হেজাৰ কোটি টকা আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে যুক্তি দৰ্শাইছিল যে ৰাষ্ট্ৰজোৰা তলাবন্ধৰ অন্ত পৰিছে আৰু ধনৰ নাটনি হ'লে পৰিপূৰক দাবী মঞ্জুৰিৰ জৰিয়তে বৃদ্ধি কৰিব পৰা যাব। ৩১ অক্টোবৰ পৰ্যন্ত মুঠ ব্যয় ইতিমধ্যে ৭৯,৮১০ কোটি হৈছে। ফলত অৰ্থ সংকট হৈছে এনৰেগাত। ইতিমধ্যে দেশৰ ২১ খন ৰাজ্যত এনৰেগা আঁচনিৰ পুঁজি শূন্য হৈছে। অন্ধ্ৰ প্ৰদেশ, তামিলনাডু আৰু পশ্চিমবংগত এই অৱস্থা অধিক শোচনীয়।

এই প্ৰসংগত মজদুৰ কিষাণ শক্তি সংগঠনৰ প্ৰতিষ্ঠাপক নিখিল দেয়ে কয়, 'আমি এনে এক সমস্যাৰ সন্মুখীন হৈছো যে বিত্তীয় বৰ্ষত আধাতে এনৰেগা বন্ধ হৈ গৈছে। ইয়াৰ মূল্য কোনে ভৰিব? ইতিমধ্যে ক'ভিডৰ ভয়াৱহতাৰ ফলত ভাঙি পৰা দৰিদ্ৰতমজনেই ইয়াৰ ভুক্তভোগী হ'ব।' ২০১৬ৰ উচ্চতম ন্যায়ালয়ৰ এক ৰায়ৰ উদাহৰণ দাঙি ধৰি তেওঁ কয় যে এই ৰায়দানত এনৰেগাৰ অধীনত মজুৰিৰ ধন আদায় দিবলৈ বাকী থকাটো ৰাজ্যই সংঘটিত কৰা এক অতি স্পষ্ট সাংবিধানিক উলংঘন আৰু ভিক্ষাবীৰ এক আধুনিক প্ৰকৰণ। 'উচ্চতম ন্যায়ালয়ৰ মতে ভাৰত চৰকাৰে এই অৱস্থাত বহু কোটি কোটি লোকক 'বন্ধা শ্ৰমিক'লৈ ৰূপান্তৰিত কৰিছে।' দেয়ে এইদৰে কয়।

ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াই কয় যে চলিত বৰ্ষত কিছু পূৰ্বেই পুঁজি শূন্য হ'ল এনৰেগা। তেওঁ কয় যে ইতিমধ্যে মানুহে কাম কৰি আছে যদিও পুঁজি আবণ্টন হ'লেহে ধন আদায় পাব। অৱশ্যে বহু ৰাজ্যই নিজ ৰাজকোষৰ পৰা ইচ্ছা কৰিলে ধন আদায় দিব পাৰে। পৰৱৰ্তী সময়ত কেন্দ্ৰৰ পৰা এই ধন ওভতাই পাব। কেন্দ্ৰীয় চৰকাৰৰ বিষয়াই অভিযোগ কৰে যে ৰাজ্য চৰকাৰেই এই সাম্প্ৰতিক পৰিস্থিতিৰ বাবে দায়ী। আশংকা প্ৰকাশ কৰি বিষয়াজনে কয় যে দাবীৰ ওপৰত নিৰ্ভৰ কৰি আঁচনি ৰূপায়ণ কৰাৰ পৰিৱৰ্তে ৰাজ্য চৰকাৰসমূহে তেওঁলোকৰ ক্ষেত্ৰ কৰ্তৃপক্ষক কৃত্ৰিমভাৱে দাবী সৃষ্টি কৰিবলৈ কৈছে। এনৰেগা আঁচনি অনুসৰি মানুহে কাম দাবী কৰিলেহে কাম দিব লাগে। প্ৰশাসনিকভাৱে কামৰ আয়োজন কৰি মানুহক অংশগ্ৰহণ কৰোৱাটো আঁচনিখনৰ লক্ষ্য নহয় যদিও বিভিন্ন ৰাজ্যই এনে কৰিছে বুলি তেওঁ কয়।

ইপিনে শ্ৰমিক নেতাসকলৰ মতে, বাস্তৱৰ পৰিস্থিতি সম্পূৰ্ণ বিপৰীত। এনৰেগাৰ তথ্য অনুসৰি, কাম বিচৰাসকলৰ ১৩ শতাংশ পৰিয়ালে কাম পোৱা নাই। এই পৰিসংখ্যাও বাস্তৱত অধিক হ'ব বুলিও কয় সংগঠনসমূহে। কিয়নো পঞ্জীয়নভুক্ত দাবীহে এনৰেগাৰ তথ্যত সন্নিবিষ্ট কৰা হৈছে। অপঞ্জীয়নভুক্ত তথ্য অন্তৰ্ভুক্ত কৰা হোৱা নাই। কিয়নো বহু কাম বিচাৰি অহা শ্ৰমিকক বিষয়াসকলে পঞ্জীয়ন নকৰাকৈয়ে ওভতাই পঠিয়ায়। পিপ'লছ একচন ফৰ এমপ্লয়মেণ্ট গ্যাৰাণ্টি নামৰ সংগঠনটোৰ এজন গৱেষক বিজয় ৰামে এইদৰে কয়। আনহাতে, শ্ৰমিক নেতা দেৱ মতে ধন নাথাকিলে ৰাজ্য চৰকাৰে কৰ্ম সৃষ্টি বন্ধ কৰে।

এনৰেগাত সৃষ্টি হোৱা এই শোচনীয় অৱস্থাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰণালয়ে কালি কয় যে পুঁজি মোকলাই দিবলৈ কেন্দ্ৰীয় চৰকাৰ দায়বদ্ধ। অতিৰিক্ত পুঁজিৰ প্ৰয়োজন হ'লেই গাইডলাইন অনুসৰি, শ্ৰমিকৰ ধন আৰু সামগ্ৰী বিনিময়ৰ ধন বিচাৰি বিত্ত মন্ত্ৰণালয়ক অনুৰোধ জনোৱা হয় যাতে আঁচনিৰ সঠিক ৰূপায়ণ সম্ভৱপৰ হৈ উঠে। বিগত বৰ্ষত বিত্ত মন্ত্ৰণালয়ে এই আঁচনিলৈ ৫০ হেজাৰ কোটি টকা অতিৰিক্ত পুঁজি আবণ্টন দিয়া বুলিও তেওঁ কয়।

ইপিনে, অসমতো এনৰেগাই ৯০ শতাংশ লক্ষ্য পূৰণ কৰা বুলি সদৰী কৰে বিভাগীয় শীৰ্ষ বিষয়াই। একেদৰে কেন্দ্ৰীয় গ্ৰামোন্নয়ন বিভাগৰ শীৰ্ষ বিষয়াই কয় যে কোনো ঠাইতে কাম বিচাৰি নাপালে, আনকি খেতিৰ কামো নাথাকিলে মানুহে এনেৰেগাৰ কাম বিচাৰিবলৈ বাধ্য হয়। এতিয়া তলাবন্ধ খুলি যোৱাৰ পাছত বিভিন্ন কল-কাৰখানা, নিৰ্মাণ খণ্ড, চহৰ-নগৰৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছতো এনৰেগাৰ এনে চাহিদাই ইংগিত দিয়ে যে অৰ্থনীতি এতিয়াও প্ৰাক ক'ভিড অৱস্থালৈ উভতি যোৱা নাই। শ্ৰমহীন হৈ নগৰাঞ্চলৰ পৰা উভতি অহা গ্ৰাম্য শ্ৰমিকৰ বহুতেই এতিয়াও সংস্থাপিত হোৱা নাই। সেয়েহে এনৰেগাৰ ধনৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। ২০২০-২১ত প্ৰথমতে ৬১ হেজাৰ পাঁচশ কোটি টকা এনৰেগাৰ নামত আবণ্টন কৰা হৈছিল। ক'ভিড পৰিস্থিতিত বিপন্ন লোকক সংস্থাপনৰ বাবে ইয়াৰ পৰিমাণ এক লাখ ১১ হেজাৰ পাঁচশ কোটিলৈ বৃদ্ধি কৰিব লগা হয়। চলিত বিত্তীয় বৰ্ষত যোৱাবাৰৰ তুলনাত ৩৪ শতাংশ কমকৈ বাজেটত আবণ্টন দিয়া হৈছে। ৭৩ হেজাৰ কোটি টকা আবণ্টনৰ বিপৰীতে ইতিমধ্যে ৮০ হেজাৰ ২২২ কোটি টকা ব্যয় হৈছে। অথচ ৰাজ্যসমূহে লাভ কৰিছে মাত্ৰ ৭১ হেজাৰ ৫২০ কোটি টকা। অৰ্থাৎ প্ৰায় আঠ হেজাৰ কোটি টকাৰ ঘাটি আছে। সূত্ৰত প্ৰকাশ যে ছেপ্টেম্বৰত দেশজুৰি ২.৮৬ কোটি পৰিয়ালে এনৰেগাৰ অধীনত কাম বিচাৰিছে। অক্টোবৰতো দুই কোটিৰ অধিক পৰিয়ালৰ চাহিদা পূৰণ কৰিব লাগিব এনৰেগাই। অৱশ্যে বিগত তলাবন্ধৰ পাছত ২০২১ৰ মে'ত প্ৰায় ৩.৫০ কোটি, জুনত চাৰি কোটিৰ অধিক পৰিয়ালে এনৰেগাৰ কাম বিচাৰিছিল। চলিত বৰ্ষত এই চাহিদা কিছু কমিলেও ক'ভিডৰ পূৰ্বৰ বছৰৰ তুলনাত ইয়াৰ চাহিদা এতিয়াও বেছি। তথ্য অনুসৰি ২০১৯ৰ ছেপ্টেম্বৰত ১.২০ কোটি পৰিয়ালে এনৰেগাৰ কাম বিচাৰিছিল।

# প্ৰশান্ত ৰাজগুৰুলৈ লিঅ' এক্সপ'

এক পৃষ্ঠাৰ পৰা সতৰ্কতা পুনৰ আয়োজন কৰা হৈছে আন্তঃৰাষ্ট্ৰীয় লিঅ' এক্সপ'ৰ। ৰণ্যে চৰকাৰৰ 'আছাম ট্ৰেড প্ৰমোচন অৰ্গেনাইজেছন'ৰ সহযোগত লিঅ' এডভাৰটাইজিঙে ২২ নৱেম্বৰলৈ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত অনুষ্ঠিত কৰা একবিংশ আন্তঃৰাষ্ট্ৰীয় লিঅ' এক্সপ'ত পাঁচখন বিদেশী ৰাষ্ট্ৰ ক্ৰমে দক্ষিণ আফ্ৰিকা, আফগানিস্তান, ইৰান, থাইলেণ্ড আৰু বাংলাদেশে অংশগ্ৰহণ কৰিছে।

আনহাতে ৰাজ্যৰ কলা-সংস্কৃতি আৰু সংবাদ ক্ষেত্ৰত বৰেণ্য অৱদানৰ বাবে আয়োজক লিঅ' এক্সপ'ই প্ৰদান কৰি অহা লিঅ' এক্সপ' শিল্পী সন্মান আৰু লিঅ' এক্সপ' সাংবাদিক সন্মান বৰ্ষত প্ৰদান কৰা হ'ব যশস্বী অভিনেত্ৰী মলয়া গোস্বামীক আৰু জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজ গুৰুক। অহা ছয় নৱেম্বৰৰ পুৱা ১১ বজাত পাণবজাৰসস্থিত হোটেল মে' ফ্লাৱাৰত এই সন্মান প্ৰদান কৰা হ'ব। সন্মানত থাকিব নগদ ৫০ শতাংশ হেজাৰ টকা, অংগবস্ত্ৰ, স্মাৰক আৰু ফুলৰ টোৱা।

# বিশেষভাৱে সক্ষম দুই যমজ

এক পৃষ্ঠাৰ পৰা পেলায়। বাহজানিৰ চান্দকুছিত এই ঘটনা সংঘটিত হয়। অঞ্চলটোৰ বাসিন্দা বৃত্তিত গাড়ী চালক দুলাল ডেকাৰ দুই পুত্ৰ নিতুমণি ডেকা (১০) আৰু নিকুমণি ডেকা (১০) কালি পুৱাৰ পৰা সন্ধানহীন হৈ আছিল। বহু বিচাৰ- খোচাৰৰ পাছতো শিশু দুটিৰ কোনো সন্ধান ওলোৱা নাছিল। সেয়েহে কালি সন্ধিয়া পৰিয়ালটোৱে ঘটনাটো নলবাৰী সদৰ আৰক্ষীক অৱগত কৰে। আৰক্ষীৰ লগতে স্থানীয় ৰাইজেও শিশু দুটি বিচাৰি চৌদিশ চলাথ কৰাৰ পাছত চান্দকুছিৰ পলিটেকনিক কলেজৰ সমীপৰ এটা পুখুৰীৰ পাৰত কালি সন্ধিয়া দুয়োৰে ছেণ্ডেল দুযোৰ উদ্ধাৰ হয়। ইয়াৰ পাছত আৰক্ষীয়ে দুৰ্যোগ প্ৰশমন বিভাগৰ এছডিআৰএফ বাহিনীৰ সহযোগত পুখুৰীটোত শিশু দুটিৰ দেহ বিচাৰি অভিযান চলায়; কিন্তু নিশা কোনো শুংসূত্ৰ নোলাল। আজি প্ৰাতঃ ভ্ৰমণলৈ অহা একাংশ লোকে পুখুৰীৰ পানীত এটা মৃতদেহ ওপঙি থকা প্ৰত্যক্ষ কৰে। লগে লগে ঘটনাটো চৌদিশে ৰাষ্ট্ৰ হৈ পৰাত পুখুৰীৰ পাৰ লোকে লোকাৰণ্য হৈ পৰে। ওপঙি থকা মৃতদেহটো উদ্ধাৰৰ পাছত এছডিআৰএফৰ গুৱাহাটীৰ পৰা অহা ডুবাৰুৰ দলটোৱে পুখুৰীটোৰ প্ৰায় ১০ ফুট গভীৰতাৰ পৰা আনটো মৃতদেহ উদ্ধাৰ কৰে। পাছত আৰক্ষীয়ে মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# ভয়াৱহ দুৰ্ঘটনাত কিশোৰী

এক পৃষ্ঠাৰ পৰা মুখামুখি সংঘৰ্ষ হয়। বেচিমাৰী ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এই পথ দুৰ্ঘটনাত ছুইফটৰ যাত্ৰী মাতৃ-কন্যা দৈমাপৰ মঞ্জুৱাৰা বেগম (৩৮) আৰু চানিয়াৰা আখতাৰা (১৪) সহ আৰিমাৰী গাঁৱৰ ইব্ৰাহীম আলী, আব্দুল আৱাল, শ্যামপুৰ গাঁৱৰ হাচেন আলী থিতাতে নিহত হয়। লগতে ৰফিকুল ইছলাম, আব্বাছ আলী আৰু আব্দুল্লাহ গুৰুতৰভাৱে আহত হয়। ঘটনা সন্দৰ্ভত দলগাঁও আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ আঘাতপ্ৰাপ্ত যাত্ৰীসকলক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

পিতৃহীনা কিশোৰী কণমানি চানিয়াৰা আখতাৰা এগৰাকী জনপ্ৰিয় ইউটিউবাৰ। সুৰৰে পৰাই আখতাৰাই বিভিন্ন মঞ্চত গান গাই জনপ্ৰিয় হৈ উঠিছিল। বৰ্তমানে আখতাৰাই ইউটিউবাৰ হিচাপে বিভিন্ন অঞ্চলত শ্যুটিং কৰিছিল। আজিও তাৰে অংশ হিচাপে তেজপুৰত আজি শ্যুটিং কৰি উভতি আহোতেই সংঘটিত হ'ল এই দুৰ্ঘটনাটো। ভৱিষ্যতে উজ্জ্বল সম্ভাৱনা শিল্পীৰ আজি এইদৰে মৃত্যু হোৱা ঘটনাত সমগ্ৰ অঞ্চলৰ ৰাইজ শোকত ভাঙি পৰে। কণমানি শিল্পীগৰাকীৰ মৃত্যুত অঞ্চলটোত বিস্তৰ ক্ষতি হ'ল বুলি ৰাইজে কয়। আনহাতে, পিতৃহীনা আখতাৰাৰ মাতৃৰ স'তে মৃত্যু হোৱাত ইহসংসাৰত থাকিল কণমানি দুগৰাকী ভাই-ভনী।

# জিন্‌ছ পৰিধানৰ বাবেই শিক্ষিত

এক পৃষ্ঠাৰ পৰা চাৰিআলিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশ্বনাথ চাৰিআলি নগৰৰ দৈনিক বজাৰৰ সমীপৰ আয়ুব খান নামৰ লোকজনৰ কন্যাই যোৱা ২৫ অক্টোবৰত কাষৰে ঘৰত ভাড়াতীয়া হিচাপে থকা নুৰুল আমিন নামৰ লোকজনৰ ঘৰৰ পৰা হেডফোন ক্ৰয় কৰিবলৈ গৈছিল। যুৱতীগৰাকীয়ে সেই সময়ত জিন্‌ছ পৰিধান কৰা বাবেই নুৰুল আমিন নামৰ লোকজনে যুৱতীগৰাকীক গতিয়াই ঘৰৰ পৰা বাহিৰ কৰাৰ লগতে দুৰ্ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। যুৱতীগৰাকীৰ অভিযোগ অনুসৰি আমিনে তেওঁক কয়, 'মোৰ ঘৰৰ সকলো মহিলাই বোৰ্খা পৰিধান কৰে, হিজাব পৰিধান কৰে, আমাৰ ঘৰত ইয়াৰ বেয়া প্ৰভাৱ পৰিব। তুমি আমাৰ ঘৰত জিন্‌ছ পৰিধান কৰি আহিবলৈ সাহস ক'ত পালা?' আনহাতে, যুৱতীগৰাকীক এনে দুৰ্ব্যৱহাৰ কৰাৰ সন্দৰ্ভত যুৱতীগৰাকীৰ পিতৃ আয়ুব খানে নুৰুল আমিনক ঘটনা সম্পৰ্কত প্ৰশ্ন কৰে। ইয়াৰ পাছত আমিনৰ দুই পুত্ৰ ক্ৰমে ৰফিকুল ইছলাম আৰু ছহিদুল ইছলামে পৰৱৰ্তী সময়ত ৰাস্তাত বাট আগচি ধৰি আয়ুবক প্ৰহাৰ কৰে। যুৱতীগৰাকীৰ পিতৃক ৰাস্তাত এইদৰে মাৰধৰ কৰা আৰু যুৱতীগৰাকীক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগত বিশ্বনাথ সদৰ আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰে। আয়ুবৰ অভিযোগ অনুসৰি বিশ্বনাথ সদৰ থানাই নুৰুল আমিনৰ দুই পুত্ৰক এই মৰ্মে গ্ৰেপ্তাৰ কৰে। আমিনে বিশ্বনাথ সদৰ আৰক্ষী থানাত খানৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। যুৱতীগৰাকীয়ে কয় যে তেওঁৰ প্ৰতি অপমানজনক ব্যৱহাৰ কৰাৰ লগতে তেওঁ যি ক'ব তাকে মানি ল'ব লাগে বুলি বুজনি দিয়ে।

# ডাকঘৰত গ্ৰাহকৰ জমা ধন ৭০

এক পৃষ্ঠাৰ পৰা প্ৰায় ১০ বছৰ ধৰি মহিলা প্ৰধান ক্ষেত্ৰীয় বচত যোজনাৰ নামত গ্ৰাহকৰ ধন জমা কৰি আহিছিল। নিবেদিতা দাস বিবাহিতা মহিলা তথা কোকৰাঝাৰ চহৰৰ ছয় নম্বৰ ৱাৰ্ডৰ বাসিন্দা। পশ্চিমবংগৰ কামাখ্যাগুৰিৰ স্বামীৰ কাষৰ পৰা আঁতৰি আহি পুনৰ মাতৃগৃহত মামাকৰ স'তে থাকি অধিকৰ্তা হিচাপে কাম কৰি আহিছিল; কিন্তু কিছুদিন পূৰ্বে তেওঁ আত্মীয়ৰ ঘৰৰ পৰা ওলাই গৈ ভাড়াঘৰত থাকিবলৈ লৈছিল। প্ৰায় ছদিনমান পূৰ্বে এগৰাকী গ্ৰাহকে তেওঁৰ জমাকৃত ধনৰ লেনদেন সন্দৰ্ভত তেওঁৰ ভাড়াঘৰলৈ বিচাৰি গৈ ঘৰত তলা ওলমি থকা দেখা পাই ফোন কৰে যদিও ফোন বন্ধ পায়। তেতিয়াই তেওঁৰ মনত সন্দেহ হয়। নিবেদিতাই অসুস্থ গ্ৰাহকগৰাকীক স্বাস্থ্য বীমাৰ কাৰণে স্বাক্ষৰ লাগে বুলি ফুচুলাই উইড্ৰ ফৰ্মত স্বাক্ষৰ কৰি লৈছিল। তেওঁৰ সঞ্চয়ৰ ধন ১,৩০,০০০ টকা তুলি লৈ প্ৰবঞ্চকগৰাকীয়ে আত্মগোপন কৰে। ঘটনা সন্দৰ্ভত সন্দেহ হোৱাত কোকৰাঝাৰ মুখ্য ডাকঘৰত গৈ পোষ্ট মাষ্টৰক সাক্ষাৎ কৰাত জোলোঙাৰ মেকুৰী ওলাই পৰে।

ইফালে, উক্ত ঘটনা ইকাণ-সিকাণকৈ বাগৰি ফুৰাৰ পাছতে অভিকৰ্তা নিবেদিতা দাসে কিছুদিন ধৰি বিভিন্ন জালিয়াতি কাম কৰাৰ কথা পোহৰলৈ আহিবলৈ ধৰে। তেওঁ স্বাক্ষৰ জালিয়াতি কৰি বিভিন্ন গ্ৰাহকৰ ধন আত্মসাৎ কৰা বুলিও অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে আজি একাংশ গ্ৰাহকে কোকৰাঝাৰ থানাত তেওঁৰ বিৰুদ্ধে গোচৰ দিয়ে। উল্লেখ্য যে অভিকৰ্তা নিবেদিতাই প্ৰায় ৭০ লাখ টকা আত্মসাৎ কৰা বুলি অভিযোগ উত্থাপিত হৈছে।

আনহাতে, এই সন্দৰ্ভত কোকৰাঝাৰৰ মুখ্য ডাকঘৰৰ পোষ্টমাষ্টৰৰ স'তে যোগাযোগ কৰাত তেওঁ দুদিন আগেয়ে এগৰাকী গ্ৰাহকে মৌখিক অভিযোগ কৰা বুলি জানিবলৈ দিয়ে। তেওঁ এতিয়ালৈ কোনো লিখিত অভিযোগ কোনেও দাখিল কৰা নাই বুলি জানিবলৈ দি গ্ৰাহকসকলে অত্যধিক বিশ্বাস কৰাৰ বাবেই এনেকুৱা ধৰণৰ ঘটনা সংঘটিত হৈ আহিছে বুলি মন্তব্য কৰে। লগতে লিখিত অভিযোগ পালে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয়।

# মূল্য বৃদ্ধিৰ জুইত নগাঁৱত মাটিৰ

এক পৃষ্ঠাৰ পৰা জিলাৰ এনে পৰিয়ালবোৰৰ মাজত দীপান্বিতাক লৈ কোনো উছাহ নাই। জিলাখনত প্ৰতিলিটাৰ মিঠাতেলৰ মূল্য দুশ টকাৰো অধিক হোৱাত দৰিদ্ৰ লোকসকলে মাটিৰ চাকিৰে নিজৰ জুপুৰিটোও ঢিমিক-ঢামাককৈ হ'লেও পোহৰাই তুলবলৈ সমৰ্থ নহ'ব বুলি এনে বহু লোকে জনায়। সেয়েহে অভাৱী ৰাইজে কেৱল ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰাহে ৰক্ষা কৰিবলৈ সাজু হৈছে। এই পৰিস্থিতিত মাটিৰ চাকিৰ ব্যৱসায়ীসকলৰ ব্যৱসায়ত মাধমাৰ পৰিছে। ৰাইজৰ সুবিধাৰ্থে মৃৎশিল্পীসকলেও এইবাৰ চাকিৰ আকাৰ যথেষ্ট সৰু কৰিবলৈ বাধ্য হৈছে।

ইপিনে, সমগ্ৰ শোণিতপুৰ জিলাত শাক-পাচলিৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ৰাইজক জুৰুলা কৰিছে। তেজপুৰ তথা শোণিতপুৰৰ বিভিন্ন চৰ-চাপৰিৰ উপৰি ঁৰৌতা, দলগাঁও, বেছিমাৰী, নলতলী, চুলুং, খাৰুপেটিয়া, আমবাগান আদি অঞ্চলৰ লগতে অৰুণাচলৰ বমডিলা আৰু মেঘালয়ৰ জিলাখনলৈ শাক-পাচলি নিয়মীয়াকৈ আহে। বৰ্তমান তেজপুৰ চহৰৰ চ'ক বজাৰ, কবৰস্থান বজাৰ আৰু চানমাৰী ৰেলগেট বজাৰ, মহাভৈৰৱ বজাৰ, বৌবজাৰ আদিত প্ৰতি কিলোগ্ৰাম আলুৰ মূল্য ২৫-৩০ টকা হোৱাৰ উপৰি পিয়াঁজ ৬০-৭০ টকা, কেঁচা মটৰ ২০০ টকা, বীন ১৬০ টকা, কেৰেলা ৭০-৮০ টকা, কেপছিকাম ২০০ টকা, বন্ধা কবি ৩০ টকা, ফুল কবি ৮০ টকা, তিয়ঁহ ৬০ টকা, স্কোৱাছ ৪০-৫০ টকা, বেঙেনা ৬০-৭০ টকা, গাজৰ ১৬০ টকা, পিয়াঁজপাত ১৬০, পটল ৬০ টকা, ভাত কেৰেলা ৮০, বিলাহী ৮০ টকা, লেচেৰামাহ ৮০ টকা, মূলা ৫০ টকা আৰু অমিতাৰ মূল্য প্ৰতি কিলোগ্ৰামত ৪০ টকা, নেমু এটা সাতটকালৈ বৃদ্ধি পাইছে। বজাৰত পাচলিৰ মূল্য এনেদৰেই বৃদ্ধি হোৱাৰ বিপৰীতে উৎপাদন কৃষকে তেনে মূল্য লাভ কৰা নাই। কৃষি বিপণন পৰিষদকে ধৰি চৰকাৰৰ সংশ্লিষ্ট বিভাগবোৰে চকুমুদা কুলিৰ ভাও লোৱাত ব্যৱসায় চক্ৰই খুচিমতে মূল্য বৃদ্ধি কৰিছে। ৰাজ্য চৰকাৰৰ অধীনৰ অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ অধীনত শোণিতপুৰ জিলাত বজাৰ নিয়ন্ত্ৰণ সমিতিৰ ৫৮খন সমবায় সমিতি আছে। বাস্তৱত এইবোৰৰ অস্তিত্বক লৈ ৰাইজৰ মাজত চৰ্চা অব্যাহত আছে।

# বেংকক প্ৰবঞ্চনা ঃ ঘোষ ব্ৰাদাৰ্ছৰ মালিকক

এক পৃষ্ঠাৰ পৰা গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ধৃত ঘোষক আজি তদন্তকাৰী সংস্থাটোৱে সাত দিনৰ বাবে জিম্মাত বিচাৰিছিল যদিও আদালতে দুদিনৰ বাবে জিম্মালৈ প্ৰেৰণ কৰে। আনহাতে, মহানগৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰীক গ্ৰেপ্তাৰ কৰাৰ সন্দৰ্ভত আজি শ্ৰীমন্তপুৰস্থিত অৰ্থনৈতিক অপৰাধ তদন্ত শাখাৰ আৰক্ষী অধীক্ষক মনমোহন বড়োৱে এক সংবাদমেলত কয় যে ধৃত ঘোষে মেচাৰ্ছ ঘোষ ব্ৰাডাৰ্ছৰ নামত জিএছ ৰোডস্থিত আইডিবিআই বেংকৰ পৰা কৃষি বিকাশ যোজনা আৰু দুগ্ধ উন্নয়নৰ বাবদ এক কোটি ১০ লাখ টকা ঋণ লৈছিল। কৃষি বিকাশ আৰু দুগ্ধ উন্নয়নৰ বাবে ২০০৯-১০ত লোৱা এই টকাখিনি ধৃত ঘোষে আন শিতানত অৰ্থাৎ নিজৰ ব্যক্তিগত কামত ব্যৱহাৰ কৰিছিল আৰু ঋণৰ কিস্তিও বেংক কৰ্তৃপক্ষক ওভতাই দিয়া নাছিল। ফলত বেংকটোৰ কলকাতাস্থিত কাৰ্যালয়ৰ মহাপ্ৰবন্ধকে ১৩ আগষ্টত অৰ্থনৈতিক অপৰাধ তদন্ত সংস্থাত এক এজাহাৰ দাখিল কৰিছিল। এই অভিযোগৰ ভিত্তিত বিভাগে ভাৰতীয় দণ্ড বিধি ১২০(বি)/৪২০/৪০৬/৪০৯ ধাৰাত ১৬/২০২১ নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পাছত কালি ভঙাগড়ৰ পৰা ধৃত ঘোষক গ্ৰেপ্তাৰ কৰা বুলি বিষয়াজনে সদৰী কৰে।

উল্লেখ্য যে আই ডি বি আই বেংকৰ ১৬৮ কোটিটকীয়া বিত্তীয় কেলেংকাৰি সন্দৰ্ভতো চলিত বৰ্ষৰ ২২ জুনত মহানগৰীৰ বিলাসী এপাৰ্টমেণ্ট স্পেনিছ গাৰ্ডেনৰ 'বি ব্লক'ৰ দশম মহলাত থকা ধৃত ঘোষৰ ফ্লেটত চিবিআইয়ে তালাচী চলোৱাৰ লগতে জেৰা চলাইছিল। সমান্তৰালভাৱে একেটা পথৰে মাণিক নগৰৰ বাসিন্দা তথা ঘোষ ব্ৰাডাৰ্ছৰ আন এজন সঞ্চালক-স্বত্বাধিকাৰী প্ৰণৱ কুমাৰ ঘোষৰ বাসগৃহত কেন্দ্ৰীয় সংস্থাটোৱে অভিযান চলাই প্ৰণৱ ঘোষৰ পত্নী গীতাৰাণী ঘোষকো জেৰা চলাইছিল। ইয়াৰ পাছতে একেটা বেংকৰ পৰা পুনৰ ধন আত্মসাৎ কৰি অৱশেষত প্ৰতুল ঘোষ আৰক্ষীৰ জালত পৰা ঘটনাই সম্প্ৰতি মহানগৰীৰ ব্যৱসায়িক মহলত ব্যাপক চৰ্চা হৈছে। সমান্তৰালভাৱে ধৃত ঘোষৰ বিৰুদ্ধে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ তদন্ত বিভাগত আন এটা গোচৰ ৰুজু হৈ আছে আৰু এই গোচৰতো প্ৰতুল ঘোষক গ্ৰেপ্তাৰ কৰিবলৈ প্ৰক্ৰিয়া আৰম্ভ কৰিছে তদন্তকাৰী সংস্থাটোৱে।

### ভুৱা বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰি ৭৫ লাখ টকা আত্মসাৎ কৰা গোচৰতো হ'ব গ্ৰেপ্তাৰ

১৬৮ কোটিটকীয়া আইডিবিআইৰ বেংক কেলেংকাৰিত নাম সাঙোৰ খাই পৰা তথা একেটা বেংকৰে এক কোটি ১০ লাখ টকা আত্মসাৎ কৰি সম্প্ৰতি আৰক্ষীৰ জিম্মাত থকা ধৃত ঘোষে ৰিজাৰ্ভ বেংক আৰু ছেবিৰ নীতি-নিৰ্দেশনা উলংঘা কৰি দুটাকৈ ভুৱা প্ৰতিষ্ঠান স্থাপন কৰি ৰাজ্যৰ খাটিখোৱা জনতাৰ পৰা লাখ লাখ টকা আত্মসাৎ কৰিছিল বুলি আৰক্ষীয়ে সদৰী কৰিছে। এই সন্দৰ্ভতো ধৃত ঘোষৰ বিৰুদ্ধে অৰ্থনৈতিক অপৰাধ তদন্ত বিভাগত ভাৰতীয় দণ্ড বিধিৰ ১২০(বি)/৪২০/৪০৬, পিচি এণ্ড এমচিএছ আইনৰ আৰ ডব্লিউ চেকছন ৪/৫/৬, এপিআইডি আইন-২০১৩ৰ ধাৰা পাঁচৰ অধীনত ০৫/২০২১ নম্বৰত এক গোচৰ ৰুজু হৈ আছে। এই গোচৰৰ সন্দৰ্ভতো ধৃত ঘোষক শীঘ্ৰে গ্ৰেপ্তাৰ কৰা হ'ব বুলি আৰক্ষী অধীক্ষক বড়োৱে সদৰী কৰি কয়, 'ঘোষ ব্ৰাডাৰ্ছ ৰিয়েল'টছ প্ৰাইভেট লিমিটেড আৰু মাফন ইনফ্ৰাকন লিমিটেড নামৰ দুটা ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ সঞ্চালক/স্বত্বাধিকাৰী আছিল ধৃত ঘোষ। এই দুই প্ৰতিষ্ঠানৰ নামত ঘোষে ৬০ শতাংশ সুতৰ প্ৰলোভনেৰে গ্ৰাহকৰ প্ৰায় ৭০ লাখ টকা আত্মসাৎ কৰিছিল।' উল্লেখ্য যে মহানগৰীৰ বৰা চাৰ্ভিছস্থিত ৰংমহল এপাৰ্টমেণ্টত এই দুটা ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ কাৰ্যালয় স্থাপন কৰি ধৃত ঘোষে সমগ্ৰ ৰাজ্যতে এজেণ্ট নিয়োগ কৰি ৰাজ্যৰ খাটিখোৱা জনতাক ৬০ শতাংশ সুতৰ লোভ দেখুৱাই এই টকাসমূহ সংগ্ৰহ কৰিছিল। এই সন্দৰ্ভত অৰ্থনৈতিক অপৰাধ তদন্ত বিভাগে নিজাববীয়াকৈ এক গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছিল আৰু এই গোচৰতো ঘোষক গ্ৰেপ্তাৰ কৰা হ'ব বুলি আজি আৰক্ষী অধীক্ষকজনে সদৰী কৰে।

# জ্যেষ্ঠ নাগৰিকৰ বেদনা আৰু সমাজৰ

এক পৃষ্ঠাৰ পৰা সমাজে উমৈহতীয়াভাৱে বৃহৎ পৰিসৰত কোনো ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলেহে জ্যেষ্ঠ নাগৰিকসকলৰ সমস্যাসমূহ কিছু পৰিমাণে হ'লেও লাঘৱ কৰাটো সম্ভৱ হ'ব।

এই কথা ঠিক যে প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকৰে সমস্যাসমূহ একে ধৰণৰ নহয়। অলপতে এগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ ঘটিল। বিদেশত থকা একমাত্ৰ অভিযন্তা পুত্ৰ তিনিদিন পাছত আহি উপস্থিত হ'ল। এনেকুৱা নহয় যে পিতৃৰ প্ৰতি পুত্ৰৰ মৰম, শ্ৰদ্ধা অথবা দায়িত্বৰ অভাৱ; কিন্তু জীৱিকাৰ তাড়নাত তেওঁ জীৱনৰ শেষ কালছোৱাত পিতৃক সংগ দিয়াটো সম্ভৱ নহ'ল। আধুনিক মনস্ক বিশিষ্ট ব্যক্তিগৰাকীয়েও সেই কথা ঠিকেই বুজি পাইছিল, কিন্তু মনৰ নিভৃত কোণত এক আশা পুহি ৰাখিছিল— একমাত্ৰ পুত্ৰ দেশলৈ উভতি আহক, তেওঁৰ স'তে থাকিয়ে জীৱন-জীৱিকা উপভোগ কৰক। এই দেশতো উচ্চ শিক্ষিত পুত্ৰৰ জীৱন-জীৱিকা আহৰণৰ কোনো অসুবিধা নহ'ব বুলিয়ে তেওঁ ধাৰণা কৰিছিল। কেইবছৰমান আগলৈকে ই অসমৰ দৰে ৰাজ্যত বিশেষ অসুবিধাৰ কাৰণ হোৱা নাছিল; কিয়নো যৌথ আৰু বৃহৎ পৰিয়াল হোৱা হেতুকে জ্যেষ্ঠ নাগৰিকসকলক চোৱা-চিতা কৰাটোৱে গুৰুতৰ সমস্যাৰ সৃষ্টি কৰা নাছিল। কিন্তু সম্প্ৰতি গাইগুটীয়া আৰু ক্ষুদ্ৰ পৰিয়াল হোৱাৰ ফলত তেনে ধৰণৰ বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। অধিকাংশ পৰিয়ালতে মাত্ৰ এটি বা দুটি সন্তান হোৱাৰ ফলত আৰু জীৱিকাৰ সূত্ৰে সেই সন্তান দেশ বা ৰাজ্যৰ বাহিৰত থাকিব লগা হোৱাত জ্যেষ্ঠ পিতৃ-মাতৃসকল অকলশৰীয়া হ'বলগীয়া হৈছে। উচ্চ শিক্ষা গ্ৰহণ কৰি অধিক আকৰ্ষণীয় জীৱন-জীৱিকা আদৰি ল'বলৈ যোৱাৰ ই এটা নেতিবাচক দিশ হৈ পৰিছে। কিয়নো আমাৰ দেশত এতিয়াও জ্যেষ্ঠ নাগৰিকক সন্মানজনক এক জীৱনৰ সুযোগ দিয়াৰ আন্তঃগাঁথনি গঢ়ি উঠা নাই।

আকৌ, তেনেই কমসংখ্যক হ'লেও এনে বহু পৰিয়াল আছে, যিবোৰৰ সদস্যসকলে একেলগে বাস কৰিছে। সাধাৰণতে পাৰিবাৰিক ব্যৱসায়ত জড়িতসকলৰ বাবে বহু সময়ত এনে সুবিধা পৰিলক্ষিত হয়। কোনো পিতৃয়ে যদি বিচাৰে যে তেওঁৰ সন্তানে তেওঁৰ স'তে একেলগে আহাৰ গ্ৰহণ কৰক, তেন্তে তেওঁৰ সন্তানসকল তেনে জীৱিকা অথবা ব্যৱসায়ত জড়িত হ'ব লাগিব, যিয়ে সেই সুযোগ প্ৰদান কৰে। অৱশ্যে সেয়া সন্তানসকলৰ বাবেও গ্ৰহণযোগ্য জীৱিকা হ'ব লাগিব। ইয়াৰ বিপৰীতে আন একাংশ জ্যেষ্ঠ নাগৰিক, দেশত এইসকলৰ সংখ্যাই সৰ্বাধিক, নিজ সন্তান অথবা আন পৰিয়ালৰ সদস্যৰ দ্বাৰাই অৱহেলিত আৰু অপমানিত হৈ এক দুৰ্দশাগ্ৰস্ত জীৱন কটাবলৈ বাধ্য হৈছে। তাৰ উপৰি পৰিৱৰ্তিত জীৱনশৈলীৰ স'তে বহু জ্যেষ্ঠ নাগৰিকে তাল মিলাব নোৱৰা হেতুকেও এক সমস্যাৰ সৃষ্টি হৈছে।

যোৱা আগষ্টত প্ৰকাশিত কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় পৰিসংখ্যা সংস্থাৰ প্ৰতিবেদন অনুসৰি সম্প্ৰতি ভাৰতত প্ৰায় ১৪ কোটি ৬০ বছৰৰ উৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিক আছে। এক দশক পাছত অৰ্থাৎ ২০৩১ত এই জনসংখ্যাই প্ৰায় ২০ কোটিৰ ঘৰ চুব বুলি অনুমান কৰা হৈছে। মাত্ৰ এক দশকত এই বৃদ্ধি ৪১ শতাংশ হ'ব বুলি পৰিসংখ্যা প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে চলিত বৰ্ষত দেশত জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যাৰ ৬.৭ কোটি পুৰুষৰ বিপৰীতে ৭.১ কোটি মহিলা। ২০৩১ত এই সংখ্যা ক্ৰমে ৯.৩ কোটি আৰু ১০.১ কোটি হ'বগৈ বুলি কোৱা হৈছে। ২০১১ৰ পৰা চলিত বৰ্ষলৈ প্ৰায় ৩.৪ কোটি জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যা বৃদ্ধি হোৱাৰ বিপৰীতে আগন্তুক দশকত ই প্ৰায় ৫.৬ কোটি বৃদ্ধি হ'ব। ২০১১ত দেশৰ মুঠ জনসংখ্যাৰ ৮.৬ শতাংশ জ্যেষ্ঠ নাগৰিক হোৱাৰ বিপৰীতে চলিত বৰ্ষত ই ১০.১ শতাংশলৈ বৃদ্ধি হয়। অহা দশকটোত অৰ্থাৎ ২০৩১ত ই ১৩.১ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। লক্ষ্যণীয় যে ১৯৯১ত জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যাত মহিলা (২.৯৪ কোটি)ই পুৰুষ (২.৭৩ কোটি)ক চেৰ পেলাই যায়। বিগত দুটা দশকত এই হাৰ ক্ৰমশঃ বৃদ্ধি পোৱা বুলি সংস্থাটোৰ প্ৰতিবেদনত কোৱা হৈছে। উল্লেখ্য যে সাধাৰণ জনসংখ্যাৰ তুলনাত দেশত জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট বেছি হোৱাটো প্ৰতিবেদনত ওলাই পৰিছে। ২০০১ৰ পৰা ২০১১ৰ দশকত জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যা ৩৫.৫ শতাংশ বৃদ্ধিৰ বিপৰীতে ২০১১-২১ত ই ৩৫.৮ শতাংশ বৃদ্ধি হয় আৰু ২০২১-৩১ দশকত ই ৪০.৫ শতাংশ বৃদ্ধি হ'ব বুলি কোৱা হৈছে। ইয়াৰ বিপৰীতে সাধাৰণ জনসংখ্যা উল্লিখিত দশকত ক্ৰমে ১৭.৭ৰ পৰা ১২.৪ শতাংশলৈ অৱনমিত হৈছে আৰু ৮.৪ শতাংশলৈ অৱনমিত হোৱাৰ পূৰ্বানুমান কৰা হৈছে। প্ৰতি বছৰে গড়ে ৩.২৮ শতাংশকৈ দেশত জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যা বৃদ্ধি পাইছে।

এই প্ৰতিবেদন অনুসৰি সম্প্ৰতি কেৰালাত দেশৰ সৰ্বাধিক সংখ্যক (১৬.৫ শতাংশ) জ্যেষ্ঠ নাগৰিক আছে। তাৰ পাছতে আছে ক্ৰমে তামিলনাডু (১৩.৬), হিমাচল প্ৰদেশ (১৩.১), পাঞ্জাৱ (১২.৬), অন্ধ্ৰ প্ৰদেশ (১২.৪ শতাংশ)। ইয়াৰ বিপৰীতে বিহাৰ (৭.৭), উত্তৰ প্ৰদেশ (৮.১) আৰু অসম (৮.২ শতাংশ)ত তুলনামূলকভাৱে জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যা কম। লক্ষ্যণীয় এয়ে যে সম্প্ৰতি দেশত আৰ্থিকভাৱে পৰনিৰ্ভৰশীল জ্যেষ্ঠ নাগৰিকৰ হাৰ ১৫.৭ শতাংশ আৰু ই অহা দশকত ২০.১ শতাংশলৈ বৃদ্ধি পাব বুলি কোৱা হৈছে। উল্লেখ্য যে ১৫ বছৰৰ পৰা ৫৯ বছৰৰ এশজন লোকৰ ভিতৰত কিমানজন জ্যেষ্ঠ নাগৰিক তাৰ ওপৰত ভিত্তি কৰি এই আৰ্থিক নিৰ্ভৰশীলতাৰ হাৰ উলিওৱা হয়। প্ৰতিবেদন অনুসৰি দেশৰ বিভিন্ন ৰাজ্যত এই হাৰ যথেষ্ট পৃথক। যেনে ২০১১ত দিল্লীত আৰ্থিক ক্ষেত্ৰত পৰনিৰ্ভৰশীল জ্যেষ্ঠ নাগৰিক ১০.৪ শতাংশ হোৱাৰ বিপৰীতে কেৰালাত ই ১৯.৬ শতাংশ। আনহাতে, চলিত বৰ্ষত অসমত এই হাৰ ১২.৭ শতাংশ হোৱাৰ বিপৰীতে কেৰালাত ২৬.১ শতাংশ। প্ৰতিবেদনৰ তথ্য অনুসৰি, কেৰালা, তামিনলাডু, হিমাচল, পঞ্জাৱ আদি ৰাজ্যত পুৰুষৰ তুলনাত মহিলা জ্যেষ্ঠ নাগৰিকৰ আৰ্থিক পৰনিৰ্ভৰশীলতাৰ হাৰ যথেষ্ট বেছি। ভাৰতৰ জ্যেষ্ঠ নাগৰিকৰ জনসংখ্যাৰ এনে বৰ্ধিত আৰু পৰিৱৰ্তিত ৰূপৰ স'তে মোকাবিলা কৰিবলৈ কেনে ধৰণৰ নীতি গ্ৰহণ কৰা বাঞ্ছনীয় তাক লৈও চৰ্চা অব্যাহত আছে। ভাৰত চৰকাৰৰ পৰিসংখ্যা আৰু আঁচনি ৰূপায়ণ মন্ত্ৰণালয়ৰ অধীনস্থ সংস্থাটোৱে জ্যেষ্ঠ নাগৰিকৰ সমস্যাসমূহ দাঙি ধৰিছে এই ক্ষেত্ৰত প্ৰয়োজনীয় নীতি ৰূপায়ণৰ ক্ষেত্ৰত সহায়ক হোৱাৰ লক্ষ্যৰে।

দেশত জ্যেষ্ঠ নাগৰিকসকল সন্মুখীন হৈ অহা আন এক গুৰুতৰ সমস্যা হৈছে অসুস্থতা আৰু উপযুক্ত স্বাস্থ্যসেৱাৰ অভাৱ। কৰ'না মহামাৰীৰ পূৰ্বে ২০২০ৰ জানুৱাৰীত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে প্ৰকাশ কৰা এক প্ৰতিবেদন অনুসৰি, প্ৰতি তিনিগৰাকী জ্যেষ্ঠ নাগৰিকৰ দুগৰাকীয়ে বিভিন্ন পুৰণি ৰোগত আক্ৰান্ত। প্ৰায় ২৩ শতাংশ জ্যেষ্ঠ নাগৰিক কে'বাটাও ৰোগত আক্ৰান্ত। ইয়াৰে গৰিষ্ঠসংখ্যকে পুৰণি হৃদৰোগ (কাৰ্ডিঅ' ভাছকুলাৰ) আৰু উচ্চ ৰক্তচাপজনিত ৰোগত ভুগি আহিছে। ইয়াৰ উপৰি হাড় আৰু গাঁঠিৰ বিভিন্ন সমস্যাৰ লগতে বহুমূত্ৰ ৰোগ গৰিষ্ঠসংখ্যক জ্যেষ্ঠ নাগৰিকৰে সহজাত হৈ পৰিছে। ভাৰতত ৬০ বছৰৰ ওপৰৰ জনসংখ্যাৰ ১৪ শতাংশই বহুমূত্ৰ ৰোগত আক্ৰান্ত। এইসমূহৰ উপৰি পুৰণি হাওঁফাওঁৰ ৰোগ তথা স্নায়বিক ৰোগেও জ্যেষ্ঠ নাগৰিকসকলক পীড়িত কৰিছে। উল্লেখ্য যে জ্যেষ্ঠ নাগৰিকৰ মাত্ৰ ০.৭ শতাংশই কৰ্কট ৰোগ লৈ জীয়াই আছে। তাৰ বিপৰীতে উচ্চ কলেষ্টৰেলত ২.৫ শতাংশ আৰু ষ্ট্ৰ'কত ২.৭ শতাংশ আক্ৰান্ত হোৱাৰ তথ্য উক্ত প্ৰতিবেদনে দাঙি ধৰিছে। উদ্বেগজনক এয়ে যে ২০৩০ৰ ভিতৰত মূল ৰোগসমূহ (নোসোঁচৰা)ত আক্ৰান্ত মুঠ জনসংখ্যাৰ ৪৫ শতাংশই হ'ব জ্যেষ্ঠ নাগৰিকৰ। সেয়েহে ইয়াৰ মোকাবিলাৰ বাবে উপযুক্ত আৰু পৰ্যাপ্ত স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি তথা নীতি প্ৰস্তুত কৰি তাক সময় সাপেক্ষভাৱে ৰূপায়ণ কৰিব নোৱাৰিলে দেশত জ্যেষ্ঠ নাগৰিকসকলে অধিক কষ্ট ভুগিবলগীয়া হোৱাটো নিশ্চিত।

সবাতোকৈ দুৰ্ভাগ্যজনক বিষয়টো হৈছে দেশৰ অধিকাংশ জ্যেষ্ঠ নাগৰিকে আনুষ্ঠানিকভাৱে জীৱিকাৰ পৰা অৱসৰ গ্ৰহণৰ পাছতে নতুন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। ঘাইকৈ আৰ্থিক কাৰণতে তেওঁলোকৰ অধিকাংশই অপমান, অৱহেলা আৰু অকলশৰীয়া জীৱন কটাবলৈ বাধ্য হৈ পৰে। ৰাষ্ট্ৰসংঘৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত এটি ব্যক্তিগত সংস্থাই চলোৱা সমীক্ষা অনুসৰি ভাৰতত কমেও ৬৫ শতাংশ জ্যেষ্ঠ নাগৰিক দুখীয়া আৰু তেওঁলোকৰ কোনো উপাৰ্জনৰ উৎস নাই। ইয়াৰ বিপৰীতে প্ৰায় ৩৫ শতাংশ জ্যেষ্ঠ নাগৰিক ধন-সম্পত্তি, জমা পুঁজি বিভিন্ন স্থানত বিনিয়োগ আৰু উত্তৰাধিকাৰীৰ সূত্ৰে লাভ কৰা ধন-সম্পদৰ গৰাকী। তেওঁলোকে লগতে সন্তানৰ পৰাও মৰম-চেনেহ আৰু শ্ৰদ্ধা লাভ কৰে। এক দশক পাছত ২০ কোটি হ'বলৈ আগবঢ়া দেশৰ জ্যেষ্ঠ নাগৰিকৰ ৬৫ শতাংশই আৰ্থিক ক্ষেত্ৰত পৰনিৰ্ভৰশীল হৈ দুৰ্দশাগ্ৰস্ত জীৱন কটাব লগা হোৱাটো এই তথ্যই স্পষ্ট কৰি তোলে। এইসকল জ্যেষ্ঠ নাগৰিকে সততে নিজৰ সন্তান অথবা নিকটাত্মীয়ৰ দ্বাৰাই অপমান আৰু অত্যাচাৰৰ বলি হ'বলগীয়া হৈছে। ফলস্বৰূপে তাৰে বহুতে এয়াই নিয়তি বুলি ধৰি লৈ মৃত্যুৰ বাবে কৰুণভাৱে অপেক্ষা কৰিছে। পুৰুষতকৈ আয়ুস অধিক হোৱা মহিলা জ্যেষ্ঠ নাগৰিকসকল অধিক এনে অবাঞ্ছিত ব্যৱহাৰৰ সন্মুখীন হয়। ইয়াৰ অন্য কাৰণ হৈছে, এই মহিলাসকল প্ৰায়সংখ্যকৰে কোনো উপাৰ্জনৰ উৎস নাই আৰু গৃহিণী হিচাপেই তেওঁলোকে দায়িত্ব পালন কৰিছে। এই ক্ষেত্ৰত শিক্ষাৰ অভাৱ, লিংগ-বৈষম্য আৰু বহুসংখ্যকে দীঘলীয়া বৈধব্যক আঁকোৱালি ল'বলগীয়া হোৱাটো আন এক গুৰুত্বপূৰ্ণ কাৰণ। প্ৰচণ্ড ধৈৰ্য শক্তি তথা সহনশীল গুণৰ বাবে এইসকল মহিলাই এনেদৰে অপমানজনক জীৱন কটাবলগীয়া হোৱাটো দেশৰ বাবেই অতি দুৰ্ভাগ্যজনক। তদুপৰি তেওঁলোকৰ শ্ৰমো যথোচিতভাৱে দেশৰ সম্পদ বৃদ্ধিত ব্যৱহৃত নোহোৱাটো চিন্তনীয় বিষয়।

সাংবাদিকৰূপে আমেৰিকা ভ্ৰমণৰ সময়ত দেখা পাইছিলো যে তাত জ্যেষ্ঠ নাগৰিকৰ বাবে সকলো সা-সুবিধাসম্পন্ন আৱাসৰ ব্যৱস্থা আছে। যিসকল লোকে জীৱিকা তথা অন্যান্য কাৰণত পিতৃ-মাতৃৰ স'তে বাস কৰাটো সম্ভৱ নহয়, সেইসকলক তেনে আৱাসত সন্মানসহকাৰে ৰখা হয়। তাৰ বিনিময়ত নিৰ্দিষ্ট পৰিমাণত ধন ব্যয় কৰিবলগীয়া হয় যদিও সাধাৰণতে সপ্তাহান্তৰ সময়ত সন্তানে গৈ সেই পিতৃ-মাতৃৰ ওচৰত সময় কটায় আৰু তেওঁলোকক অকলশৰীয়া অনুভৱ কৰিবলৈ নিদিয়ে। ভাৰততো ইতিমধ্যে কিছুসংখ্যক এনে আৱাস গঢ়ি তোলা হৈছে যদিও আৰ্থিকভাৱে দুৰ্বল অথবা পৰিয়ালৰ দ্বাৰা অৱহেলিত-অনাদৃতসকলৰ বাবে তেনে কোনো সুবিধা চৰকাৰীয়েই হওক অথবা বেচৰকাৰী খণ্ডতেই হওক গঢ়ি উঠা নাই। ফলস্বৰূপে দিনে দিনে জ্যেষ্ঠ নাগৰিকৰ সমস্যা গভীৰ হৈ গৈ আছে। অসমতো জ্যেষ্ঠ নাগৰিকসকলে যাতে এক সন্মানজনক জীৱন কটাব পাৰে তাৰ বাবে তেনে ধৰণৰ ব্যৱস্থা গঢ়ি তোলাটো জৰুৰী হৈ পৰিছে। সন্দেহ নাই যে বেচৰকাৰী খণ্ডৰ পৰা সহযোগিতা লাভ কৰিলেও এই ক্ষেত্ৰত চৰকাৰেই আগভাগ ল'ব লাগিব। চৰকাৰে জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰতি সমাজৰ সন্মানজনক দৃষ্টিভংগী গঢ়ি তোলাৰ উদ্দেশ্যে প্ৰয়োজনীয় নীতি প্ৰণয়ন কৰি তাক ৰূপায়ণ কৰিব লাগিব। অৱশ্যে এই ক্ষেত্ৰত সন্তান তথা নিকটাত্মীয়সকলৰ দায়িত্বও কম নহয়। জ্যেষ্ঠ নাগৰিকসকলৰ স'তে নিয়মীয়াকৈ যোগাযোগ আৰু আদান-প্ৰদান অতি জৰুৰী। তেওঁলোকৰ স্বাস্থ্য আৰু স্বাধীনভাৱে জীৱন-যাপনৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যা তথা পৰিৱৰ্তনৰ প্ৰতি দৃষ্টি ৰখাটো অপৰিহাৰ্য। জীৱনৰ বিয়লি বেলাত এইসকল লোকে অলপ মৰম-যতন যদি পাবলৈ সক্ষম নহয়, তেন্তে অকৃতজ্ঞতাৰ পাপত সমাজ ভুগিব লগা নহ'বনে?

ফোন ঃ ৯৪৩৫০১০৬৭৩

# চিপিএমৰ চতুৰ্দশ নামবৰভাগ আঞ্চলিক সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**টিহু, ৩১ অক্টোবৰ ঃ** চিপিআই(এম)ৰ চতুৰ্দশ নামবৰভাগ আঞ্চলিক সন্মিলনখন আজি টিহুৰ মাখিবাহাত সম্পন্ন হয়। চিপিআই(এম) নেতা নৃপেন কলিতা আৰু অনিমা ভট্টাচাৰ্য সভাপতি মণ্ডলীয়ে পৰিচালনা কৰা সন্মিলনখনত চিপিআই(এম)ৰ নলবাৰী জিলাৰ সাধাৰণ সম্পাদক উমেশ দত্ত, বাওঁপন্থী নেতা কৰুণা কলিতা, নলবাৰী জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ৰবীন মিশ্ৰ আদিয়ে ভাষণ আগবঢ়ায়। উক্ত সন্মিলনত বাঁওপন্থী নেতা তথা চিপিআই(এম)ৰ অসম ৰাজ্যিক সমিতিৰ সদস্য জগৎ গোস্বামীক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি উক্ত সন্মিলনতে বিজয় কলিতাক সম্পাদক ৰূপে লৈ চিপিআই(এম)ৰ নামবৰভাগ আঞ্চলিক সমিতিৰ ১১ জনীয়া নতুন সমিতি গঠন কৰা হয়। সন্মিলনত সামগ্ৰীৰ মূল্য বৃদ্ধি আৰু সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# বাদুগাঁৱত ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ৩১ অক্টোবৰ ঃ** বাসুগাঁৱত অহা দুই নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস পালন কৰা হ'ব। ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱসত স'তে সংগতি ৰাখি সিদিনা স্বচ্ছতা অভিযান, ধনতুৰীৰ প্ৰতিচ্ছবিত মালা অৰ্পণ আৰু বন্তি প্ৰজ্বলন, বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিৱিৰ আৰু সজাগতা সভা অনুষ্ঠিত হ'ব। ইতিমধ্যে দিৱস উদ্‌যাপনৰ বাবে অলোক বসুমতাৰীক সভাপতি, কণাদ কিশোৰ ৰায়ক সম্পাদকৰূপে লৈ বহল ভিত্তিত এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। উক্ত অনুষ্ঠানত চিৰাং জিলা উপায়ুক্ত, জিলা যুটীয়া স্বাস্থ্য বিষয়া, নডেল বিষয়া আৰু বিশিষ্ট ব্যক্তি অতিথিৰূপে উপস্থিত থাকিব।

## কোচ ৰাজবংশী জাতীয় পৰিষদৰ সাংগঠনিক সভাত বিজনী, উত্তৰ শালমাৰা জিলা সমিতি গঠন

# কোচ ৰাজবংশীৰ সংগ্ৰামত জঁপিয়াই পৰিবলৈ আহ্বান

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৩১ অক্টোবৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া সমস্যা জনজাতিকৰণ, কমতাপুৰ ৰাজ্যৰ পুনৰ গঠনৰ লগতে আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে নৱ গঠিত কোচ ৰাজবংশী জাতীয় পৰিষদৰ সাংগঠনিক দিশ দৃঢ় কৰাৰ লক্ষ্যৰে মনোনিবেশ কৰিছে। আজি চিৰাং জিলাৰ বিজনী চহৰৰ নিকটৱৰ্তী ভেটাগাঁওস্থিত বুঢ়ী ঠাকুৰাণী থানত শিক্ষাবিদ মাণিক দত্তৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত পৰিষদৰ বিজনী জিলা সমিতিখন গঠন কৰা হয়। একেদৰে বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰৰ বিশ্ব মহাবীৰ চিলাৰায় ভৱনত জনপ্ৰিয় কোচ ৰাজবংশী গায়ক ভোগীৰথ ৰায়ৰ সভাপতিত্বত কোচ ৰাজবংশী জাতীয় পৰিষদৰ উত্তৰ শালমাৰা জিলা কোচ ৰাজবংশী জাতীয় পৰিষদৰ জিলা সমিতিখন গঠন হোৱা বুলি পৰিষদৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক নিখিল ৰায়ে এক বিবৃতিত উল্লেখ কৰিছে। কোচ ৰাজবংশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদকে উল্লেখ কৰা মতে, ৰাজেন ৰাজেন বৰ্মন (সুপাৰিগুৰি)ক সভাপতি আৰু সোণাইকলাৰ শিক্ষক ভৃগু ৰায়ক সাধাৰণ সম্পাদকৰূপে লৈ ৩১ জনীয়া বিজনী জিলা কোচ ৰাজবংশী জাতীয় পৰিষদ গঠন কৰা হয়। তদুপৰি ধীৰাজ ৰায় (বইটামাৰী)ক সভাপতি আৰু ৰোহিনী ৰায় (সিদলসতী)ক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া সদস্যৰে উত্তৰ শালমাৰা জিলা কোচ ৰাজবংশী জাতীয় পৰিষদ গঠন কৰা হয়। দুয়োখন সমিতি গঠনৰ সময়ত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা কোচ ৰাজবংশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায় উপস্থিত থাকে। সাধাৰণ সম্পাদক ৰায়ে সমিতি দুখনৰ কৰ্মকৰ্তাসকলক দীপাৱলীৰ শুভেচ্ছা জনাই আগন্তুক দিনত কোচ ৰাজবংশী জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰতিষ্ঠা কৰাৰ সংগ্ৰাম আৰু জনজাতিকৰণৰ গণতান্ত্ৰিক আন্দোলনৰ সংগ্ৰামত জঁপিয়াই পৰিবলৈ আহ্বান জনায়। দুয়োখন সাধাৰণ সভাৰ আৰম্ভণিতে কোচ ৰাজবংশী জাতীয় পৰিষদৰ উপদেষ্টা দীপক বৰ্মনৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মাতৃৰ বিয়োগত শোক প্ৰকাশ কৰা হয়।

# কণ্ঠ শিল্পী জিতেন ডেকাৰ স্মৃতিচাৰণেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৩১ অক্টোবৰ ঃ** 'স্ৰোতস্বিনী'ৰ উদ্যোগত আৰু 'কণ্ঠসূৰ্য জিতেন ডেকা অনুৰাগী সমাজৰ' সহযোগত যোৱা ২৮ অক্টোবৰত ছহিদ ন্যাস ভৱনত কণ্ঠ শিল্পী জিতেন ডেকাৰ ষষ্ঠ মৃত্যু বাৰ্ষিকী উপলক্ষে গীতেৰে-কথাৰে শিল্পীজনাৰ কৰ্মৰাজীৰ স্মৃতিচাৰণেৰে এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

অনুষ্ঠানৰ আৰম্ভণিতে শিল্পীজনাৰ পত্নী লেখা ডেকা আৰু অনুৰাগীসকলে জিতেন ডেকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰে। কণ্ঠশিল্পী ধৃতিশ্ৰী দেৱীয়ে পৰিৱেশন কৰা মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত এটি বৰগীতেৰে স্মৃতিচাৰণ অনুষ্ঠানটো আৰম্ভ কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি যথাক্ৰমে জ্যোতিপ্ৰকাশ দাস, অৰনীৰঞ্জন পাঠক, বিপুল দেউৰী, জনাৰ্দন হাজোৱাৰীয়ে শিল্পীজনৰ কৰ্মৰাজিৰ স্মৃতিচাৰণেৰে শিল্পীজনালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই অনুষ্ঠানতেই জিতেন ডেকা সোঁৱৰণী মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি বিশিষ্ট সংগীত পৰিচালক, সুৰকাৰ, কণ্ঠশিল্পী প্ৰয়াত কুল বৰুৱাদেৱলৈ মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। জিতেন ডেকাৰ মৃত্যু দিৱস উপলক্ষে তেওঁৰ গীতসমূহকলৈ সদৌ অসম ভিত্তিত অনলাইনযোগে আয়োজন কৰা জিতেন ডেকাৰ গীতৰ প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানতে বঁটা প্ৰদান কৰি সন্মানিতও কৰা হয়। প্ৰতিযোগিতাৰ বিচাৰকৰ আসন শুৱনি কৰে ক্ৰমে অৰনীৰঞ্জন পাঠক, জনাৰ্দন হাজোৱাৰী আৰু হৰগোবিন্দ ডেকাই। এই অনুষ্ঠানতেই জিতেন ডেকাৰ কনিষ্ঠ পুত্ৰ সুদৰ্শন নিবিড় ডেকাৰ কণ্ঠত জিতেন ডেকা ৰচিত আৰু সুৰাৰোপিত এটি গীত উন্মোচন কৰা হয়। জিতেন ডেকাৰ সান্নিধ্য লাভ কৰা বহুকেইগৰাকী বিশিষ্ট ব্যক্তি যথাক্ৰমে অসীমজ্যোতি বৰুৱা, সৌৰভ দাস, নিখিলেশ বৰুৱা, দ্বিজেন কাকতি আৰু মৃত্যুঞ্জয় চৌধুৰীয়ে ব্যক্ত কৰে যে জিতেন ডেকা গীতিকাৰ আৰু কণ্ঠশিল্পীয়ে নাছিল তেওঁ আছিল প্ৰকৃতি, মাটি আৰু মানুহৰ সম্পৰ্কৰ লগতে দেশ আৰু জাতিক সমন্বয়ৰ এনাজৰীৰে বান্ধিব খোজা এগৰাকী আজন্ম শিল্পী। অনুষ্ঠানটোৰ আঁত ধৰে ড° অনামিকা ডেকাই।

## কলাইগাঁৱত কেন্দুকলাই সাহিত্য সমাজৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

# পাঠক থাকিলেহে গ্ৰন্থ থাকিব



অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ৩১ অক্টোবৰ ঃ** 'প্ৰথমে গ্ৰন্থৰ পাঠক সৃষ্টি কৰিব লাগিব। কাৰণ পাঠক থাকিলেহে গ্ৰন্থৰ প্ৰকৃত মৰ্যাদা থাকিব। আমি প্ৰথমে নিজ গৃহত আৰু পৰ্যায়ক্ৰমে গাঁও, জিলা আৰু ৰাজ্যত গ্ৰন্থৰ পাঠক সৃষ্টি কৰিব লাগিব। গ্ৰন্থৰ পাঠক নাথাকিলে সেই গ্ৰন্থ আলমিৰাতে আবদ্ধ হৈ থাকিব।' আজি কলাইগাঁৱৰ কেন্দুকলাই ভৱনত অনুষ্ঠিত কেন্দুকলাই সাহিত্য সভাৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই এইদৰে মন্তব্য কৰে। কলাইগাঁৱৰ কেন্দুকলাই ভৱনত অনুষ্ঠিত কেন্দুকলাই সাহিত্য সমাজৰ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাৰ মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কয় যে কেন্দুকলাই সাহিত্য সমাজ এতিয়া ৩২ বছৰীয়া চফল ডেকা। সেয়ে এই বয়সৰ তেজত পিৰপিৰণি আৰু প্ৰচুৰ উৎসাহ থাকে। এক সমীক্ষা অনুসৰি ২৯ৰ পৰা ৩২ বছৰৰ ভিতৰৰ পুৰুধা ব্যক্তিসকলে সাহিত্য সৃষ্টি কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছে বুলি শৰ্মাই মন্তব্য কৰে। কেন্দুকলাই সাহিত্য সমাজৰ সভাপতি মজিদুল ইছলামে সভাপতিত্ব কৰা মুকলি সভাখন উদ্বোধন কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুনুৰাম কলিতাই। উক্ত সভাত ২০২১ৰ কেন্দুকলাই সাহিত্য বঁটা প্ৰদান কৰে সাহিত্যিক ৰুণু প্ৰভা চহৰীয়াক। আনহাতে, নিবন্ধকাৰ আবুল হুছেইন, সাহিত্যিক এম হাফিজ আলী আৰু সংবাদ ক্ষেত্ৰখনত ২৫ বছৰ গৰকা সাংবাদিক ধ্ৰুৱ প্ৰসাদ চহৰীয়া, ইমৰান হুছেইন আৰু গিৰিশ শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি চাৰিখন গ্ৰন্থ উন্মোচন কৰা হয়। কেন্দুকলাই সাহিত্য সমাজৰ পত্ৰিকা 'জনগোষ্ঠীয় চিন্তা জিলিঙণী', মজিদুল ইছলামৰ 'খনিকৰ', তিলক চন্দ্ৰ নাথৰ 'মোৰ জীৱন পৰিক্ৰমা' আৰু বিজয় কৃষ্ণ শৰ্মাৰ কাব্য গ্ৰন্থ, 'প্ৰভাতী সুৰুজৰ গান' উন্মোচন কৰে ক্ৰমে কবি ডাঃ কমলাকান্ত শৰ্মা, শিক্ষা বিষয়া তথা ড° দিলৱাৰা বেগম, জিলা সভাপতি হৰেশ্বৰ কলিতা আৰু প্ৰাক্তন সভাপতি পুনুৰাম কলিতাই। আনহাতে, প্ৰতিষ্ঠা দিৱসত ওদালগুৰি সাহিত্য সভাৰ সম্পাদক ড° পৱিত্ৰ শৰ্মা, বিশিষ্ট কবি নুৰনেহাৰ বেগম, প্ৰধান শিক্ষয়িত্ৰী বিনু ডেকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে সম্পাদক তিলক চন্দ্ৰ নাথ আৰু উপ-সভাপতি প্ৰতাপ চন্দ্ৰ ভট্টাচাৰ্যই। আনহাতে, আজি পুৱাৰ ভাগত গছপুলি ৰোপণ, অসম সাহিত্য সভাৰ পতাকা উত্তোলন আৰু ন বজাত স্মৃতি তৰ্পণ কৰে জ্যেষ্ঠ নাগৰিক বন্তিৰাম নাথে।

# ৰাইজে মোক কাম কৰাৰ সুবিধা দিয়ক ঃ বিধায়ক বড়ো

## টিহুৰ বালিগাঁৱৰ ঐতিহ্যমণ্ডিত কালী মন্দিৰৰ নৱনিৰ্মিত সভাঘৰৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**টিহু, ৩১ অক্টোবৰ ঃ** 'মই ৰাইজক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিম। সমাজৰ কাম কৰাৰ মানসিকতাৰে ৰাজনীতিলৈ আহিছো। ৰাইজে মোৰ কাম কৰাৰ সুবিধা দিয়ক। বৰমা সমষ্টিত বহুতো কাম কৰিবলগীয়া আছে। বিগত ১৫ বছৰত সমষ্টিটোত একো কাম নহ'ল। মই সেই অভাৱবোৰ পূৰণ কৰিবলৈ য'তপৰোনাস্তি চেষ্টা কৰিম।' আজি বালি গাঁৱৰ ঐতিহ্যমণ্ডিত কালী মন্দিৰৰ ৰাইজৰ দান-বৰঙণিৰে ৩৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা নৱনিৰ্মিত সভাঘৰটো উদ্বোধন কৰি এইদৰে কয় যে বিধায়ক ভূপেন বড়োই। ভাষণ প্ৰসংগত বিধায়কজনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিভিন্ন বিভাগৰ মন্ত্ৰীসকলৰ স'তে সুসম্পৰ্কৰ কথা উল্লেখ কৰে। বালি কালী মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ননীগোপাল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত আৰু টিহু মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° জ্যোতিষ চন্দ্ৰ ভাগৱতীয়ে আঁতধৰা সভাখনত বিশিষ্ট অতিথি নৰ্থ ইষ্ট কেঞ্চাৰ ইনষ্টিটিউট আৰু গৱেষণা কেন্দ্ৰৰ অধ্যক্ষ গণেশ তামুলীয়ে কয়, 'আমি কেতিয়াও শিপাৰ পৰা বিচলিত হ'ব নালাগে। নিজৰ জন্মস্থানৰ লগতে জন্মদাতা পিতৃ-মাতৃক কেতিয়াও পাহৰি যাব নালাগে। কাৰণ সমাজত নিজৰ পৰিচয় প্ৰতিষ্ঠা হয় পিতৃ-মাতৃৰ জৰিয়তে। সমাজত এনেকুৱা কাম কৰিব লাগে যাৰ দ্বাৰা আন দহটা পৰিয়াল উপকৃত হয়। শ্ৰেণীকোঠাৰ শিক্ষাৰে ভাল প্ৰমাণ পত্ৰ এখন লাভ কৰিব পাৰি কিন্তু প্ৰকৃত মানুহ নহ'বও পাৰে। আমি কৰ্মৰ জৰিয়তে ধৰ্ম কৰা উচিত।' উক্ত সভাৰ পূৰ্বে মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ননীগোপাল শৰ্মাই ধৰ্মীয় পতাকা উত্তোলন আৰু বালি গাঁও উন্নয়ন সমিতিৰ সভাপতি হেমন্ত কুমাৰ ভাগৱতীয়ে স্মৃতি তৰ্পণৰে কাৰ্যসূচী মুকলি কৰাৰ পাছত পুৱা ১১ বজাত সভাঘৰটো উদ্বোধন কৰে স্থানীয় বিধায়ক বড়োই। আনহাতে বন্তি প্ৰজ্বলন কৰে নৰ্থ ইষ্ট কেঞ্চাৰ ইনষ্টিটিউট আৰু গৱেষণা কেন্দ্ৰৰ অধ্যক্ষ তামুলীয়ে। কালী মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক মদন চন্দ্ৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু কালী পূজা উদ্‌যাপন সমিতিৰ সভাপতি মুকুল চন্দ্ৰ ভাগৱতী, বালি গাঁও উন্নয়ন সমিতিৰ সভাপতি হেমন্ত কুমাৰ ভাগৱতী, ৪৫ নম্বৰ পশ্চিম নামবৰভাগ গাঁও পঞ্চায়তৰ সভানেত্ৰী ইলোৱা ডেকা, কাউন্সিলৰ গোবিন্দ কলিতা আদি উপস্থিত থাকে। মথুৰাপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মন আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক অচ্যুত মিশ্ৰইও ভাষণ আগবঢ়ায়।

# কমল কুমাৰ বৰ্মনলৈ 'সাহিত্য সাৰথি' বঁটা

অগ্ৰদূত বাৰ্তা

**দোতমা, ৩১ অক্টোবৰ ঃ** উত্তৰ বংগৰ কোচবিহাৰ জিলাৰ ইচ্ছাগঞ্জত ২৮ অক্টোবৰত আইভাষা দিৱস হিচাপে উদ্‌যাপন কৰি ভাষা শিক্ষা সংসদে অসমৰ কোচৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনলৈ 'সাহিত্য সাৰথি বঁটা' প্ৰদান কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে পশ্চিমবংগৰ সুলেখক ভগিৰথ দাস, লেখিকা শশীবালা অধিকাৰীৰ লগতে কোচৰাজবংশী কবি ৰঘুনাথ চৌধুৰী, কেএছিৰ সদস্য সমৰেন্দ্ৰ নাৰায়ণ বৰ্মন, কোচৰাজবংশী সাহিত্য সভাৰ প্ৰাক্তন প্ৰচাৰ সম্পাদক কৃষ্ণ বৰ্মন, লেখক ৰবিন্দ্ৰ নাথ ৰায়, বংগ ৰত্ন কমলেশ চন্দ্ৰ ৰায়, সাংবাদিক ধনকেশ বৰ্মন আদি।

# মাৰ্ঘেৰিটাত সেনাৰ অভিযানত ড্ৰাগছসহ ধৃত দুই

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ৩১ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ লিডুত সেনা বাহিনীয়ে ২২ গ্ৰাম ড্ৰাগছসহ দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজন কামাখ্যা মৰাণ আৰু দাদু মিঞা। উল্লেখ্য যে তিনিচুকীয়া জিলাৰ লিডু আৰক্ষী চকীৰ অন্তৰ্গত টিৰাপ কলিয়ৰীত নিশা জয়ৰামপুৰস্থিত আছাম ৰাইফলছৰ এটা টহলদাৰী দলে ড্ৰাগছসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। সেনাই লোক দুজনৰ পৰা ২২ গ্ৰাম ড্ৰাগছ জব্দ কৰিছে। ইতিমধ্যে লিডু থানাত গতাই দিয়া লোক দুজনৰ বিৰুদ্ধে লিডু আৰক্ষী চকীত এক গোচৰ ৰুজু কৰি জেৰা অব্যাহত ৰাখিছে।

# কলগাছিয়াত কৃষিভূমিত দাহ কৃষিমন্ত্ৰীৰ পুত্তলিকা

**কলগাছিয়া, ৩১ অক্টোবৰ ঃ** বৰপেটা আৰু বাগ্‌সা জিলাৰ সীমান্ত অঞ্চলত শতাধিক বিলাহী খেতিয়কৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। কৃষি বিভাগৰ বিৰুদ্ধে ক্ষুব্ধ হৈ খেতিৰ মাজতে শতাধিক কৃষকে দাহ কৰে কৃষিমন্ত্ৰী অতুল বৰাৰ প্ৰতিকৃতি। অঞ্চলটোৰ নিজ ডাউকা, উন্নিগুৰী, ভূৰাগাঁও, বগৰীগুৰি, সুকমবাৰী আদি কৰি সাতখনকৈ গাঁৱৰ পাঁচ সহস্ৰাধিক খেতিয়কে ঋণ লৈ হেজাৰ হেজাৰ বিঘা বিলাহী খেতি কৰিছে যদিও চাৰিমাহ পাৰ হোৱাৰ পাছতো গছত বিলাহী নধৰাত খেতিয়কসকল চৰম লোকচানৰ সন্মুখীন হৈছে। এবিঘা বিলাহী খেতি কৰোতে ৭০-৮০ হেজাৰ টকা খৰচ কৰা হৈছে বুলি কৃষকে কয়। এই ক্ষেত্ৰত খেতিয়কসকলে দিশাহাৰা হৈ পৰিছে। পুৰণা গুটি যোগান ধৰা হাইব্ৰীড ট্ৰিৰিচুল কোম্পানীৰ বিৰুদ্ধে চৰকাৰক ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱাৰ লগতে মুখ্যমন্ত্ৰীক হস্তক্ষেপৰ দাবী জনাইছে নিখিল ভাৰত কৃষক সভাই।

# বাসুগাঁৱত ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ৩১ অক্টোবৰ ঃ** বাসুগাঁৱত অহা দুই নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস পালন কৰা হ'ব। ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱসত স'তে সংগতি ৰাখি সিদিনা স্বচ্ছতা অভিযান, ধনতুৰীৰ প্ৰতিচ্ছবিত মালা অৰ্পণ আৰু বন্তি প্ৰজ্বলন, বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিৱিৰ আৰু সজাগতা সভা অনুষ্ঠিত হ'ব। ইতিমধ্যে দিৱস উদ্‌যাপনৰ বাবে অলোক বসুমতাৰীক সভাপতি, কণাদ কিশোৰ ৰায়ক সম্পাদকৰূপে লৈ বহল ভিত্তিত এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। উক্ত অনুষ্ঠানত চিৰাং জিলা উপায়ুক্ত, জিলা যুটীয়া স্বাস্থ্য বিষয়া, নডেল বিষয়া আৰু বিশিষ্ট ব্যক্তি অতিথিৰূপে উপস্থিত থাকিব।

# খোৱাঙত ছাত্ৰ নিৰুদ্দেশ আলফালৈ যোৱাৰ সন্দেহ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩১ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং আৰক্ষী থানাৰ অন্তৰ্গত খোৱাং বাঘতলি পথাৰ গাঁৱৰ নিবাসী ৰিদীপ বৰগোহাঁইৰ পুত্ৰ নয়নজ্যোতি বৰগোহাঁই (১৫) যোৱা ২৯ অক্টোবৰৰ পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে উল্লেখ কৰা মতে, সিদিনা পুৱা এটা বেগ আৰু মটৰ চাইকেল লৈ ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰা কিশোৰজন নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ স'তে ছাত্ৰজনৰ অনুসন্ধান কৰিছে যদিও কোনো সন্ধান নোপোৱাত খোৱাং আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। নিৰুদ্দেশ হৈ থকা নয়নজ্যোতি খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে ডিব্ৰুগড় জিলাৰ পৰা বহুকেইজন কম বয়সীয়া যুৱক নিৰুদ্দেশ হোৱাত আলফাত যোগদান কৰাৰ সন্দেহ কৰাৰ সময়তে উক্ত ছাত্ৰজনেও আলফাত যোগদান কৰিছে বুলি সন্দেহ কৰি পৰিয়ালৰ লোকসকল চিন্তিত হৈছে।

# দহিকটাত বন্যহস্তীৰ উপদ্ৰৱত তহিলং ধাননি পথাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩১ অক্টোবৰ ঃ** খাদ্যৰ সন্ধানত মেঘালয়ৰ পৰা নামি অহা বন্যহস্তীৰ জাক এটাই গোৱালপাৰা জিলাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত সম্প্ৰতি আশ্ৰয় লৈ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত উপদ্ৰৱ চলোৱাত ৰাইজ আতংকিত হৈছে। উল্লেখ্য যে প্ৰতিবছৰে বিশেষকৈ শালি ধান পকাৰ সময়তে বন্যহস্তীৰ জাকে দহিকটা, ৰাজাপাৰা, লালাবৰী, তিনিকোণীয়াপাৰা, ডুবাপাৰা, মৰনৈ, সূৰ্যগিৰি আদি অঞ্চলৰ ধাননি পথাৰসমূহ তহিলং কৰি আহিছে। ইপিনে, আজি পুৱা এজাক বন্যহস্তীয়ে দহিকটা, ৰাজাপাৰা গাঁৱত প্ৰৱেশ কৰি পকীবলৈ ধৰা শ শ বিঘাৰ ধান খাই তহিলং কৰে। আতংকিত কৃষকসকলে বনবিভাগক অৱগত কৰে। বনবিভাগৰ লোক উপস্থিত লৈ শূন্যলৈ গুলিচালনা কৰি হাতীৰ জাকটোক খেদিবলৈ সক্ষম হয় যদিও সন্ধিয়াৰ ভাগত বন্যহস্তীৰ জাকটো পুনৰ মৰনৈৰ খেতিপথাৰৰ ধান খাই বিনষ্ট কৰে। তদুপৰি নিশাৰ ভাগত বনাঞ্চলৰ পৰা জনাঞ্চললৈ প্ৰৱেশ কৰি হাতীৰ জাকটোৱে উপদ্ৰৱ চলাই আহিছে। এইদৰে বন্যহস্তীৰ উপদ্ৰৱৰ ফলত বৃহত্তৰ অঞ্চলবাসী ৰাইজে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। সেয়ে দহিকটাকে ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তত চলা বন্যহস্তীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ দিবলৈ বনবিভাগে তথা জিলা প্ৰশাসনক দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# শিৱসাগৰত গৰখীয়া সবাহ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩১ অক্টোবৰ ঃ** শিৱসাগৰৰ কাথপাৰত আজি গৰখীয়া সবাহ পালন কৰা হয়। উল্লেখ্য যে গৰখীয়া সবাহ কালৰ বুকুত হেৰাই গৈছে যদিও শিৱসাগৰৰ কাথপাৰত ৰাইজে জীয়াই ৰাখিছে এই পৰম্পৰা। গৰু তথা পশুধনসমূহ য'তে ভালে কুশলে থাকে, গৰু চৰাওঁতে বা পোহপাল দিওঁতে যদি কিবা দোষ, অপৰাধ কৰিছিল সেই দোষ মৰিষণৰ কামনাৰে অতীজৰে পৰা গৰখীয়া সবাহ পাতি আহিছে কাথপাৰবাসীয়ে। ব্যতিক্ৰম হোৱা নাই এইবাৰো। এই উপলক্ষে পুৱাই ভকত বৈষ্ণৱ, গৰখীয়াসকলে প্ৰথমে ঐতিহাসিক নিত্যানন্দ থানত সেৱা কৰে। ইয়াৰ পাছতে কঠিয়ানিত নাম প্ৰসংগ কৰাৰ লগতে গায়ন-বায়ন পৰিৱেশন কৰে। মাহ প্ৰসাদৰ শৰাই আগবঢ়োৱাৰ উপৰি ৰাজহুৱা ভোজৰো আয়োজন কৰা হয়।

# নগাঁৱত অ'বিচি ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া অনুশীলনৰ বহী বিতৰণ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩১ অক্টোবৰ ঃ** নগাঁও মহকুমা অন্যান্য পিছপৰা শ্ৰেণী (অ'বিচি) কল্যাণ ব'ৰ্ডৰ দ্বাৰা মহকুমাটোৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ত অধ্যয়নৰত প্ৰথমৰ পৰা দশম শ্ৰেণীৰ অ'বিচি ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়াকৈ অনুশীলন বহী বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহকুমাটোৰ অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে গ্ৰহণ কৰা এই কাৰ্যসূচী যোৱা ৩০ অক্টোবৰত মুকলি কৰা হয়। এই উপলক্ষে মহকুমাটোৰ অন্তৰ্গত ব্ৰাহ্মণগাঁৱত অৱস্থিত হাতীচোং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি লোকেন্দ্ৰ কুমাৰ নাথে। নগাঁও মহকুমা অ'বিচি ব'ৰ্ডৰ অধ্যক্ষ মনোৰঞ্জন নাথে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা সভাখনিত শিক্ষাবিদ তথা জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাণা প্ৰকাশ বৰা, হাতীচোং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন কুমাৰ নাথ, নিজ হাতীচোং গাঁও পঞ্চায়তৰ সভাপতি অভিজিৎ মেধি, সমাজকৰ্মী গোপাল বৰা, জোনালী শইকীয়া বৰা, গান্ধীজী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পৱন জ্যোতি বৰা, চকলাঘাট জে বি বিদ্যালয়ৰ প্ৰধান শিক্ষক শিৱ প্ৰসাদ ভড়ালীকে ধৰি কে'বাজনো গণ্যমান্য ব্যক্তিৰ লগতে হাতীচোং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী উপস্থিত থাকে। এই সভাতে মহকুমাটোৰ মুঠ ৯৩খন বিদ্যালয়ৰ ভিতৰত প্ৰথম পৰ্যায়ত ১৭খন বিদ্যালয়ৰ অ'বিচিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুশীলন বহীসমূহ বিতৰণ কৰা হয়।



*দিচাংমুখত নাৱেৰে পাৰ হৈছে যাত্ৰী ঃ সুৰক্ষা ব্যৱস্থাক লৈ প্ৰশ্নৰ উদ্ৰেক, শিৱসাগৰ*

# মৰিকলং শ্ৰীশ্ৰী অনন্ত মহাপ্ৰভু নামঘৰৰ প্ৰতিষ্ঠা দিৱস আৰু ভাগৱত পাঠ

বিশেষ সংবাদদাতা

**নগাঁও, ৩১ অক্টোবৰ ঃ** নগাঁৱৰ টাউন মৰিকলংস্থিত শ্ৰীশ্ৰী অনন্ত মহাপ্ৰভু নামঘৰৰ ১৯৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা সাত বজাত ধৰ্মধ্বজা উত্তোলন কৰে মৰিকলং শ্ৰীশ্ৰী অনন্ত মহাপ্ৰভু নামঘৰ পৰিচালনা সমিতিৰ উপ-সভাপতি ধৰণী শইকীয়াই। ইয়াৰ পাছতে মৰিকলং গাঁৱৰ সমূহ ৰাইজ গোপিনীৰ সহযোগত নামঘৰ প্ৰাংগণৰ পৰা উলিওৱা হয় এক ধৰ্মীয় শোভাযাত্ৰা। তদুপৰি প্ৰতিটো পৰিয়ালৰ পদূলিয়ে পদূলিয়ে থিয়নাম পৰিৱেশন কৰা হয়। দিনৰ ১-৩০ বজাৰ পৰা ৰাইজ গোপিনীৰ নাম-প্ৰসংগ আৰু প্ৰসাদ বিতৰণৰ অন্তত গাঁৱৰ বয়োজ্যেষ্ঠ তথা মৰিকলং শ্ৰীশ্ৰী অনন্ত মহাপ্ৰভু নামঘৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বয়োজ্যেষ্ঠ ব্যক্তি তথা আই-মাতৃসকলক সম্বৰ্ধনা জনোৱা হয়। ক'ভিড সৃষ্ট পৰিৱেশৰ বাবে স্বাস্থ্য বিভাগৰ ক'ভিডৰ নীতি-নিৰ্দেশনা মানি যোৱা বছৰ প্ৰতিষ্ঠা দিৱৰ অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰা হৈছিল। উল্লেখ্য যে প্ৰতি বছৰে ১৩ কাতিৰ দিনটোত নামঘৰৰ প্ৰতিষ্ঠা দিৱসটো উদ্‌যাপন কৰি অহা হৈছে। সেই উদ্দেশ্যে পূৰ্বতে অংকীয়া ভাওনা প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছিল যদিও বিগত কে'বা বছৰ ধৰি অসুবিধাৰ বাবে ভাওনাৰ পৰিৱৰ্তে তিনিদিনীয়া ভাগৱত পাঠ, ধৰ্মালোচনী সভা আদি আয়োজন কৰি প্ৰতিষ্ঠা দিৱসটো উদ্‌যাপন কৰি অহা হৈছে। ভাগৱত পাঠ কাৰ্যসূচী আৰম্ভ কৰে আচাৰ্য লীলা শইকীয়াই। সন্ধিয়া নামঘৰ প্ৰাংগণত মৰিকলং গাঁৱৰ ৰাইজ গোপীসকলৰ উদ্যোগত আয়োজিত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ আৰম্ভ কৰে উপ-সভাপতি ধৰণী শইকীয়াই।

# দহোটিয়া পশু উপ-স্বাস্থ্যকেন্দ্ৰৰ দুৰৱস্থা

## কাণসাৰ নাই বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৩১ অক্টোবৰ ঃ** যোৰহাট জিলাৰ দেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম যোৰহাটৰ দহোটিয়াা পশু উপ-স্বাস্থ্য কেন্দ্ৰটো বছৰ বছৰ ধৰি এক পৰিত্যক্ত অৱস্থাত আছে। অঞ্চলটোৰ ১৫ খন গাঁৱৰ একমাত্ৰ পশু চিকিৎসালয়খনত বিভিন্ন সময়ত পশুধনক চিকিৎসাৰ বাবে অনা হয়। বৰ্তমান উপ-স্বাস্থ্য কেন্দ্ৰটোত নিয়োজিত কৰ্মচাৰীয়ে এক অস্বাস্থ্যকৰ পৰিৱেশত কৰ্তব্য পালন কৰে। দীৰ্ঘদিন ধৰি ঘৰটোৰ কোনো মেৰামতি বা নিৰ্মাণৰ কামো হোৱা নাই। পশুপালন বিভাগৰ অমনোযোগিতা আৰু দায়িত্বহীনতাৰ বাবে উপ-স্বাস্থ্যকেন্দ্ৰটোৱে উন্নয়নৰ মুখ দেখা নাই। এই ক্ষেত্ৰত স্থানীয় বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী মৌন হৈ থকা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে স্থানীয় কৃষক ৰাইজক পশুধনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সুবিধা চৰকাৰে দিয়া উচিত। কিন্তু দহোটিয়াৰ পশু উপ-স্বাস্থ্য কেন্দ্ৰটোৰ প্ৰতি যোৰহাট জিলা পশু স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ দায়িত্বও আওকণীয়া মনোভাৱৰ সন্মুখীন। আনহাতে, স্থানীয় বিধায়কগৰাকীৰ গাঁত প্ৰতি যোৰহাট জিলা পশু স্বাস্থ্য বিভাগৰ যুটীয়া কেন্দ্ৰটোৰ প্ৰতি চকু নপৰাটোও অতি দুৰ্ভাগ্যজনক বুলি ৰাইজে অভিযোগ কৰে। সাধাৰণ জনতাৰ উপকাৰ হোৱাকৈ দহোটিয়া উপ-স্বাস্থ্য কেন্দ্ৰটো এক উন্নতমানৰ চিকিৎসা কেন্দ্ৰ কৰি তোলাৰ দাবী জনায়। এই ক্ষেত্ৰত যোৰহাট জিলা উপায়ুক্তৰ হস্তক্ষেপ বিচাৰিছে ৰাইজে।



# বৰপেটা প্ৰেছ ক্লাবত 'জোনাক' উন্মোচন

বিশেষ সংবাদদাতা

**বৰপেটা, ৩১ অক্টোবৰ ঃ** বৰপেটাৰ উদীয়মান কবি সঞ্জীৱ দাসৰ স্ব-ৰচিত কবিতাৰ এক আবৃত্তিৰ এলবাম আজি সন্ধিয়া বৰপেটা প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। বি এইছ বি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে আঁত ধৰা এলবামে উন্মোচনী সভাত এলবাম উন্মোচন কৰে কবি ধ্ৰুৱ কুমাৰ তালুকদাৰে। ভাষণ প্ৰসংগত ধ্ৰুৱ কুমাৰ তালুকদাৰে সঞ্জীৱ দাসৰ কবিতাৰ মাজেদি সমাজ জীৱনৰ কিছু কথা ক'বলৈ মানস কৰিছে আৰু সেইখিনি আবৃত্তি আকাৰে বাণীবদ্ধ কৰি ভাল কাম কৰিছে বুলি কয়। দীপাঞ্জলি দাসে প্ৰযোজনা কৰা এলবামটোৰ পৰিকল্পনা কবি মৃণাল পি জ্যোতিৰ। অঞ্জন দাসৰ সংগীত ব্যৱস্থাপনাৰে বাণীবদ্ধ কৰা কবিতা আবৃত্তিৰ এলবামটোৰ উন্মোচনী সভাত অভিনেতা লিয়াকৎ আলী, লেখক-সাংবাদিক শুভজ্যোতি দাস, আবৃত্তিকাৰ বৰপেটা প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি প্ৰিয়ৰঞ্জন দাসেও সঞ্জীৱ দাসৰ কবিতাৰ ওপৰত আলোকপাত কৰি ভাষণ দিয়ে। এলবামটোত কবিতা আবৃত্তি কৰে অভিনেতা জয়ন্ত দাস, চুমি দাস, মৃণ্ময় মমতা, সঞ্জীৱ দাস, নাট্যকাৰ উৎপল কুমাৰ দাস, অভিনেত্ৰী হিমাদ্ৰী ওজা, সাংবাদিক প্ৰিয়ৰঞ্জন দাস, হিমাশ্ৰী দাস, কৰ্মচাৰী পৰিষদৰ বৰপেটা জিলা সমিতিৰ সম্পাদক উৎপল দাস, সাংবাদিক মহানন্দ পাঠক, সাংবাদিক দিগন্ত কলিতা আৰু বিএইছবি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বন্দনাৰে মুখৰিত তেজপুৰৰ জাতীয় ছহিদ বাকৰি

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৩১ অক্টোবৰ ঃ** 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে অসমীয়া জাতি গঢ় লৈ উঠিব লাগিব। গুৰুজনাই নামঘৰ প্ৰতিষ্ঠা কৰি সমাজ ব্যৱস্থাৰ এক ধাৰণা দাঙি ধৰিছে। নামঘৰত উপাসনাৰ লগে লগে কলা-সংস্কৃতিক জড়িত কৰি নাট-ভাওনা, নৃত্য, বাদ্য আদিৰ পাঠ শিকাই গৈছে। নামঘৰ কেৱল উপাসনা স্থলীয়েই নহয়, এসময়ত নামঘৰ আদালত আছিল, নামঘৰত সমাজৰ বিচাৰ, ৰীতি-নীতি নিৰ্ধাৰণ কৰি আদৰ্শৰ পথেৰে আগুৱাই যাবলৈ আমাক গুৰুজনাই শিকাই গৈছে। চুবুৰি-গাঁওসমূহক একত্ৰিত কৰি ৰখাৰ আদৰ্শ গুৰুজনাই নামঘৰ প্ৰতিষ্ঠা কৰি শিকাই গৈছে।' এই মন্তব্য বিধায়ক পৃথ্বীৰাজ ৰাভাৰ। গুৰুজনাৰ ৫৭৩ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তেজপুৰ আঞ্চলিক আৰু তেজপুৰ জিলা শাখাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ছহিদ বাকৰিত আজি আয়োজিত ধৰ্মালোচনী সভাত অংশগ্ৰহণ কৰি বিধায়ক ৰাভাই পুনৰ কয়, 'শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সভা-সমিতিসমূহ সু-শৃংখলভাৱে হয়। এই ক্ষেত্ৰত সংঘই বিশেষ গুৰুত্ব প্ৰদান কৰাত সন্তোষ প্ৰকাশ কৰি তেওঁ কয় যে যি কীৰ্তন পুথি আমি পঢ়িছো সেইখন জ্যোতিপ্ৰসাদ আগৰৱালাৰ ককাক হৰবিলাস আগৰৱালাই প্ৰকাশ কৰি নিদিয়া হ'লে সেইখন হয়তো আমি নাপালোহেঁতেন। সেয়ে তেওঁ জাতীয় সম্পদৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়া উচিত বুলিও কয়। তেজপুৰ জাতীয় ছহিদ বাকৰিস্থিত শংকৰদেৱ সংঘৰ নামঘৰত সমূহীয়া নাম-প্ৰসংগ অনুষ্ঠিত কৰাৰ পাছতে 'গুৰুজনাৰ বহুমুখী প্ৰতিভা' শীৰ্ষক ধৰ্মালোচনী সভাত পৌৰহিত্য কৰে। উক্ত সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি তেজপুৰৰ সাংসদ পল্লৱ লোচন দাসে কয়, 'বৰ্তমান একাংশ যুৱক-যুৱতী উচ্ছৃংখল হৈছে। যুৱ সমাজে পিতৃ-মাতৃক নমনা হৈছে, ওচৰ-চুবীৰায়াৰ লগত সম্পৰ্ক নোহোৱা হৈছে। ল'ৰা-ছোৱালী অবাটেৰে বাট বুলিছে। সেই কাৰণে শংকৰদেৱৰ প্ৰাসংগিকতা আছে।' তেওঁ পুনৰ কয় যে মানুহক যিকোনো ধৰ্মালোচনী সভালৈ যিদৰে অনুনয়-বিনয় কৰি মাতিব লাগে, তেনেদৰে কিন্তু ফাংছন এখন পাতিবলৈ মাতিব নালাগে। ধৰ্মালোচনী সভাত শুনা আধ্যাত্মিক বক্তব্যই সকলোকে নমনীয় কৰে আৰু সেয়া গুৰুজনাই আদৰ্শ দেখুৱাই গৈছে বুলি কৈ সাংসদজনে শ্ৰেণীবিহীন সমাজ গুৰুজনাই প্ৰতিষ্ঠা কৰি গৈছিল বুলিও কয়। ৰঞ্জুৰিমা শইকীয়াৰ বৰগীতৰে ধৰ্মালোচনী সভা আৰম্ভ কৰাৰ পাছতে নিৰ্দিষ্ট বক্তাৰূপে অংশ লোৱা অৱসৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ পুনিৰাম পাতৰে মহাপুৰুষজনাৰ সন্দৰ্ভত কয় যে তেওঁ সৰ্বগুণাকৰ। যাৰ গুণৰ তুলনা নাই - প্ৰতিভাৰ তুলনা নাই। বিশ্বৰ এনে এজন গুৰু নাই যিজনে ইমানবোৰ অৱদানে সমাজ সংস্কাৰ কৰিছে। তেওঁ পুনৰ কয় যে গুৰুজনাই যিমান সম্ভৱ সকলো কাম হাতে কামে কৰিছে। ডাঃ পাতৰে কয়,'আন যিসকল ধৰ্মগুৰু আছে তেওঁলোকে ধৰ্ম প্ৰচাৰহে কৰিছে।' আজি পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগ কৰাৰ পাছত পুৱা ন বজাত সংঘৰ তেজপুৰ জিলা শাখাৰ সভাপতি প্ৰভাকৰ বৰ্মনে ধৰ্ম ধ্বজা উত্তোলন কৰে। বিয়লি শিক্ষা সমিতিৰ সভাপতি মৌচুমী কাকতিয়ে বন্তি প্ৰজ্বলন কৰে।




## ■ পথাৰত কৃষিমন্ত্ৰীৰ পুত্তলিকা দাহ
# ফল নধৰিল বিলাহীৰ খেতিত, হতাশ কৃষক

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৩১ অক্টোবৰ ঃ** চৰকাৰে বিক্ৰেতাৰ জৰিয়তে কৃষকক ম্যাদ ওকলা বীজ যোগানৰ অভিযোগত আজি লাবদাংগুৰি, উন্নেকুৰি, বগৰিগুৰি, চুক্ৰুংবাৰী আদি কে'বাখনো গাঁৱৰ ৰাইজে কৃষিমন্ত্ৰী অতুল বৰাৰ পথাৰতে পুত্তলিকা দাহ কৰে। এই কৃষকসকলে বৃহৎ পৰিমাণৰ ভূমিত বিলাহীৰ খেতি কৰিছে। কিন্তু চাৰি মাহ ওকলাৰ পাছতো কৃষকে গছত ফল ধৰা দেখা নাই। ইয়াৰ পৰিপ্ৰেক্ষিততে আজি প্ৰতিবাদ সাব্যস্ত কৰা হয়। কৃষকসকলে জনোৱা মতে, তেওঁলোকৰ প্ৰতিজনে ৭০-৮০ হেজাৰ টকাকৈ লোকচান ভৰিব লাগিব। বৰপেটাৰোডৰ ব্যৱসায়ীয়ে ম্যাদ ওকলা বিলাহীৰ বীজ যোগান ধৰাৰ ফলতে তেওঁলোকৰ আজি এই অৱস্থা হৈছে। কৃষকসকলে জানিবলৈ দিয়ে যে বৰপেটা ৰোডত বীজ ভাণ্ডাৰ দোকানৰ পৰা তেওঁলোকে ত্ৰিশূল কোম্পানীৰ বীজ ক্ৰয় কৰি আনি সিঁচিছিল। ঋণ লৈ, মাটি লিজত লৈ খেতি কৰা কৃষকসকলৰ প্ৰতিবাদৰ আজি নেতৃত্ব দিয়ে নিখিল ভাৰত কৃষক সভাৰ বৰপেটাৰ জিলা সমিতিয়ে। সমিতিৰ সভাপতি নৃপেন দাস আৰু ৰাজ্যিক নেতা ৰজনী দৈমাৰিৰ নেতৃত্বত সংগঠনটোৰ এটা দলে কৃষি পথাৰসমূহ পৰিদৰ্শন কৰি বৰপেটা ৰোডত নকল সাৰ আৰু বীজৰ ছিণ্ডিকেট গঢ়িউঠা বুলি অভিযোগ কৰে। তেওঁলোকে কৃষকসকলৰ উচিত ক্ষতিপূৰণ দিয়াৰো দাবী জনায়।

# দৰিদ্ৰতাই কোঙা কৰিছে অভিনেতা লক্ষীধৰ শৰ্মাক
## ২২ বছৰে মঞ্চত দপদপায়ো নাপালে শিল্পী পেঞ্চন

**অগ্ৰদূত বাৰ্তা**
**চামতা, ৩১ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰনৰ্দ্দী মোহখলী গাঁৱৰ অভিনেতা লক্ষীধৰ শৰ্মা (৭৯)ই ২২ বছৰে মঞ্চত দপদপাই থাকি নাট্য সাহিত্যলৈ



আগবঢ়োৱা অৱদানৰ পাছতো সম্প্ৰতি দৰিদ্ৰতাৰ কবলত কক্‌বকাই থাকিবলগীয়া হৈছে। সৰুৰে পৰা অভিনয়ৰ প্ৰতি আকৃষ্ট শৰ্মাই সেই সময়তে যাত্ৰা দলৰ স'তে জড়িত হৈছিল। সম্প্ৰতি শিল্পীজনে দৰিদ্ৰতাৰ স'তে যুঁজ দি কোনোমতে জীৱন-যাপন কৰি আছে। গাঁৱৰ ঘৰতে এখন দোকান দি জীৱিকা নিৰ্বাহৰ পথ বাছি লৈছে। তেওঁ মুকুন্দ থিয়েটাৰত তিনি বছৰ, অপসৰা থিয়েটাৰত তিনি বছৰ, পূৰ্বজ্যোতি থিয়েটাৰত এবছৰ, জৱহাৰজ্যোতি থিয়েটাৰত দুবছৰ, সুৰদেৱী থিয়েটাৰত এবছৰ, মুগকুছি যাত্ৰাদলত আঠ বছৰ, শংকৰদেৱ নাট্য সমিতিত তিনি বছৰ অভিনয় কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। ১৯৪২ত জন্মগ্ৰহণ কৰা শৰ্মাক আজিলৈকে চৰকাৰে কোনো ধৰণে সাহায্য প্ৰদান নকৰাত অভিনেতাজনে ক্ষোভ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে অভিনেতাজনক সাহায্য প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনাইছে।



*ভাৰতৰ প্ৰথমখন থলুৱা বিমান বাহক পৰিদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ।*

## কন্যাৰ চিকিৎসাৰ বাবে সহায় বিচাৰি মুখ্যমন্ত্ৰীলৈ দুৰ্ভগীয়া মাতৃৰ প্ৰাৰ্থনা

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৩১ অক্টোবৰ ঃ** দক্ষিণ বাৰাংহাটীৰ মেধাৱী ছাত্ৰী ২১ বছৰীয়া ভনীতা কলিতা জটিল ৰোগত আক্ৰান্ত হৈছে। টকাৰ অভাৱৰ বাবে মুম্বাই প্ৰিন্স অলী হাস্পতালৰ পৰা বিনা চিকিৎসাৰে উভতি আহিবলৈ বাধ্য হৈছে ৰুগীয়া ভনীতাই। হাজো সমষ্টিৰ বাৰাংহাটী গাঁও পঞ্চায়তৰ অন্তৰ্গত দক্ষিণ বাৰাংহাটীৰ নিবাসী ৰবীন কলিতা আৰু গীতা কলিতাৰ একমাত্ৰ কন্যা সন্তান পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰী ২১ বছৰীয়া ভনীতা কলিতা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। যোৱা চাৰিমাহৰ পৰা ক্ৰমান্বয়ে অসুস্থ হৈ পৰা বিভিন্ন ঠাইৰ লগতে জিএমচি হাস্পতালত চিকিৎসা কৰিও সুস্থ নোহোৱাত যোৱা দেওবাৰে মুম্বাইস্থিত প্ৰিন্স অলী হাস্পতালত ভৰ্তি কৰে যদিও অতি দুখৰ কথা তাত চিকিৎসা কৰিবলৈ হ'লে লক্ষ লক্ষ টকাৰ প্ৰয়োজন হোৱাত দুখীয়া পৰিয়ালটো মহাবিপদত পৰিছে। টকাৰ অভাৱৰ বাবে ইতিমধ্যে বিনা চিকিৎসাৰে উভতি আহিবলৈ বাধ্য হৈছে মনত বহু সপোন দেখা মেধাৱী ছাত্ৰী ভনীতা কলিতাই। ভনীতাই নিজে কৰ্ম কৰি ঘৰখনৰ অভাৱ দূৰ কৰাৰ লগতে ভ্ৰাতৃক উচ্চ শিক্ষিত কৰাৰ সদায় সপোন দেখি দেখি আজি নিজে অসুস্থ। পিতৃ ৰবীন কলিতাই কোম্পানীত কাম কৰি কোনোমতে পৰিয়াল পোহপাল দি আছিল যদিও ক'ভিডৰ বাবে কোম্পানী বন্ধ হৈ থকাত আজি দুবছৰে ঘৰতে বহি থাকিবলগীয়া হোৱাত আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে পৰিয়ালটো। ভনীতাৰ চিকিৎসাৰ ক্ষেত্ৰত সহায় কৰিবলৈ বিভিন্ন দল-সংগঠন আৰু ৰাইজৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দুৰ্ভগীয়া মাতৃৰ লগতে পৰিয়ালটোৱে অনুৰোধ জনাইছে। একাউণ্ট নম্বৰ ৩৮৪৪২৭৮৬৭২৫, আইএফএছচি ক'ড-এছবিআইএন০০০৫০৯২ আৰু ম'বাইল নম্বৰ ৭৬৩৫৮-৫৪৩৭৮ নম্বৰত যোগাযোগ কৰি সহায় কৰিব পাৰিব।

# মানৱীয় প্ৰমূল্যবোধ হেৰুৱাই পেলাইছে মানুহে ঃ মালাকাৰ
## 'নিজম ৰাতিৰ কেতেকী' শীৰ্ষক কবিতা পুথি উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৩১ অক্টোবৰ ঃ** তীৰ্থ নগৰী হাজোৰ বিষ্ণুৰাম মেধি শিশু ভৱনত আজি শিক্ষয়িত্ৰী ৰাণুৱাৰা বেগমৰ স্বৰচিত কবিতা পুথি 'নিজম ৰাতিৰ কেতেকী' শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰা হয়। আজিজুৰ ৰহমানে আঁত ধৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰাৰ লগতে পুথিখন উন্মোচন কৰি বিশিষ্ট লেখক থানেশ্বৰ মালাকাৰে কয়, 'কবিতা লিখাৰ সমল আমাৰ নিজৰ চৌদিশে বিৰাজমান হৈ আছে। তেনে পৰিৱেশ অনুধাৱন কৰি লিখিব পৰা যায়।' প্ৰসংগক্ৰমে তেওঁ পুনৰ কয়, 'প্ৰকৃততে সকলোৱে এতিয়া সুখ হেৰুৱাই পেলাইছে। মানৱীয় প্ৰমূল্যবোধ মানুহে হেৰুৱাই পেলাইছে। মানুহৰ মাজত মানুহৰ সম্পৰ্কৰ আঁত যেন লাহে লাহে হেৰুৱাই পেলাইছে। সমাজৰ প্ৰতিজনে এতিয়া মানুহৰ দুখ, মানুহৰ সুখ আমি পাহৰি গৈছো। ক্ৰমান্বয়ে প্ৰকৃত সুখ হেৰুৱাইছো। ইজনে-সিজনৰ পৰা মানৱতাৰ পৰিচয়ৰ উপৰি ক্ৰমাৎ সম্পৰ্ক হেৰুৱাই বন্দিত্বৰ জীৱন অতিবাহিত কৰিছে। ইণ্টাৰনেট, ম'বাইল সেৱাই মানুহৰ প্ৰকৃত মানৱীয় সম্পৰ্ক বিঘ্নিত কৰিছে।' উক্ত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি সাহিত্যিক, তথ্য এমট্ৰনৰ উপ-প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থই কয়, 'কবিক শব্দৰ শক্তি বুলি কোৱা হয়। কিন্তু শব্দৰ সমাহাৰেই কবিতা নহয়। নতুন প্ৰজন্মৰ মাজতো সাহিত্য চৰ্চাৰ লগতে সৃষ্টিৰ প্ৰতি আগ্ৰহান্বিত কৰিব লাগিব। বিশ্ব বৰেণ্য লোকসকলৰ জীৱন পৰিক্ৰমা নৱ প্ৰজন্মই সততে অনুধাৱন কৰাটো অতিকৈ প্ৰয়োজন।' অনুষ্ঠানটোত কবি আটাউৰ ৰহমানে কবিতা আবৃত্তি কৰে। সভাখনত হাজো সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক আব্দুল গণিখান চৌধুৰী, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক ড° পৰশমণি দাস, সাহিত্যিক কুশল হালৈয়ে সাহিত্যৰ বিভিন্ন দিশ সম্পৰ্কে ব্যাখ্যা কৰে।

# নাজিৰাৰ সাংবাদিক নেকিবুদ্দিন আহমেদক 'সাহসী' বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ৩১ অক্টোবৰ ঃ** নাজিৰাৰ গেলেকীৰ পৰা 'নিয়মীয়া বাৰ্তা'কে ধৰি সাময়িকভাৱে 'অসমীয়া প্ৰতিদিন' কাকততো স্থানীয় বাতৰি পৰিৱেশনৰ মাজেৰে সাংবাদিকতাৰ সেৱা অব্যাহত ৰখা যুৱ সাংবাদিক নেকিবুদ্দিন আহমেদক ২০২১ৰ 'সাহসী' বঁটা প্ৰদান কৰা হৈছে। যোৱা ২৪ অক্টোবৰত গুৱাহাটীৰ অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় ভৱনৰ জয়ন্ত কুমাৰ বৰুৱা, লখিমী বৰুৱা প্ৰেক্ষাগৃহত সাংবাদিক আহমেদক এই বঁটা আগবঢ়ায় জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈয়ে। অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী, আৰক্ষী বিষয়া মুকুল শইকীয়া, অভিনেত্ৰী চেতনা দাস আৰু সাহসী অসম ভিত্তিত সংগঠনটোৰ সভাপতি তৃষ্ণা নাথ অনুষ্ঠানত উপস্থিত থাকে। আৰক্ষী, সংবাদসেৱাৰ দৰে প্ৰত্যাহ্বানযুক্ত সেৱাৰ ক্ষেত্ৰৰ ব্যক্তিক এই বঁটাৰে সন্মান জনোৱাৰ লগতে শ্ৰম, শিক্ষা, আৰটিআই কৰ্মী, সমাজসেৱাৰে জড়িত ব্যক্তিকো এই বঁটাৰ বাবে নিৰ্বাচিত কৰি এইবাৰ ২০জনৰো অধিক ব্যক্তিক এই বঁটা প্ৰদান কৰা হয়। নাজিৰা প্ৰেছ ক্লাবে সাংবাদিক আহমেদৰ এই বঁটাপ্ৰাপ্তিত অভিনন্দন জনাইছে।

# শোণিতপুৰত ১১৯১গৰাকী হিতাধিকাৰীক ঋণৰ অনুমোদন পত্ৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৩১ অক্টোবৰ ঃ** শোণিতপুৰত মুঠ ৭০ কোটি ১৭ লাখ টকাৰ ঋণ আগবঢ়োৱা হৈছে ১,১১৯জন হিতাধিকাৰীলৈ। ক'ভিড সৃষ্ট পৰিৱেশত হোৱা ব্যৱসায়িক ক্ষতিৰ বিপৰীতে ব্যৱসায় সুস্থিৰ কৰাৰ বাবেই বিভিন্ন বেংকে আগবঢ়াইছে এই ঋণ। দেশৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে বেংকসমূহক শেহতীয়াকৈ দিয়া এক নিৰ্দেশনাৰ ভিত্তিত জিলাখনৰ বিভিন্ন বেংকৰ সহযোগত অগ্ৰণী বেংকৰ দ্বাৰা কালি জনসাধাৰণৰ মাজত ঋণ ব্যৱস্থাৰ প্ৰসাৰৰ লক্ষ্যৰে তেজপুৰৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ঋণ প্ৰসাৰ কাৰ্যসূচীৰ সন্দৰ্ভত এক সভা অনুষ্ঠিত হয়। জিলাখনত বিত্তীয় সেৱাৰ উন্নীতকৰণ আৰু ঋণ বৃদ্ধি ত্বৰান্বিত কৰাৰ লগতে জনসাধাৰণৰ মাজত সামাজিক আঁচনিৰ সম্প্ৰসাৰণ আৰু ডিজিটেল বেংকিং অধিক প্ৰচলিত কৰাৰ উদ্দেশ্যেৰে শোণিতপুৰৰ লীড বেংক কাৰ্যালয়ে উৎসৱৰ বতৰত বিত্তীয় সেৱা সম্প্ৰসাৰিত কৰাৰ বাবে ঋণ প্ৰসাৰ কাৰ্যসূচীৰ অধীনত অভিযান আৰম্ভ কৰে। সভাত শোণিতপুৰ জিলা অগ্ৰণী বেংকৰ প্ৰৱন্ধক বিদ্যা কুমাৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে জিলাখনৰ বিভিন্ন বেংকে মুঠ ১১৯১ গৰাকী হিতাধিকাৰীক মুঠ ৭০.১৭ কোটি টকা ঋণৰ অনুমোদন পত্ৰ বিতৰণ কৰে বুলি উল্লেখ কৰে। ভাৰপ্ৰাপ্ত উপায়ুক্ত ৰমী বৰুৱাই ক'ভিড মহামাৰীৰ ফলত গ্ৰাহকসকলৰ পুঁজি হ্ৰাস হোৱাৰ ফলত তেওঁলোকে ব্যৱসায় পুনৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত বেংকসমূহে এই গ্ৰাহকসকলৰ মাজত ঋণ প্ৰদান কৰা কাৰ্যত আনন্দ প্ৰকাশ কৰাৰ লগতে বিভিন্ন বেংকৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে আৰু লগতে গ্ৰাহকসকলক বেংকৰ নীতি-নিয়ম অনুসৰি সময় মতে তেওঁলোকৰ ঋণৰ কিস্তি পৰিশোধ কৰিবলৈ আহ্বান জনায়। সভাত আৰক্ষী অধীক্ষক ড° ধনঞ্জয় পি ঘনাৱট, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্য, ইউকো বেংকৰ যোৰহাট জিলা ক্ষেত্ৰীয় কাৰ্যালয়ৰ মহাপ্ৰৱন্ধক অভিজিৎ দাস, নাবাৰ্ডৰ ডি ডি এম প্ৰিতম দেৱ নাথ প্ৰমুখ্যে বিভিন্ন বেংকৰ মুখ্য প্ৰৱন্ধকসকলে তেওঁলোকৰ বহুমূলীয়া বক্তব্যসমূহ দাঙি ধৰে।

# কাজলগাঁৱত পথ দুৰ্ঘটনাত কৃষক নিহত

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও/গৰুভাষা, ৩১ অক্টোবৰ ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁৱত এক শোকাৱহ পথ দুৰ্ঘটনাত এজন ৬০ৰউৰ্ধ্ব কৃষকে কৰুণ মৃত্যুক আঁকোৱালি লয়। চিৰাং জিলা সদৰ কাজলগাঁৱৰ পাৰ্শ্ববৰ্তী মংলাগাঁও নিৱাসী স্বৰ্গীয় তৰণী সৰকাৰৰ পুত্ৰ জলধৰ সৰকাৰ (৬৩) নামৰ লোকজনে নিজগাঁৱৰ পৰা চাইকেলেৰে মংলাগাঁও চ'কলৈ বুলি কাজলগাঁও-ডাংতল গড়কাপ্তানী পথছোৱাৰে যাবলৈ ওলাওতে বাসগৃহৰ সন্মুখতে কাজলগাঁৱৰ পৰা ডাংতল অভিমুখে এ এছ-১৯কিউ-৩৫৮৭ নম্বৰৰ স্কুটীৰে গৈ থকা আৰোহীয়ে তীব্ৰবেগে খুন্দিওৱাৰ ফলত সৰকাৰ পকী পথছোৱাত ছিটিকি পৰে। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছতেই তেওঁ অচেতন হৈ পৰে। পাছত স্থানীয় লোকে মূৰ, বুকু, হাত, ভৰিত বেয়াকৈ আঘাতপ্ৰাপ্ত জলধৰক ততাতৈয়াকৈ কাজলগাঁওস্থিত জে এছ বি অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও অৱস্থা গুৰুতৰ দেখি চিকিৎসকে অইন চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পাছত সহজ সৰল স্বভাৱৰ কৃষক জলধৰক বঙাইগাঁওস্থিত লৱাৰ আছাম হাস্পতাললৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। যোৱা নিশা কাজলগাঁও অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰখা জলধৰৰ মৃতদেহ আজি মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি পৰিয়ালৰ লোকক গতাই দিয়াৰ পাছত আজি আবেলি চাৰি মান বজাত অন্তিম সৎকাৰ কৰা হয়। বিগত তিনি বছৰত কাজলগাঁও-ডাংতল গড়কাপ্তানী পথত শালঝোৰা আৰু মংলাগাঁৱতেই সংঘটিত কে'বাটাও পথ দুৰ্ঘটনাত সঞ্জয় দত্ত, মোহন শিকদাৰ, দুলালী সৰকাৰ, স্বৰ্গীয় খগেন চক্ৰৱৰ্তীৰ বৃদ্ধা পত্নীকে ধৰি কে'বাজন লোকে অকাল মৃত্যুক আঁকোৱালি লোৱাৰ উপৰি আন বহুসংখ্যক লোক ঘুণীয়া হ'বলগীয়া হৈছে। গড়কাপ্তানী পথছোৱাৰ দুয়োকোষে কে'বাখনো বিদ্যালয় থকাৰ প্ৰতি লক্ষ্য ৰাখি গুৰুত্বপূৰ্ণ ঠাইসমূহত স্পীড ব্ৰেকাৰ দিয়াৰ দাবী উত্থাপন কৰিছে স্থানীয় লোকে।

# মৰিয়নিত ১০৬ টকা হ'ল প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য-ডিজেল ৯৮.৬৫ টকা

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৩১ অক্টোবৰ ঃ** ৰাজ্যৰ স্থান ভেদে পেট্ৰ'ল-ডিজেলৰ মূল্যও ভিন ভিন হৈছে। মৰিয়নিত আজি প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১০৬ টকা হয়। আনহাতে, ডিজেলৰ মূল্য হ'ল ৯৮.৬৫ টকা। বিশেষকৈ ডিজেলৰ অভাৱনীয় মূল্য বৃদ্ধি হোৱাত মৰিয়নিত নিত্য ব্যৱহাৰ্য সামগ্ৰীকে ধৰি সকলো সামগ্ৰীৰ মূল্য বৃদ্ধিৰ গতিও অব্যাহত আছে।

# বৰপেটাত 'আকাশৰ বুকুত জোনৰ চাকি' উন্মোচন
## অধ্যয়ন নহ'লে সাহিত্য সৃষ্টি সফল হ'ব নোৱাৰে

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩১ অক্টোবৰ ঃ** হাইস্কুলীয়া জীৱনৰ পৰাই কাব্য চৰ্চা কৰি অহা বৰপেটা দক্ষিণহাটী নিবাসী শিখা বায়ন ভূঞাৰ স্ব-ৰচিত কবিতা পুথি 'আকাশৰ বুকুত জোনৰ চাকি' উন্মোচন কৰা হয়। বৰপেটা প্ৰেছ ক্লাবৰ সভাকক্ষত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৫৯টা কবিতা আৰু তিনিটা গীত সন্নিবিষ্ট কাব্য পুথিখন উন্মোচন কৰে বৰপেটা লেখিকা সমাৰোহৰ সম্পাদিকা নঞ্জু দত্তই। কাব্য পুথিখন উন্মোচন কৰি দিয়া ভাষণত দত্তই কয়, 'ৰস আৰু জ্ঞানৰ সংযোজনে হৈছে সাহিত্য। তেওঁ কয়, 'অধ্যয়ন নকৰিলে সাহিত্য সৃষ্টিত সফল হব নোৱাৰি।' মুখ্য অতিথি হিৰণ শইকীয়া লহকৰে কয়, 'মাতৃভাষাৰ সেৱা কৰিলেহে নিজৰ জাতিৰ ভাষা সংস্কৃতি জীয়াই ৰাখিব পৰা যাব।' তেওঁ পুনৰ কয় কম কথাৰে মনৰ ভাৱ প্ৰকাশ কৰি কবিতা সৃষ্টিত মনোনিৱেশ কৰিব লাগে। উক্ত সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে কবি সতীশ চন্দ্ৰ দাসে। জোনাক বল ভাল পায় কাৰণে কাব্য গ্ৰন্থখনৰ নামকৰণ আকাশৰ বুকুত জোনাকৰ চাকি ৰখা বুলি ব্যক্ত কৰে গ্ৰন্থকাৰ বায়নে।

# অসম ৰাজ্যিক শিক্ষক কৰ্মচাৰী সংস্থা, ২০১৩ প্ৰাদেশীকৃত সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩১ অক্টোবৰ ঃ** কৃষ্ণনগৰ উদয়ন সংঘৰ গুৱাহাটীৰ প্ৰেক্ষাগৃহত কালি নৱপ্ৰাদেশীকৃত প্ৰাথমিক (নিম্ন আৰু উচ্চ) শিক্ষক সন্থা অসম আৰু হাইস্কুল অৱসৰপ্ৰাপ্ত কৰ্মৰত শিক্ষক-কৰ্মচাৰী সন্থাৰ উদ্যোগত এখন প্ৰতিনিধি সভা হয়। সভাত সভাপতিত্ব কৰে গোলাপ চন্দ্ৰ নাথে। সভাত অসমৰ সৰহ সংখ্যক জিলা প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষক প্ৰতিনিধিসকল উপস্থিত থাকে। উক্ত সভাতে ২০১৩ৰ প্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰীক এনপিএছ মুক্ত কৰি অপিএছ পোৱাৰ বাবে চৰকাৰক অনুৰোধ জনাই সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰতিটো সন্থাই বিভাগীয়ভাৱে চৰকাৰৰ লগতে যোগাযোগ কৰি ফলপ্ৰসূ সমাধান পোৱাৰ বাবে এখন মঞ্চ তৈয়াৰ কৰাৰ বাবে চিন্তা-চৰ্চা কৰি সৰ্বসন্মতি ক্ৰমে পৰামৰ্শ আগবঢ়ায়। সভাত সৰ্বসন্মতিক্ৰমে 'অসম ৰাজ্যিক শিক্ষক-কৰ্মচাৰী সন্থা ২০১৩ প্ৰাদেশীকৃত' নামেৰে নামাকৰণ কৰি ৰাজ্যিক পৰ্যায়ৰ এখন সমিতি গঠন কৰা হয়।

# মাটিৰ চাকি প্ৰস্তুত কৰিবলৈ কেঁচা সামগ্ৰীৰ অভাৱ
## ■ সংকটত উত্তৰ-পূব যোৰহাটৰ মৃৎ শিল্প

**অগ্ৰদূত বাৰ্তা**
**টীয়ক, ৩১ অক্টোবৰ ঃ** চীনৰ সামগ্ৰীক প্ৰত্যাহ্বান জনাই অসমৰ মৃৎ শিল্পীসকলে প্ৰতিবছৰে দিপাৱলীৰ কাৰণে মাটিৰ চাকি তৈয়াৰ কৰি সমগ্ৰ ৰাজ্যখনতে এখন বজাৰ দখল কৰিবলৈ সক্ষম হয়। বৰ্তমান মিঠাতেলৰ জুই চাই দামে পোহৰৰ উৎসৱ অনুষ্ঠিত কৰাৰ আশাত চেঁচাপানী ঢালিছে। বিগত দুই বছৰ ক'ভিডে জুৰুলা কৰাৰ পাছত জীৱন আৰু জীৱিকাৰ পথ বৰ্তমান কিছু স্বাভাৱিক হৈছিল যদিও দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ অত্যাধিক মূল্যবৃদ্ধিয়ে জুৰুলা কৰিছে। ফলত উত্তৰ-পূব যোৰহাটৰ ঐতিহাসিক নিমাতীৰ ভিতৰ ককিলা কুমাৰ গাঁৱৰ পৰা আৰম্ভ কৰি জাঁজীমুখৰ চিনাতলী, কুমাৰ গাঁও, দুইনৈমুখ, কুমাৰগাঁৱৰ মৃৎ শিল্পীসকলে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। সমস্যাৰ মাজতো দেৱালীক আদৰাৰ কাৰণে উক্ত গাঁওসমূহৰ শিল্পীসকলে মাটিৰ চাকি আৰু অন্যান্য সামগ্ৰী প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰিছে। উল্লেখ্য যে যোৰহাট জিলাৰ ঐতিহাসিক উক্ত গাঁওসমূহৰ অধিকাংশ পৰিয়ালৰ পুৰুষ-মহিলাই মৃৎ শিল্পৰ যোগেদি পৰিয়াল পোহপাল দি আহিছিল যদিও বৰ্তমান আধুনিক প্ৰযুক্তি কৌশলৰ অভাৱে তেওঁলোকক অসুবিধাত পেলাইছে। অধিকাংশ পৰিয়াল আৰ্থিকভাৱে স্বচ্ছল নোহোৱাৰ বাবে উন্নত প্ৰযুক্তি কৌশলৰ যোগেদি দীৰ্ঘম্যাদী আঁচনিৰে শিল্পটোক জীয়াই ৰাখিবলৈ ব্যৰ্থ হৈছে। মৃৎ শিল্পীসকলে কষ্টৰে কেঁচা সামগ্ৰী দূৰৈৰ পৰা কঢ়িয়াই আনিবলগীয়া হয়। বিক্ৰী কৰা সামগ্ৰীৰ উপযুক্ত মূল্যও নাপায় বুলিও তেওঁলোকে ব্যক্ত কৰিছে। একেদৰে ৰজাঘৰিয়া অনীহাৰ বাবে এই শিল্পটো সংকটৰ সন্মুখীন হৈছে। উন্নয়নৰ ঢাক ঢোল বজোৱা বিজেপি চৰকাৰখনে এই শিল্পসমূহ জীয়াই ৰখাৰ কাৰণে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাটো পৰিতাপৰ বিষয়।



# দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ নতুন সমিতিলৈ বিভিন্নজনৰ অভিনন্দন

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ৩১ অক্টোবৰ**
দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ নৱ-নিৰ্বাচিত সভাপতি শিক্ষাবিদ তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুলেন্দ্ৰ নাথ ডেকা আৰু নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক সাংবাদিক তথা সাংস্কৃতিক কৰ্মী নৱ কুমাৰ শইকীয়ালৈ দৰঙৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে অভিনন্দন জনাইছে। সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া, সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ বিত্তীয় সম্পাদক খনীন্দ্ৰ ৰাজবংশী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ উপদেষ্টা ভৱেশ কাকতি, সভাপতি দিগন্ত ডেকা আৰু সাধাৰণ সম্পাদক পংকজ ডেকা, দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী, আসাম প্ৰেছ ক'ৰেছপন্‌ডেণ্টছ ইউনিয়ন চমুকৈ আপকুৰ দৰং জিলা সমিতিৰ সভাপতি ৰত্নেশ্বৰ চহৰীয়া আৰু সম্পাদক মকছেদ আলি, মঙলগৈ প্ৰেছ ক্লাৱৰ সভাপতি মদন বৰুৱা আৰু সম্পাদক লক্ষীনন্দন কলিতা, সমন্বয় আঞ্চলিক মহিলা সমাজ, দৰঙৰ সভানেত্ৰী কিশোৰী শইকীয়া আৰু সম্পাদিকা পিংকুমনি হাজৰিকা, মঙলদৈ ইউথ ক্লাবৰ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, জ্যোতি চিত্ৰবমৰ উপাধ্যক্ষ অশোক ভাৰ্গৱ, বিষ্ণুৰাভা বঁটাপ্ৰাপক লোকশিল্পী গুৰুদ্ৰোৰ্ন ভূঞাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰং জিলা সমিতিয়ে দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ নৱনিৰ্বাচিত সভাপতি আৰু সাধাৰণ সম্পাদকৰ স'তে নতুন সমিতিখনলৈ শুভেচ্ছা তথা অভিনন্দন জনাইছে। নতুন সমিতিখনে দৰঙৰ লোকশিল্পী সকলক সংঘবদ্ধ কৰি নব্য চিন্তাৰে আগুৱাই নিব বুলি আশা প্ৰকাশ কৰিছে।

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ১ নৱেম্বৰ, ২০২১, সোমবাৰ, পৃষ্ঠা ১৪

■ স্বাস্থ্য বিভাগৰ ফোঁপোলা স্বৰূপ ■ সাত মাহ ধৰি ৰোগীয়ে লেব’ৰেটৰীৰ সুবিধা নোপোৱাৰ অভিযোগ

# প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ড্ৰেছাৰৰ অভাৱ




**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩১ অক্টোবৰ**
যি সময়ত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বাস্থ্য বিভাগক অধিক শক্তিশালী ৰূপত নিয়াৰ বাবে দিন-ৰাতি একাকাৰ কৰি কষ্ট কৰি ঘুৰি ফুৰিছে, ঠিক সেই সময়তে একাংশ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীৰ গুৰুত্বহীনতা, অমনোযোগিতা তথা দুৰ্নীতিপৰায়ণ মনোভাৱৰ বাবে সেয়া যেন বাস্তৱত ৰূপায়িত হোৱা নাই। তেনে এক উদাহৰণ হ’ল নলবাৰী জিলাৰ অন্তৰ্গত ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ। চিকিৎসালয়খনত প্ৰায় কুৰি বছৰ ধৰি ড্ৰেছাৰ নিযুক্তি নোহোৱা ৰোগীসকল অসুবিধাত পৰাৰ উপৰি প্ৰায় সাত-আঠ মাহ ধৰি লেব’ৰেটৰী কেন্দ্ৰৰ পৰা নিতৌ অহা ১০০-২০০ ৰোগীয়ে লেব’ৰেটৰীৰ সুবিধাৰ পৰা বঞ্চিত হৈ ব্যক্তিগত লেব’ৰেটৰীত ধন ভৰি বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰি আহিছে যদিও তাৰ পাছতো স্বাস্থ্য বিভাগৰ বৰমুৰীয়াৰ মুঠে গা লৰা পৰিলক্ষিত হোৱা নাই বুলি অভিযোগ কৰিছে যুৱ ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে। ইতিমধ্যে চিকিৎসালয়খনত একাংশ কৰ্মচাৰীৰ লগতে এন আৰ এইছ এমৰ সৰহ সংখ্যক কৰ্মচাৰীয়ে কৰ্তব্যত ফাঁকি দি অহাৰ ৰাজহুৱা অভিযোগ উঠিছে। শেহতীয়াভাৱে এন আৰ এইছ এমৰ একাংশ লোকে চৰকাৰী ধনৰ অপচয় কৰাৰ প্ৰতিযোগিতাত নমাৰ বিপৰীতে চিকিৎসা পৰিভ্ৰমণৰ নামতো ব্যাপক খেলি-মেলি কৰা বুলিও অভিযোগ দীৰ্ঘদিনীয়া। ইফালে, ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ নামত প্ৰতিখন মহকুমা চিকিৎসালয়ৰ অন্তৰ্গত উপস্বাস্থ্য কেন্দ্ৰলৈ ৰাজ্য চৰকাৰে প্ৰতিবছৰে ব্যাপক হাৰত আন্তঃগাঁঠনিৰ ধনকে ধৰি বিভিন্ন আঁচনি দি আহিছে যদিও ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত কুৰিখন উপস্বাস্থ্য কেন্দ্ৰৰে অধিকাংশতে এই ধনৰ সদ্ ব্যৱহাৰ হোৱা নাই বুলি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে অভিযোগ উত্থাপন কৰিছে, লগতে যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ উপদেষ্টা ইন্তাজ আলী, সভাপতি আনোৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক নৱজ্যোতি কলিতাই চিকিৎসালয়খনত ৰোগী অনুপাতে ঔষধ-ডাক্তৰৰ অভাৱ দূৰ কৰাৰ লগতে দীৰ্ঘদিনীয়া ড্ৰেছাৰ সমস্যাৰ উপৰি চিকিৎসালয়খনত চৰকাৰে আবণ্টন দিয়া চৰকাৰী ধনৰ সদ্ ব্যৱহাৰ কৰাৰ বাবে অসম চৰকাৰ তথা স্বাস্থ্য বিভাগক দাবী জনাইছে। উল্লেখ্য যে নলবাৰী জিলাৰ সদৰ বিধানসভাৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ মাজমজিয়াত অৱস্থিত মহকুমা চিকিৎসালয়খন হ’ল বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ৮০ হেজাৰ গ্ৰাম্য জনসাধাৰণৰ একমাত্ৰ চিকিৎসাস্থলী।

## বিহপুৰীয়াত ‘তোমাৰ পৰশত’ দৃশ্য শ্ৰব্য গীতৰ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ৩১ অক্টোবৰ ঃ** বিহপুৰীয়াত কালি ‘তোমাৰ পৰশত’ নামৰ এটি দৃশ্য শ্ৰব্য গীতৰ উন্মোচন কৰা হয়। সমাজ সেৱিকা পল্লৱী নেওগ প্ৰযোজিত আৰু ৰচিত, কেশৱ বৰুৱাৰ সুৰ আৰু কণ্ঠ, ইমন গোস্বামীৰ সংগীত, উজ্জ্বল বৰ্মনৰ চিত্ৰগ্ৰহণ, সুমিত বৰুৱাৰ সংগীত পৰিচালনা, কেশৱ বৰুৱা, সুৰভি নেওগে অভিনয় কৰা গীতটো উন্মোচন কৰে সংগীত সাধনা একাডেমীৰ অধ্যক্ষ তথা সহকাৰী শিক্ষক দিলীপ পূজাৰীয়ে। এই উপলক্ষে বিয়লি তিনি বজাৰ পৰা বিহপুৰীয়া প্ৰেছ ক্লাবত উন্মোচনী অনুষ্ঠান আৰম্ভ হয়। বিহপুৰীয়া শাখা সাহিত্য সভাৰ সম্পাদক প্ৰবীণ হাজৰিকাই আঁত ধৰা, গীতৰ প্ৰযোজিকা পল্লৱী নেওগে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সভাপতিত্ব কৰে বিহপুৰীয়া প্ৰেছ ক্লাবৰ উপ-সভাপতি নৱজ্যোতি শৰ্মাই। অনুষ্ঠানত ডম্বৰুধৰ নেওগ, মনোজ বৰা, দিগন্ত নেওগ, ত্ৰৈলোক্য নন্দন কাকতি, কৃষ্ণ কমল শইকীয়া, নীৰপ্ৰভা ফুকন, গোলাপী বৰা আদি বিশিষ্ট ব্যক্তিসকলে ভাষণ দিয়াৰ লগতে স্বৰ্ণপ্ৰভা নেওগ, ৰীতা শৰ্মা, মৃদুলা দেৱী, লিলি বৰা, লখিমপুৰ জিলা অক্সিজেন বেংকৰ বিষয়ববীয়া, সদস্য প্ৰমুখ্যে বহু সংখ্যক আমন্ত্ৰিত অতিথিয়ে অংশগ্ৰহণ কৰে।

## ১৬-১৯ নৱেম্বৰত বৰভাগ গ্ৰন্থমেলাৰ আয়োজন

■ সাহিত্য-সংস্কৃতি, আলোচনাচক্ৰৰ লগতে প্ৰতিযোগিতামূলক অনুষ্ঠানৰ সমাহাৰ

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ৩১ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অহা ১৬, ১৭, ১৮ আৰু ১৯ নৱেম্বৰত অনুষ্ঠিত হ’ব বৰভাগ গ্ৰন্থমেলা। এই উপলক্ষে আজি বৰভাগ মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। ‘বৰভাগ গ্ৰন্থমেলা ২০২১’ পৰিচালনা সমিতিৰ সভাপতি ড° চন্দন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত




সভাখনত উক্ত গ্ৰন্থমেলাখনৰ অগ্ৰগতিৰ ওপৰত বক্তব্য প্ৰদান কৰে গ্ৰন্থমেলা পৰিচালনা সমিতিৰ সম্পাদক প্ৰদীপ মহন্তই। বৰভাগৰ স্বেচ্ছাসেৱী অনুষ্ঠান ‘সন্ধান’ৰ উদ্যোগত বৰভাগ মহাবিদ্যালয়, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, নলবাৰী আৰু বৰভাগবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত হ’বলগা গ্ৰন্থমেলা সাফল্যমণ্ডিত কৰাৰ বাবে বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ ডেকা, অৱসৰপ্ৰাপ্ত অধ্যাপক কনক চন্দ্ৰ লহকৰ, সাংবাদিক ৰমেন কলিতা, দণ্ডীৰাম দাস, কিশোৰ কুমাৰ কলিতা, পংকজ কলিতা, দিনমণি তালুকদাৰ আদিয়ে বক্তব্য প্ৰদান কৰে। ‘সন্ধান’ৰ তাজিমউদ্দিন আহমেদে আঁত ধৰা সভাখনত গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ ওপৰত আলোকপাত কৰা হয়। উক্ত গ্ৰন্থমেলাৰ মঞ্চত সাহিত্য-সংস্কৃতি, বিভিন্ন প্ৰতিযোগিতাৰ লগতে আলোচনাচক্ৰ, ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ অনুষ্ঠান আদি অনুষ্ঠিত হ’ব বুলি সম্পাদকে প্ৰকাশ কৰে।

## চামগুৰিত ক’ভিড-১৯ত দুজন আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ৩১ অক্টোবৰ ঃ** নগাঁও জিলাৰ চামগুৰিত পুনৰ কৰ’না সংক্ৰমণ ঘটিছে। দীৰ্ঘদিন ধৰি চামগুৰিত ক’ভিড সংক্ৰমণৰ ঘটনা পৰিলক্ষিত হোৱা নাছিল যদিও কালি দুজনকৈ লোকৰ দেহত ক’ভিডৰ উপস্থিতি ধৰা পৰাত চামগুৰিৰ ৰাইজ শংকিত হৈছে। চামগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কৰ’না পৰীক্ষা কৰিবলৈ যোৱাৰ পাছতে লোক দুজনৰ দেহত ক’ভিড-১৯ৰ অৱস্থিতি ধৰা পৰে বুলি স্বাস্থ্য কেন্দ্ৰৰ সূত্ৰই উল্লেখ কৰিছে। তেজপুৰ বিশ্ববিদ্যালয়ত অধ্যয়নৰত চামগুৰিৰ ছাত্ৰ তন্ময় কাশ্যপ দাস (২১) আৰু তেওঁৰ পিতৃ তীৰ্থ দাস (৫৬) কালি চিকিৎসালয়খনত ক’ভিড পৰীক্ষা কৰিবলৈ গৈছিল। স্বাস্থ্যকৰ্মীয়ে পিতা-পুত্ৰ দুয়োৰে ৰেপিড এন্টিজেন পৰীক্ষা কৰাত দুয়ো পজিটিভ বুলি ধৰা পৰে। চামগুৰিৰ বিভিন্ন সামাজিক ক্ষেত্ৰত সৰৱ ভূমিকা পালন কৰি অহা তীৰ্থ দাস আৰু তেওঁৰ পুত্ৰক পাছত চামগুৰিৰ স্বাস্থ্য বিভাগে নগাঁও ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত থকা ক’ভিড কেয়াৰ কেন্দ্ৰলৈ প্ৰেৰণ কৰে। চামগুৰিৰ স্বাস্থ্য বিভাগ অধিক সক্ৰিয় হৈছে। ক’ভিডৰ দ্বিতীয়তো লহৰত চামগুৰিৰ কে’বা শতাধিক লোক আক্ৰান্ত হোৱাৰ লগতে বহুকেইজন লোকে প্ৰাণ হেৰুৱাব লগীয়াত পৰিছিল। শেহতীয়াকৈ চামগুৰিৰ বহু কেইটা অঞ্চলৰ লোকৰ মাজত জ্বৰ, চৰ্দি, কাহৰ প্ৰাদুৰ্ভাৱ হোৱা পৰিলক্ষিত হৈছে যদিও স্বাস্থ্য কেন্দ্ৰলৈ গৈ ক’ভিড পৰীক্ষা নকৰোৱাত শংকিত হৈছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজ। তদুপৰি চামগুৰিৰ দোকান, পোহাৰ, বজাৰ, গাড়ী, মটৰ আৰু চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহতো মাস্ক পৰিধান নকৰাত আগন্তুক দিনত অশনি সংকেত কঢ়িয়াই আনিছে।

## বৰডুবিত অগ্নিকাণ্ড



**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ৩১ অক্টোবৰ ঃ** কালি সন্ধিয়া বৰডুবি আৰক্ষী থানাৰ অন্তৰ্গত বৰডুবি বজাৰৰ সমীপৰ নিৱাসী মনোজ প্ৰজাপতিৰ ঘৰত ভয়াৱহভাৱে অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ সূত্ৰপাত বিদ্যুৎ বিজুতিৰ ফলত সংঘটিত হয় বুলি পৰিয়ালে সাংবাদিকক কয়। অগ্নিকাণ্ডৰ সময়ত ব্যৱসায়ী প্ৰজাপতিৰ লগতে পত্নী, মাক আৰু পুত্ৰ আছিল যদিও কথমপি ৰক্ষা পৰে। ঘটনাৰ খবৰ পায়েই ঘটনাস্থলীত স্থানীয় লোক উপস্থিত হৈ ঘৰৰ আচবাব কিছু ৰক্ষা কৰাৰ চেষ্টা কৰে। ঘটনা সন্দৰ্ভত অৱগত হৈ অইলৰ অগ্নিনিৰ্বাপক বাহিনীৰ দল উপস্থিত হৈ জুই নুমাবলৈ সক্ষম হয়। যথা সময়ত অগ্নিকাণ্ডৰ জুই নুমুওৱাৰ বলত প্ৰজাপতিৰ ঘৰৰ গাতে লাগি থকা অৰ্ধশতাধিক ঘৰ ৰক্ষা পৰে। অগ্নিকাণ্ডৰ ফলত ২৫ লাখ টকাৰ মূল্যৰ সা-সম্পত্তি জুইত জাহ যায়।

## বাগ্‌সাৰ যুৱতী হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তিৰ দাবী আছাৰ

**অগ্ৰদূত বাৰ্তা**
**বহলপুৰ, ৩১ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ বাগানপাৰাত যোৱা ২৪ অক্টোবৰত ধৰ্ষণ কৰি হত্যা কৰা ২২ বছৰীয়া যুৱতীগৰাকীৰ নৃশংস হত্যাকাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা দিছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ ধুবুৰী জিলা সমিতিয়ে। এক বিবৃতিত আছাৰ ধুবুৰী জিলা সমিতিৰ সভাপতি বাবলু মুণ্ডা আৰু সাধাৰণ সম্পাদক টাৰজেন কুজুৰে ধৃত হত্যাকাৰীৰ দৃষ্টান্তমূলক কঠোৰ শাস্তিৰ দাবী জনায়, যাতে সমাজত এনে ধৰণৰ বিকৃত মানসিকতাৰ লোকে অদূৰ ভৱিষ্যতে সামাজিক বাতাবৰণ বিনষ্ট কৰিব নোৱাৰে। বিবৃতিত আছাৰ নেতাদ্বয়ে দুৰ্ভগীয়া পৰিয়ালটোক ২০ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈকো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দাবী জনায়।

## ইভটিজিমত জড়িত যুৱকৰ বিৰুদ্ধে কঠোৰ আৰক্ষী

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩১ অক্টোবৰ ঃ** ইভটিজিমত জড়িত একাংশ যুৱকৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে নগাঁও আৰক্ষীয়ে। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সন্মুখৰ ফুটব্ৰীজত আড্ডা দি মহাবিদ্যালয়খনৰ ছাত্ৰীক অভব্য আচৰণ কৰা, অশালীন ইংগিত দিয়া একাংশ যুৱকৰ বিৰুদ্ধে কালি আৰক্ষী বিষয়া অঞ্জুশ্ৰী কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে লাঠি চাৰ্জ কৰে। আৰক্ষীয়ে অনাগত সময়তো এনে অভিযান অব্যাহত ৰাখিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে নগাঁও জিলাৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ সন্মুখত একাংশ যুৱকে ছাত্ৰীক অভব্য আচৰণ কৰাটো পৰিলক্ষিত হয়।

## মাজুলী মহাবিদ্যালয়ত ‘ক্লিন মাজুলী, ছেভ মাজুলী’ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ৩১ অক্টোবৰ ঃ** চলিত বৰ্ষৰ অক্টোবৰত সমগ্ৰ দেশজুৰি ৰূপায়ণ কৰা ‘ক্লিন ইণ্ডিয়া ২০২১’ কাৰ্যসূচীৰ লগত সংগতি ৰাখি যোৱা ৩০ অক্টোবৰত মাজুলী মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটৰ সৌজন্যতো এক ব্যতিক্ৰমী কাৰ্যসূচী পালন কৰা হয়। ক্লিন মাজুলী, ছেভ আৰ্থ নামকৰণেৰে অনুষ্ঠিত কৰা এই কাৰ্যসূচী উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা আয়োজিত কাৰ্যসূচীৰ জৰিয়তে মাজুলীৰ অন্যতম ব্যস্ত অঞ্চল কমলাবাৰী পাৰঘাট তথা কমলাবাৰী চাৰিআলিত পেলনীয়া প্লাষ্টিক জাতীয় সামগ্ৰী সংগ্ৰহ কৰাৰ লগতে



অঞ্চলটোৰ ৰাইজৰ মাজত প্লাষ্টিকৰ ভয়াৱহতাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এক অভিযান আৰম্ভ কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মাজুলী মহাবিদ্যালয় গোটৰ কাৰ্যক্ৰম বিষয়া, অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁইৰ নেতৃত্বত ২০জনৰো অধিক স্বেচ্ছাসেৱকে এই সজাগতা অভিযানত অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অন্তত দলটোৱে উক্ত অঞ্চলকেইটিৰ পৰা ২০ বস্তা পেলনীয়া প্লাষ্টিক জাতীয় সামগ্ৰী সংগ্ৰহ কৰে আৰু পৰৱৰ্তী সময়ত ইয়াক জিলা পৰ্যায়ৰ সংশ্লিষ্ট বিষয়াৰ হাতত অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## অসম নাট্য সন্মিলন হাজো শাখাৰ প্ৰতিষ্ঠা দিনৰ স্মৃতিত সোঁৱৰণী দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৩১ অক্টোবৰ ঃ** অসম নাট্য সন্মিলন হাজো শাখাৰ প্ৰতিষ্ঠা দিনৰ সোঁৱৰণৰ উদ্দেশ্যে আজি তীৰ্থনগৰী হাজোত সোঁৱৰণী দিৱস অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীত মুক্তি যুঁজাৰু মমত চন্দ্ৰ মজুমদাৰৰ স্মৃতি চিহ্ন সংৰক্ষিত বাকৰি পিতনিত পুৱা ন বজাত অসম নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰে অসম নাট্য সন্মিলন হাজো শাখাৰ সভাপতি বাবুল মজুমদাৰে। ইয়াৰ পাছত স্মৃতি তৰ্পণ কৰে হাজো ৰাইজ কমিটীৰ সম্পাদক গৌতম শইকীয়াই। বন্তি প্ৰজ্বলন কৰে সুৰেণ দাস মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° জয়ন্ত কুমাৰ দাসে। সমান্তৰালভাৱে দিনৰ ১১ বজাত প্ৰতিষ্ঠা দিনৰ সোঁৱৰণী সভাখন হাজোৰ সাতদলা (নদীৰ পাৰ)ত অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে অসম নাট্য সন্মিলন হাজো শাখাৰ কাৰ্যকৰী সভাপতি শংকৰ দাসে। সভাখনৰ আঁত ধৰে অসম নাট্য সন্মিলন হাজো শাখাৰ সম্পাদক কিচিন দাসে। অসম নাট্য সন্মিলন হাজো শাখাই বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আজি অসমৰ নাট্য ক্ষেত্ৰত এটি আগশাৰীৰ পৰ্যায়ত মনোনীত হ’বলৈ সক্ষম হৈছে বুলিও উল্লেখ কৰে অসম নাট্য সন্মিলন হাজো শাখাৰ সম্পাদক দাসে। তদুপৰি সভাখনত আলোচকৰূপে ড° প্ৰবীণ চন্দ্ৰ দাস, আমন্ত্ৰিত অতিথিৰূপে সমিন কলিতা, বিশিষ্ট অতিথি মনোৰঞ্জন মেধি, ৰমনী মালাকৰ, ডাঃ দিলীপ কুমাৰ কলিতা, ডাঃ ৰাধাচৰণ ৰাভা, উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যাপক ডেনিচ ৰাভা, শিশু সাহিত্য উত্তৰণৰ সাংগাঠনিক সম্পাদক বিবেকানন্দ দাস উপস্থিত থাকে।

## কানৈ মহাবিদ্যালয়ত ‘লিটল ফ্ৰি গ্ৰন্থাগাৰ’ উদ্বোধন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড় ৩১ অক্টোবৰ ঃ** ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত আজি ‘লিটল ফ্ৰি গ্ৰন্থাগাৰ’ মুকলি কৰে ডিব্ৰুগড় জিলাৰ পূব ৰাজহ চক্ৰ বিষয়া ঝৰ্ণা পাটগিৰিয়ে। গ্ৰন্থাগাৰটো মুকলি কৰি তেওঁ কয়— ‘শিক্ষানুষ্ঠানৰ চৌহদত এনে ক্ষুদ্ৰ গ্ৰন্থাগাৰ মুকলি কৰা এয়াই তেওঁৰ অনন্য অভিজ্ঞতা।’ মহাবিদ্যালয়খনৰ এনে অভিনৱ কাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিব বুলি উল্লেখ কৰি কয়— এখন শিক্ষানুষ্ঠানে শ্ৰেণীকোঠাৰ বাহিৰেও অন্যান্য বিভিন্ন পদ্ধতিৰে শিক্ষা আৰু জ্ঞান ছাত্ৰ-ছাত্ৰীসকলক দিব পাৰে। তেওঁ কয় যে কানৈ মহাবিদ্যালয়ৰ চৌহদত গঢ়ি তোলা এনে গ্ৰন্থাগাৰ অন্যান্য শিক্ষানুষ্ঠানসমূহকো গঢ়ি তুলিবলৈ আহ্বান জনায়। চক্ৰ বিষয়াগৰাকীয়ে কয় যে জ্ঞান আৰু শিক্ষা আহৰণৰ যোগেদিহে দেশ আৰু জাতিক আগুৱাই নিব পাৰি। অধ্যয়নৰ যোগেদিহে দেশ, জাতি আৰু সমাজক শক্তিশালী কৰি তুলিব পাৰে। কানৈ মহাবিদ্যালয়ে গ্ৰহণ কৰা এনে ব্যতিক্ৰমী চিন্তা ধাৰাই ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিবলৈ চেষ্টা কৰাৰ বাবে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় ‘এই গ্ৰন্থাগাৰে ছাত্ৰ-ছাত্ৰীসকলক বাতৰিকাকত, আলোচনী তথা অন্যান্য গ্ৰন্থ অধ্যয়নৰ সুযোগ প্ৰদান কৰিব।’চৌহদৰ সেউজ দলিচাত বহি ছাত্ৰ-ছাত্ৰীসকলে এই গ্ৰন্থাগাৰৰ মুকলিকৈ সুবিধা গ্ৰহণ কৰিব পাৰিব বুলিও কয়। ইয়াৰ পূৰ্বে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই পাটগিৰিক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ভালেকেইগৰাকী কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।



## খোৱাঙত ছাত্ৰ নিৰুদ্দেশ আলফালৈ যোৱাৰ সন্দেহ



**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ৩১ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং আৰক্ষী থানাৰ অন্তৰ্গত খোৱাং বাঘতলি পথাৰ গাঁৱৰ নিৱাসী ৰিদীপ বৰগোহাঁইৰ পুত্ৰ নয়নজ্যোতি বৰগোহাঁই (১৫) যোৱা ২৯ অক্টোবৰৰ পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে উল্লেখ কৰা মতে, সিদিনা পুৱা এটা বেগ আৰু মটৰ চাইকেল লৈ ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰা কিশোৰজন নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ স’তে ছাত্ৰজনৰ অনুসন্ধান কৰিছে যদিও কোনো সন্ধান নোপোৱাত খোৱাং আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। নিৰুদ্দেশ হৈ থকা নয়নজ্যোতি খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে ডিব্ৰুগড় জিলাৰ পৰা বহুকেইজন কম বয়সীয়া যুৱক নিৰুদ্দেশ হোৱাত আলফাত যোগদান কৰাৰ সন্দেহ কৰাৰ সময়তে উক্ত ছাত্ৰজনেও আলফাত যোগদান কৰিছে বুলি সন্দেহ কৰি পৰিয়ালৰ লোকসকল চিন্তিত হৈছে।

## কঠিয়াতলিত পশু চিকিৎসা শিবিৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৩১ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুজি ২০২০-২১ ৰ অধীনত নগাঁও জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ তত্ত্বাৱধানত আৰু কঠিয়াতলি পশুপালন বিভাগৰ সহযোগত আজি পশুধনৰ বিভিন্ন ৰোগৰ লগতে প্ৰজননজনিত আৰু ওহাৰ ফুলা ৰোগৰ এটা নিয়ন্ত্ৰণ শিবিৰ বৰকন্দলীত অনুষ্ঠিত হয়। উক্ত শিবিৰত উপস্থিত থাকে স্থানীয় পশু চিকিৎসক অনামিকা বৰা আৰু চিকিৎসা কৰ্মীসকল। উক্ত শিবিৰত অঞ্চলটোৰ পশুধনসমূহক চিকিৎসা প্ৰদানৰ লগতে ঔষধ প্ৰদান কৰা হয়। এই শিবিৰ উপলক্ষে অনুষ্ঠিত হোৱা সভাত পশু ধনৰ বিভিন্ন ৰোগৰ আৰু পশুধনৰ প্ৰতিপালনৰ পৰামৰ্শ আগবঢ়ায় পশু চিকিৎসকজনে।

## বৃহত্তৰ অসমীয়া সমাজৰ সমন্বয়ৰ প্ৰতীক আছিল পূৰ্ণ ভূঞা

■ জামুগুৰিহাটত স্মাৰক বক্তৃতা আৰু গ্ৰন্থ উন্মোচনী সভা

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৩১ অক্টোবৰ ঃ** নতুন সাহিত্য পৰিষদৰ জামুগুৰি আঞ্চলিক সমিতি আৰু প্ৰয়াত পূৰ্ণকান্ত ভূঞাৰ পৰিয়ালবৰ্গৰ যৌথ উদ্যোগত পূৰ্ণকান্ত ভূঞা স্মাৰক বক্তৃতা আৰু গ্ৰন্থ উন্মোচনী সভাখনি অনুষ্ঠিত হয়। জামুগুৰিহাটৰ বাপুজীভৱনৰ প্ৰেক্ষাগৃহত আজি দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত সভাখনিত সভাপতিত্ব কৰে নতুন সাহিত্য পৰিষদ জামুগুৰি আঞ্চলিক সমিতিৰ সভাপতি নগেন বৰাই। উক্ত সভাত পূৰ্ণকান্ত ভূঞাৰ স্মৃতি ৰোমন্থন কৰে নতুন সাহিত্য পৰিষদৰ প্ৰাক্তন জিলা সভাপতি ধনেশ্বৰ বৰাই। সভাখনিত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি প্ৰয়াত পূৰ্ণকান্ত ভূঞাৰ স্মৃতি ৰোমন্থন কৰি ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক চাহাবুদ্দিন আহমেদে কয়। বৃহত্তৰ অসমীয়া সমাজৰ এজন সমন্বয়ৰ প্ৰতীক আছিল পূৰ্ণ ভূঞা। পূৰ্ণ ভূঞাৰ বিশাল ব্যক্তিত্বই সমাজপ্ৰিয় ব্যক্তিক আকৰ্ষিত কৰিছিল। পূৰ্ণ ভূঞাই শ্ৰমিক, কৃষক, মজদুৰ সকলোকে একত্ৰিত কৰি সম্প্ৰীতিৰ ডোলেৰে বান্ধি এক শ্ৰেণীবিহীন সমাজ গঢ়াৰ পথেৰে আগবাঢ়ি গৈছিল। আনহাতে, ‘অসমীয়া প্ৰগতিশীল সাহিত্যৰ গতিধাৰা’ বিষয়ৰ ওপৰত স্মাৰক বক্তব্য আগবঢ়ায় নতুন সাহিত্য পৰিষদ অসম ৰাজ্যিক সমিতিৰ সভাপতি ড° অহিজুদ্দিন শেখে। ইফালে, ‘অন্ধবিশ্বাস আৰু বিজ্ঞানমনস্কতা’ বিষয়ৰ ওপৰত তাত্বিক বক্তব্য প্ৰদান কৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° ভক্ত প্ৰসাদ গৌতমে। উক্ত সভাতে প্ৰয়াত পূৰ্ণকান্ত ভূঞাই যুগুতাই থৈ যোৱা কে’বাটাও তত্ত্বগধুৰ বিষয়লৈ নতুন সাহিত্য পৰিষদ জামুগুৰি আঞ্চলিক সমিতিয়ে প্ৰকাশ কৰা এখন গ্ৰন্থও উন্মোচন কৰা হয়। ‘বৈষম্যহীন সমাজ গঢ়াৰ স্বপ্ন’ নামৰ গ্ৰন্থখন উন্মোচন কৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰত্ন কিংকৰ গোস্বামীয়ে।

## চৰকাৰে জাৰি কৰা এছ অ’ পি মানি মাজুলীত অনুষ্ঠিত হ’ব ৰাস

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ৩১ অক্টোবৰ ঃ** মাজুলীত আগন্তুক ৰাস উৎসৱ উদ্‌যাপন সন্দৰ্ভত মাজুলীৰ ৰাস আয়োজক সমিতিসমূহৰ স’তে কালি আলোচনাত মিলিত হয় মাজুলী জিলা প্ৰশাসন। উপায়ুক্ত পুলক মহন্তৰ সভাপতিত্বত উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত সভাত বিভিন্ন ৰাসমঞ্চসমূহৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ক’ভিড-১৯ অতিমাৰীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ মাজত ৰাস উৎসৱ কিদৰে নিয়াৰিকৈ উদ্‌যাপন কৰিব পৰা যাব, সেই বিষয়ে আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে যোৱা বছৰ জাৰি কৰা ক’ভিড-১৯ৰ প্ৰট’কলৰ সবিশেষ ৰাসমঞ্চসমূহৰ বিষয়ববীয়াসকলক অৱগত কৰে অতিৰিক্ত উপায়ুক্ত অৰিন্দম বৰুৱাই।

ইয়াৰ পাছত ৰাইজৰ মাজৰ পৰা বহুকেইজন বক্তাই কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। উপস্থিত ৰাইজে মাজুলীৰ চুকে কোণে চলি থকা সুৰাৰ বেহাত দৃষ্টি ৰাখিবলৈ জিলা প্ৰশাসনক আহ্বান জনায়। এই ক্ষেত্ৰত আৰক্ষী অধীক্ষক গৌতম বৰাই কয় যে তেওঁলোকে



সুৰাৰ বেহা কৰা বিষয়ে যদি কোনো ধৰণৰ সম্ভেদ পাই, তেন্তে সেই বিষয়ে তেওঁক পোনপটীয়াকৈ অথবা উপায়ুক্তৰ কাৰ্যালয়ৰ জৰিয়তে অৱগত কৰিব পাৰিব। ৰাসৰ সময়ত যান-বাহন সম্পৰ্কীয় সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগে বুলি ৰাইজে উল্লেখ কৰোতে উপায়ুক্তই কয় যে কাইলৈৰ নৱেম্বৰৰ পৰা মাজুলীত মটৰ চাইকেল চালকসকলে হেলমেট পৰিধান কৰাটো বাধ্যতামূলক হ’ব। ৰাসৰ সময়ত বিশেষ ফেৰী প্ৰদান কৰা বিষয়টি উত্থাপন কৰোতে, মাজুলীলৈ আৰু এখন নাও ইতিমধ্যে দিয়া হৈছে বুলি কয়।

উপায়ুক্ত মহন্তই মাজুলী জিলাত ক’ভিড-১৯ নিয়ম অনুসৰণ কৰি মাজুলীৰ ঐতিহ্যমণ্ডিত ৰাস উৎসৱৰ পৰম্পৰা অক্ষুণ্ণ ৰখাত সকলোৰে সহযোগিতা বিচাৰে। শেহতীয়াকৈ চুবুৰীয়া জিলাত ক’ভিড-১৯ৰ সংক্ৰমণ পুনৰবাৰ বৃদ্ধি পোৱাৰ পাছত মাজুলীত পুনৰ বৃদ্ধি হোৱা আশংকা আছে। তেওঁ এনে অৱস্থাত মাজুলী জিলাক এই অতিমাৰীৰ সংক্ৰমণৰ পৰা মুক্ত কৰি ৰখাৰ বাবে সকলোকে সজাগ-সতৰ্ক হৈ থকাৰ আহ্বান জনায়। ইতিমধ্যে ক’ভিড সংক্ৰমণৰ সময়ছোৱাত মাজুলীবাসীয়ে লক ডাউনকে ধৰি ক’ভিড-১৯ প্ৰতিৰোধ সম্পৰ্কীয় নীতি-নিয়মসমূহ শৃংখলিতভাৱে পালন কৰি প্ৰতিষেধক গ্ৰহণ কৰি ৰাজ্যবাসীৰ আগত আদৰ্শ দেখুৱাবলৈ সক্ষম হোৱাৰ বাবে উপায়ুক্তই জিলাবাসীৰ শলাগ লয়। এইবাৰৰ ৰাসৰ ক্ষেত্ৰতো সকলো নিয়ম মানি শৃংখলিত ৰূপত মাজুলীৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱ উদ্‌যাপন কৰি অসমবাসীৰ সমুখত পুনৰ আন এক উদাহৰণ দাঙি ধৰিবলৈ উপায়ুক্তই সকলোকে আহ্বান জনায়। এই ক্ষেত্ৰত ৰাসৰ আয়োজক সমিতিসমূহলৈ জিলা প্ৰশাসনৰ ফালৰ পৰা সম্ভৱপৰ সকলো সহযোগিতা আগবঢ়োৱা হ’ব বুলি তেওঁ সদৰী কৰে। উপায়ুক্তৰ এই আহ্বানলৈ সঁহাৰি দি সভাত ৰাসৰ আয়োজকসকলে চৰকাৰৰ ক’ভিড-১৯ নিয়ম মানিয়েই এবাৰ জিলাখনত ৰাস উৎসৱ উদ্‌যাপন কৰিব বুলি জিলা প্ৰশাসনক অৱগত কৰে।

# আইপিএলত চাৰিজন খেলুৱৈ ৰাখিব পাৰিব ফ্ৰেঞ্চাইজিয়ে

**নিউজ ব্যুৰ'**

**কলকাতা, ৩১ অক্টোবৰ ঃ** আগন্তুক বৰ্ষৰ জানুৱাৰীত পৰৱৰ্তী আইপিএলৰ বাবে নিলাম হ'ব। পৰৱৰ্তী আইপিএলত আঠৰ পৰিৱৰ্তে ১০টা দলে অংশ ল'ব। ইয়াৰ বাবেই আইপিএলৰ দলসমূহে পুৰণি খেলুৱৈক এৰি নতুনকৈ ক্ৰিকেটাৰ ক্ৰয় কৰিব লাগিব। আগন্তুক নিলামৰ বাবে বিচিচিআইৰ তৰফৰ পৰা কেতবোৰ নীতি-নিৰ্দেশনা বান্ধি দিয়া হৈছে। পুৰণি খেলুৱৈ দলত ৰখাৰ ক্ষেত্ৰতো নিয়ম বান্ধি দিছে। একোটা ফ্ৰেঞ্চাইজিয়ে সৰ্বাধিক চাৰিজন পুৰণি ক্ৰিকেটাৰ দলত ৰাখি থ'ব পাৰিব। এই ক্ষেত্ৰত চাৰিজনক ৰখাৰ মিলিত খৰচ ৪২ কোটিৰ অধিক হ'ব নোৱাৰিব। লগতে এই চাৰিজনকে ধৰি দলৰ বাকীসকলৰো মিলিত বেতন ৯০ কোটিৰ অধিক হ'ব নোৱাৰিব।



উল্লেখ্য যে নতুনকৈ আইপিএলত সংযোজিত হোৱা দল দুটা হৈছে আহমেদাবাদ আৰু লক্ষ্ণৌ। পুৰণি আঠটা দলে চাৰিজনকৈ ক্ৰিকেটাৰ ধৰি ৰখাৰ পাছত আহমেদাবাদ আৰু লক্ষ্ণৌৱে নিলামৰ তালিকাত অন্তৰ্ভুক্ত হোৱা তালিকাৰ পৰা তিনিজনকৈ খেলুৱৈক বাছি ল'ব পাৰিব। এই তিনিজন খেলুৱৈৰ বাবে নতুন ফ্ৰেঞ্চাইজি দুটাই ৩৩ কোটিৰ অধিক ব্যয় কৰিব নোৱাৰিব। নতুন নিয়মত কোৱা হৈছে যে পুৰণি ফ্ৰেঞ্চাইজিয়ে যি চাৰিজন ক্ৰিকেটাৰ ধৰি ৰাখিব, তাৰ ভিতৰত দুজনৰ অধিক বিদেশী খেলুৱৈ হ'ব নোৱাৰিব। সেইদৰে নতুন দল দুটাই দুজন ভাৰতীয় আৰু এজন বিদেশী খেলুৱৈ নিলামৰ তালিকাৰ পৰা ল'ব পাৰিব।

# নিউজিলেণ্ডৰ হাতত পৰাজিত ভাৰত

**নিউজ ব্যুৰ'**

**ডুবাই, ৩১ অক্টোবৰ ঃ** মৰণপণ যুঁজত টি-২০ প্ৰতিযোগিতাৰ দ্বিতীয়খন মেচত নিউজিলেণ্ডৰ হাতত আঠ উইকেটত পৰাজিত হ'ল ভাৰত। প্ৰথমে টছত জিকি নিউজিলেণ্ডে ভাৰতক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰতৰ দুই অপেনাৰ কে এ ৰাহুল আৰু আই কিষাণ সুন্দৰ আৰম্ভণি কৰাৰ পূৰ্বেই ১১ ৰাণত ভাৰতৰ প্ৰথমটো উইকেটৰ পতন হয় কিষাণৰ ৰূপত। নিৰ্ধাৰিত ২০ অভাৰত ভাৰতে সাত উইকেটৰ বিনিময়ত ১১০ ৰাণ কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই সৰ্বোচ্চ ২৬ ৰাণ সংগ্ৰহ কৰে। তেওঁ ১৯টা বলত দুটা চাৰি আৰু এটা ছয়ৰ সহায়ত উক্ত ৰাণখিনি সংগ্ৰহ কৰে। ভাৰতৰ অধিনায়ক বিৰাট কোহলিয়ে ১৭ বলত মাত্ৰ ন ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। আনহাতে, ৰোহিত শৰ্মাই ১৪টা বলত ১৪ ৰাণ সংগ্ৰহ কৰি সোধীৰ বলত মাৰ্টিন গুপ্তিলৰ হাতত কেচ দি পেভিলিয়ন মুখী হয়। নিউজিলেণ্ডৰ হৈ টি ব'ল্টে চাৰি অভাৰত ২০ ৰাণ দি ভাৰতৰ তিনিটা উইকেট দখল কৰে। সোধীয়েও নিয়ন্ত্ৰিত বলিঙৰে চাৰি অভাৰত ১৭ ৰাণ খৰচ কৰি লাভ কৰে দুটা উইকেট। আনহাতে, নিউজিলেণ্ডে ১৪.৩ অভাৰতে প্ৰয়োজনীয় ৰাণখিনি সংগ্ৰহ কৰি বিজয়ী হ'বলৈ সক্ষম হয়। নিউজিলেণ্ডৰ হৈ ডি মিটচেলে ৩৫টা বলত ৪৯ ৰাণ সংগ্ৰহ কৰি বিজয়ত বিশেষ ভূমিকা গ্ৰহণ কৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ১৯ ৰাণত দুটা উইকেট দখল কৰে। ডুবাইৰ ইণ্টাৰনেছনেল ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ভাৰতৰ বাবে মৰণপণ যুঁজ আছিল যদিও নিউজিলেণ্ডৰ হাতত শোচনীয়ভাৱে পৰাজিত হোৱাৰ লগে লগে বিশ্বকাপ ছেমিফাইনেলত প্ৰৱেশৰ পথ নিৰ্বাপিত হোৱাৰ ফলত জয়ৰ আশাত চেঁচাপানী পৰিল।



## এএফচি যুৱ এছিয়ান কাপ কোৱালিফায়াৰ

# জয়লাভ সত্ত্বেও অনিশ্চিত ভাৰত



**নিউজ ব্যুৰ'**

**ফুজাইৰাহ (ইউএই), ৩১ অক্টোবৰ ঃ** এএফচি ২৩ বছৰ অনূৰ্ধ্বৰ এছিয়ান কাপ কোৱালিফায়াৰ প্ৰতিযোগিতাত নিজৰ শ্ৰেষ্ঠতম প্ৰদৰ্শন আগবঢ়ালে ভাৰতীয় যুৱ ফুটবল দলে। সংযুক্ত আৰব আমিৰশ্বাহিত অনুষ্ঠিত প্ৰতিযোগিতাখনত ভাৰতে 'ই' গ্ৰুপত দ্বিতীয় স্থান অধিকাৰ কৰে।

যোৱা নিশাৰ গ্ৰুপ মেচত ভাৰতে কিৰ্গিজ গণৰাজ্যক টাই ব্ৰেকাৰৰ সহায়ত ৪-২ গ'লত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন গ'ল শূন্যভাৱে সমাপ্ত হৈছিল। অৱশ্যে গ্ৰুপত দ্বিতীয় হ'লেও ভাৰতে প্ৰতিযোগিতাৰ মূল পৰ্বলৈ উন্নীত হোৱাৰ ক্ষেত্ৰত এতিয়াও নিশ্চিত হ'ব পৰা নাই। নিয়ম অনুসৰি গ্ৰুপৰ শীৰ্ষ দলসমূহে পোনপটীয়াকৈ যোগ্যতা কৰিব। আনহাতে, চাৰিটা শ্ৰেষ্ঠ দ্বিতীয় স্থানপ্ৰাপ্ত দলেও প্ৰতিযোগিতাৰ মূল পৰ্বলৈ যোগ্যতা অৰ্জন কৰিব। সেয়ে উন্নত প্ৰদৰ্শনকাৰী দ্বিতীয় স্থানপ্ৰাপ্ত দলৰূপে মূল পৰ্বলৈ যোৱাৰ বাবে ভাৰতে গ্ৰুপ পৰ্যায়ৰ সকলো খেল সম্পূৰ্ণ হোৱালৈ অপেক্ষা কৰিব লাগিব। উল্লেখ্য যে কালি ঘৰুৱা দল আৰিশ্বাহিয়ে ওমানক ২-০ গ'লত পৰাজিত কৰি 'ই' গ্ৰুপত শীৰ্ষস্থান অধিকাৰ কৰে।

## কামিনী কান্ত মালী ফুটবল

# কলাইগাঁও ৰূপালীম জনকল্যাণ আঞ্চলিক সংঘ চূড়ান্ত বিজয়ী

**অগ্ৰদূত বাৰ্তা**

**কমলপুৰ, ৩১ অক্টোবৰ ঃ** কমলপুৰ জনপ্ৰিয় ক্লাবৰ উদ্যোগত কমলপুৰ মিনি ষ্টেডিয়ামত চলি থকা ২৪ সংখ্যক বাৰ্ষিক কামিনী কান্ত মালী সোঁৱৰণী চলন্ত ট্ৰফী তথা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত কলাইগাঁও ৰূপালীম জনকল্যাণ আঞ্চলিক সংঘই চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। উক্ত ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলখনত কলাইগাঁও ৰূপালীম জনকল্যাণ আঞ্চলিক সংঘই ঢোলকুছি সত্যকাম সংঘক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি ২৪ সংখ্যক কামিনীকান্ত মালী ট্ৰফী লাভ কৰে। উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখন প্ৰথমাৰ্ধ গ'লশূন্যভাৱে সামৰণি পৰে। খেলখনৰ দ্বিতীয়াৰ্ধত কলাইগাঁও ৰূপালীম জনকল্যাণ আঞ্চলিক সংঘৰ খেলুৱৈসকলে সুন্দৰ খেল প্ৰদৰ্শন কৰি তিনি গ'ল দি শেষ হাঁহি মাৰিবলৈ সক্ষম হয়। চূড়ান্ত খেলখনৰ আৰম্ভণিতে কলাইগাঁৱৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই আনুষ্ঠানিকভাৱে খেলখন উদ্বোধন কৰে। খেলৰ অন্তত অনুষ্ঠিত বাৰেৰহণীয়া বঁটা বিতৰণী অনুষ্ঠানত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা উপস্থিত থাকি চেম্পিয়ন আৰু ৰাণাৰ্ছ আপ দল দুটাক ট্ৰফী আৰু প্ৰাইজমানি বিতৰণ কৰে।

# বিশ্ব বক্সিঙৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ শিৱ থাপাৰ



**নিউজ ব্যুৰ'**

**বেলগ্ৰেড, ৩১ অক্টোবৰ ঃ** বেলগ্ৰেডত চলি থকা আইবা পুৰুষৰ বিশ্ব বক্সিং প্ৰতিযোগিতাত অগ্ৰগতি অৰ্জন কৰিছে অসমৰ বক্সাৰ শিৱ থাপাই। এছিয়ান বক্সিঙত পাঁচটাকৈ পদক জয়ী শিৱই প্ৰতিযোগিতাখনৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কালি ৬৩ কেজি শাখাৰ খেলত শিৱই ছিয়েৰে লিয়নিৰ বক্সাৰ জন ব্ৰাউনক ৫-০ পইণ্টত পৰাজিত কৰে। উল্লেখ্য যে শিৱই এই প্ৰতিযোগিতাত ইয়াৰ পূৰ্বে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। ভাৰতৰ আন এজন বক্সাৰ সুমিতে ৭৫ কেজি শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কালিৰ যুঁজত সুমিতে তাজিকিস্তানৰ আব্দুমালিক ব'ল্টায়েভক ৫-০ ব্যৱধানত পৰাজিত কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ সঞ্জিত আৰু আকাশ কুমাৰেও প্ৰি-কোৱাৰ্টাৰত স্থান নিশ্চিত কৰিছিল।

# নায়ক পুনৰ ৰোণাল্ডো, ইউনাইটেডৰ জয়

**নিউজ ব্যুৰ'**

**মানচেষ্টাৰ, ৩১ অক্টোবৰ ঃ** ক্ৰিষ্টিয়ানো ৰোণাল্ডোৰ দুৰ্দান্ত প্ৰদৰ্শনৰ সূত্ৰেই জয়ৰ ধাৰালৈ উভতি আহিল মানচেষ্টাৰ ইউনাইটেড। কালি ইংলিছ প্ৰিমিয়াৰ লীগৰ খেলত ইউনাইটেডে শক্তিশালী টটেনহাম হটস্পাৰক ৩-০ গ'লত পৰাজিত কৰে। ৰোণাল্ডোৱে নিজে এটা গ'ল দিয়াৰ লগতে সতীৰ্থৰ বাবে আন এটা গ'লৰ সুযোগ উলিয়াই দিছিল। দলৰ হৈ আন দুটা গ'ল দিয়ে এডিনছন কাভানি আৰু মাৰ্কাছ ৰেছফ'ৰ্ডে। উল্লেখ্য যে ইপিএলৰ আগৰ খেলত ইউনাইটেডক ৫-০ গ'লত বিধ্বস্ত কৰিছিল লিভাৰপুলে। অৱশ্যে কালিৰ খেলত লিভাৰপুলত ২-২ গ'লত ড্ৰ খেলিবলৈ বাধ্য কৰায় ব্ৰাইটনে।

ইপিনে, ঘৰুৱা খেলপথাৰতে বৃহৎ অঘটনৰ সন্মুখীন হ'ল মানচেষ্টাৰ চিটী। ক্ৰিষ্টেল পেলেচে অবিশ্বাস্যভাৱে চিটীক ২-০ গ'লত পৰাজিত কৰে। গ'ল দুটা দিয়ে উইলফ্ৰেড জাহা আৰু ক'ন'ৰ গালাঘেৰে। চিটী পৰাজিত হ'লেও আন দুটা শীৰ্ষ ক্লাব চেল্ছি আৰু আৰ্ছেনালে কালিৰ লীগ মেচত জয়েৰে তিনিটাকৈ পইণ্ট সংগ্ৰহ কৰে। চেল্ছিয়ে নিউকেছলক ৩-০ আৰু আৰ্ছেনালে লিচেষ্টাৰ চিটীক ২-০ গ'লত পৰাজিত কৰে। সম্প্ৰতি চেল্ছিয়েই ২৫ পইণ্টেৰে লীগ তালিকাৰ শীৰ্ষত আছে। ২২ পইণ্ট সংগ্ৰহ কৰি লিভাৰপুল দ্বিতীয় আৰু ২০ পইণ্টেৰে চিটী তালিকাৰ তৃতীয় স্থানত আছে।



# জুভেণ্টাছৰ ব্যৰ্থতা অব্যাহত

**নিউজ ব্যুৰ'**

**তুৰিন, ৩১ অক্টোবৰ ঃ** চলিত ছিজনত ইটালীৰ শীৰ্ষ ক্লাব জুভেণ্টাছৰ ব্যৰ্থতাৰ ধাৰা অব্যাহত আছে। ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে দল ত্যাগ কৰাৰ পাছৰে পৰাই দল সুসংগঠিত হৈ উঠিব পৰা নাই। কালিও ইটালীৰ ছিৰি এ লীগৰ এখন খেলত জুভেণ্টাছ পৰাজিত হয়। খেলখনত হেলাছ ভেৰ'নাই জুভেণ্টাছক ২-১ গ'লত পৰাস্ত কৰে। বিজয়ী দলৰ হৈ গ'ল দুটা দিয়ে জিঅ'ভান্নি ছিমিঅ'নেই।

# বিশ্বকাপৰ মাজতে অৱসৰ ঘোষণা কৰিলে আফগানে

**নিউজ ব্যুৰ'**

**ডুবাই, ৩১ অক্টোবৰ ঃ** টি-২০ বিশ্বকাপ চলি থকাৰ মাজতে আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিলে আফগানিস্তানৰ প্ৰাক্তন অধিনায়ক আছঘৰ আফগানে। কালি এই কথা নিশ্চিত কৰে আফগানিস্তান ক্ৰিকেট ব'ৰ্ডে। আজি তেওঁ ওমানৰ বিপক্ষে জীৱনৰ অন্তিম আন্তৰ্জাতিক মেচত অৱতীৰ্ণ হৈছে। ৩৩ বছৰীয়া আফগানে দেশৰ প্ৰথম টেষ্টখনতো দলক নেতৃত্ব দিছিল।



# হাজোত কামৰূপ জিলা কাৰাটে সন্থাৰ কাৰ্যনিৰ্বাহক সভা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩১ অক্টোবৰ ঃ** অসম অলিম্পিক সন্থাৰ তত্ত্বাৱধানত গঠন হোৱা কামৰূপ জিলা কাৰাটে সন্থাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আজি হাজোৰ খাংচী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। উক্ত সভাতেই আগন্তুক কামৰূপ জিলা আন্তঃক্লাব কাৰাটে প্ৰতিযোগিতাখন হাজো বহ্নিমান কাৰাটে একাডেমীৰ উদ্যোগত আৰু হাজো সুৰেণ দাস মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ গোটৰ সহযোগত সুৰেণ দাস মহাবিদ্যালয়ৰ ইন্দোৰ হলত অহা ১৪ নৱেম্বৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই প্ৰতিযোগিতাখনৰ পৰাই অহা ২০-২১ নৱেম্বৰত গুৱাহাটীত হ'বলগীয়া ৰাজ্যিক প্ৰতিযোগিতাৰ বাবে কামৰূপ জিলা কাৰাটে দলটো বাছনি কৰা হ'ব। কামৰূপ জিলা কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক ৰূপক ৰাজবংশীয়ে আঁত ধৰা সভাত সভাপতিত্ব কৰে সন্থাৰ স্থায়ী সভাপতি তথা অসম অলিম্পিক সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য উত্তম ব্ৰহ্মই। উক্ত সভাতেই সন্থাৰ কাৰ্যকৰী সভাপতি তথা হাজো ক্ৰীড়া সন্থাৰ নৱ নিৰ্বাচিত সভাপতি দিপাংকৰ মজুমদাৰক কামৰূপ জিলা কাৰাটে সন্থাই সম্বৰ্ধনা জ্ঞাপন কৰে। সভাৰ সিদ্ধান্ত মৰ্মে কামৰূপ জিলা কাৰাটে সন্থাৰ বিভিন্ন কমিছন গঠন কৰা হয় কাৰ্যনিৰ্বাহক সভাতেই। আনহাতে, সুৰেণ দাস মহাবিদ্যালয়ৰ ইন্দোৰ হল সংগঠনটোৰ বিষয়াসকলে পৰিদৰ্শন কৰাৰ লগতে সুৰেণ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হিৰণ্য কুমাৰ শৰ্মাৰ লগত প্ৰতিযোগিতা আয়োজন সন্দৰ্ভত এক আলোচনাত মিলিত হয় কামৰূপ জিলা কাৰাটে সন্থাৰ বিষয়ববীয়াসকলে।

# বিশ্ব কিকক্সিঙত স্বৰ্ণজয় কৰিলে কাশ্মিৰী কিশোৰীয়ে



**নিউজ ব্যুৰ'**

**শ্ৰীনগৰ, ৩১ অক্টোবৰ ঃ** প্ৰথমবাৰলৈ কোনো কাশ্মিৰী মহিলা খেলুৱৈৰূপে ভাৰতক প্ৰতিনিধিত্ব কৰিয়ে বিৰল গৌৰৱ অৰ্জন কৰিলে এগৰাকী ১৩ বছৰীয়া কিশোৰীয়ে। তাজামূল ইছলাম নামৰ এই কিশোৰীগৰাকীয়ে ইজিপ্টৰ কাইৰ'ত অনুষ্ঠিত হোৱা বিশ্ব কিক্‌বক্সিং চেম্পিয়নশ্বিপত সোণৰ পদক অৰ্জন কৰে। তেওঁ ১৪ বছৰ অনূৰ্ধ্বৰ শাখাত এই কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। সপ্তম শ্ৰেণীৰ ছাত্ৰী তাজামূলে প্ৰতিযোগিতাৰ নিজৰ শাখাৰ ফাইনেলত আৰ্জেণ্টিনাৰ প্ৰতিদ্বন্দ্বী লালিনাক পৰাজিত কৰে। ভাৰতক প্ৰতিনিধিত্ব কৰা কাশ্মীৰৰ প্ৰথম মহিলা খেলুৱৈগৰাকীয়ে ইয়াৰ পূৰ্বে ইটালীতো খেলিছিল।

# খেলৰ মাজতে হঠাৎ অসুস্থ হৈ হাস্পতালত ভৰ্তি হ'ল আগুৱেৰ'

**নিউজ ব্যুৰ'**

**বাৰ্চিলোনা, ৩১ অক্টোবৰ ঃ** হঠাৎ সজীৱ হ'ল ক্ৰিষ্টিয়ান এৰিকছনৰ ঘটনা। কালি স্পেনিছ লা লিগাৰ এখন মেচত হঠাৎ খেলি থকা অৱস্থাতে গুৰুতৰভাৱে অসুস্থ হৈ পৰে তাৰকা ফুটবলাৰ ছাৰ্জিঅ' আগুৱেৰ'। আঘাতৰ সমস্যাত থকা আৰ্জেণ্টিনাৰ ফুটবলাৰজনে চলিত ছিজনত প্ৰথমবাৰলৈ বাৰ্চিলোনাৰ হৈ খেলত অৱতীৰ্ণ হৈছিল। প্ৰথমাৰ্ধৰ খেল শেষ হোৱাৰ কিছু সময়ৰ পূৰ্বে তেওঁ হঠাৎ বুকুত হাত দি বহি পৰে। শ্বাস-প্ৰশ্বাসত তেওঁ কষ্ট অনুভৱ কৰিছিল। লগে লগে খেলপথাৰলৈ দৌৰি আহে বাৰ্চিলোনাৰ চিকিৎসকৰ দল। কেই মিনিটমান খেলপথাৰতে চিকিৎসা কৰাৰ পাছত আগুৱেৰ' থিয় হ'লেও অস্বস্তিত আছিল। যাৰ বাবে তেওঁক ততাতৈয়াকৈ হাস্পতাললৈ নিয়া হয়।



# ফাইনেলত এ জে ইলেভেন চামতা চূড়ান্ত বিজয়ী

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩১ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত ষ্টাৰ ইলেভেন ক্লাব, বৰখালাৰ সৌজন্যত পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাৰ আজি ফাইনেল খেলত বৰভাগ আঞ্চলিক ক্ৰীড়া সন্থা আৰু এ জে ইলেভেন চামতাৰ মাজত অনুষ্ঠিত হয়। খেলখনত এ জে ইলেভেন চামতাই বৰভাগ আঞ্চলিক ক্ৰীড়া সংঘক ট্ৰাইব্ৰেকাৰ পদ্ধতিত ৪-৩ গ'লত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে।খেলখন উদ্বোধন কৰে নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক মদন কলিতাই। খেলৰ অন্তত অনুষ্ঠিত হোৱা বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী আৰু বিজিত দলক বঁটা বিতৰণ কৰে। বঁটা বিতৰণী অনুষ্ঠানত অংশ লৈ প্ৰাক্তন বিধায়ক কলিতাই কয় যে খেলত অনুশীলনৰ যথেষ্ট প্ৰয়োজন আছে। কিন্তু আজিৰ খেলুৱৈৰ মাজত অনুশীলনৰ অভাৱ অনুভৱ কৰা যায়। খেলত বৰভাগ আঞ্চলিক দলৰ পুৰোহিত বড়োক চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ গ'ল ৰক্ষক হিচাপে চামতাৰ আফজাল আলীক পুৰস্কৃত কৰে। খেলখন পৰিচালনা কৰে নিপন মেধিয়ে, সহায় কৰিছে কংকন শৰ্মা আৰু বিপুল বৈশ্যই।

# স্পেনিছ লা লিগা দুৰ্গতি অব্যাহত বাৰ্চিলোনাৰ পইণ্ট তালিকাৰ শীৰ্ষত উঠিল



**নিউজ ব্যুৰ'**

**মাদ্ৰিদ, ৩১ অক্টোবৰ ঃ** স্পেনিছ লা লিগাৰ পইণ্ট তালিকাৰ শীৰ্ষস্থানলৈ অগ্ৰগতি অৰ্জন কৰিলে ৰিয়াল মাদ্ৰিদে। কালিৰ এখন খেলত ৰিয়ালে এল্‌খেক ২-১ গ'লত পৰাজিত কৰে। ৰিয়ালৰ হৈ গ'ল দুটা দিয়ে ব্ৰাজিলৰ ২১ বছৰীয়া উইংগাৰ ভিনিচিয়াছ জুনিয়ৰে। পেৰে মিল্লাই এল্‌খেৰ হৈ শেষ সময়ত এটা গ'ল পৰিশোধ কৰিলেও সেয়াই যথেষ্ট নহ'ল। চলিত ছিজনত ভিনিচিয়াছে ১৪খন খেলত নটা গ'ল দিছে। ৰিয়ালে এই জয়েৰে পইণ্ট তালিকাৰ শীৰ্ষত থকা ৰিয়াল ছ'চিয়েডাডক স্পৰ্শ কৰিলে।

ইপিনে, বাৰ্চিলোনা ক্লাবৰ দুৰ্গতিৰ এতিয়াও অন্ত পৰা নাই। বিভিন্ন ধৰণৰ প্ৰতিযোগিতাত পৰাজয়ৰ মুখ দেখা পূৰ্বৰ চেম্পিয়ন দলটোৰ বিৰুদ্ধে কালি আপেক্ষিকভাৱে দুৰ্বল দল আলাভেছেও পইণ্ট অৰ্জন কৰে। কালিৰ খেলখনত আলাভেছে বাৰ্চিলোনাৰ স'তে ১-১ গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয়। লা লিগাত ক্ৰমাগত তিনিখন খেলত বাৰ্চিলোনাৰ বিজয়ৰ পৰা বঞ্চিত হৈছে। কালিৰ খেলত অৱশ্যে মেমফিছ ডিপেইয়ে বাৰ্চিলোনাক আগুৱাই নিছিল যদিও তিনি মিনিটৰ পাছতে আলাভেছৰ হৈ সমতা স্থাপন কৰে লুইছ ৰিঅ'জাই। বাৰ্চিলোনা সম্প্ৰতি পইণ্ট তালিকাৰ নৱম স্থানত আছে।

# দুৰ্দান্ত জয়েৰে প্ৰত্যাৱৰ্তন ঘটালে বেয়াৰ্ণে

## মচিলে শোচনীয় পৰাজয়ৰ গ্লানি

**নিউজ ব্যুৰ'**

**বাৰ্চিলোনা, ৩১ অক্টোবৰ ঃ** শোচনীয় পৰাজয়ৰ গ্লানি মচি দুৰ্দান্ত প্ৰত্যাৱৰ্তন ঘটালে বেয়াৰ্ণ মিউনিখে। কালি বুণ্ডেছলিগাৰ খেল এখনত বেয়াৰ্ণে ইউনিয়ন বাৰ্লিনক ৫-২ গ'লত বিধ্বস্ত কৰে। উল্লেখ্য যে বুধবাৰে জাৰ্মান কাপৰ এখন খেলত ব'ৰুছিয়া ম'নচেংগ্লেডবাখে বেয়াৰ্ণক ৫-০ গ'লত পৰাজিত কৰিছিল। এই পৰাজয়ৰ গ্লানি দূৰ কৰি কালি বেয়াৰ্ণে ইউনিয়নৰ ঘৰুৱা খেলপথাৰত একেৰাহে ২১খন মেচৰ অপৰাজেয় গতি ৰুদ্ধ কৰিবলৈ সক্ষম হয়। দলৰ বিজয়ত প্ৰধান ভূমিকা পালন কৰি তাৰকা ষ্ট্ৰাইকাৰ ৰ'বাৰ্ট লেৱানড'স্কিয়ে দুটা গ'ল দিয়ে। আন তিনিটা গ'ল দিয়ে ক্ৰমে কিংছ্‌লে ক'মান, লেৰয় ছেন আৰু থমাছ মূলাৰে। ইউনিয়নৰ হৈ দুটা গ'ল পৰিশোধ কৰে নিক' জিয়েবেলমান আৰু জুলিয়েন ৰাইৰছনে।



# ছেমিফাইনেলত পৰাস্ত ব'পান্না

**নিউজ ব্যুৰ'**

**মস্কো, ৩১ অক্টোবৰ ঃ** ছেইণ্ট পিটাৰ্ছবাৰ্গ অপেন টেনিছৰ ডাবল্‌ছ ছেমিফাইনেলত পৰাজিত হ'ল ভাৰতীয় তাৰকা ৰোহন ব'পান্না। কালিৰ খেলত ব'পান্না আৰু তেওঁৰ সংগী ডেনিছ শ্বাপ'ভাল'ভক চতুৰ্থ বাছনিপ্ৰাপ্ত যুটি হুগ' নাইছা আৰু আন্দ্ৰি গলুভেবে ৪-৬, ৬-২, ১০-৪ ছেটত পৰাজিত কৰে। উল্লেখ্য যে চলিত বৰ্ষত প্ৰথমবাৰলৈ ব'পান্নাই কোনো প্ৰতিযোগিতাৰ ফাইনেল খেলিলে। প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ব'পান্না-শ্বাপ'ভাল'ভৰ যুটিয়ে ৰুছ যুটি আন্দ্ৰি ৰুবলেভ আৰু কাৰেন খাচান'ভক ৬-৪, ৫-৭, ১০-৭ ছেটত পৰাজিত কৰিছিল।

## বিলাসনন্দন চ'ৰা




# ৰজাই নুলুটে

**আটায়ে** লুটি-পুতি আমাৰ দেছখনক চাফা কৰি পেলাইছে। এইযাৰ কথা কোনেনো নোকোৱাকৈ থাকে? যাকেই সোধে সিয়ে কয় যে লুটি-পুতি দেছ চাফা। আগেয়ে বৰ নদন-বদন আছিল আমাৰ দেছ। কিমান নদন-বদন আছিল সেয়া অৱশ্যে কোনেও নাজানে। প্ৰাসাদ কেইটামান আছে, ৰজাই থাকিবৰ কাৰণে। হেৰেমবোৰ আছে—ৰজাই স্ফূৰ্তি কৰিবৰ কাৰণে। কিল্লাবোৰ আছে—ৰজাই যুদ্ধ কৰিবৰ কাৰণে। পুখুৰীবোৰ আছে—ৰজাই গা ধুবৰ কাৰণে। কবৰবোৰ আছে—চাই চাই ৰজাই কান্দিবৰ কাৰণে। মহলবোৰ আছে—ৰজা-ৰাণীয়ে বহি বহি আকাশ চাবৰ কাৰণে আৰু তৰাবোৰ গণিবৰ কাৰণে। মুঠতে দেছ নদন-বদন আছিল ৰজাৰ কাৰণে। আজিও দেছত কোনো সমস্যা নাই। নদন-বদনেই হৈ আছে। মাটিত ভৰি থ'ব লগা হোৱা নাই। টেক্সিৰ দৰে প্লেন-হেলিকপ্তাৰ উৰিয়ে আছে। আগতেও ৰজা আহিলে ৰাস্তা এৰি দিব লগা হৈছিল। আজিও লাগে। ৰজাৰ সুখ-স্বাচ্ছন্দ্যৰ শেষ নাই। হাত পাতিলেই হৈছিল, যি লাগে হাতত পৰি যায়। আজিও তেনেকুৱাই। কেৱল হাতখন পাতিব লাগে। সৰগৰ পৰা পুষ্পবৃষ্টি হোৱাৰ লেখীয়াকৈ হাতত সৱ দৰকাৰী বস্তুৱে এটা এটাকৈ সৰি পৰে। আগতে ৰজাৰ বহু ৰাণী আছিল। আজি-কালি অৱশ্যে এজনীয়ে থাকে। আগৰ ৰজাই তিনি-চাৰিজনী থাকিলেও নুলুকাইছিল। আজি-কালি এজনী থাকিলেও বহু বছৰ লুকুৱাই ৰাখে। বহুদিনলৈ প্ৰজাই ৰজাক চিৰকুমাৰ বুলিয়ে ভাবি থাকে। হঠাতে খবৰ আহে ৰজাৰ এজনী ৰাণীও আছে।

ৰজাৰ অৱস্থা সদায় নদন-বদন। আগতেও নদন-বদন। আজিও নদন-বদন। কিন্তু আগতে প্ৰজাৰ অৱস্থা কেনে আছিল আমাৰ দেছত? একেই আছিল। ৰজাক সদায় হাতযোৰ কৰি চলিব লাগিছিল, আজিও লাগে। ৰজাই খাবলৈ দিলেহে খাবলৈ পাইছিল, আজিও ৰজাৰ দয়াতে চলি আছে। তেতিয়াও প্ৰজাৰ পিন্ধিবলৈ গাত কাপোৰ এখনো নাছিল। নাছিল কাৰণেই বাপুৱে সৱ কাপোৰ বাদ দি চুৰিয়া এখন পিন্ধি জাতিৰ পিতা হৈছিল। তেতিয়া জাতিটোৱে তেওঁক পিতা বুলিবলৈ ল'লে এই ভাবিয়ে—পিতাৰে কাপোৰ নাই, আমাৰ ক'ত থাকিব? তেন্তে দেছখনক লুটিলে কেনেকৈ? লুটিবলৈ পালে কি? দেছখনৰ মাটিৰ ওপৰত লুটিবলৈ একো নাই। কিন্তু মাটিৰ তলত বহু আছে। তেল, কয়লা, সোণ, ৰূপ—বহু কিবাকিবি আছে। সেইবোৰে যিমান অৰ্থ দিয়ে, সেই সৱ অৰ্থকে অনৰ্থকভাৱে লুটন দি আটায়ে গোগ্ৰাসে খালে। লুটি-পুতি খালে।



আমাৰ দিল্লীৰ বাদশ্বাহেও এই কথাটোক লৈ বৰ খং কৰি থাকে। মাজে মাজে কথা প্ৰসংগত ৰাজসভাত এইবোৰ কথা উলিয়াই তামাম খং জাহিৰ কৰে। বাদশ্বাহে খং কৰিয়ে কয়—'শেষ কৰি পেলালে।'

ঃ কি শেষ কৰিলে জাহাপনা?
ঃ আগৰ ৰজাবোৰৰ কথা কৈছো।
ঃ কি কৰিলে?
ঃ আগৰ ৰজাবোৰে যি কৰিলে, তাৰ বাবে দেছৰ এই অৱস্থা।
ঃ কিনো কৰিলে আগৰ ৰজাবোৰে?
ঃ লুটন দিলে?
ঃ কি লুটিলে?
ঃ সৱ লুটিলে।
ঃ সৱ মানে?
ঃ তেল লুটিলে।
ঃ আৰু?
ঃ কয়লা লুটিলে।
ঃ আৰু?
ঃ সোণ-ৰূপ লুটিলে।
ঃ আৰু?
ঃ ৰাজকোষ লুটিলে।
ঃ আৰু?
ঃ কৈছো নহয় সৱ লুটিলে।

বাদশ্বাহে দাড়িকেইডাল পিহি পিহি ক'লে—আমিয়ে প্ৰথম যিয়ে ৰাজপ্ৰাসাদত বহিও একো লুটা নাই!'

ঃ জনতাই কিন্তু লুটা বুলিয়ে কয়।
ঃ ভুলকৈ কয়।
ঃ শুদ্ধটো কি?
ঃ আমি ক'তো একো লুটা নাই।
ঃ তেন্তে কি কৰিছে?
ঃ য'ত যিমান আছে সব বেচিছো। বেচাটো বেলেগ, লুটাটো বেলেগ। জনতাক বুজাই দিবা।

*(বিলাসনন্দন চ'ৰা'ৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# খাদ্যত বিহ মিহলাই বন্যহস্তী নিধনৰ সন্দেহ



**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম/খেৰণি, ৩১ অক্টোবৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ অন্তৰ্গতস্থিত খেৰণি বন বিভাগৰ দক্ষিণ বনাঞ্চলৰ অধীনস্থ বগৰিঘাটত এটা দঁতাল বনৰীয়া হাতীৰ মৃত্যু। আজি পুৱা অঞ্চলটোৰ লোকসকলে কুঁহিয়াৰ খেতিত কাম কৰিবলৈ যাওতে ৰাইজে প্ৰত্যক্ষ কৰে মৃতদেহটো। বনৰীয়া হাতীটোৰ মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলবাসী ৰাইজে বন বিভাগক খবৰ দিয়ে। পাছত খেৰণি বন বিবাগে ঘটনাস্থলীত উপস্থিত হৈ মৃত দঁতাল হাতীটোক মৰণোত্তৰ পৰীক্ষা কৰি পুতি থোৱাৰ ব্যৱস্থা কৰিছে। উল্লেখ্য যে অঞ্চলটোত সঘনাই সংঘটিত বনৰীয়া হাতীৰ উপদ্ৰৱত অসহ্যতাত কোনো দুষ্টচক্ৰই হাতীৰ খাদ্যত বিহ মিহলাই বনৰীয়া হাতীক নিধন কৰা সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# পদপথত শাক-পাচলিৰ ব্যৱসায়েৰে জীৱন সংগ্ৰাম মজনুৰৰ

## অত্যধিক মূল্যবৃদ্ধি-ক'ভিডৰ পুনৰ সংক্ৰমণত আতংকিত ব্যৱসায়ী



**মহামাৰী** ক'ভিড-১৯-এ জীৱন বিপৰ্যস্ত কৰি তোলাৰ পাছত ৰাজ্যত অব্যাহত থকা ভয়াৱহ মূল্যবৃদ্ধিয়ে কোঙা কৰি তুলিছে মধ্যবিত্তৰ পৰা সাধাৰণ শ্ৰেণীৰ ৰাইজক। ক'ভিডক প্ৰতিহত কৰাৰ বাবে তলাবন্ধ, নতুন এছ অ' পি, ক'ভিড প্ৰতিষেধক আদিৰে প্ৰশাসনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যদিও পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে। ফলস্বৰূপে সাধাৰণভাৱে পদপথকে ধৰি বিভিন্ন স্থানত দোকান-পোহাৰ দি জীৱিকা অৰ্জন কৰি অহা লোকসকল গভীৰ চিন্তাত পৰিছে। কিয়নো মূল্যবৃদ্ধিয়ে সম্প্ৰতি উচ্চ শিখৰত অৱস্থান কৰাত বিক্ৰী হ্ৰাস পোৱাৰ সমান্তৰালকৈ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাত তেওঁলোকে পুনৰ শংকাৰ মাজত দিন অতিবাহিত কৰিবলগীয়া হৈছে। ব্যতিক্ৰম নহয় সদাব্যস্ত মহানগৰীৰ হৃদপিণ্ডস্বৰূপ গণেশগুৰিৰ পদপথতে শাক-পাচলিৰ ব্যৱসায় কৰা মজনুৰৰ আলীও। প্ৰায় ৩৮ বছৰীয়া মজনুৱে আজি ২০ বছৰ ধৰি পদপথতে দোকান দি পৰিয়াল পোহপাল দি আহিছে। দুখীয়া কৃষক পিতৃৰ সন্তান মজনুৱে এদিন কৰ্মৰ সন্ধানত নলবাৰীৰ ঘগ্ৰাপাৰৰ পৰা ওলাই আহিছিল গুৱাহাটী মহানগৰীলৈ। অষ্টম শ্ৰেণীতে অধ্যয়ন সমাপ্ত কৰা মজনুৱে জীৱিকাৰ তাড়নাত প্ৰথমে মহানগৰীৰ হোটেলত হোটেল বয়ৰূপে কাম আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত নিজাকৈ কিছু মূলধন গোটাই গণেশগুৰি উৰণীয়া সেতুৰ সমীপৰ পেট্ৰ'ল পাম্পৰ সন্মুখত পদপথতে শাক-পাচলিৰ দোকান আৰম্ভ কৰে। কিন্তু উৰণীয়া সেতু নিৰ্মাণৰ পাছত দোকানৰ স্থান সলনি কৰিবলৈ বাধ্য হয়। গড়চুকৰ পামহী বজাৰৰ পৰা সতেজ শাক-পাচলি আনি বিক্ৰী কৰা মজনুৱে মহানগৰীৰ শান্তিপুৰত পত্নীসহ একমাত্ৰ পুত্ৰৰে ভাড়া ঘৰত বাস কৰে। নিচেই পুৱাতে পামহী বজাৰৰ পৰা শাক-পাচলি কিনি আনি গণেশগুৰিৰ পদপথত অৱস্থান কৰে। মজনুৰৰ একমাত্ৰ পুত্ৰ চাহিল এইবাৰ মালিগাঁও ৰেলৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ। পুত্ৰক লৈ সপোন আছে মজনুৰৰ। সেয়েহে চাহিলৰ বাবে তেওঁ দুখ-ভাগৰ সময়ত পাহৰি যায়। চাৰি ভাই-ককাইৰে ভৰা পৰিয়ালটো কৃষক পিতৃয়ে পোহপাল দিব নোৱাৰাৰ বাবে জীৱিকাৰ সন্ধানত অহা মজনুৱে অৱশ্যে পূৰ্বতে শাক-পাচলিৰ ব্যৱসায়েৰে স্বচ্ছল জীৱনেই কটাবলৈ সক্ষম হৈছিল; কিন্তু এতিয়া শংকাৰ মাজতে দিন কটাইছে।

মজনুৱে সদৰী কৰা মতে, 'পূৰ্বতে শাক-পাচলিৰ দাম যথেষ্ট কম আছিল। বিক্ৰীও ভাল হৈছিল; কিন্তু ক'ভিডত ব্যৱসায় সম্পূৰ্ণৰূপে বন্ধ থাকিল। নতুন এছ অ' পি মতে ব্যৱসায়তো বাধা আহিল। কাৰণ শান্তিপুৰৰ পৰা আহিবলৈ মোৰ কোনো বাহন নাই। সেয়েহে বহুদিন ধৰি ব্যৱসায় কৰিব পৰা নাছিলো। মাজতে ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱা বাবে দোকান আৰম্ভ কৰিছিলো যদিও পেট্ৰ'লজাত সামগ্ৰীৰ সমান্তৰালকৈ শাক-পাচলিৰ বজাৰতো জুই লাগিছে। পূৰ্বে ১০-২০ টকা কিলোত কিনা বিলাহী এতিয়া ৬০ টকাত পাইকাৰী বজাৰত আমি কিনিব লাগে। একেদৰে কেপচিকাম ১৪০ৰ পৰা ১৬০ টকাত কিলোত কিনিব লাগে। প্ৰতিটো সামগ্ৰীৰে অত্যধিক মূল্যবৃদ্ধি হৈছে। ইয়াৰ বিপৰীতে মানুহৰ আয় যথেষ্ট কম হৈছে বাবে প্ৰয়োজন অনুপাতে সামগ্ৰী ক্ৰয় নকৰে। অভাৱৰ মাজতে চলি অহাত বহুতে অসুবিধাৰ সন্মুখীন হৈছে। পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাত অনাগত দিনত ব্যৱসায় বন্ধ হ'লে এইবাৰ নিগমে মৰিব লাগিব। কাৰণ পূৰ্বৰ তলাবন্ধত একপ্ৰকাৰ কঁকাল ভাঙি গৈছে।'

উল্লেখ্য যে চৰকাৰে এককালীনভাৱে পদপথৰ ব্যৱসায়ীসকললৈ ঘোষণা কৰা ১০ হেজাৰ টকাৰ আৰ্থিক সাহায্য আজিও মজনুৱে পোৱা নাই। পিতৃ-মাতৃৰ লগতে এজন ককায়েকৰ অকাল মৃত্যুৰ পাছত গাঁৱৰ ঘৰত এতিয়া দমকলৰ মিস্ত্ৰি আৰু খেতি কৰা দুই জ্যেষ্ঠ ভ্ৰাতৃৰো অনুৰূপ অৱস্থা। চৰকাৰৰ কোনো আঁচনিয়ে গাঁৱৰ ঘৰখনকো ঢুকি নোপোৱা মজনুৱে দুই জ্যেষ্ঠ ভ্ৰাতৃৰ পৰিয়ালকো সময়সাপেক্ষে সহায় কৰিব লাগে। ইপিনে, পুত্ৰৰো অধ্যয়নৰ খৰচ বাঢ়ি অহাত চিন্তিত হৈ পৰিছে। সেয়েহে চৰকাৰৰ লাভজনক আঁচনিসমূহে তেওঁলোকৰ নিচিনা ক্ষুদ্ৰ ব্যৱসায়ীসকলকো যাতে সামৰি লয় তাৰ আশা কৰে। তদুপৰি দিনটোৰ কষ্টৰ ফলো বিচাৰে। সেয়েহে সময় থাকোতে পুনৰ যাতে চৰকাৰে ক'ভিডৰ বাবে তলাবন্ধ দিব লগীয়া নহয় তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

■ চাহাবুদ্দিন আহমেদ

# ডবকা সংৰক্ষিত বনাঞ্চল সুৰক্ষাৰ স্বাৰ্থত নগাঁৱৰ ১৫ প্ৰকৃতিপ্ৰেমী সংগঠনৰ জনজাগৰণ অভিযান



**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৩১ অক্টোবৰ ঃ** ডবকাৰ সংৰক্ষিত বনাঞ্চল শালবাগান ৰক্ষাৰ স্বাৰ্থত দল-সংগঠনৰ প্ৰতিবাদ আজিও অব্যাহত আছে। আজি দুপৰীয়া নগাঁৱৰ পৰা অহা ইলোৰা বিজ্ঞান মঞ্চ, গ্ৰীণ গাৰ্ড (অসম), হস্তীবন্ধু অসম, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলা সমিতি, লাওঁখোৱা বুঢ়া চাপৰি ছ'চাইটি, সমাজ সংস্কৃতি ইতিহাসমূলক সাময়ীক সভ্যতা, আধুনিক অসমীয়া সাপ্তাহিক কলংপাৰ, প্ৰকৃতি সংগঠন মাইহাং, সদৌ অসম কবি সন্মিলন, সদৌ অসম কবি চক্ৰ আদিকে ধৰি ১৫টাকৈ সংগঠনৰ প্ৰতিনিধি ডবকা সংৰক্ষিত বনাঞ্চলত উপস্থিত হয়। স্থানীয় ৰাইজৰ মাজত তেওঁলোকে পৰিৱেশ সম্পৰ্কে সচেতনা বৃদ্ধি কৰাৰ বাবে বক্তব্য আগবঢ়ায়। তদুপৰি ৰাইজৰ সচেতনা বৃদ্ধিৰ বাবে এজন প্ৰতিবাদকাৰীয়ে মুখত অক্সিজেন, মাস্ক আৰু পিঠিত চিলিণ্ডাৰ বান্ধি আৰু হাতত গছৰ পুলি লৈ এক অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে ধাৰাবাহিকভাৱে বিগত কে'বাদিনো ধৰি স্থানীয় ৰাইজ-আছু-আমছুকে ধৰি বিভিন্ন দল সংগঠনে প্ৰতিবাদৰ পাছত বন বিভাগৰ শীৰ্ষ বিষয়া আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ দুই বিষয়াই বিকল্প পথৰ বাবে অনুসন্ধান চলায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুদিন পূৰ্বে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে বনাঞ্চলখনত গছ নকটাকৈয়ে বিকল্প পথৰ ব্যৱস্থা কৰিব পৰা যায় নেকি সেয়া পুনৰ বন বিভাগে চাব। মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়াৰ পাছতো ৰাইজ সাব্যস্ত হ'ব পৰা নাই। ৰাইজৰ দাবী যেতিয়ালৈকে বিকল্প পথ নিৰ্মাণৰ কাম ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে আৰম্ভ নকৰে নতুবা বন বিভাগে লিখিতভাৱে ৰাইজক গছ কটা নহ'ব বুলি অৱগত নকৰে, তেতিয়ালৈকে প্ৰতিবাদ অব্যাহত থাকিব। ইপিনে, হোজাই জিলা আমছুৱে আজিৰ পৰা গণ স্বাক্ষৰ অভিযান আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে অহা ১০দিন পৰ্যন্ত হোজাই জিলাত গণ স্বাক্ষৰ গ্ৰহণ কৰি শালগছ কটা বন্ধ কৰাৰ দাবীৰে কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰাৰ কথা সংগঠনটোৱে সদৰী কৰিছে।

# তামাৰহাটত ঘৰত জুই লাগি জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু শিশুৰ

**শ্ৰীৰামপুৰ, ৩১ অক্টোবৰ ঃ** তামাৰহাট আৰক্ষী থানাৰ অন্তৰ্গত নাটাবাৰী তিনি নম্বৰ খণ্ড গাঁৱত আজি সন্ধিয়া সংঘটিত এক অগ্নিকাণ্ডত এটি ন বছৰীয়া শিশুৰ মৃত্যুৰ ঘটনাই শোকৰ ছাঁ পেলাইছে। গাঁওখনৰ বাসিন্দা কোৰাণ আলীৰ ঘৰত এই ঘটনা সংঘটিত হয়। ইটাভাটাত কাম কৰা আলীৰ ঘৰত আজি সন্ধিয়া জুইৰ সূত্ৰপাত হয়। স্থানীয় ৰাইজে জুই নুমাবলৈ চেষ্টা কৰে যদিও মুহূৰ্ততে জুয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰে। ফলত চাৰিটা ঘৰ জুইত জাহ যায়। কোৰাণ আলীৰ ঘৰত সেই সময়ত খেলি আছিল চুবুৰীয়া জালাল উদ্দিনৰ নবছৰীয়া কন্যা ৰেশমিনাই। জুই লগাৰ ফলত ঘৰৰ ভিতৰত থকা সকলোৱে দৌৰি বাহিৰত ওলাইছিল যদিও ৰেশমিনা আবদ্ধ হৈ পৰে। বহু সময়ৰ মূৰত জুই নুমুৱাত পুৰি যোৱা টিনপাতৰ তলৰ পৰা ৰাইজে ৰেশমিনাৰ দগ্ধ মৃত শৰীৰ উদ্ধাৰ কৰে। ৰেশমিনা ৬৩৬ নম্বৰ তামাৰহাট এন এন একাডেমীৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰী আছিল। শ্বৰ্টচাৰ্কিটৰ ফলত এই জুই লাগে বুলি সন্দেহ কৰা হৈছে। কমেও চাৰি লাখ টকাৰ সম্পত্তি আৰু নথিপত্ৰও জুইত জাহ যায়। ৰাইজে অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী পলমকৈ ঘটনাস্থলীত উপস্থিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে।

## তেজপুৰত নামঘৰীয়া সমাজৰ অভিৱৰ্তন আৰু সভা

# নিয়মীয়া আৰ্থিক অনুদান প্ৰদানৰ বাবে চৰকাৰলৈ আহ্বান



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩১ অক্টোবৰ ঃ** ৰাজ্যৰ জাতীয় জীৱন তথা সমাজ আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বৰভেটি স্বৰূপ নামঘৰসমূহৰ নামঘৰীয়াসকলে অতিশয় কষ্টকৰ আৰু সমস্যা বহুল জীৱন অতিবাহিত কৰিছে। চৰকাৰে শেহতীয়াকৈ নামঘৰীয়াসকলক যি এককালীন সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে সেই সাহায্য প্ৰকৃততে নামঘৰীয়াসকলে যাতে লাভ কৰে আৰু যথা সম্ভৱ শীঘ্ৰে লাভ কৰে তাৰ বাবে আহ্বান জনাইছে সদৌ অসম নামঘৰীয়া সমাজে। আজি তেজপুৰৰ ঐতিহাসিক গড়দৌল চৌহদত স্থাপিত গড়দৌল গজেন্দ্ৰ নামঘৰ প্ৰাংগণত অনুষ্ঠিত সদৌ অসম নামঘৰীয়া সমাজ আৰু শোণিতপুৰ জিলা সমিতিৰ সৌজন্যত অভিৱৰ্তন আৰু সাধাৰণ সভাত ৰাজ্যৰ নামঘৰীয়াসকলে সন্মুখীন হৈ অহা সমস্যা তথা পৰৱৰ্তী সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ আৰু কৰ্মৰাজিৰ লগতে গুৰুজনাই সৃষ্টি কৰি যোৱা কৃষ্টি সংস্কৃতিৰ প্ৰসাৰৰ বিষয়ে আলোচনা কৰা হয়। শোণিতপুৰ, বিশ্বনাথৰ লগতে যোৰহাট, লখিমপুৰকে ধৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পাঁচ শতাধিক নামঘৰীয়াৰ অংশগ্ৰহণেৰে অনুষ্ঠিত এই অভিৱৰ্তন আৰু সভাত সভাপতিত্ব কৰে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীনিকামূল সত্ৰৰ বুঢ়া ভকত পিতাম্বৰ বৰাই। এই বিশেষ সংগঠনটোৰ ৰাজ্যিক সম্পাদক ৰাতুল গোস্বামীয়ে পতাকা উত্তোলন কৰি নামঘৰীয়াসকলে পবিত্ৰ নামঘৰলৈ আগবঢ়াই অহা সেৱাৰ বিষয়ে উল্লেখ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ সৃষ্টি কলাক আগুৱাই নিয়া মূল কেন্দ্ৰ নামঘৰৰ প্ৰতি থকা অতুলনীয় অৱদানৰ শলাগ লয়। উক্ত অনুষ্ঠানটোত তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভাই বিশিষ্ট অতিথি আৰু তেজপুৰ ৰাজহ চক্ৰ বিষয়া পংকজ বৰাই সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে উষা অনিৰুদ্ধৰ স্মৃতি বিজৰিত তেজপুৰৰ ঐতিহাসিক গড়দৌলত অনুষ্ঠিত নামঘৰীয়াসকলৰ এই সমাবেশত জ্যোতি বিষ্ণুৰ গীতেৰে গুৰুজনাৰ অমৰ সৃষ্টিৰ ব্যাখ্যা আগবঢ়াই বিধায়ক ৰাভাই। তেওঁ কয় যে অসমীয়া সমাজৰ প্ৰাণকেন্দ্ৰ নামঘৰ উজ্বলাই ধৰ্মীয় ৰীতি নীতিৰে জীপাল কৰি ৰাখে নামঘৰীয়াসকলে। গাঁৱৰ প্ৰতিটো নামঘৰৰ চালিকা শক্তি নামঘৰীয়াসকল আৰ্থিকভাৱে দুৰ্বল আৰু জৰ্জৰিত অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখিয়েই বৰ্তমান ৰাজ্য চৰকাৰে নামঘৰীয়াসকলৰ প্ৰতি এককালীন অৰ্থ সাহায্য আগবঢ়োৱা কথা উল্লেখ কৰে বিধায়কজনে। উল্লেখ্য যে উক্ত সভাত নামঘৰীয়া সমাজে ৰাজ্য চৰকাৰৰ প্ৰতি নামঘৰীয়াসকলৰ বাবে এক মাহেকীয়া ভিত্তিত আৰ্থিক আঁচনি প্ৰদানৰ বাবে চৰকাৰৰ প্ৰতি জনোৱা আহ্বান সন্দৰ্ভত সমৰ্থন জনাই বিধায়ক ৰাভাই বিষয়টো ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ কৰাৰ লগতে নামঘৰীয়াসকলৰ এই আৰ্থিক সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰে। বিধায়ক ৰাভাই গুৰুজনাৰ অমৰ সৃষ্টিৰাজিৰ লগতে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই গীত মাতেৰে আগবঢ়োৱা অৱদানকো স্মৰণ কৰে। উল্লেখ্য যে উক্ত সভাতে নামঘৰীয়া সমাজৰ শোণিতপুৰ জিলা সমিতিয়ে ঐতিহাসিক গড় দৌল সংৰক্ষণৰ বিশেষ ব্যৱস্থা গ্ৰহণৰ লগতে সদৌ অসম নামঘৰীয়া সমাজৰ কৃষ্টি বিকাশ কেন্দ্ৰটো এই গড় দৌলতে স্থাপনৰ আহ্বানৰে এখন স্মাৰকপত্ৰ বিধায়ক ৰাভাৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ৰাজ্যখনৰ বিভিন্ন জিলাৰ পৰা অহা নামঘৰীয়াসকলৰ বহুজনেই তেওঁলোকৰ চৰম আৰ্থিক অনাটনৰ বিষয়ে উল্লেখ কৰি কয় যে বহু সময়ত তেওঁলোকে আনকি চিকিৎসাৰ বাবে ঘৰৰ মাটি সম্পত্তি সকলো বিক্ৰী কৰিবলগীয়া হৈছে। একাংশ নামঘৰীয়াই নামঘৰৰ বন্তিগজ দৈনিক প্ৰজ্বলিত কৰি ৰখাৰ বাবেও ইজন সিজনৰ ওচৰত হাত পাতিবলগীয়া একোটা পৰিস্থিতি হোৱা বুলিও ব্যক্ত কৰে। আনহাতে, এই অভিৱৰ্তন আৰু সাধাৰণ সভাৰ উদযাপন সমিতিৰ সম্পাদক অসীম শইকীয়াই এই গড় দৌলতে তেজপুৰৰ বিশিষ্ট ভাৱৰীয়া প্ৰয়াত প্ৰফুল্ল শইকীয়া আৰু তেওঁৰ একাংশ সহযোগীয়ে ১৯৯৮ত তিনিদিনীয়াকৈ সদৌ অসম ভিত্তিত ভাওনা সমাৰোহ অনুষ্ঠিত কৰাৰ স্মৃতি ৰোমন্থন কৰি ভৱিষ্যতে নামঘৰীয়া সমাজে এই ঐতিহাসিক ক্ষেত্ৰত এই ভাওনা সমাৰোহ অনুষ্ঠিত কৰাৰ আশা ব্যক্ত কৰে। উল্লেখযোগ্য যে নামঘৰীয়া সমাজে তেজপুৰৰ পুৰাতত্ত্ব যুগৰ ক্ষেত্ৰখনতে সমাজৰ কেন্দ্ৰীয় নামঘৰটি স্থাপনৰ বাবে চৰকাৰৰ পৰা সহায় বিচাৰিছে বুলি নামঘৰীয়া সমাজৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক ধ্ৰুৱ বণিয়াই মন্তব্য কৰে।

# বইটামাৰীত ২২টাকৈ গৰুসহ ট্ৰাক জব্দ আৰক্ষীৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৩১ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ আৰক্ষীৰ দলে আজি বঙাইগাঁও জিলাৰ মাজেৰে পাৰ হ'বলৈ ধৰা এখন ট্ৰাকসহ ২২টা গৰু জব্দ কৰে। জিলাখনৰ অভয়াপুৰী থানাৰ অধীনৰ বইটামাৰী উপ-আৰক্ষী চকীৰ সমীপৰ ৩১ নম্বৰ ঘাইপথেৰে পাৰ হ'বলৈ ধৰোতে ইউ পি ২১ বি এন ৮২১৪ নম্বৰৰ গৰু ভৰ্তি ট্ৰাকখন জব্দ কৰে। বিহাৰৰ কিষাণগঞ্জৰ পৰা বৰপেটা ৰোড অভিমুখে গৈ থাকোতে গৰুকেইটা জব্দ কৰে। বঙাইগাঁও আৰক্ষীয়ে বইটামাৰীত ট্ৰাকসহ গৰুসমূহ ৰাখি তদন্ত অব্যাহত ৰখাৰ লগতে বৰপেটা আৰক্ষীৰ স'তে যোগাযোগ কৰিছে বুলি বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই সদৰী কৰিছে।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com